চেখভৰ অনুপম গল্প

শ্ৰীঅনিল কুমাৰ শৰ্ম্মা, এম. কম.

গুৱাহাটী বিশ্ববিদ্যালয়

CHEKHOVOR ANUPAM GALPA, Short Stories of A. P. Chekhov translated by Sri Anil Kumar Sarma M. Com., Gauhati University, Jalukbari from the original book titled Short Novels and Stories translated from the Russian by Ivy Litvinov and published by Foreign Languages Publishing House, Moscow.

প্ৰকাশিকা ঃ
শ্ৰীমতী মিনতি শৰ্ম্মা, বি-এ
জালুকবাৰী

চিত্ৰ শিল্পী ঃ
শ্ৰীকামাখ্যা দত্ত,

প্ৰথম প্ৰকাশ ঃ ১৯৬২

মূল্য ঃ ৩৲ তিনি টকা মাত্ৰ

মুদ্ৰক ঃ
শ্ৰীপবিত্ৰ কুমাৰ তালুকদাৰ
লাৱণ্য প্ৰেছ, গুৱাহাটী ।

চেখভৰ অনুপম গল্প

STATE CENTRAL LIBRARY
ASSAM

। সূচী ॥

কেৰাণী এজনৰ মৃত্যু ১
অস্থিৰ মনৰ মানুহজন ৮
মুখা ১৬
শোকাতুৰ ২৭
ভাংকা ৩৮
দুজন বিৰোধী ৪৬
এটা নিৰস গল্প ৬৯
এটা কবিতাৰ বিলৈ ১৪৭

এণ্টন্ চেখভ্

জন্ম—১৮৬০ মৃত্যু—১৯০৪

এণ্টন্ চেখভ্ সম্পৰ্কে দুআষাৰ

চুটি গল্প জনপ্ৰিয় কৰাত দুজন লেখকৰ অৱদান আন সকলোতকৈ বেচি। এজন ফৰাচী লেখক মোপাচাঁ আৰু আৰু আন জন ৰুচ লেখক এণ্টন্ চেখভ্। এজন মুক্ত বহুতীয়াৰ (Ex-serf) লৰা আছিল চেখভ্। ১৮৬০ চনত টেগান্‌ৰোগ নামে এখন চহৰত তেওঁৰ জন্ম হয়। ১৮৭৯ চনত স্নাতক হৈ মস্কো বিশ্ববিদ্যালয়ৰ পৰা ১৮৮৪ চনত চিকিৎসা বিজ্ঞানত উপাধি লয়। কেইবছৰমান ডাক্তৰি ব্যৱসায় কৰি এৰি দিয়ে আৰু সাহিত্য ৰচনাত একাণপতীয়া ভাবে মনোনিৱেশ কৰে। তেওঁৰ কাপৰ পৰা ওলোৱা প্ৰথম গল্প প্ৰকাশ হয় ১৮৮০ চনত। ১৮৯১ চনত তেওঁ ইটালি, ফ্ৰান্স, অষ্ট্ৰিয়া আদি দেশ পৰিভ্ৰমণ কৰি যথেষ্ট অভিজ্ঞতা সঞ্চয় কৰে। ১৯০১ চনত ওল্‌গা নিপ্পাৰ নামৰ এগৰাকী অভিনেত্ৰীক বিয়া কৰায়। অলপ পাচতে তেওঁ যক্ষ্মা ৰোগত আক্ৰান্ত হয়। অৱশ্যে ১৮৮০ চনৰ পৰাই তেওঁ এই বেমাৰত ভুগিছিল। কিন্তু বিয়া কৰোৱাৰ পাছৰ পৰাই বেমাৰ বেচি হয়। ১৯০৪ চনত তেওঁৰ সেই ৰোগতে মৃত্যু হয়।

গগলৰ দৰে চেখভৰ ৰচনাত ছুটা প্ৰধান বৈশিষ্ট্য লক্ষ্য কৰা যায়—প্ৰথমটো হ'ল তেওঁৰ ৰসিকতা (sense of humour) আৰু আনটো জীৱনৰ গভীৰ বেদনা সম্পৰ্কে সচেতনতা (sense of tragedy in life)। সাহিত্যক জীৱনৰ প্ৰথমছোৱা কালত ৰচনা কৰা গল্প সমূহক হাস্যৰসাত্মক চিত্ৰ বুলিব পাৰি। সেই কাৰণেই এজন ৰক্ষণশীল সমালোচকে তেওঁৰ গল্প পঢ়ি আক্ষেপ কৰিছিল যে চেখভৰ দৰে এজন প্ৰতিভাবান যুৱকে মানুহক হঁহুৱাবলৈ গল্প লিখি সময় নষ্ট কৰা অনুচিত। (It is too bad that such a talented young man should spend all his time making people laugh)। অৱশ্যে অভিজ্ঞতা পূৰ্ণ হৈ অহাৰ লগে লগে খুহুতীয়া ৰচনা লেখিবলৈ এৰি জীৱনৰ এন্ধাৰ, বিষাদঘন দিশটো ফুটাই তুলিবলৈ আৰম্ভ কৰে। ১৮৮৮-১৯০০ চনৰ ভিতৰত ৰচনা কৰা গল্প আৰু নাট করুণ ৰসাত্মক। জীৱনৰ শেষৰ তিনি-চাৰি বছৰৰ ৰচনাত ৰুচদেশৰ শোচনীয় ছুৰৱস্থাৰ চিত্ৰ আঁকি অদূৰ ভৱিষ্যতত বিপ্লৱৰ সম্ভাৱনাৰ সংকেত দিছিল।

চেখভৰ ৰচনা ভাৱাৱেগ প্ৰধান নহয়। আৰু সেই কাৰণে গল্পসমূহত হৃদয়াৱেগৰ ঠাইত প্ৰায়ে বুদ্ধিনিষ্ঠতাৰহে পৰিচয় পোৱা যায়। নৈৰ্ব্যক্তিকতা তেওঁৰ ৰচনাৰ আন এটি বিশেষত্ব। যদিও চেখভৰ ৰচনাত টলষ্টয়ৰ বিপুল শক্তিমত্তা, ডষ্টেভ্স্কিৰ বিশ্বজোৰা সহানুভূতি আৰু টুৰ্গেনিভৰ নিখুঁত

কলা নাই, তথাপি তেওঁৰ ৰচনা ৰুচদেশৰ সমসাময়িক জীৱনৰ সুন্দৰ ব্যাখ্যা বুলিব পাৰি। সূক্ষ্ম দৃষ্টি, ভাৱাবেগহীন, (non-sentimental) নিৰপেক্ষ ৰূপায়ণে তেওঁৰ গল্প আৰু নাটকসমূহক স্বকীয় সৌন্দৰ্য্য দান কৰিছে।

চেখভৰ গল্পসমূহৰ দুই চাৰিটা ইতিপূৰ্ব্বে অসমীয়াত অনুদিত হৈছে যদিও পুথিৰ আকাৰত কোনো সংকলন এতিয়ালৈকে প্ৰকাশ হোৱা নাই। বিদেশী সাহিত্যৰ শ্ৰেষ্ঠ সম্ভাৰ আহৰণ কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰাত শ্ৰীঅনিল কুমাৰ শৰ্ম্মাই যি অৰিহণা যোগাইছে সি সামান্য হ'লেও মূল্যহীন নহয়। সাহিত্যৰ ক্ষেত্ৰত শ্ৰীশৰ্ম্মাই নতুনকৈ প্ৰবেশ কৰিছে যদিও হাত কেঁচা নহয়। অৱশ্যে পুৰণি লেখক হ'লেই যে সদায় ভাল হ'ব এনে কোনো সূত্ৰ নাই। মহাকৱি কালিদাসে সেই দেখিয়েই কৈছে,

'পুৰাণমিত্যেৱ ন সাধু সৰ্ব্বং ন চাপি কাব্যং নৱমিত্যৱদ্যম্
সন্তঃ পৰীক্ষ্যান্যতৰদ্ভজন্তে মূঢ়ঃ পৰপ্ৰত্যয়নেয়বুদ্ধিঃ।'

সন্ত আৰু ৰসজ্ঞসকলে চাকি চাইহে ভাল-বেয়া মতামত দিয়ে, পুৰণি বা নতুন বুলি নহয়। কেৱল মূৰ্খইহে নিজে বিচাৰ নকৰি আনৰ মতামত গ্ৰহণ কৰে। গতিকে সহৃদয় পাঠকলৈ পুথিৰ গুণাগুণ সম্পৰ্কে মতামতৰ শেষ দায়িত্ব এৰি দিয়া হ'ল।

গুৱাহাটী। **শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা**
২০।৬।৬২

পাতনি

আন্তন্ পাভ্‌লোভিচ্ চেখভক (১৮৬০-১৯০৪) অসমীয়া পাঠকসমাজৰ সৈতে নতুনকৈ পৰিচয় কৰি দিয়াৰ প্ৰয়োজন নাই। চুটিগল্পৰ ওস্তাদ চেখভে তেওঁৰ যুগজয়ী গল্পৰাজিৰ দ্বাৰা ইতিমধ্যে বিশ্বজোৰা খ্যাতি অৰ্জ্জন কৰিছে। যোৱা ১৯৬০ চনত এইজনা অপ্ৰমাদী ৰুচ সাহিত্যিকৰ জন্ম শতবাৰ্ষিকী বিশ্বজুৰি পালন কৰা হৈছে।

১৮৬০ চনৰ ২৯ জানুৱাৰী তাৰিখে ৰুচ দেশৰ অন্তৰ্গত টাগান্‌ৰগ নগৰীৰ এটি দৰিদ্ৰ পৰিয়ালত চেখভৰ জন্ম হয়। দেউতাক আছিল এজন সাধাৰণ দোকানী। চেখভৰ বাল্য-কালতেই পৰিয়ালৰ আৰ্থিক অৱস্থা আৰু শোচনীয় হয়। গতিকে নিচেই কম বয়সৰ পৰাই চেখভে আৰ্থিক দুৰ্য্যোগৰ বিৰুদ্ধে অবিৰাম যুঁজ দিবলগীয়া হৈছিল। কিন্তু আওপাকে এই দাৰিদ্ৰ্যই চেখভৰ কাৰণে হৈ পৰিছিল আশীৰ্ব্বাদ স্বৰূপ। তেওঁ নিজ অভিজ্ঞতাৰ পৰা সমসাময়িক ৰুচ সমাজ-খনক আঁহে আঁহে বুজিবলৈ সুযোগ পাইছিল।

ঊনবিংশ শতিকাৰ শেষ ছোৱা ৰুচিয়াৰ ইতিহাসত নৱ-জাগৰণৰ যুগ বুলিব পাৰি। এইকালে স্বেচ্ছাচাৰী জাৰ ৰজা-

সকল আৰু প্ৰতিক্ৰিয়াশীল শাসকগোষ্ঠীৰ নিৰ্ম্মম শাসন আৰু আনফালে প্ৰজাসাধাৰণৰ মুক্তি সংগ্ৰাম। ৰুচ সমাজৰ এনে এটা সংকটপূৰ্ণ সন্ধিক্ষণতে জন্ম হৈছিল চেখভৰ। চেখভৰ চকুৰ আগত ভাহি উঠিছিল তদানীন্তন সামন্ততান্ত্ৰিক দুৰ্নীতিৰ বীভৎস ছবি, আমোল্লাতান্ত্ৰিক সমাজখনৰ স্থূলতা আৰু আদৰ্শ-হীনতা। তেওঁ দেখিছিল জাৰৰ শাসনত পদানত হৈ থকা অগনন জনগনৰ যন্ত্ৰণা-প্ৰপীড়িত-বুভুক্ষু কৃষক বনুৱাৰ দুঃখ বেদনা। এনে এখন দুৰ্ব্বহ, ঘৃণিত ৰুচ সমাজৰ হুবহু ছবি অঙ্কন কৰিছে চেখভে তেওঁৰ গল্পৰাজিৰ মাজেৰে। সেয়ে তেওঁৰ গল্পবোৰ কল্পনাপ্ৰধান নহৈ হৈ পৰিছিল অতিশয় বাস্তৱধৰ্ম্মী। চেখভে বিচাৰিছিল জাৰ শাসনৰ অন্যায় অত্যাচাৰ, কুসংস্কাৰ আৰু অন্ধবিশ্বাসেৰে ভৰা সমাজখনক বিৰাট পৰিবৰ্ত্তন। বিশৃঙ্খল আৰু দুৰ্নীতিপৰায়ণ সমাজখনৰ সংস্কাৰ কৰি পদদলিত জনগনৰ মুক্তি কামনাই আছিল চেকভৰ চৰম লক্ষ্য। তেওঁ বিচাৰিছিল মানবৰ দৈহিক আৰু মানসিক উভয়বিধ মুক্তি। ইয়াৰ মূলতে আছিল মানৱ-জাতিৰ প্ৰতি তেওঁৰ প্ৰগাঢ় শ্ৰদ্ধা আৰু ভালপোৱা। মানৱৰ ভবিষ্যত সম্বন্ধে চেখভ আছিল সদায় আশাবাদী (The greatest optimist)। সেয়ে তেওঁৰ সমসাময়িক মোপাছাঁৰ ৰচনাত পোৱা জীৱনৰ ৰিক্ততা আৰু হতাশাৰ পৰিবৰ্ত্তে তেওঁৰ ৰচনাত পোৱা যায় জীয়াই থকাৰ এক গভীৰ আশা। টলষ্টয়ৰ "এজন মানুহৰ কিমান মাটিৰ প্ৰয়োজন" গল্পটোৰ

প্ৰতিবাদ কৰিয়েই যেন তেওঁ লিখিছিল—"It is customary to affirm that man needs but seven feet of earth. That, however, will suffice only for a corpse. A human being needs more than seven feet, more than a whole estate—he needs the whole world."

অতি কম বয়সতে চেখভৰ সাহিত্যিক জীৱনৰ আৰম্ভ হয়। চিকিৎসা বিষয়ৰ ছাত্ৰহিচাবে বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতেই চেখভে কিছুমান ধেমেলীয়া গল্প লিখিবলৈ আৰম্ভ কৰে বিশেষকৈ অৰ্থলাভৰ উপায় স্বৰূপে। ১৮৮৪ চনত ডাক্তৰী পৰীক্ষা পাছ কৰি চেখভে অস্থায়ীভাবে চৰকাৰী জীৱনৰ পাতনি মেলে। এই সময়ৰ পৰাই তেওঁ একান্তপতীয়াকৈ সাহিত্যচৰ্চ্চাত মনোনিবেশ কৰে। কিন্তু এই সময়তে তেওঁৰ গাত মাৰাত্মক যক্ষ্মা বেমাৰে দেখা দিয়ে। সেইবুলি ৰোগে পৰাজয় স্বীকাৰ কৰাব পৰা বিধৰ মানুহ চেখভ নাছিল। ১৮৮৬ চনত এবছৰৰ ভিতৰতে চেখভে এশতকৈয়ো বেচি গল্প লিখে। মাত্ৰ চুকুৰি চাৰি বছৰীয়া চমু জীৱনতে চেখভে এৰি থৈ যায় কেইবাশও গল্প আৰু পাঁচখন উৎকৃষ্ট নাটক—তেওঁৰ অমৰ সৃষ্টিৰ স্বাক্ষৰ স্বৰূপে।

গল্পকাৰ হিচাবে ৰুচ্ সাহিত্যত চেখভ আছিল অপ্ৰতিদ্বন্দ্বী। স্বয়ং টলষ্টয়ে কৈছে—"Chekhov is an incom-

parable artist. Yes, that is the word incomparable............ He is an artist of life." বিশ্ব-সাহিত্যত চেখভৰ গল্পৰ এটা স্বকীয় বৈশিষ্ট্য আছে। তেওঁৰ গল্পত কোনো বিশেষ প্লট নাই, কাহিনী ভাগ তেনেই সাধাৰণ। জীৱনৰ এটি সাধাৰণ মুহূৰ্ত্ত, আনৰ চকুত নপৰা এটি সাধাৰণ ঘটনাই আছিল তেওঁৰ গল্পৰ ঘাই সম্বল। কিন্তু এইবোৰৰ মাজেৰেই তেওঁ পৰিষ্কাৰকৈ দাঙি ধৰিছে মানৱ চৰিত্ৰৰ একো একোটা বিশিষ্ট ফাল। তেওঁৰ গল্পবোৰৰ আকৰ্ষণৰ প্ৰধান সম্বল হৈছে এইবোৰ তেওঁৰ কিছুমান গভীৰ উপলব্ধিৰ প্ৰকাশ। সেই কাৰণেই তেওঁৰ গল্পৰ নায়ক-নায়িকাবোৰক বেলেগ বেলেগ পৰিবেশত আমাৰেই একোজনৰ দৰে লাগে। চেখভ আছিল সত্যৰ প্ৰচাৰক। সমাজৰ বিশেষকৈ মধ্যবিত্তশ্ৰেণীৰ মাজত চলি থকা কিছুমান অন্ধবিশ্বাস, নীচতা, খিয়লাখিয়লি, গতানুগতিকতা আদিৰ পোনপতীয়া নিন্দা বা বক্ৰোক্তি কৰিছে তেওঁ গল্পবোৰৰ মাজেদি। তেওঁৰ গল্পবোৰৰ আকৰ্ষণৰ আন এটা কাৰণ এই যে এইবোৰৰ গুৰিতে আছে জীৱনৰ তিতা-কেহা দুখ-কান্দোনবোৰৰ বিৰুদ্ধে হাঁহি হাঁহি থিয় দিয়া তেওঁৰ গুণটো। বাস্তৱৰ নিষ্ঠুৰ শক্তিবোৰে যিমানেই তেওঁক চাৰিওফালৰ পৰা হেঁচা দি ধৰিছিল, সিমানেই মনুষ্য জীৱনৰ গৌৰৱ আৰু মৰ্য্যাদাৰ দাবী অক্ষুণ্ণ ৰাখিবলৈ তেওঁ হৈ পৰিছিল একাগ্ৰ আৰু অপৰাজেয়।

এজন মদপী ধনী ব্যৱসায়ীয়ে কেনেকৈ তেওঁৰ ছুই এক মহাসুভৱতাৰে আনসকলৰ মনত এটা ভয়ৰ চাপ পেলাইছিল তাক চেখভে ফুটাই তুলিছে 'মুখা' নামৰ গল্পটোত। এই গল্পটোৰ জৰিয়তে তেওঁ দেখুৱাইছে যে সমাজৰ তথাকথিত শিক্ষিতসকলৰ মনবোৰো দাসত্ব মনোবৃত্তিৰ পৰা একেবাৰে মুক্ত নহয়। আকৌ থিয়েটাৰ ঘৰৰ ভিতৰত হাঁচি মৰাটোৱেই এজনৰ মৃত্যুৰ কাৰণ হৈ পৰিলগৈ। কিয়? কাৰণ তেওঁ হাঁচি মাৰোতে তপামূৰীয়া এজন চৰকাৰী উচ্চ বিষয়া ওচৰত আছিল। আৰু এইটো তলতীয়া এজনৰ কাৰণে নিশ্চয় দোষৰ কথা। এনেকুৱা সমাজ এখনৰ চিত্ৰ আঁকিছে চেখভে 'কেৰানী এজনৰ মৃত্যু' নামৰ গল্পটোত। আকৌ অৱস্থাৰ সুযোগ বিচাৰি নিজকে বচাই ৰখাৰ আৰু পাৰিলে উন্নত কৰাৰ মনোবৃত্তিৰে জুৰুলা সমাজ এখনৰ আমি সহজেই কল্পনা কৰিব পাৰোঁ। 'অস্থিৰ মনৰ মানুহজন'ৰ অচ্ছুমেলভৰ কাৰ্য্যকলাপৰ পৰা। গল্পটো পঢ়ি যাওঁতেই যেন কুকুৰটোৰ গোঁ-গোঁৱনী আমাৰ কাণত পৰি যায়। অচ্ছুমেলভৰ ওপৰত খং উঠাতকৈও আমাৰ তেওঁৰ প্ৰতি পুতৌহে ওপজে। এই খিনিতেই চেখভৰ বাহাদুৰী। জীৱনটোৰ ওপৰেদি হাঁহি-কান্দোন, তিতা-কেহা, আনন্দ-অশ্ৰুবোৰে কেনেকৈ বাগৰ সলাই গৈ থাকে তাক উপলব্ধি কৰোঁহক 'ভীতি' নামৰ গল্পটোত। গল্পটোত ব্যঙ্গ আৰু করুণ ছুয়োটা ৰসকেই পোৱা যায়। মনুষ্য জীৱনৰ ওপৰত নিয়তিৰ প্ৰবল প্ৰভাৱৰ কথাও এই গল্পটোত চেখভে আমাক

দেখুৱাইছে। গল্পটো পঢ়ি গাৰীচালক গিৰিয়েকজনৰ দৰে আমাৰো ভাবিবৰ মন যায়, 'এৰা জীৱনটোৰ ঘটনাবোৰ যে ইমান সোনকালে ঘটি যায়!'' "দুজন বিৰোধী" গল্পটোত তেওঁ কিৰিলভ আৰু এবগিনৰ দুখৰ বৰ্ণনা দিছে। এজনৰ দুখ অন্তৰৰ আৰু আনজনৰ বাহ্যিক আৰু লৌকিক। কিৰিলভৰ্ শোকত যেন সকলোৱেই ম্ৰিয়মান। শোকত বিহ্বল হৈ মৌনভাবে ইটোৰ পৰা সিটো কোঠালৈ ঘূৰি ফুৰা দুৰ্ভগীয়া ডাক্তৰ জনক যেন আমিও এষাব সান্ত্বনাৰ বাণী শুনাম। আনহাতে এবগিনৰ দুখৰ বৰ্ণনা অকল কিৰিলভৰে কিয়, আমাৰো অলপ আচৰিত যেন লগা নাই জানো? প্ৰকৃত 'ডাঙৰ মানুহ' কোন সেইটো চেখভে আমাক সুন্দৰকৈ দেখুৱাইছে "এটি কৰিওৰ বিলৈ" গল্প-টোত। গোটেই জীৱনটো ডাঙৰ মানুহ বিচাৰি ফুৰা ওল্‌গা আইভানোভ্‌নাই বুজি নাপালে যে সদায় তেওঁৰ গাতে লাগি থকা মানুহজনতকৈ ডাঙৰ মানুহ এই পৃথিৱীতেই খুব কম। প্ৰকৃত মহৎজনৰ আৰু মহানতাৰ আখৰা কৰা সকলৰ মাজত থকা প্ৰভেদটোৰ ইয়াতকৈ আৰু সহজ বা বিষদ বিৱৰণৰ আৱশ্যক আছে জানো? ৰক্ষণশীল সমাজ এখনত বুদ্ধিজীৱিসকলৰ দুৰ্দ্দশাত আমাৰো মন কান্দি উঠিব খোজে "নীৰস গল্প"টো পঢ়ি। এনে এখন সমাজ তেওঁলোকৰ কাৰণে এটা বিৰাট অন্তৰায়। গভীৰ চিন্তা বা গৱেষণাৰ কাৰণে কোনো অনুপ্ৰেৰণাকে এনে এখন সমাজৰ পৰা

আশা কৰিব নোৱাৰি। গোটেই জীৱন অধ্যয়নত ব্যস্ত থাকিও বাষষ্টিবছৰীয়া বৃদ্ধজনে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে জীৱনৰ কোনো সমস্যাৰে সমাধান কাৰবলৈ তেওঁ অপাৰগ। কি কৰা উচিত, ইয়াৰ উত্তৰ দিবলৈ তেওঁ অক্ষম। নিজৰ পৰাজয় তেওঁ মানি লৈছে। এই কি কৰা উচিত, প্ৰশ্নৰ সন্মুখীন অকল এই বৃদ্ধই হোৱা নাই, হৈছিল সেই সময়ৰ গোটেই ৰুচবাসীয়েই। সমাজৰ বহুত কথা বেয়া বুলি জানিও সেইবোৰৰ বিৰুদ্ধে থিয় দিয়াৰ মনোবল বৃদ্ধৰ নাই। তেওঁৰ দৰে অনেকেই হয়তো একেধৰণেই জৰ্জ্জৰিত হৈছে, মন ভাঙি পেলাইছে। কিন্তু এই ৰক্ষণশীলতাৰ পৰা ওলাই অহাৰ সাহখিনি তেওঁলোকে গোটাব পৰা নাই। ইয়াৰ ঘাই কাৰণ হৈছে তেওঁলোকৰ চিন্তাধাৰাত কোনো এক নিৰ্দ্দিষ্টতা নাই। মাত্ৰ গতানুগতিকতাত তেওঁলোক আগবাঢ়ি গৈছে। * * *

বৰ্ত্তমান যুগত চেখভৰ গল্পবোৰে বিশ্বজুৰি অশেষ জনপ্ৰিয়তা লাভ কৰিছে। পৃথিবীৰ প্ৰায়বিলাক ভাষালৈকে এইবোৰ অনুদিত হৈছে। এই অসমীয়া অনুবাদ কেইটায়ো ৰাইজৰ মৰম পাব বুলি আশা কৰিলো। বৰ খৰখেদাকৈ ছপা কামখিনি কৰিব লগা হোৱাত কিছুমান ভুল-ভ্ৰান্তি বৈ যোৱা স্বাভাবিক। তদুপৰি এই লিখকেই বা কিমান পানীৰ মাছ ? গতিকে পঢ়ুৱৈসকলে যেন আমাক সেইবোৰৰ বাবে ক্ষমা কৰে, এয়ে মিনতি। ছপাখানাৰ সংক্ৰান্তত লাৱণ্য

প্ৰেছৰ শ্ৰীপৱিত্ৰ তালুকদাৰৰ শলাগ নল'লে দোষ হ'ব। তেখেতে নিজে বিশেষ যত্ন লৈ কিতাপখনৰ ব্লক আদি যুগুত কৰিছে। তেখেতক আকৌ দিগদাৰি দিয়াৰ ইচ্ছা থাকিল। 'অনিল, গল্প কেইটা হ'লগৈনে?' মুখত এটা মিঠা খণ্ড লৈ ডক্টৰ প্ৰফুল্লদত্ত গোস্বামীয়ে সঘনে মোক এই প্ৰশ্ন কৰি নথকা হ'লে হয়তো কিতাপখনৰ প্ৰস্তুতিত বহু পলম হৈ গ'লহেঁতেন। তেখেতে অৱশ্যে প্ৰশ্নটো কৰিয়েই ক্ষান্ত নাথাকি লিখাখিনি নিজে চাই মেলি ভালেখিনি আসোঁৱাহ দূৰ কৰি দিছে। আনৰ কৃতিত্বত আন্তৰিক আনন্দ পোৱা অতি কম মানুহৰ ভিতৰত আমাৰ গোস্বামীদেৱ অন্যতম। গল্প কেইটা পঢ়ি ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্ম্মাই শলাগিলে আৰু লগতে দুআষাৰ লিখিও দিলে। এনে একোজন ব্যক্তিৰ শলাগনি আমাৰ কাৰণে আশীষ নিৰ্ম্মালি। সহকৰ্ম্মী শ্ৰীসুৰেন্দ্ৰ নাথ দাসক মোৰ ককাইদেউৰ দৰে উৎপাত কৰিছো। তেখেতে কিতাপখনৰ প্ৰুফ্‌টো প্ৰেছৰ পৰা এদিন পলমকৈ আনিলেও ওফোন্দ পাতোঁ। অৱশ্যে সদায়েই তেখেতৰ পৰা ককাইদেউৰ মৰম খিনি পাই নথকা হ'লে এই উৎপাতৰ সৎসাহখিনি মোৰ নহ'লহেঁতেন। আৰ্হি-লিপি আদি শুধৰাই দিয়াৰ উপৰিও আন নানা ভাৱে সহায় কৰাৰ কাৰণে শ্ৰীমান ভৱপ্ৰসাদ চলিহাক অন্তৰেৰে ধন্যবাদ জনাইছো আৰু লগতে তেওঁৰ সোণালী ভৱিষ্যতৰো কামনা কৰিছো। কিতাপখনৰ বেলিকা মিনতি শৰ্ম্মাৰ নাম লোৱাৰ উদ্দেশ্য প্ৰায় নাছিলেই।

কাৰণ এই কিতাপখন মোৰ সুবুলি মিনতি শৰ্ম্মাৰ বুলি ক'লেও মোৰ প্ৰতি বিশেষ অন্যায় কৰা নহ'ব। ঘৰুৱা সকলো জঞ্জালৰ পৰাই মোক আঁতৰত ৰখাৰ উপৰিও তেওঁ বহুত উপদেশেৰে কিতাপখনি চহকী কৰিছে।

শেষত পুনৰ ৰাইজৰ মৰমৰ আশা ৰাখি সামৰিলো।

জালুকবাৰী,
১৪।৭।৬২

শ্ৰীঅনিল কুমাৰ শৰ্ম্মা

কেৰানী এজনৰ মৃত্যু

ধুনীয়া জোনাক নিশাটো। সুদক্ষ কেৰাণী আইভান ডিমিত্রিচ চাৰভাকভে থিয়েটাৰ ঘৰৰ দ্বিতীয় শাৰীৰ আসন এখনত বহি চকুত দূৰবীক্ষণটো দি একাত্মমনে ৰঙ্গমঞ্চলৈ চাই আছিল। তেওঁতকৈ সুখী সেই মুহূৰ্ত্তত যেন আৰু কেও নাই। কিন্তু হঠাতে যে কিখন হৈ গ'ল! কাৰণ দৰ্শাব নোৱাৰা জীৱনৰ অনেক ঘটনাৰ ইও এটা। হঠাতেই আইভানৰ কপালত গাঁঠি পৰিল; উৰ্দ্ধমুখী হৈ তেওঁ চাবলৈ ধৰিলে আৰু তেওঁৰ

উশাহ নিবোধ হোৱা যেন হ'ল। চকুৰ পৰা দূৰবীক্ষণটো আঁতৰাই তেওঁ কুচিমুচি বহি পৰিল।

এটা শব্দ। কিহৰ শব্দ? তেওঁ হাঁচিওৱাৰ শব্দ। কিন্তু তাৰ বাবে ইমান তেওঁ ভয় খাইছে কিয়? কেলেই, হাঁচিওৱাৰ স্বাধীনতাকন তেওঁৰ নোহোৱা হৈ গ'ল নেকি? হালোৱা, পুলিচ ইন্সপেক্টৰ আৰু আনকি মন্ত্ৰীসভাৰ সভ্যসকলেওতো হাঁচিয়ায়। য'তে ইচ্ছা হাঁচিয়াবলৈ সকলোৰে দেখোন সমান অধিকাৰ। অকনো অস্বস্তিবোধ নকৰাকৈ আইভানে ৰুমালখন উলিয়াই নাকটো মচি পেলালে আৰু কোনোবাই আমনি পালেনেকি তাকে চাৰিওফালে চাবলৈ ধৰিলে। নিশ্চয় ভাল বংশৰ লোক তেওঁ হ'ব লাগিব। কিন্তু হঠাতে দেখোন এটা দৃশ্যই তেওঁৰ বুকুখন ভয়ত কঁপাই পেলালে। তেওঁৰ একেবাৰে সমুখতে প্ৰথম শাৰীত বহি থকা চুটিচাপৰকৈ বুঢ়া জনৰ ওপৰত আইভানৰ চকু পৰিল। মানুহজনে মুখেৰে কিবা ভোৰভোৰাই হাত মোজাজোৰেৰে তপা তালুখন আৰু গলধনটো মচি আছিল। আইভানে তেওঁক চিনি পাই জিকাৰ খাই উঠিল। তেওঁ দেখোন যান-বাহন বিভাগৰ মন্ত্ৰী, জেনেৰেল ব্ৰিজালভ্!

'মই তেওঁৰ কাষতে হাঁচিয়ালো। তেওঁ মোৰ ওপৰৱালা নহয় যদিও কামটো বৰ গৰ্হিত হ'ল। তেওঁক ক্ষমা খুজিব লাগিল'। এইবুলি ভাবি আইভানে সৰুকৈ কাহ এটা মাৰিলে আৰু আগলৈ হাউলি জেনেৰেলৰ কাণৰ ওচৰত

ফুচফুচাই কোৰাৰ দৰে ক'লে, 'ডাঙৰীয়া, মোক ক্ষমা কৰিব। ই হাঁচিয়ালো, কিন্তু মই আপোনাক……'

'সেইবোৰ কথা এতিয়া নুলিয়াবা।' উত্তৰত জেনেৰেলে ক'লে।

'অনুগ্ৰহ কৰি মোক ক্ষমা কৰক। মই কেতিয়াও……'

'তুমি অলপ মনে মনে থাকিব নোৱাৰানে? মোক শুনিবলৈ দিয়া।'

ভয়ৰ হাঁহি এটা মাৰি আমনজিমনকৈ আইভানে ভালকৈ বহি আকৌ ৰঙ্গমঞ্চলৈ চকু দিলে। এজন এজনকৈ কেইবা-জনো অভিনেতা ওলাই গ'ল। কিন্তু ক'তা, ক্ষন্তেকৰ আগতেই সকলোতকৈ সুখী বুলি ভবা আইভানৰ দেখোন অভিনয়ত মন নবহা হ'ল। মনটো তেওঁৰ দুখেৰে ভৰি পৰিল। ইণ্টাৰ-ভেলৰ মাজতে উঠি গৈ তেওঁ আকৌ জেনেৰেলক কাবৌ কোকালিখন কৰিবলৈ ধৰিলে।

'মই আপোনাৰ গাতে হাঁচিয়ালো, মোক ক্ষমা কৰক। আপোনাক আমনি কৰাৰ মনেৰে মই হাঁচিওৱা নাছিলো।'

'উস্ কি আপদ! সেইবোৰ মই পাহৰি গৈছো। তুমি এতিয়া যাবানে?' অধৈৰ্য্যত জেনেৰেলে চিঞৰি উঠিল।

তেখেতে পাহৰি গৈছে বুলি ক'লে হয়, কিন্তু তেখেতৰ চকুৰ চাৱনিৰ পৰা হলে তেনে ধাৰণা নহ'ল। আচলতে মোৰে সৈতে কথা পতাৰ ইচ্ছা তেওঁৰ নাই। আকৌ সকলো ভাঙি-পাতি তেওঁক কমগৈ। হাঁচিৱাটো মানুহৰ এটা প্ৰাকৃতিক

কাম। তেখেতে হয়তোবা ভাবিছে— গাত থুৰাবলৈহে মই তেনে কৰিছিলো। এতিয়া তেনেদৰে নাভাবিলেও পাচত হয়তো তেনেকৈয়ে ভাবিবগৈ। ইত্যাদি নানা ভাবে আইভানক জুমুৰি দি ধৰিলে।

ঘৰলৈ গৈ নিজৰ অভদ্ৰ ব্যৱহাৰৰ কথা আইভানে ঘৈণীয়েকক ক'লেগৈ। প্ৰথমে অলপ চিন্তিত হৈছিল যদিও, জেনেৰেল যে তেওঁলোকৰ ওপৰৱালা নহয় এই ভাবি ঘৈণীয়েকে গোটেই কথাটো বৰ সাধাৰণ ভাবেই ল'লে। যি হওক তেওঁ উপদেশৰ সুৰত ক'লে, 'মোৰ বোধেৰে তুমি আকৌ গৈ তেওঁক ক্ষমা খোজাহে ভাল হ'ব। ন'হলে সমাজত ভদ্ৰোচিত ব্যৱহাৰ কৰিব নাজানা বুলি তেওঁ তোমাক ঘৃণা কৰিব।'

'বিপদতো তাতেই। মইতো ক্ষমা খুজিছিলোৱেই। কিন্তু কেনে ওলোটা মানুহজন। কোনোপধ্যে কথা পাতিব নোখোজে। তদুপৰি থিয়েটাৰৰ মাজত খোলোচাকৈ কথা পতাৰ সময়েই বা ক'ত।'

পিছদিনা ভালকৈ চুলিখিনি কাটিলৈ অফিচৰ দীঘল কোটচোলাটো পিন্ধি আইভান জেনেৰেলৰ ঘৰ ওলালগৈ। বহুত আৱেদন কাৰীৰে জেনেৰেলৰ আলহি কোঠাটো ভৰি আছিল আৰু স্বয়ং জেনেৰেল তাতেই বহি আছিল। কেইজনমানৰ সৈতে কথা পাতি জেনেৰেলে আইভানলৈ চকু দিলে।

'কালি ৰাতি আৰ্কাদিয়াত··· · ডাঙৰীয়াৰ মনত থাকিব

পাই। মই আপোনাৰ গাত হাঁচিয়াইছিলো। আৰু তাৰ কাৰণে এতিয়া আপোনাৰ ওচৰত মই……' অতি ভয়ে ভয়ে আইভানে মাত লগালে।

'আহ্ কি নিৰৰ্থক কথাবোৰ! তোমাৰ কাৰণে মই কি কৰিব পাৰো ?' বিৰক্তিৰে জেনেৰেলে আইভানৰ পৰা মুখখন ঘূৰাই আনিলে আৰু দাঁতিত ৰৈ থকা আবেদনকাৰী জনক এই বুলি প্ৰশ্ন কৰিলে।

ভয় আৰু লাজত একেবাৰে সেঁতা পৰি আইভানে ভাবিলে, নাই, এওঁ মোৰ কথা নুশুনে। বুজা গ'ল মোৰ ওপৰত তেওঁৰ প্ৰতিশোধৰ খং উঠি আছে। ভাল অৱস্থাত ঘটনাটো কেতিয়াও এৰি দিব নোৱাৰি। তেওঁক বুজাই ক'বই লাগিব।

সকলোখিনি আবেদনকাৰীক বিদায় দি ভিতৰলৈ যাবলৈ ধৰোঁতেই আইভানে জেনেৰেলৰ পাছ ল'লে। আৰু কৈ গ'ল, 'মোক ক্ষমা কৰক, ডাঙৰীয়া। মোৰ আন্তৰিক অনু-তাপৰ দোহাই দি মোক ক্ষমা কৰক। আপোনাক আমনি দিছো, কিন্তু আপুনি ক্ষমা নকৰিলে যে মই কিমান আঘাত পাম।

প্ৰায় চিঞৰিবলৈ সাজু হোৱা এটা চাৱনিৰে জেনেৰেলে বিৰক্তিৰে কলে, "তুমি মোক উপলুঙা কৰিছা!" লগে লগেই তেওঁ হাতেৰে আইভানক যাবলৈ কৈ খুব জোৰেৰে দুৱাৰখন মাৰি দিলে।

'উপলুঙা কৰিছোঁ ! উপলুঙা কৰিবলৈ ইয়াত আকৌ কিটো আছে ? এজন জেনেৰেল হৈ এই কথা তেওঁ বুজা নাই, আচৰিত। তেওঁ চয়তানৰ বশ হৈছে। তেওঁৰ ওচৰলৈ মই আৰু নাযাওঁ। সকলো লিখি তেওঁলৈ এখন চিঠি দিম। সকলো ঠিক হৈ যাব।' আইভানে মনে মনে ঠিক কৰি পেলালে ।

এইবোৰকে ভাবিচিন্তি আইভান ঘৰ পালেগৈ। চিঠিখন কিন্তু লেখা নহ'ল। কি ধৰণে চিঠিখন লিখিব বহুত ভাবিও আইভানে ঠিক কৰিব নোৱাৰিলে। কি শব্দ প্ৰয়োগ কৰিব বাৰু চিঠিখনত ! পিছদিনা আকৌ জেনেৰেলৰ ওচৰলৈ যোৱাই ভাল হ'ব। পোনপটীয়াকৈ সকলো বুজাই দিব।

ভবামতে কাম। 'ডাঙৰীয়া, কালি মই আপোনাক আমনি দিছিলো হয়, কিন্তু কেতিয়াও উপলুঙা কৰা নাছিলো। আপোনাৰ ওচৰত ক্ষমা বিচাৰিহে আহিছিলো। ডাঙৰীয়াই কিন্তু উপলুঙা কৰিবলৈ অহা বুলিহে ভাবিছে। হাঁচি মাৰি আমনি দিয়াৰ কাৰণে ক্ষমা বিচাৰিহে মই আহিছিলো। উস্ আপোনাক উপলুঙা কৰাৰ কথা যে মই ভাবিবই নোৱাৰোঁ। এনেকৈ উপলুঙা কৰি হাঁহিবলৈ ল'লে ওপৰৱালা সকললৈ আমাৰ দেখোন কোনো ভয়-ভক্তিয়েই নাইকিয়া হৈ যাব।'

খঙত জলিপকি গোজৰণি মাৰি জেনেৰেলে চিঞৰি, উঠিল, 'ইয়াৰ পৰা এতিয়াই ওলাই যোৱা।'

'মই ক্ষমা বিচাৰিছো৷

'আৰু কথা নকবা। ওলাই যোৱা।' খঙৰ ভমকত ভৰিৰে মাটিত গোৰ মাৰি জেনেৰেলে গৰ্জি উঠিল।

আইভানৰ ভিতৰখন যেন কিবা এটাই দহিপুৰি নিছে। এখোজদোখোজকৈ তেওঁ দুৱাৰমুখলৈ আঁতৰি আহিল। চকু-কাণেৰে তেওঁ একোটোকে নেদেখা-নুশুনাৰ দৰে হৈ গ'ল; লাহে লাহে ৰাস্তাত ভৰি দিলেহি। তেওঁ আগবাঢ়ি গ'ল। যন্ত্ৰৰ দৰে গৈ ঘৰ পাই তেওঁ চোফাখনত কেৰাণীৰ পোচাকটোৰে বহি পৰিল। আৰু তাতেই তেওঁৰ নশ্বৰ দেহৰ পৰা স্বৰ্গীয় কিবা এটা চিৰদিনলৈ ওলাই গ'ল।

অস্থিৰ মনৰ মানুহজন

ডাঙৰ জলহু কোটটো পিন্ধি হাতত এটা টোপোলা লৈ পুলিচ ইন্সপেক্টৰ অচ্ছুমেলভ বজাৰৰ মাজেৰে আগবাঢ়িছে। তেওঁৰ পাছে পাছে এজন কনিষ্টবল। তেওঁৰ হাতৰ চালনীখনত ক্ৰোক কৰি অনা এচালনী ডিমৰু। চাৰিওফালে নিস্তব্ধ। বজাৰৰ ক'তো জনপ্ৰাণী এটা নাই। সৰু সৰু দোকান-বোৰৰ মেলখাই থকা দুৱাৰবোৰ কিবা এটা পৰাৰ আশাত ভগৱানৰ পৃথিৱীলৈ হেঁপাহেৰে চাই থকা কিছুমান মেলা মুখৰ দৰে লাগিছিল। দোকানবোৰৰ দাতিত মগনীয়া এটাও আনকি দেখিবলৈ নাই।

হঠাতে কিবা শব্দ এটা অচ্ছুমেলভৰ কাণত পৰিলহি।

'অ' তই আৰু কামুৰিবিনে? হয়নে দগবাজ! লৰাইত, তাক যাবলৈ নিদিবি। আজিকালি কামোৰা নিষেধ। তাক ধৰইক হেৰৌ।'

তাৰ পাছতে কুকুৰৰ গেঙেৰনি। শব্দ অহাৰ ফালে ইন্সপেক্টৰে চালে। এই দৃশ্যটো তেওঁৰ চকুত পৰিল: সদাগৰ পিচুগিনৰ কাঠৰ দ'মটোৰ মাজৰ পৰা তিনিঠেঙৰ ওপৰত ভেজাদি দৌৰি অহা এটা কুকুৰ, চাৰ্চ মৰা কামিজ আৰু বুকুৰ বুটাম খুলি থোৱা জহৰকোট পিন্ধা এজন মানুহে তাক খেদি আনিছে। দৌৰোঁতে তেওঁৰ গোটেই শৰীৰটো আগফালে দোঁ খাই গৈছে। হামখুৰি খাই তেওঁ পৰি গ'ল আৰু লগে লগেই তেওঁ কুকুৰটোৰ পিছ ঠেং এটাত খামোচ মাৰি ধৰি পেলালে। আকৌ গেঙেৰনি। তাৰ পিচত এটা চিঞৰ। 'যাবলৈ নিদিবি তাক!' চকুত আধা টোপনিৰে ভালেখিনি মানুহ দোকানবোৰৰ পৰা ওলাই আহিল। কাঠৰ দ'মটোৰ ওচৰত হঠাতেই এটা ডাঙৰ জুম বান্ধি গ'ল।

'হজুৰ, কিবা বাজহুৱা গণ্ডগোল লাগিছে হব পায়।' কনিষ্টবলজনে ক'লে।

জুমটোৰ ফালে ইন্সপেক্টৰ আগবাঢ়ি গ'ল। চোতালৰ জপনাখনৰ ঠিক আগতেই সেই বুকুখোলা জহৰকোটেৰে মানুহজনক তেওঁ দেখা পালে। হাত ডাঙি মানুহজনে তেওঁৰ তেজ বৈ থকা আঙুলিটোৰে জুমটোৰ মানুহবোৰক দেখুৱাই আছিল। মুখত তেওঁৰ এটা বীৰত্বৰ চাৰনি। আঙুলিটো

যেন তাৰ প্ৰতীকহে। দেখিয়েই অচ্ছুমেলভে তেওঁক চিনি পালে—খ্ৰুকিন, সোণাৰী কাম কৰে। আগভৰি দুটা বলহুকৈ মেলি জুমটোৰ মাজতে পৰি আছিল অপৰাধীটো, এটা বগা কুকুৰ পোৱালি। তাৰ নাকটো জোঙা আৰু পিঠিত এটা হালধীয়া চাব। ভয় আৰু বেজাৰত চকুহাল তাৰ একেবাৰে চলচলীয়া।

'ঘটনাটো কি? ইয়াত তোমালোকে কি কৰিছাহঁক? তোমাৰ আঙুলিটো এনেকৈ ডাঙি আছা কিয়? কোনে চিঞৰিছিল?' জুমটো ঠেলি সোমাই যাওঁতে ইন্সপেক্টৰজনে প্ৰশ্ন কৰি গ'ল।

'হজুৰ, ভেড়াৰ দৰে নিঃশব্দে মই এইফালে খোজকাঢ়ি আহি আছিলোঁ।' মুখত হাতখন থৈ সৰুকৈ কাহ এটা মাৰি খ্ৰুকিনে আৰম্ভ কৰিলে 'সদাগৰৰ লগত কাঠ সম্পৰ্কে মোৰ দৰ্কাৰ আছিল। হঠাতে কোনো কাৰণ নোহোৱাকৈ এই বদমাইচটোৱে মোৰ আঙুলিটো কামুৰি দিলে। ক্ষমা কৰিব, মই এটা বনুৱা। মোৰ কাম এই আঙুলিৰ লগত জড়িত। মই সন্দেহ কৰিছো অন্ততঃ আৰু এসপ্তাহ মই কাম কৰিব নোৱাৰিম। হজুৰ, ইয়াৰ কাৰণে ক্ষতিপূৰণ দিবলৈ এওঁলোকক বাধ্য কৰাওক। দুৰ্দ্দান্ত জন্তুৰ সৈতে হাইকাজিয়া কৰাৰ সম্পৰ্কে আমাৰ আইনত অৱশ্যে একো লিখা নাই। কিন্তু এনেকৈ যেয়ে য'তে কামুৰিলে জীৱন ধাৰণ কৰি থকাটোৱেই দুৰ্ব্বহ হৈ পৰিব।'

তেওঁক আৰু ক'বলৈ নিদি কৰ্কশ মাতেৰে ইন্সপেক্টৰে সুধিলে, 'এইটো কাৰ কুকুৰ? ইয়াক মই এনেয়ে নেৰিছো। কুকুৰ কেনেকৈ ৰাখিব লাগে তাক শিকাইছে এৰিম। আইন মানি চলিব নোখোজাসকলক এটা ভাল শিক্ষা দিয়াৰ সময় আহি পৰিছে। এনেকৈ কুকুৰ এৰি দি ৰাইজৰ অমঙ্গল সাধন কৰাৰ জগৰত মই তেওঁক খুব বেচি জৰিমনা কৰিম।' খণ্ডত বিহ্বল হৈ তেওঁ কনিষ্টবলজনলৈ ঘূৰি কলে, 'হেৰা, আলডিৰিণ, এইটো কাৰ কুকুৰ বেগাই খবৰ লোৱা। লগে লগে এটা ৰিপোৰ্ট লিখা। আৰু অলপো সময় নষ্ট নকৰি কুকুৰটো মাৰি পেলাব লাগে। ই নিশ্চয় বলিয়া হ'ব লাগিব। কাৰ কুকুৰ বেগেতে কৈ দিয়াহঁক।'

জুমটোৰ মাজৰে এজনে কৈ উঠিল, 'খুব সম্ভৱ এইটো জেনেৰেল ঝিগালভৰ কুকুৰ।'

'কি, জেনেৰেল ঝিগালভ্! আস্ আলডিৰিণ, মোৰ কোটটো সোলোকাই দিয়াচোন। উস্ কি যে গৰম? বৰষুণ হ'ব নিশ্চয়।' হঠাতে মুখৰ বৰণ সলনি কৰি ইন্সপেক্টৰে এইদৰে কৈ উঠিল। তাৰ পিচত খ্রুকিনলৈ চাই ক'লে, 'এটা কথা মই বুজিব পৰা নাই। কুকুৰটো য়ে তোমাৰ আঙুলিটো কামুৰিবলৈ পালে কেনেকৈ? সি এটা সৰু কুকুৰ পোৱালি! আৰু তুমি হৈছা এটা মত্তগজ মানুহ। নিশ্চয় ক'ৰবাত গজালত লাগি তোমাৰ আঙুলিত ঘা লাগিছে আৰু এতিয়া ক্ষতিপূৰণৰ আশাত এই কুকুৰে কামোৰাৰ

গল্পৰ অৱতাৰণা কৰিছা নহয়নে বাৰু? তোমালোক বদমাইচৰ দলটোক মই ভালকৈয়ে জানো।'

'ঠিক কৈছে, হজুৰ। খ্ৰুকিনে জ্বলিথকা চিগাৰেটৰ আগেটো কুকুৰটোৰ নাকত লগাই ধেমালি চাইছিল। তেতিয়াই সি তেওঁৰ গাত জপিয়াই পৰিল আৰু আঙুলিটোত কামোৰ দিলে। সদায় কিবা নহয় কিবা এটা বিপদ চোচোৰোৱাত আমাৰ এই খ্ৰুকিন ওস্তাদ।' জুমটোৰ আন এজনৰ এই মন্তব্য।

'মনে মনে থাকা। মিছা কথাবোৰ এৰা। মই তেনেকৰা তুমি দেখিছিলা জানো? হজুৰ এজন জনাবুজা লোক। সচা-মিছাৰ বিচাৰ তেখেতে কৰিব। মিছা কৈছো যদি শান্তি ৰক্ষাৰ আইনে মোক বিচাৰ কৰিব। আইনৰ আগত সকলো সমান। পুলিচ বিভাগত মোৰ নিজা ভাই এজনেই কাম কৰে। তোমালোকে জানিব খুজিলে······।'

'তৰ্ক নকৰিবাহঁক।'

এনেতে কনিষ্টবল আলডিৰিণে গৰগৰীয়া মাতেৰে কৈ উঠিল, 'নাই, এইটো জেনেৰেলৰ কুকুৰ নহয়। ইযাৰ দৰে কুকুৰ তেখেতৰ নাই। তেখেতৰ আটাইবোৰ কুকুৰেই ভালদৰে শিকনি লোৱা।'

'এই বিষয়ে তুমি নিশ্চিন্ত নে? ইন্সপেক্টৰে সুধিলে।

'হয়, হজুৰ, একেবাৰে নিশ্চিন্ত।'

'এৰা তুমি ঠিকেই কৈছা। জেনেৰেলৰ আটাইবোৰ কুকুৰেই বহুমূলীয়া আৰু ভাল জাতৰ; আৰু এইটো

চোৰাচোন ! লেতেৰা, খাবলৈ নোপোৱা শুকান আৰু ফপৰিয়া। কিয় এনেকৈ কুকুৰ ৰাখে ? মস্কো বা পিটচ্বাৰ্গত এনেকুৱা কুকুৰ ওলালে কি হ'ব ক'ব পাৰানে ? আইনলৈ কোনোৱে অপেক্ষা নকৰি থিতাতে তাক মাৰি পেলাব। খ্ৰুকিন, তোমাৰ অনিষ্ট হৈছে মনত ৰাখিবা ! কুকুৰৰ গিৰিহঁতক ভালকৈ শিকাইহে এৰিব লাগিব।'

ইন্সপেক্টৰৰ কথা শেষ হ'বলৈ নৌপাওঁতেই কনিষ্টবলজনে পুনৰ কৈ উঠিল, 'জেনেৰেলৰ কুকুৰেই হ'ব যেন পাইছো। যিমান হওক, দেখি পেলাই কুকুৰ চিনা টান। সিদিনা ঠিক এনেকুৱা এটা কুকুৰ মই তেখেতৰ চোতালত দেখা যেন লাগিছে।'

জুমটোৰ ভিতৰৰ কেইবাজনেও একেলগে মাতি উঠিল, "হয়, হয়, ই জেনেৰেলৰ কুকুৰেই।"

"আলডিৰিণ, মোক কোটটো পিন্ধাই দিয়াচোন। বৰ চেঁচা বতাহ মাৰিছে। ইয়াক জেনেৰেলৰ তালৈ লৈ গৈ তেখেতক সুধি আহাঁ। আৰু জনাবা যে মই বাটত পাই ইয়াক পঠাই দিছো। বাটলৈ এৰি নিদিবলৈও কৈ আহিবা কাৰণ জ্বলি থকা চিগাৰেটৰ আগেৰে এনেকৈ জুলুম দি থাকিলে এই বহুমূলীয়া কুকুৰটো একেবাৰে নষ্ট হৈ যাব। কুকুৰবোৰ বৰ দুৰ্ব্বল আৰু কোমল জীৱ। আৰু খ্ৰুকিন, তোমাৰ আঙুলি ৰাইজক দেখুৱা আৰু বন্ধ কৰা। ই তোমাৰ নিজৰ দোষৰ ফল। বুদ্ধি নাইকিয়াটো কৰবাৰ !"

“ৰ’বা ৰ’বা, জেনেৰেলৰ বান্ধনিজন আহিছে। তেওঁ ক’ব পাৰিব। হেৰা, চোৱাচোন এইটো তোমালোকৰ কুকুৰ হয়নে?” মাজৰে এজনে চিঞৰি উঠিল।

“কি কোৱা! এনে কুকুৰ আমাৰ তাত আগেয়ে কেতিয়াও নাছিল।”

“ঠিক আছে! আৰু কোনো অনুসন্ধানৰ আৱশ্যক নাই। ই বাটে বাটে ঘূৰিফুৰা এটা বলিয়া কুকুৰ। ইয়াত বৈ কথাৰ মলহা মৰাৰ আৰু কোনো মানে নাই। ইয়াক তুৰন্তে মাৰি পেলাই গোলমালৰ শেষ কৰাহঁক।” ইন্সপেক্টৰে ক’লে।

“এই কুকুৰটো আমাৰ জেনেৰেলৰ ভায়েকৰহে, আমাৰ নহয়। কেইদিনমানৰ আগতে তেখেত ইয়ালৈ আহিছে।” কুকুৰটো ভালকৈ চাই বান্ধনিটোৱে মন্তব্য কৰিলে।

“কি, জেনেৰেলৰ ভায়েক ইয়ালৈ আহিছে! ব্লাডিমিৰ ইভানিচ। তেখেত ইয়াত থাকিবলৈ আহিছে? সেইটো মই ভবাই নাছিলো’ ইন্সপেক্টৰে সুধিলে। মুখত তেওঁৰ এটা ভীতিৰ ক্ষীণ হাঁহি!

‘হয় তেখেতে আহিছে।’

“ভাল কথা। ভাবিচোৱাচোন! তেখেত আহিছে ককায়েকক চাবলৈ আৰু মই জনাই নাছিলো। খুব ভাল লাগিল তেখেত অহা বুলি জানি। ইয়াক লৈ যোৱা। কেনে ধুনীয়া পোৱালিটো! হা হা, ই তোমাক কামুৰিছে নহয়নে খুকিন? এতিয়াৰ পৰা এনেকৈ কুকুৰক আৰু

নোজোকাবা। কি মৰম লগা পোৱালিটো।

ৰান্ধনিটোৱে কুকুৰটো লৈ চোতালৰ পৰা ওলাই গ'ল। লগে লগে জুমটোৰ আটাইখনে খ্‌ৰুকিনলৈ চাই বিদ্রূপ কৰি হাঁহি উঠিল।

'তোমালোকক মই দেখিম।' এই বুলি কৈ ভোৰভোৰাই সহকৰ্ম্মীজনৰে ইন্সপেক্টৰ অচ্ছুমেলভে কোটটো গাত পেলাই লৈ আগৰ বাটেৰে আগবাঢ়ি যাবলৈ ধৰিলে।

[**মূলকথা** :—Inspector আচ্ছুমেলভ খ্‌ৰুকিনক কুকুৰে কামোৰা অৱস্থাটো লৈ বহুতো অস্থিৰতাৰ ভাব প্ৰকাশ কৰে। ইয়াত গৰীৱ আৰু চহকীৰ পাৰ্থক্যটো ফুটি উঠিছে Inspectorৰ ভাব ভঙ্গীমাৰে। দুখীয়াৰ কুকুৰ বুলি মাৰি পেলাবলৈ উদ্যত আৰু খ্‌ৰুকিনক আশ্বাসবাণী। পিছ মুহূৰ্ত্তত জেনেৰেলৰ ভায়েকৰ কুকুৰ বুলি ইয়াক শলাগিলে আৰু খ্‌ৰুকিন সাৱধান কৰি দিলে ভৱিষ্যতলৈ কুকুৰ জোকোৱাৰ পৰা বিৰত থাকিবলৈ।]

এই নম্বৰ ৰাজহুৱা ক্লাবঘৰত ৰংচঙীয়া পোছাক পিন্ধি ভেশচন কৰি নচা উৎসৱ। তিৰোতাসকলৰ উখল মাখল লাগিছে। টিকটৰ পৰা উঠা টকাৰে কোনোবা অনুষ্ঠান বিশেষক সহায় কৰিবৰ কাৰণেই এই নাচৰ আয়োজন।

তেতিয়া মাজ নিশা বাৰ বাজিছে। নাচত সক্ৰিয় অংশ গ্ৰহণ নকৰা পাঁচজন চিন্তাশীল লোকে পঢ়া কোঠাৰ ডাঙৰ ঘূৰণীয়া মেজখনৰ কেউফালে বহি একান্ত মনেৰে বাতৰি কাকত পঢ়ি আছিল। বাতৰি কাকতবোৰে তেওঁলোকৰ নাক আৰু

মাটি একেবাৰে ঢাকি ৰাখিছে। বাতৰি কাকতত মন একেবাৰে নিমগ্ন।

নাচঘৰৰ পৰা খেল-নাচৰ শব্দ ভাহি আহিছে। থাল-বাত্তিৰ জনজননিৰে পৰিচাৰকবোৰ দুৱাৰৰ আগেদি সঘনে অহা যোৱা কৰিছে যদিও পঢ়া কোঠাৰ ভিতৰ খনত এটা গম্ভীৰ নিস্তব্ধতা।

চিম্‌নিৰ ফালৰ পৰা অহা এটা সৰু অস্পষ্ট শব্দই হঠাতে এই নিৰৱতাখিনি ভাঙি দিলে। 'মোৰ বোধেৰে আমি ইয়াতহে বেছি আৰামেৰে বহিব পাৰিম। হেৰা, এইফালে আহঁহক।' কোনোবা এজনৰ নিৰ্দ্দেশবাণী।

দুৱাৰখন মেল খালে আৰু লগে লগে গাড়োৱানৰ পোছাক পিন্ধা বহল বাহুৰে শকত-আৱত মানুহ এজন কোঠাটোলৈ সোমাই আহিল। তেওঁ এটা মুখা পিন্ধি আহিছে আৰু টুপীত ম'ৰা চৰাইৰ পাখি লগোৱা আছিল। তেওঁৰ পিছে পিছে অহা ভুগৰাকী মহিলাৰ মুখতো মুখা লগোৱা। শেষত এটা পৰিচাৰকৰ হাতত থাল এখনত কেইটামান ৰঙা মদৰ বটল আৰু গিলাচ:

'এইফালে থ। ইয়াত বেচ জুৰ লাগিব। থালখন সৌ মেজখনত থ। আইদেউ, তোমালোক বহঁহক। আৰু হেৰি ডাঙৰীযাসকল, আমালৈ অলপ ঠাই কৰি দিয়ক।' এইবুলি কৈ তেওঁ লৰালৰিকৈ উঠিল আৰু মেজৰ ওপৰৰ কেইখনমান বাতৰি কাকত আৰু আলোচনী একাষৰীয়া কৰি থালখন থবলৈ

ঠাই উলিয়াই দিলে। তাৰ পিছত অলপ কঠুৰা স্বৰেৰে আৰম্ভ কৰিলে, 'আপোনালোক ইয়াৰ পৰা ওলাই যাওক। আপোনালোকৰ বাতৰি কাকত আৰু ৰাজনীতিৰ কথা এতিয়া নহয়। সেইবোৰ আঁতৰাই ৰাখক।'

পঢ়ি থকা এজন ভদ্ৰলোকে উত্তৰ দিলে 'আপোনাক অলপ মনে মনে থাকিবলৈ অনুৰোধ কৰিব পাৰোঁনে? এইটো পঢ়া কোঠা, মদ খোৱাৰ জেগা নহয়।'

'কোনে কৈছে? এই মেজখন কি খুব হালকানেকি, নে মদ খালে ওপৰৰ চিলিংখন খহি পৰিব? হাঁহি উঠা কথা! কথা পতাৰ আহৰি মোৰ নাই। কৈছো নহয়, আপোনা-লোকৰ কাগজবোৰ এফলীয়া কৰক। যথেষ্ট পঢ়িছে আপোনা-লোকে। বেচিকৈ পঢ়িলে চকুৰ খতি হোৱাৰো ভয়। কিন্তু সকলোতকৈ ডাঙৰ কথা, মই আপোনালোকে পঢ়াটো বাঞ্চা নকৰোঁ।'

পৰিচাৰক লৰাটোৱে মেজৰ ওপৰত থালখন থৈ দুৱাৰ মুখত ঠিয় দি থাকিল। কান্ধত তাৰ এখন গামোচা। মহিলা দুগৰাকীয়ে ইতিমধ্যে অলপো নোবোৱাকৈ মদৰ বটলত লাগি গৈছে।

'মদ নাখাই বাতৰি কাকত পঢ়িবলৈ মন কৰা বুদ্ধিমান লোক আছে বুলি মোৰ মনে নধৰে। মোৰ অনুমান, টকাৰ অভাৱৰ কাৰণেই বাতৰি কাকতক ইমান ভাল পাই পেলাইছে, নহয়নে বাৰু ডাঙৰীয়াসকল? হাঃ হাঃ এওঁলোকে পঢ়িছে

চোৱা—আপোনালোকৰ কাকতবোৰতনো বাৰু কি লিখিছে! হেৰি, চশমা পিন্ধা ডাঙৰীয়াজন, মোক বাতৰি কাকতৰ কথা কিছুমান জনাওকচোন! হাঃ হাঃ এতিয়া এৰক। আৰু গাম্ভীৰ্য্য নচলিব দেই। অলপ অলপ মদ পি লওক।' খং আৰু তাচ্ছিল্যৰ সুৰত তেওঁ কথাখিনি কৈ গ'ল।

কথাকেইটা সামৰিয়েই তেওঁ খপহকৈ উঠিল আৰু চশমা পিন্ধা মানুহজনৰ হাতৰ পৰা কাগজখন আঁজোৰ মাৰি আনি ফালি পেলালে। ইজনে খং আৰু লাজত ৰঙা ক'লা পৰিবলৈ ধৰিলে। আচৰিত হৈ তেওঁ বাকী কেইজনলৈ একেথৰে চাই থাকিল, আৰু বাকীকেইজনেও ৰ' লাগি তেওঁলৈ চাই ৰ'ল।

'মহাশয়, আপুনি নিজকে পাহৰি গৈছে। পঢ়াকোঠাটো আপুনি একেবাৰে মদৰ দোকান কৰি পেলালে। এনেকৈ অভদ্ৰ ব্যৱহাৰ কৰিবলৈ আৰু পঢ়ি থকা ভদ্ৰলোক এজনৰ পৰা কাগজ কাঢ়ি নি ফালি পেলাবলৈ আপুনি অকনো সংকোচ নকৰিলে! আপুনি কাক এনেদৰে অপমান কৰিলে জানেনে! মই বেঙ্কৰ মেনেজাৰ জেষ্ট্ৰিয়াকভ.....'

'আপুনি জেষ্ট্ৰিয়াকভেই হওক বা আন কোনোবাই হওক তাতে মই লেশমাত্ৰও পৰোৱাই কৰা নাই। আপোনাৰ বাতৰি কাকতৰ প্ৰতি মোৰ কি ভাব চাই লওক।' এই বুলি কৈ হাতত থকা ফলা বাতৰি কাকতখন টুকুৰাটুকুৰ কৰি এটা চুকলৈ তেওঁ জোৰেৰে দলি মাৰি দিলে।

'এইবোৰৰ অৰ্থ কি, বন্ধুসকল। মই একো বুজিব পৰা

নাই। অতি আচৰিত ও অপমানজনক ঘটনা!' বাকী কেইজনলৈ চাই জেষ্ট্ৰিয়াকভে ক'লে।

'উস্ এতিয়া তেখেতৰ খঙ উঠিছে!' পেংলাই কৰাৰদৰে মুখা পিন্ধা মানুহজনে ক'বলৈ ধৰিলে' 'মোৰ যে ইমান ভয় লাগিছে! চোঁৰাচোন ভয়ত মোৰ আঁঠু দুটা কেনেকৈ কঁপিছে!' তাৰ পাচত অলপ গহীনাই তেওঁ কৈ গ'ল, 'ঠাট্টা বিদ্ৰূপবোৰ আৰু এৰোঁ। ডাঙৰীয়াসকল, আপোনালোকৰ লগত কথা পতাৰ ইচ্ছা মোৰ আৰু অলপো নাই। আইদেউহঁতৰ সৈতে মই অকলে বহিব বিচাৰোঁ। নিজকে উপভোগ কৰিবলৈ মন কৰোঁ। গতিকে অনুগ্ৰহ কৰি আৰু গণ্ডগোলৰ সৃষ্টি নকৰি ইয়াৰ পৰা ওলাই যাওক। বেগাই······বেলেবুকিন! ইয়াৰ পৰা ওলাই যোৱা। গাহৰিৰ নিচিনাকৈ নাকটো ঘূৰাইছা কিয়? মই যাবলৈ কৈছো যেতিয়া তৎক্ষণাত ওলোৱা। দৌৰ মাৰা, নহ'লে গতিয়াই উলিয়াই দিম।'

'তুমি কি ক'লা?' অনাথ আশ্ৰমৰ কোষাধ্যক্ষ বেলেবুকিনে লাজ-অপমান আৰু খঙত জ্বলিপকি ৰঙা পৰি বাহু দুটা লৰাই চিঞৰি উঠিল। 'মই বুজিব পৰা নাই! উদ্ধত মানুহ এটাই কোঠাত সোমাই এইদৰে মুখত যিহকে আহে তাকে বলকি থাকিব!'

'কি তুমি মোক উদ্ধত মানুহ বুলিলা?' খঙৰ ভমকত মানুহজনে মেজখনতে ভুকুৱাবলৈ ধৰিলে। গিলাচবোৰ বাগৰি পৰিল। 'কাক কথা কৈছা গম পাইছানে? মুখাটো পিন্ধি

থকাৰ কাৰণে মোক নদাই-ভদাই এজন বুলি ধৰিছানেকি? সকলোবোৰ ওলাই যোৱা। এটা বদমাইচকো ইয়াত থাকিবলৈ দিব নোৱাৰোঁ। তোমালোক নিজৰ গাহৰি গঁৱাললৈ গুচি যোৱাহঁক।'

'আমাৰ কথা আমি ভাবিম। তোমাক মজা দেখুৱাও ৰ'বা। হেৰা, এই অনুষ্ঠানৰ গৰাকী এজনক মাতি আনাগৈ।' খণ্ডত একোনাই হৈ জেষ্ট্ৰিয়াকভে আন এজনক কৈ উঠিল।

এক মিনিটৰ পিছতে বকুত নীলা ফিটা মৰা ৰঙা-চুলিৰে মানুহ এজন তালৈ সোমাই আহিল। নাচ দিওঁতে হোৱা পৰিশ্ৰমত এতিয়াত তেওঁ ফোপাই আছিল। আহিয়েই তেওঁ ক'লে, 'অনুগ্ৰহ কৰি ইয়াৰ পৰা ওলাওক। মদ খোৱাৰ ঠাই এইখন নহয়। অনুগ্ৰহ কৰি চাহ খোৱা কোঠালৈ যাওক।'

'আপুনি আকৌ ক'ৰ পৰা আহি ওলালহি? মইতো আপোনাক মতা নাছিলো।' মুখা পিন্ধাজনে উত্তৰ দিলে।

'আৰু বেচি অবাধ্যতা নেদেখুৱাব। অনুগ্ৰহ কৰি কোৱা-মতে কাম কৰক।'

'এইফালে চাওক। এই অনুষ্ঠানৰ এজন গুৰীয়াল আৰু দায়িত্বপূৰ্ণলোক হিচাপে মই আপোনাক একমিনিট সময় দিলো। ইয়াৰ পৰা ওলাই যাওক। অচিনাকি লোকৰ মাজত থাকি মোৰ আইদেউহঁতে ভাল নাপায়। তেওঁলোক লাজকুৰীয়া। আৰু মই মোৰ খৰছৰ বিনিময়ত তেওঁলোকক প্ৰাকৃতিক অৱস্থাত

চাব খোজোঁ।।’

‘এই অসভ্যটোৱে এইটো এটা গাহৰিৰ গঁৰাল বুলি ভাবিছে যেনহে লাগিছে। যেভাষ্ট্ৰত স্প্ৰিডনিচক মাতি আনা।’ বেঙ্কৰ মেনেজাৰজনে খঙত চিঞৰি উঠিল।

‘যেভাষ্ট্ৰত স্প্ৰিডনিচ! যেভাষ্ট্ৰত স্প্ৰিডনিচ! ক’ত আছে বেগাই আহক।’ চিঞৰত গোটেই নাচঘৰ খলক লাগিল।

অলপৰ পিছতেই পুলিচৰ সাজত আদহীয়া বয়সৰ স্প্ৰিডনিচ আহি ওলালহি। তেওঁ খুব নম্ৰভাবে ক’লে. ‘অনুগ্ৰহ কৰি এই কোঠাটো এৰি যাওক।’

‘আপুনি মোক ভয় দেখুৱাইছে নেকি?’ হাঁহি হাঁহি মানুহজনে ক’বলৈ ধৰিলে, ‘ভয় খুৱাব বেচ জানে দেখিছো। কি এটা শৰীৰ আৰু নেকুৰাৰ দৰে গোফ! হাঃ হাঃ।’

‘কথাৰ কটাকটি আৰু নচলিব। ওলাই যাওক, নহ’লে মই খুন্দিয়াই বাহিৰ কৰিম।’ খঙত পুলিচ বিষয়াজনে চিঞৰি উঠিল।

পঢ়া কোঠাটোত এক হুলস্থুল লাগি পৰিল। পুলিচ বিষয়াজনে মজিয়াত গোৰ মাৰি মাৰি চিঞৰিবলৈ ধৰিলে; জেষ্ট্ৰিয়াকভ আৰু বেলেবুকিনেও যোগ দিলে। বাকীকেইজনেও তাকেই কৰিলে। কিন্তু মুখা পিন্ধা মানুহজনৰ সৰু, অস্পষ্ট আৰু কেনকেনীয়া মাতটোৱে সকলোকে তল পেলালে। চিঞৰ-বাখৰত নাচ-গান বন্ধ হ’ল। দৰ্শকসকলে নাচ-ঘৰ এৰি পঢ়া কোঠাতো বেৰি ধৰিলেহি।

ক্লাব ঘৰৰ ওচৰে পাজৰে থকা আটাইকেইজনক মাতি পুলিচ বিষয়াজনে ৰিপোর্ট লিখিবলৈ বহি গ'ল।

কলমৰ আগটো অলপ হেঁচুকি দি মুখাধাৰীজনে চিঞৰি ক'বলৈ ধৰিলে, 'লিখি যোৱা! মোৰ এতিয়া কি দশা হ'ব বাৰু! এটা অসহায় অনাথক তোমালোকে একেবাৰে মাৰি পেলাব খুজিছা! হাঃ হাঃ। লিখি যোৱা! ৰিপোর্টখন সম্পূর্ণ হ'লনে বাৰু? সকলোৱে তাত দস্তখত কৰিলেনে? এতিয়া মজা চোৱাঁ, এক, দুই, তিনি······'

ঠিয় হৈ তেওঁ মুখাটো গুচাই দিলে। মদৰ নিচাত থকা মুখখন সকলোকে দেখুৱাই তাৰনো কি প্ৰতিক্ৰিয়া হয় তাকে চাবলৈ তেওঁ চকিখনত বহি হো-হোকৈ হাঁহি উঠিল। প্ৰতি-ক্ৰিয়াটো হ'লে খুব ভালকৈ হৈছিল। চিন্তাশীল মানুহকেইজনে শেঁতা পৰি ইজনে সিজনৰ মুখলৈ চোৱা চুই কৰিবলৈ ধৰিলে। কেইজনমানে মূৰ খজুৱাবলৈ লাগিল। নিজৰ অজ্ঞাতে কৰি পেলোৱা এটা ডাঙৰ ভুলৰ বাবে অনুতাপ কৰাৰ ধৰণত পুলিচ বিষয়াজনে সৰু সৰুকৈ কাহিবলৈ ধৰিলে।

মানুহজননো বাৰু কোন? আন কোনো নহয়, সেই অঞ্চলৰ প্ৰবল-প্ৰতাপী শিল্পপতি মাননীয় প্যাটিগৰভ! লাঠুৱা স্বভাব, দেশ-প্ৰেম আৰু বিশেষকৈ শিক্ষাৰ প্ৰতি থকা আদৰ সন্মানৰ বাবে গোটেই অঞ্চলটোতে তেওঁ বিখ্যাত।

'তোমালোক এতিয়া যাবানে?' অলপ বৈ শিল্পপতিয়ে সুধিলে।

কাগজ পঢ়ি থকাকেইজনে এটাও প্ৰতিবাদৰ শব্দ নকৰাকৈ হাতত সাৰে ভৰিত সাৰে কোঠাটোৰ পৰা ওলাই গ'ল। প্যাটিগৰভে বাকীখিনিও ওলাই যোৱাৰ পিছত দুৱাৰখন ভিতৰ ফালৰ পৰা বন্ধ কৰি দিলে।

থালত মদৰ বটল লৈ অহা পৰিচাৰক লৰাটোক দেখি খংমুৱাকৈ পুলিচ বিষয়াজনে সুধিলে, 'তই প্ৰথমেই এওঁক চিনি পাইছিলি। মোক আগতে কিয় কোৱা নাছিলি?'

'ক'বলৈ মোক মানা কৰিছিল।'

'কি ক'লি, মানা কৰিছিল? বদমাইচ, ৰ'বি এমাহ ফাটেকত সুমুৱাই থ'বলৈ দে, তেতিয়া জানিবি মোক কথা ক'বলৈ মানা কৰাৰ অৰ্থ কি। তাৰ পাছত মুখ ঘূৰাই প্ৰথম পাঁচজন মানুহৰ ফালে চাই তেওঁ কলে, 'আপোনালোকো আৰু ভাল মানুহ। কাজিয়া কৰিবলৈ আন কাৰণ বিচাৰি নাপালে? কেলেই দহমিনিটৰ কাৰণে কোঠাটোৰ পৰা ওলাই অহা হলেনো কি বিশেষ লোকচানটো হ'লহেতেন আপোনালোকৰ? কাজিয়াৰ গুৰিয়াল হিচাবে আপোনালোকহে আগতে ইয়াৰ পৰা ওলাই যাব লাগে। আপোনালোকৰ ধৰণকৰণবোৰ মোৰ মুঠেই ভাল নালাগে।'

বেজাৰ, অপমান, লাজ আৰু ভয়ত জনহীন নাচঘৰটোত মানুহ কেইজনে তহল দিবলৈ ধৰিলে। মাজে মাজে ফুচফুচাই কিবা কথাও পাতিলে। কিবা এটা বিপদৰ আশঙ্কাত তেওঁলোক বিৱৰ্ণ হৈ গ'ল। তেওঁলোকৰ ঘৈনীয়েক আৰু জীয়েকহঁতে

প্যাটিগৰভক 'অপমান' কৰাৰ খবৰ পাই ভয় আৰু বেজাৰত নাচঘৰৰ পৰা ঘৰমুৱা হৈছিল। নাচ বন্ধ হ'ল।

ৰাতি ডুটা ৰজাত মদৰ ৰাগি লৈ প্যাটিগৰভ কোঠাটোৰ পৰা ওলাই আহিল। নাচৰ কোঠাৰ চোফা এখনত বহি তেওঁ মূৰ ডুপিয়াবলৈ ধৰিলে। অলপৰ পিছতেই টোপনিত তেওঁ নাক বজাবলৈ ধৰিলে।

'গান বন্ধ কৰাহঁক। মিষ্টাৰ নিলিচ শুইছে, দেখা নাইনে?' অনুষ্ঠানৰ গৰাকীজনে হুকুম দিলে।

'মই আপোনাক ঘৰত থৈ আহিমগৈ নেকি মিষ্টাৰ নিলিচ?' বেলেবুকিনে কোটীপতিৰ কানৰ ওচৰত ফুচফুচাই সুধিলে।

'মই আপোনাক ঘৰত থৈ আহিবগৈ পাৰোঁনে? নহলে আপোনাৰ গাড়ীখনকে ইয়ালৈ আনিবলৈ মানুহ পঠামনেকি?' প্ৰথম বাৰত উত্তৰ নাপাই দ্বিতীয়বাৰত এই একে প্ৰশ্ন।

'হেই? কি? হাঁ! এইটো তুমি·· ...কি লাগে?'

'আপোনাক ঘৰত থৈ আহিব খুজিছো।'

'ওঁ মই ঘৰলৈ যাওঁ, লৈ যোৱা।'

আনন্দিত হৈ বেলেবুকিনে তেওঁক ধৰি ঠিয় কৰাই দিলে। বাকী চাৰি জনেও সহায় কৰিবলৈ দৌৰি আহিল। সহায় কৰাৰ সুবিধাকন মিলাত তেওঁলোকৰ যে কি আনন্দ? মুখত মিচিকিয়া হাঁহি। আটায়ে ধৰি তেওঁক গাড়ীলৈ লৈ গ'ল।

'সূক্ষ্ম অনুভূতি আৰু তীক্ষ্ণ বুদ্ধি নহ'লে কোনো ব্যক্তিয়েই

এনেকৈ আন সকলোকে তবধ লগাব নোৱাৰে। সঁচাই মই মুগ্ধ হৈছো, মিষ্টাৰ নিলিচ। এতিয়াও মই হাঁহি সামৰিব পৰা নাই। হাঃ হাঃ…… আমি সকলোৱেই ইমান উত্তেজিত হৈ গৈছিলো! বিশ্বাস কৰক, কোনো থিয়েটাৰতেই মই ইমানকৈ হঁহা নাছিলো। কি যে খুহুতীয়া লোক আপুনি! এই সন্ধিয়াটোৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰিম।' গাড়ীত তুলি দিয়াৰ লগে লগে জেষ্ট্ৰীয়াকভে এইদৰে কৈ গ'ল।

প্যাটিগৰভ আঁতৰ হোৱাৰ পিছত মানুহকেইজনৰ অলপ সকাহ পোৱা যেন লাগিল। ভয়ো কিছু আঁতৰিছে।

'তেওঁ মোৰ লগত কৰমৰ্দ্দন কৰিলে। সকলো ঠিক হৈ গ'ল। তেওঁৰ আৰু খঙ নাই যেন লাগিছে।' জেষ্ট্ৰিয়াকভৰ মুখত গৰ্ব্ব আৰু আনন্দ মিহলি হাঁহি।

'সেয়ে হলেই ৰক্ষা। তেওঁ বেচ বদমাইচ মানুহ, কিন্তু তেওঁ আমাৰ হিতকাৰীও। সেই কাৰণে আমি সতৰ্ক হোৱা ভাল।' এয়া পুলিচ বিষয়াজনৰ মন্তব্য।

শোকাতুৰ

সুনিপুণ কাৰিকৰ আৰু উৎকত মদাহী বুলি কাঠ মিস্ত্ৰী গ্ৰিগৰী পেট্ৰভ গোটেই জিলাখনতে জনাজাত। আৰ্থিক অৱস্থা কেতিয়াও তেওঁৰ দৰ ভাল নাছিল। তেওঁ নৰিয়া ঘৈণীয়েকক চিকিৎসাৰ কাৰণে ডাক্তৰখানালৈ লৈ গৈছে। বাট এতিয়াও বহু আছে, কুৰি মাইলৰ কম নহ'ব। ডাক পিয়নবোৰেই যেতিয়া সেই ৰাস্তাৰে যাবলৈ সংকোচ কৰে, সোৰোপা গ্ৰিগৰীৰ কাৰণে এই যাত্ৰা কেনে হ'ব সহজেই

অনুমান কৰিব পাৰি। ফেৰফেৰিয়া, হাৰকঁপোৱা চেঁচা বতাহে তেওঁৰ মুখত কোবাইছে। কুৰঁলীয়ে গোটেইখন ঢাক মাৰি আছে। কাষত পথাৰ, টেলিগ্ৰাফৰ খুটা, হাবিবননি একোকেই দেখা নাযায়। আনকি ঘোঁৰা-বাগীখনৰ আগটোৱেই গ্ৰিগৰীয়ে দেখা নাই। ক্ষীনকায় বুঢ়ী ঘোঁৰাজনীয়ে কোনোমতেহে শামুকীয়া গতিত গাড়ীখন টানি নিছে। বৰফত সোমাই যোৱা খুৰাবোৰ উলিয়াবলৈ তাই গাৰ গোটেই বল প্ৰয়োগ কৰিব লগা হৈছে। গ্ৰিগৰীৰ কিন্তু খৰ-খেদা লাগিছে, কেতিয়াকৈ ডাক্তৰখানা পায়গৈ তাৰহে চিন্তা। ঘোঁৰাজনীৰ পিঠিত কোবাই অস্বস্তিৰে তেওঁ উঠা-বহা কৰিবলৈ লাগিল।

'নাকান্দিবা, মেত্ৰীয়োনা। অলপ সহ্য কৰা। ডাক্তৰ-খানালৈ আৰু বেচি দূৰ নাই। ভগৱান আমাৰ সহায়। আৰু তেওঁলোকে মুহূৰ্ত্ততে তোমাক পৰীক্ষা কৰিব। পেভেল আইভানিচ তাত আছে যেতিয়া কিহৰ চিন্তা। তেওঁ তোমাৰ আৱশ্যকীয় সকলো যত্নই লব। তেওঁ অতি মৰমিয়াল আৰু সহানুভূতিশীল লোক। ভগৱানে তেওঁৰ মঙ্গল কৰিব। আমাক দেখিয়েই জাপ মাৰি আহি তেওঁ মৰমৰ খং দেখুৱাই আমাক দোষিব, কিয় আমি আগতেই নাহিলো'। সান্ত্বনাৰ সুৰত তেওঁ কথাবোৰ কৈ গ'ল। ঘৈণীয়েকৰ ফালে নোচোৱাকৈ ঘোঁৰাত কোব দি যিমান পাৰে বেগাই যাবলৈ যত্ন কৰিলে।

'ডাক্তৰ আইভানিচে আমি সোনকালে নহাৰ কাৰণে দোষিলে ক'ম, 'ডাঙৰীয়া, ভগৱান সাক্ষী। পবিত্ৰ ক্ৰুচত ধৰি

শপথ খাই কৈছো। মই খুব ৰাতিপুৱাই ঘৰ এৰিলো। খণ্ডত ভগৱানে এনেকৈ বৰফ-বতাহ দিয়ালে কেনেকৈ বাৰু মই সময়মতে ওলাবহি পাৰোঁ ? আপুনি নিজেই চাওক, এনে বতৰত ভাল ঘোঁৰাবোৰেই খোজ দিয়া টান হৈ পৰে, আৰু মোৰটো যে দেখিলেই লাজ লাগে।' তেতিয়া খণ্ডত চিঞৰি ডাক্তৰে ক'ব, 'তোমাক মই ভালদৰেই জানো। এটা নহয় এটা কিবা অজুহাত দেখুৱাবাই। গ্ৰিগৰী, মোৰ আগত মিছা মাতিব নালাগে। অতি কমেও পাঁচবাৰ তুমি বাটত মদৰ দোকানত সোমাই আহিছা।' তেতিয়া মই প্ৰতিবাদ কৰি ক'ম, 'মোক ইমান এটা নিৰ্দয় পশু বুলি ভাবিছেনে? মোৰ তিৰোতা মৃত্যুৰ মুখত আৰু মই মদৰ দোকান বিচাৰি ঘূৰি ফুৰিম! কোন সতেৰে এনে কথা আপুনি ক'লে বাৰু? মদৰ দোকানবোৰ ৰসাতলে যাওক।' তেতিয়া আইভানিচে আৰু তৰ্ক নকৰি তোমাক ভিতৰলৈ নিবলৈ নিৰ্দেশ দিব। তেতিয়া মূৰ দোঁৱাই তেওঁৰ ওচৰত ক্ষমা বিচাৰি মই ক'ম, 'ডাঙৰীয়া পেভেল আইভানিচ, আপোনালৈ আন্তৰিক ধন্যবাদ। আমাক ক্ষমা কৰক। আমি মূৰ্খ আৰু পাপী। আপুনি কেনে মহান আৰু উদাৰ! আমাক নিবলৈ এই বৰফৰ মাজতো ওলাই আহিছে!' ইয়াৰ উত্তৰত বোধহয় তেখেতে ক'ব, 'মোৰ ভৰিত এইদৰে পৰাতকৈ তুমি ভোড্কা খাবলৈ এৰিলেই বেচি ভাল হয়। আৰু এই মানুহ-জনীলৈ তোমাৰ পুতৌ নহয়নে? তোমাক কোবাবহে

লাগিছিল।' 'হয় মই কোব খোৱাৰহে যোগ্য। ভগৱানেও তাকেই বিচাৰে। কিন্তু আপোনাৰ ভৰিত নপৰি পাৰোঁ কেনেকৈ? আপুনি যে আমাৰ উদ্ধাৰ কৰোঁতা! মই অন্তৰৰ পৰা এই কথা নাই কোৱা যদি মোৰ চকুত থু পেলাই দিয়ক। মোৰ মেত্রীযোন: ভাল হৈ আকৌ আগৰ মানুহজনী হ'লেই মই আপুনি যি হুকুম দিয়ে পালন কৰিম। আপোনাক এটা ধুনীয়া চিগাৰেট কেচ বা এডাল কুণ্ডোৱা লাঠি দিম—মুঠতে আপোনাৰ কাৰণে সকলো কৰিবলৈ মই সাজু আছো। এটা পয়ছাও আপোনাৰ পৰা মই নলওঁ। এনে এটা চিগাৰেট কেচ মস্কোত চাৰি ৰুবলত বেচা যায় যদিও আপুনি মোক এক পয়ছাও দিব নালাগে।' তেতিয়া হাঁহি হাঁহি ডাক্তৰে কৈ উঠিব, 'ঠিক আছে, ঠিক আছে। তুমি যে ইমান মদাহী তাৰ কাৰণেহে মোৰ বেয়া লাগিছে।' শুনিছানে ঘৈণী, ভদ্রলোকৰ সৈতে কেনেকৈ কথা হ'ব লাগে মই জানো। মই ঘূৰাব নোৱাৰা ভদ্রলোক নাই বুলিলেই হয়। এতিয়া আমাক বাট ভুল নকৰালেই ৰক্ষা! কিযে বৰফ-বতাহ! মইযে একোকে দেখা নাই।' গ্রিগৰীয়ে ওৰে বাট ঘৈণীয়েকক তেওঁৰ মনে সজা কথাবোৰ কৈ যাবলৈ ধৰিলে।

নিজৰ মনৰ ভাৱনাবোৰ আঁতৰাই ৰাখিবলৈকে গ্রিগৰীয়ে মেচিনৰ দৰে একে লেঠাৰিয়ে কথাবোৰ কৈ গ'ল। এনেকৈ কৈ যাবলৈ আৰু বহুত কথাই যে তেওঁৰ অন্তৰত থুপ খাই

আছে! কিন্তু হঠাতে যে তেওঁক বেজাৰে আগুৰি ধৰিলে। এতিয়ালৈকে মদ খাই চিন্তা–ভাৱনাহীন মুকলীমূৰীয়া জীৱন এটা তেওঁ যাপন কৰি আহিছে। আনন্দও নাই আৰু বেজাৰো নাই। কিন্তু বিনা মেঘে বজ্রপাতৰ দৰে হঠাতেই যে তেওঁৰ অন্তৰখন দুখেৰে ভৰি উঠিল। সোৰোপা মদাহীজন হঠাতে উঠি পৰি লাগি গৈছে প্ৰকৃতিৰ শক্তিৰ লগত যুজ কৰি কৰি যিমান পাৰে বেগাই আগুৱাই যাবলৈ।

গ্ৰিগৰীয়ে মনত পেলালে, এই দুখৰ আৰম্ভনি আগদিনা গধূলিৰ পৰা। মাতাল অৱস্থাত গধূলি ঘৰ সোমাই সদায় কৰি অহাৰ দৰে তেওঁ হাতৰ মুঠি জোকাৰিবলৈ ধৰিলে তেওঁৰ তিৰোতাৰ সৰ্ব্ব শৰীৰত! সেইদিনাৰ ঘৈণীয়েকৰ চাৱনিটো দেখোন আগতকৈ বেলেগ। খুব কোবখোৱা আৰু খাবলৈ ঠিকমতে নোপোৱা কুকুৰৰ দৰে সদায় দেখুৱা করুণ চাৱনিযে আৰু নাই! কালি গধূলি তেওঁৰ চকুত একেবাৰে বেলেগ এক চাৱনি! শিলৰ মূৰ্ত্তি বা মৃত্যুমুখী মানুহৰ দৰে স্থিৰ আৰু কঠোৰ তেওঁৰ সেইদিনাৰ চকুৰ দৃষ্টি! সকলো দুখৰ গুৰিতেই সেই চাৱনিয়েই। হতভম্ব হৈ গ্ৰিগৰীয়ে ওচৰচুবুৰীয়া এজনৰ পৰা ঘোঁৰাজনী ধাৰ কৰি ঘৈণীয়েকক লৈ আহিছিল মনত গভীৰ এক আশা লৈ, পেভেল আইভানিচে কিজানিবা দৰৱ জাতি দি ঘৈণীয়েকৰ সেই আগৰ চাৱনি ঘুৰাই আনিব পাৰেই।

'এটা কথা মনত ৰাখিবা, মেত্ৰীয়োনা। আইভানিচে

মই তোমাক মাৰ-ধৰ কৰিছিলো‚ নেকি বুলি শুধিলে নাই কৰা বুলি ক'বা দেই। এতিয়াৰ পৰা কেতিয়াও মই তোমাক মাৰ-ধৰ নকৰোঁ। পবিত্ৰ ক্ৰচৰ দোহাই দি কৈছো, নকৰোঁ। তোমাক কষ্ট দিয়াৰ অভিপ্ৰায়েৰে মই তোমাক মৰা নাছিলোঁ। কৰিবলৈ আন কোনো ভাল কাম নথকাৰ কাৰণেইহে সেইটো কৰিছিলো !'

তোমাক মই খুব ভাল পাওঁ। মই তোমাক ডাক্তৰখানালৈ লৈ আহিছো ইমান বৰফ-ধুমুহাৰ মাজতো। আন এটাই নকৰিলেহেঁতেন। শক্তি অনুসৰি মই কৰিছো। হে ভগৱান সকলো তোমাৰেই ইচ্ছা। তুমি আমাক বাট ভুল নকৰাই লৈ যোৱা। মেত্ৰীয়োনা. তোমাৰ এতিয়া কেনেকুৱা লাগিছে বাৰু ? তুমি উত্তৰ নিদিয়া কিয় ? মোক কোৱাঁ— তোমাৰ গা ৰবকৈ বিষাইছে নেকি ?' গ্ৰিগৰী অধৈৰ্য্য হৈ পৰে।

'মূৰ্খ বুঢ়ী ! মই ভগৱানৰ নামত তোমাক ক'লো আৰু তুমি··· । নাই, মই তোমাক আইভানিচৰ তালৈ নিনিওঁ ?'

লগে লগে তেওঁ ঘোঁৰাৰ লেকাম শিথিল কৰি দিলে আৰু ভাবিবলৈ ধৰিলে। ঘূৰি মানুহজনীৰ মুখলৈ চাবলৈ তেওঁ সাহ নকৰিলে। ঘৈণীয়েকৰ কোনো উত্তৰ নাপাই ইতিমধ্যে তেওঁৰ এটা ভয় সোমাই গৈছে। এনেদৰে দোমোজাত আৰু কিমান সময় থাকিব পাৰি ! শেষত মুখলৈ নোচোৱাকৈ তেওঁ ঘৈণীয়েকৰ চেঁচা হাতখনত ধৰিলে। এৰি দিয়াৰ লগে লগে শিলৰ দৰে হাতখন পৰি গ'ল।

'তেওঁ আৰু নাই! উস্ মই কি কৰোঁ! মই কি কৰোঁ এতিয়া!"

কাঠমিস্ত্ৰীজনে উচুপিবলৈ ধৰিলে। শোকতকৈও বিৰক্তিয়েহে তেওঁক বেচি অস্থিৰ আৰু বিহ্বল কৰি তুলিলে। কিমান সোনকালেই যে অঘটন এটা ঘটি নাযায় এই সংসাৰখনত— তেওঁ ভাবিলে। অলপ আগতেই তেওঁৰ অন্তৰত শোকে খুন্দা মাৰি ধৰাৰ লগে লগেই সকলো শেষ। তিৰোতাৰে সৈতে হিয়া উবুৰিয়াই দুটা কথা কৈ এখন সংসাৰৰ ছবি আঁকিবলৈ ধৰোঁতেই যে তেওঁ নোহোৱা হৈ গ'ল! বোৱা চল্লিছ বছৰ কাল মৈত্ৰীয়োনাৰ লগত তেওঁ কটাইছে। কিন্তু আঁৰে-আঁৰেই যেন এই বছৰ চল্লিছটা পলাই গ'ল। মদখোৱা, গৃহকন্দল, অভাৱ-অনাটন আদিৰ মাজতেই যে গোটেই জীৱনটো লুকাই ৰ'ল। আৰু ঘৈণীয়েকৰ প্ৰতি অন্তৰৰ ভালপোৱাখিনি উপলব্ধি কৰাৰ লগে লগেই এই বুঢ়ী আঁতৰি গ'ল। গোটেই জীৱন অত্যাচাৰ কৰি অহা মৈত্ৰীয়োনাৰ অবিহনে যে তেওঁ জীয়াই থাকিব নোৱাৰে এতিয়াহে তেওঁ বুজি পালে।

দুখেৰে তেওঁ মনত পেলালে, 'মোৰ আদেশমতে এটুকুৰা ৰুটিৰ সন্ধানত তেওঁ সদায়েই দুৱাৰমুখে দুৱাৰমুখে মাগি ফুৰিছিল। উস্ কি যে নিষ্ঠুৰ মই! আৰু দহ বছৰ তেওঁ জীয়াই থাকিলেহেতেন যদি। মোক যে তেওঁ কি ভাবি নগৈছে! হে ভগৱান, এতিয়া তেওঁৰ সমাধিৰহে আৱশ্যক, ডাক্তৰৰ নহয়।'

ঘোঁৰাৰ মুখ ঘূৰাই তেওঁ গাৰ জোৰেৰে কোবাই দিলে। ৰাস্তাৰ অৱস্থা ইতিমধ্যে আৰু শোচনীয় হৈ পৰিছে। গাড়ীখনেই তেওঁ এতিয়া নেদেখা হ'ল। অনেকবাৰ গাড়ীখনে কাষৰ গছত খুন্দা মাৰিলে। গ্ৰিগ্ৰৰীৰ হাততো বহুত আঁচোৰ পৰিল। কিন্তু এটা ডাঙৰ বগা শূণ্যৰ বাহিৰে তেওঁ আৰু আন একোকে দেখা নাই। 'উস্ আকৌ জীৱনটো নতুনকৈ আৰম্ভ কৰিব পৰাহেতেন!' তেওঁ চিন্তা কৰিলে।

চল্লিছ বছৰৰ আগৰ ধুনীয়া লাহী আৰু আনন্দময়ী মেত্ৰীয়োনাজনী তেওঁৰ চকুৰ আগত ভাহি উঠিল। এটা ধনী আৰু সুখী পৰিয়ালৰ পৰা ওলাই আহিছিল মেত্ৰীয়োনা গ্ৰিগৰীক স্বামী হিচাবে গ্ৰহণ কৰি তেওঁৰ কাৰিকৰি বিদ্যাৰ আদৰ আৰু সন্মান জনাবলৈ। সুখৰ মাজেৰেই ভালেদিন গ'ল। হঠাতেই যে এই মদৰ নিচাৰ লগে লগেই সকলো পণ্ড হ'ল। এই চল্লিছটা বছৰ যে তেওঁ একেবাৰে এনেয়ে নষ্ট কৰি দিলে।

সন্ধিয়াৰ লগে লগে বগা বৰফবোৰে ধোঁৱাবৰণ ধাৰণ কৰিলে।

'মই ক'লৈ গৈছো?' নিজকে গ্ৰিগৰীয়ে সুধিলে, 'এতিয়া মই এওঁৰ সমাধিৰহে যোগাৰ কৰিব লাগে, কিন্তু মই দেখোন ডাক্তৰখানাৰ পিনেহে গৈ আছোঁ। মোৰ মগজে একেবাৰে কাম নকৰা হৈছে দেখিছো।' এই বুলি তেওঁ আকৌ ঘোঁৰা ঘূৰাই চলাবলৈ ধৰিলে। ঘোঁৰাজনীয়ে শক্তিয়ে আঁটেমানে

দৌৰিবলৈ ধৰিলে। মৃতদেহটো বাগীখনৰ ভিতৰত ইফালে সিফালে বাগৰি কৰা শব্দ গ্ৰিগৰীৰ কাণত পৰিল। আন্ধাৰ নামি অহাৰ লগে লগে বতাহ ক্ৰমে বেচি চেচা হ'বলৈ ধৰিলে।

'জীৱনটোক আকৌ নতুনকৈ ৰূপ দিব লাগিব। এইবাৰ সকলো নতুন হাঠিয়াৰ আদি যোগাৰ কৰি মই কামত নামিম ··· তিৰোতাক পয়চা দিম··· আৰু মই···' ভাবি ভাবি যাওঁতেই হাতৰ পৰা তেওঁৰ লেকামডাল স্খলকি পৰিল! আকৌ তুলি ল'বলৈ বিচাৰি তেওঁ বিফল হ'ল। তেওঁৰ হাত যে আৰু নলৰে। 'ভয় নাই, বাট চিনি পাই ঘেতিয়া ঘোঁৰাজনী নিজেই গৈ থাকিব। কবৰৰ সময় নোহোৱালৈকে মই অলপ জিৰাই ল'ব পাৰিম।' নিজকে এই বুলি আশ্বাস দি তেওঁ টোপনিয়াবলৈ ধৰিলে। অলপৰ পিছতেই ঘোঁৰাজনী বৈ যোৱাৰ শব্দত সাৰ পাই তেওঁ চকুমেলি চালে। সমুখত ক'লা কিবা এটা। ঘৰ বা খেৰৰ দ'মেই হ'ব লাগিব নিশ্চয়। বস্তুটোনো কি চাবলৈ তেওঁ গাড়ীৰ পৰা নামিব খুজিলে। কিন্তু গোটেই শৰীৰ তেওঁৰ একেবাৰে অৱশ হৈ গৈছে। লৰাবলৈ গাত শক্তি নাই। জাৰত ঠেৰেঙ্গা লাগি যেন তেওঁ মৰি যাব।······তেওঁ আকৌ শান্তিৰে শুই থাকিল।

সাৰ পাই দেখে যে চূণ দিয়া ডাঙৰ ঘৰ এটাৰ ভিতৰত তেওঁ পৰি আছে। সূৰ্য্যৰ উজ্জ্বল পোহৰ খিড়িকিয়েদি কোঠাটোলৈ সোমাই আহিছে। কোঠাটোত আন মানুহ থকাৰ

গম পাই তেওঁ গম্ভীৰ ভাৱে ক'লে, 'এই বুঢ়ী মানুহজনীৰ অন্ত্যেষ্টি ক্ৰিয়াৰ যোগাৰ কৰিবলৈ ধৰ্ম্মযাজকজনক ক'ব লাগে।'

'হৈ যাব, হৈ যাব। তুমি মনে মনে শুই থাকা।' বাধা দি এজনে ক'লে।

'কি এইয়া দেখোন পেভেল আইভানিচ! হে ডাঙৰীয়া, আমাৰ হিতাকাঙ্ক্ষী! ডাক্তৰক দেখি তেওঁ জাপ মাৰি বিচনাৰ পৰা নামিব খুজিলে। কিন্তু তেওঁৰ হাত-ভৰিবোৰে যে তেওঁৰ মনৰ হুকুম মানিব নোখোজে।

'ডাঙৰীয়া, মোৰ হাত-ভৰিবোৰ ক'ত?'

'তোমাৰ হাত-ভৰিক বিদায় সম্ভাষণ জনোৱা। সেইবোৰ বৰফত গোটমাৰি নষ্ট হৈ গৈছে। ৰ'বা কান্দিবলৈ কিটো আছে! জীয়াই যে আছা তাৰ বাবে ভগৱানক শলাগ জনোৱা। তোমাৰ বয়স ষাঠি মানেই হ'ব যেন লাগিছে। তোমাৰ দিন উকলিল আৰু।

'শোকে মোক দহি নিছে। ডাঙৰীয়া মোক ক্ষমা কৰক। আৰু ছটা বছৰ যদি জীয়াই থাকিব পাৰোঁ!'

'কিহৰ কাৰণে?'

'এইটো মোৰ ঘোৰা নহয়। ঘূৰাই দিব লাগিব। মোৰ তিৰোতাক কবৰ দিবলৈও আছে। উস্ কিমান সোনকালেই যে সকলোবোৰ ঘটি যায় পৃথিৱীখনত। আইভানিচ আপোনাক মই এটা ধুনীয়া চিগাৰেট-কেচ সাজি দিম······'

'হাতখনেৰে কিবা সংকেত দি ডাক্তৰ কোঠাৰ পৰা ওলাই গ'ল। কাঠমিস্ত্রীজনৰ মৃতদেহ বিচনাৰ ওপৰত পৰি ৰ'ল।

শোকাতুৰৰ মূলকথা :— গ্রিগৰী পেট্রভ বৰ মদপী আছিল। মদ খাই আহি বহুদিন উচ্চ বংশজাত তেওঁৰ ঘৈণীয়েক মেত্রীয়োনাক তিৰস্কাৰ কৰিছিল। ঘৈণীয়েকৰ টান নৰিয়া। ডাক্তৰৰ ওচৰলৈ নিবলৈ বুলি তেওঁ জনপ্রাণীহীন ৰাস্তা এটাৰে আগবাঢ়িলে। মানুহে সেই ৰাস্তাটোৰে যাবলৈ এনেয়ে ভয় কৰে। তেওঁ বাগী এখনত (বেমাৰী) ঘৈণীয়েকক লৈ গ'ল।

তে ণীয়েকৰ মৃত্যু হয় আৰু তেওঁৰ মূৰত বিনা মেঘে ব-্পাত হ'ল। মনৰ স্থিৰতা নাই। অৱশেষত অজ্ঞান ্স্থাত ডাক্তৰৰ ঘৰ পায়। তাত তেওঁ চিৰনিদ্রাত ঢালকাল।

ভাংকা

ভাংকা ঝুকভৰ বয়স ন বছৰ। জোতাৰ কাম শিকিবৰ উদ্দেশ্যে তিনিমাহৰ আগতে তাক জোতা ব্যৱসায়ী আলীয়াখিনৰ ঘৰত থোৱা হৈছে। বৰদিনৰ আগৰাতি। চাৰিওফালে উখল-মাখল। ভাংকা কিন্তু বিচনালৈ যোৱা নাই। গিৰিহঁত, গিৰিহঁতনী আৰু জ্যেষ্ঠ শিকাৰুসকল গীৰ্জ্জালৈ যোৱালৈ সি বাট চাই আছে। তেওঁলোক যোৱাৰ পিছতে আলমাৰিৰ পৰা চিয়াঁহীৰ দোৱাতটো উলিয়াই মামৰে ধৰা কলম এটাৰে সোতোৰা মোচোৰা খাই থকা কাগজ এটুকুৰাত

কিবা লিখিবলৈ বুলি সি সাজু হ'ল। ভয়ে ভয়ে দুৱাৰ-খিড়িকিবোৰলৈ এবাৰ চাই ল'লে। বেঞ্চখনৰ ওপৰত কাগজখন পাৰি লৈ মাটিত আঠুকাঢ়ি সি লিখিবলৈ ল'লে।

'মৰমৰ ককাদেউতা, কন্‌ষ্টেন্তিন মাকাৰিয়চ' সি লিখিলে, 'মই আপোনালৈ বুলি এখন চিঠি লিখিছো। আপোনালৈ বৰদিনৰ শুভেচ্ছা পঠালো আৰু খাটিছো যেন ভগৱানে আপোনাক আশীৰ্ব্বাদ কৰক। মা-দেউতা কোনোৱেই নাই। আপুনিয়েই মোৰ সকলো।'

বাহিৰত ঘোপমৰা আন্ধাৰ। মমদালৰ জিকমিকনিটো খিড়িকিৰ আইনাখনত প্ৰতিফলিত হ'ল। কল্পনাতে ভাংকাই ককাইদেউতাকক দেখিলে। ককাকে আকৌ ঝিভাৰেভ নামেৰে ভদ্ৰলোক এজনৰ বঙলাত ৰাতি চকীদাৰৰ কাম কৰে। চুটি-চাপৰ আৰু ক্ষীণকৈ ককাকক দেখিলে পয়ষষ্টি বছৰীয়া বুলি ধৰিবই নোৱাৰি। সদায় প্ৰফুল্লিত আৰু কোনো কামলৈকে পিঠি নিদিয়া বিধৰ লোক তেওঁ। মদৰ নিচাত নিষ্প্ৰভ হৈ থকা চকু যোৰেৰে হাঁহি থকা মুখখনত সদায়েই এটা আনন্দৰ চিন। দিনৰ ভাগত তেওঁ পাছফালৰ ৰান্ধনিঘৰটোত শুৱ, নহলে ৰান্ধনি লবাটো আৰু লিগিৰীকেইজনীৰে চুপতি মাৰিব। আৰু গোটেই ৰাতি ডাঠ ভেড়াচালৰ কোটটো পিন্ধি জোতাৰ শব্দ কৰি গোটেই বঙলাৰ চাৰিওকালে ঘূৰি চকীদাৰি কৰিব। বুঢ়া কুকুৰ 'কাষ্টাঙ্কা' আৰু কেট্‌-কেট্‌ কৰে ক'লা নেউলৰ দৰে গাৰে পোৱালি কুকুৰ 'আইল' তেওঁৰ পিছে পিছে

দৌৰাদৌৰি কৰি ফুৰিব। আইল খুব প্ৰভুভক্ত। বাহিৰে ঠাণ্ডা যদিও বদমাইচিও তাৰ নোহোৱা নহয়। চুৰি কৰাত সি পাকৈত। আনৰ কুকুৰা-গঁড়ালত সোমোৱাৰ বাবে অনেক দিন সি মাধমাৰ খাইছে। পাছ ভৰি চুটাত আহত হোৱাৰ কেইবাটাও ডাগ এতিয়াও তাৰ আছে। প্ৰতি সপ্তাহতে মাধমাৰ নোখোৱাকৈ নাযায় যদিও সি এতিয়াও বাচি আছে।

এতিয়ামানে চাগৈ ককাকে চোতালৰ জপনাখনৰ শুচৰত বৈ গীৰ্জ্জাৰ ৰঙা লাইইটো চাই আছে। নাইবা খুড়তীয়া কথাৰে লিগিৰা-লিগিৰীহঁতক পেটবিষোৱাই হহুঁৱাইছে। লগে লগে ঠাণ্ডাত তেওঁ চাগৈ হাত দুখন জোকাৰি আছে। হয়তোবা ৰান্ধনি বা আন কোনোবা এটাক তেওঁৰ নাচগুড়িৰ বটলটো আগবঢ়াই দি কৈছে, 'হেৰৌ, হাঁচি এটা মাৰি ল।' পাছত লিগিৰীজনীয়ে হাঁচি মৰাত তেওঁ চাগৈ ফুৰ্ত্তিত গিৰ্জনি মাৰি হাঁহি কৈছে, 'বাঃ বাঃ। মই আকৌ তোমাৰ নাকটো ঠাণ্ডাত গোট মাৰি গ'ল বুলিহে ভাবিছিলো!' ৰঙতে তেওঁ কুকুৰ কেইটাকো নাচগুড়ি চটিয়াই দিয়ে। কাষ্ঠাঙ্কায় হাঁচিয়াই উঠি খণ্ডত মূৰ জোকাৰি জোকাৰি আঁতৰি যায়গৈ। আইল কিন্তু টেঙৰ। সি নেজ জোকাৰি সম্মতি দেখুৱাই। হাঁচি মাৰি সি গৰাকীক বিৰক্ত কৰিবনে? সেইদিনা বতৰটোও বৰ ভাল। ফেৰফেৰীয়া বতাহ বা কুঁৱলী একো নাই। আন্ধাৰ যদিও, ঘৰবোৰৰ চাল, চিমনিৰ ধোঁৱা আৰু গছবোৰ স্পষ্টকৈ দেখা গৈছিল; তিৰবিৰোৱা তৰাবোৰেৰে সিচৰিত

হৈ থকা আকাশখন বৰ ধুনীয়া দেখাইছিল।

হুমুনিয়া এটা পেলাই ভাংকাই আকৌ লিখাত লাগিল :

'কালি যে মোৰ কি কষ্ট। গৃহস্থৰ কেচুৱাটো কোলাত লৈ নচুৱাই থাকোতেই ভুলতে মোৰ অলপ টোপনি আহিছিল। সেই দোষতে তেখেতে মোক চুলি জোকাৰি বৰকৈ কোবালে। যোৱা সপ্তাহত এদিন গিৰিহঁতনীয়ে মোক এটা কাৰৈ মাছ বাচিবলৈ দিছিল। অলপ ভুল লগাতে তেখেতে খণ্ডত মাছটোৰ মূৰটো মোৰ মুখত ঘহি দিলে। আন শিকাৰুবোৰেও মোক সদায় ঠাট্টা-মস্কৰা কৰি থাকে। তেওঁলোকে মোক মদৰ দোকানৰ পৰা ভোডকা আনিবলৈ পঠায় আৰু গিৰিহঁতৰ বাৰীৰ পৰা টিয়ঁহ চুৰ কৰিবলৈ পাচে। এই দোষত কেইবাদিনো তেখেতৰ হাতত শাস্তি খাব লগা হৈছে। পেটভৰাই মই কেতিয়াও খাবলৈ নাপাওঁ। ৰাতিপুৱা আৰু গধূলি এটুকুৰা ৰুটি আৰু দুপৰীয়া ভাতৰ মাৰৰ বাহিৰে মোৰ পাতত একোকেই নপৰে। চাহ, শাক-পাচলি, কৰি ভজা আদি ইয়ালৈ আহিবৰে পৰা মোৰ মুখতেই পৰা নাই। ৰাতি মুকলি বাৰান্দাটোত মই শুব লাগে। কেচুৱাটোৱে কান্দিলেই তাক মই নিচুকাই লৈ থাকিব লাগে। প্ৰায়ে ৰাতি শুবলৈ মই আহৰি নাপাওঁ। মই আৰু এইবোৰ কিমান সহ্য কৰিম, ককাদেউতা? আপুনি আহি মোক গাৱঁলৈ লৈ যাওকহি। মোৰ অতি মৰমৰ ককাদেউতা, যিমান পাৰে সোনকালে আহি মোক লৈ যাবলৈ আপোনাক খাটিছো।

নহ'লে যে মই মৰি যাম। প্ৰতি মুহূৰ্ত্ততে মই আপোনালৈ বাট চাই থাকিম দেই……'

টোপনিয়ে তাক হেঁচি ধৰিছিল। চকু দুটা মোহাৰি অলপ উচুপি উচুপি ভাংকাই আকৌ লিখিবলৈ আৰম্ভ কৰিলে।

'ককাদেউতা, মই আপোনাৰ বাবে নাচগুড়ি খুন্দি দিম। দুষ্টালি কৰিলে আপুনি মোক মৰিয়াব। ঘৰত কৰিবলৈ একো কাম নাথাকিলে মই আপোনাৰ জোতা চফা কৰিম আৰু ভেড়া চৰাম। মৰমৰ ককাদেউতা, ইয়াত থাকিলে যে মই মৰি যাম। কেতিয়াবা দৌৰি ইয়াৰ পৰা গাৱঁলৈ গুচি যাবলৈ মোৰ মন যায়। কিন্তু মোৰ যে জোতা নাই, আৰু বৰফবোৰলৈ যে মোৰ ইমান ভয় লাগে। মই ডাঙৰ হ'লে আপোনাক শুশ্ৰূষা কৰিম। কোনেও আপোনাক কটু কথা ক'বলৈ নিদিওঁ। আপোনাৰ মৃত্যু হ'লে, আত্মাৰ সদগতিৰ কাৰণে ভগৱানক প্ৰাৰ্থনা জনাম। মোৰ মাৰ মৃত্যু হওঁতেও মই জনাইছিলো।

'মস্কোখন যে ইমান ডাঙৰ নগৰ। ইয়াত বহুত ডাঙৰ মানুহৰ ঘৰ আছে। আচৰিত কথা, ইয়াত ভেড়া এটাও দেখিবলৈ নাই, কিন্তু ঘৰে ঘৰে ঘোঁৰা আছে। ইয়াৰ কুকুৰবোৰ বৰ শান্ত প্ৰকৃতিৰ। বৰদিনত দেখোন লৰাবোৰে আকাশৰ তৰা চাবলৈ ওলাই নাহে আৰু গীৰ্জ্জাত গান গাবলৈও নাযায়। দোকানবোৰত যে একোটাইত ইমান ডাঙৰ বৰশি আছে। বৰ ডাঙৰ মাছ ধৰিব পৰা যাব। কিছুমান

দোকানত আকৌ আমাৰ গৃহস্থৰটোৰ দৰে বৰ ডাঙৰ বন্দুকো আছে। একোটাৰ দাম এশ কবলতকৈ কেতিয়াও কম নহ'ব। কচাইখানাবোৰত ছাগলি, শহা, বনৰীয়া কুকুৰা আদি থাকে কিন্তু সেইবোৰৰ চিকাৰ ক'ত হৈছিল দোকানীবোৰে একোকে নকয়।

'ককাদেউতা, এইবাৰ বৰদিনত বোৱা বৰদিনৰ গছ জোপাৰ পৰা মোলৈ সোণালী তামোল এটা সেই নীলা বাকছটোত ভৰাই থব দেই। মৰমৰ ওল্‌গাক ক'লেই হ'ব।,

দীঘল হুমুনিয়া এটা পেলাই ভাংকাই আকৌ খিড়িকি কেউখনলৈ চালে। তাৰ মনলৈ আহিল, কেনেকৈ সি ককাকৰ সৈতে গৈ ককাকৰ গৃহস্থৰ কাৰণে বৰদিনৰ গছৰ যোগাৰ কৰিছিলগৈ। কি যে সুখৰ দিন আছিল সেইবোৰ! বৰফেৰে ঢাক খাই থকা ডিমৰু গছবিলাক চাই ফুৰিগৈ ককাকে, কোনজোপা ভাল হ'ব। গছ কটাৰ আগতেই তেওঁ দীঘল পাইপটো হুপি ল'ব গাত বল গোটাবলৈ। গছ কাটি থাকোতে ক'ৰবাত কেতিয়াবা শহা এটা ওলালেই বুঢ়াই চিঞৰি উঠিব, 'হেই ধৰ ধৰ' কৈ। আৰু সেই লিগিৰী ওল্‌গা জনীয়ে বে তাক কিমান মৰম কৰিছিল! মাক জীয়াই থাকোতে যেতিয়া সেই ঘৰত কাম কৰিছিল, তেতিয়া ওল্‌গাই সদায় তাক মিঠাই দিছিল আৰু লিখিব-পঢ়িবলৈও শিকাইছিল। ওল্‌গাই তাক নাচিবলৈও শিকাইছিল। কিমান যে মৰমিয়াল এই ওল্‌গাজনী! মাকৰ মৃত্যুৰ পাছতে ভাংকাৰ ঠাই হ'ল

পাছফালৰ ৰান্ধনি ঘৰটো। আৰু তাৰ পিছতেই মস্কোৰ এই আলীয়াখিনৰ ঘৰত।

'আপুনি বেগেতে মোৰ ওচৰলৈ আহক, ককাদেউতা।, সি আকৌ লিখি গ'ল, যীশুৰ দোহাই দি কাবৌ কৰিছো মোক ইয়াৰ পৰা লৈ যাওকহি। কিমান দুখত যে মই ইয়াত আছো। সদায় পেটত ভোক আৰু গাত মাৰকিলৰ দাগ লৈ মই বাৰু আৰু কিমান দিন জীয়াই থাকিম্? মোৰ দুখ-কষ্টৰ বৰ্ণনা কৰিব নোৱাৰোঁ, ককাদেউতা। উস্ সিদিনা গিৰিহঁতে জোৰেৰে মোৰ মূৰত মাৰ-মাৰি দিওঁতে মই আকৌ বাচিম বুলিয়েই ভবা নাছিলো! কিমান সময় যে মই অচেতন হৈ পৰি আছিলো সেইদিনা! কুকুৰ এটাতকৈও মোৰ জীৱন বেচি দুখৰ হৈ উঠিছে। মৰমৰ ককাদেউতা আপুনি বেগাই আহক।'

চিঠিখন ভাঁজকৰি আগদিনাই মনে মনে কিনি থোৱা লেফেফা এটাত ভৰাই পেলালে! অলপ কিবা ভাবি সি লেফেফাটোত লিখিলে 'ককাদেউতা।' তাৰ পাছত আৰু অলপ ভাবি আকৌ লিখিলে 'কন্‌ষ্টেণ্টিন মাকাৰিয়চ—আমাৰ গাওঁ।'

কাৰো চকুত নপৰাকৈ চিঠিখন যে শেষ কৰিব পাৰিলে তাক ভাবি সি বৰ ভাল পালে। লৰালৰিকৈ মূৰত টুপীটো সুমুৱাই কোট নিপিন্ধাকৈয়ে সি দৌৰ মাৰিলে আলিবাটলৈ।

কসাইখানাৰ মানুহজনৰ পৰা আগদিনাই সি জানি লৈছিল যে চিঠিবোৰ বাটৰ কাষত থকা চিঠি-বাকচবোৰত ভৰাই দিব

লাগে। আৰু তাৰ পৰাই পৃথিৱীৰ সকলো ঠাইলৈকে চিঠিবোৰ লৈ যায় কিছুমান মাতাল গাড়োৱানে, তিনিটা ঘোঁৰাই টনা ঘণ্টা বাজি যোৱা কিছুমান বাগীত। একেবাৰে ওচৰত থকা বাকছটোলৈ সি দৌৰ দিলে আৰু তাৰ অকণমানি অন্তৰখনিৰ ভাষা বৈ অনা সেই চিঠিখন পেলাই দিলে!

এঘণ্টাৰ পাছত অদূৰ ভৱিষ্যতৰ সোণালী সপোনবোৰ দেখি সি টোপনিত লালকাল দিলে। সপোনত সি দেখিলে, জুহালৰ গুৰিত বহি ককাকে তাৰ চিঠিখন ৰান্ধনি লবাটোক মাতি শুনাইছে। কুকুৰ পোৱালিটোৱে যেন আনন্দতে নেজ জোকাৰি ইফালে সিফালে অহাযোৱা কৰি আছে।

দুজন বিবেকী

চেপ্তেম্বৰ মাহৰ আন্ধাৰ নিশা এটাৰ ঘটনা। ৰাতি ন বাজি গৈছে। ডাক্তৰ কিৰিলভৰ একমাত্ৰ সন্তান এণ্ড্ৰীৰ ডিপ্‌থিৰিয়া ৰোগত মৃত্যু হৈছে। ডাক্তৰৰ পৰিবাৰ শোকত একেবাৰে জুকলা হৈ বিচনাৰ দাঁতিত আঁঠুত মূৰ গুজি কান্দি আছে। ইতিমধ্যে আগফালৰ দুৱাৰৰ ঘণ্টাটো জোৰেৰে বাজি উঠিল।

ঘৰত ডিপ্‌থিৰিয়া ৰোগ হোৱাত লগুৱা লিগিৰীবোৰক ৰাতি পুৱাই বিদায় দিয়া হৈছে। গতিকে ডাক্তৰ নিজেই দুৱাৰ খুলিবলৈ থকাভাগেই ওলাই আহিল। মুখখন এতিয়াও

তেওঁৰ তিতি আছে আৰু হাতৰ কাৰ্ব্বনিক এচিদৰ দাগবোৰ যোৱা নাই। মাজৰ কোঠাটোত আন্ধাৰ। তেওঁৰ প্ৰায় সমানেই ওখ মানুহ এজন সোমাই অহা মাত্ৰে তেওঁ দেখা পালে। ডিঙিত তেওঁৰ এখন বগা গলবন্ধা। মুখখন তেওঁৰ ইমান শেঁতা পৰা যে আন্ধাৰ কোঠাটোত যেন সি অলপ বগা পোহৰহে দিছে।

'ঘৰত ডাক্তৰ আছেনে?' উদ্বেগেৰে তেওঁ সুধিলে।

'হয়, মই ঘৰতে আছো। আপোনাক কি লাগে?'

'ইস্ আপোনাক লগ পাই বৰ ভাল লাগিল।' কিবা এটা বিপদত হাত সৰাৰ সুৰত মানুহজনে কৈ উঠিল। আন্ধাৰতে ডাক্তৰৰ হাতখন খেপিয়াই ধৰি জোৰেৰে তেওঁৰ দুই হাতেৰে চেপি ধৰিলে। 'খুব ভাল লাগিল! খুব ভাল লাগিল! আমি আগেয়েও লগ হৈছিলো। মোৰ নাম এবগিন। আৰুবেলি জহৰ দিনত সৰু নগৰ এখনত আপোনাক লগ পোৱাৰ মোৰ সৌভাগ্য ঘটিছিল। ইস্ আপোনাক যে ঘৰত লগ পালোহি, ৰক্ষা তেও। কাবৌ কৰিছো······মোৰ তিৰোতাৰ বৰ ডাঙৰ নৰিয়া। আপোনাক লৈ যাবলৈ মই গাড়ী লৈ আহিছো।

মানুহজনৰ কথা-বতৰাৰ পৰাই তেওঁ যে খুব আতঙ্কিত হৈ পৰিছে সেইটো ধৰিব পাৰি। তেওঁৰ উশাহ ঘন আৰু কথাবোৰ খৰ আৰু ভগাভগা। একুৰা জুই নাইবা বলিয়া কুকুৰ এটাৰ পৰাহে যেন তেওঁ সাৰি আহিছে। কথাবোৰ

তেওঁৰ একেবাৰে ৰহন নিদিয়া সৰু ল'ৰাৰ দৰে। বিহ্বল হৈ তেওঁ কৈ গৈছে।

'মই ভয়েই খাইছিলো, জানোচা আপোনাক লগেই নাপাওঁ। গোটেই বাটটোতে মোৰ চিন্তাৰ অন্ত নাই। ভগৱানৰ নামত, কোটটো পিন্ধি আপুনি সোনকালে ওলাই আহক।' তেওঁ থুলমূলকৈ ঘটনাটোৰ বৰ্ণনা এটা দিলে, 'মোক লগ পাবলৈ আলেকজেণ্ডাৰ চেমীয়ানাভিচ আহিছিল। তেওঁক আপুনি জানেই বোধকৰো। অলপ পৰ কথা পাতি আমি চাহ খাবলৈ গলো। হঠাতেই মোৰ তিৰোতাই চিঞৰি উঠিল। বুকুত হাতখন দি তেওঁ চকীৰ পৰা বাগৰি পৰি গ'ল। আমি তেওঁক বিচনালৈ লৈ গলোঁ। আৰু মূৰত ঠাণ্ডা পানী দি পিহি দিলো। কিন্তু তেওঁ মৃতপ্ৰায় হৈ পৰি ৰ'ল।......মই যে ইমান ভয় খাইছো। তেওঁৰ মূৰত বিষ হৈছে বুলি মোৰ সন্দেহ। অনুগ্ৰহ কৰি বেগাই আহক! তেওঁৰ দেউতাকো এনেকৈয়ে ঢুকাইছিল।'

কিৰিলভে মনে মনে শুনি গৈছিল। তেওঁ যেন ৰুছ ভাষাৰ কথাখিনিও বুজিবলৈ টান পাইছে।

এবগিনে আকৌ ক'বলৈ আৰম্ভ কৰিলে কেনেকৈ তেওঁৰ শহুৰেকৰো এই ৰোগতে মৃত্যু হৈছিল। আন্ধাৰতে তেওঁ আকৌ ডাক্তৰৰ হাতখন চেপি ধৰিলে।

মূৰটো অলপ পিচুৱাই অন্যমনস্কভাৱে ডাক্তৰে উত্তৰ দিলে 'মই অতি দুঃখিত। এতিয়া মই আপোনাৰ ঘৰলৈ যাব

নোৱাৰো। কেইমিনিটমানৰ আগতে মোৰ ল'ৰাৰ মৃত্যু হৈছে।'

কেইখোজমান পিচুৱাই গৈ সক মাতেৰে এৰগিনে ক'লে, 'কি সঁচাকৈয়ে আপুনি যাব নোৱাৰে! হে মোৰ গোসাঁই, কি কুক্ষণত মই আহিলো। কি এটা কুদিন, সঁচাকৈয়ে ভাবিবলগীয়া। কোনে ভাবিব পাৰে বাৰু এই দুয়োটা ঘটনা একেলগেই ঘটিব পাৰে বুলি!'

দুৱাৰৰ হাঁকোতাডালত ধৰি তেওঁ মূৰটো অলপ আগফালে হাওলাই বৈ গ'ল। কি কৰিব ভাবি তেওঁ পাৰ পোৱা নাই। গুচি যাবগৈ নে আকৌ ডাক্তৰক এবাৰ অনুৰোধ কৰি চাব।

ডাক্তৰৰ হাতখন ধৰি খুব আবেগেৰে তেওঁ কৈ উঠিল, 'শুনক, আপোনাৰ অৱস্থা মই ভালদৰেই বুজিছো। আপোনাৰ এই বেজাৰৰ বেলিকা মোৰ কথাৰে আমনি কৰিব লগা হোৱাত মই নিজেই বৰ লাজ পাইছো, ভগৱানে বুজিব। কিন্তু মই যে একেবাৰে বিবুদ্ধি হৈ পৰিছো। আপুনিয়েই ভাবি চাওক, মই ক'লৈ যাওঁ। আপোনাৰ বাহিৰে আৰু কোনো ডাক্তৰ এই অঞ্চলত নাই। ভগৱানৰ দোহাই, আপুনি আহক! মোৰ নিজৰ কাৰণে আপোনাক মতা নাই। বেমাৰী মই নহয়।'

অলপ সময় দুয়ো নিমাত। এৰগিনৰ ফালে পিঠি কৰি দুইমিনিটমান ডাক্তৰ ঠিয় হৈ ৰ'ল। পাছত লাহে লাহে তেওঁ বহা কোঠালৈ সোমাই গ'ল। আন্ধাৰতে এখন ডাক্তৰ

কিতাপত তেওঁ হাত দিলেগৈ। তেওঁ একেবাৰে যন্ত্ৰচালিতৰ দৰে হৈ পৰিছে; একো ভাবিবলৈকে তেওঁ অক্ষম হৈ পৰিছে। এজন নৰাগত যে ইটো কোঠাত বৈ আছে তেওঁ পাহৰিয়েই গ'ল। কোঠাটোৰ নীৰৱতাই যেন তেওঁক বেচিকৈহে বুদ্ধিভ্ৰষ্ট কৰি তুলিলে।

বহা কোঠাৰ পৰা তেওঁ পঢ়া কোঠাত সোমাল। দুৱাৰ-খনেদি পাৰ হওঁতে তেওঁ সোঁভৰিখন ইমান ওপৰলৈ ডাঙিলে যেন তেওঁ নিজৰ ঘৰৰে বাটপথবোৰ পাহৰি গৈছে। তেওঁ যেন এক অজান ঠাইত ওলাইছোহি বা জীৱনত প্ৰথমবাৰৰ কাৰণে মাতাল হৈ আহিছে। বেৰ এখনত ওলমি থকা কিতাপৰ বেকডালত অলপ পোহৰ পৰিছিল। পোহৰ আৰু কাৰ্ব্বলিকৰ চোকা গোন্ধ আহিছিল শোৱা কোঠাৰ পৰা। মেজৰ ওচৰৰ চকীখনত তেওঁ বহি পৰিল। কিছুপৰ থৰ লাগি কিতাপবোৰলৈ তেওঁ চাই থাকিল, তাৰ পিছত হঠাতে তেওঁ শোৱা কোঠালৈ উঠি গ'ল।

শোৱা কোঠাত এক ভয় লগা নীৰৱতা। অলপ আগেয়ে ইয়াতেই কি এটা ভয়ানক ধুমুহা তেওঁলোকৰ মনৰ ওপৰেদি পাৰ হৈ গৈছে! এতিয়াৰ এই শান্ত পৰিবেশটো তেওঁৰ কাৰণে অসহ্য হৈ উঠিল। সৰু মেজখনৰ ওপৰত বটল আৰু বাকচ এসোপাৰ মাজত মম এডাল জ্বলি আছে। অলপ দূৰৈত সৰু আলমাৰিটোৰ ওপৰত থকা লেম্পটোৱে গোটেই কোঠাটো পোহৰাই আছিল। সোঁফালে

খিড়িকিখনৰ দাঁতিৰ বিচনাখনতে এটা সৰু ল'ৰা, তাৰ চকুহাল মেলখোৱা আৰু মুখত এটা বিস্ময়ৰ চাৱনি! সি লৰচৰ কৰা নাই। প্ৰতি মুহূৰ্ত্ততে তাৰ চকু দুটা যেন বেচিকৈয়ে ক'লা পৰি গৈছে। লৰাটোক সাৰতি মজিয়াত আঠুকাঢ়ি বিচনা চাদৰত মূৰ গুজি উচুপি আছে তাৰ মাক। লৰাটোৰ দৰে তেওঁ, অলৰ-অচৰ।

ঘৈণীয়েকৰ কাষতে তেওঁ ঠিয় দিলেগৈ। পেণ্টৰ জেপত হাত দুখন ভৰাই মুখখন কাটিক একেথৰে চাই থাকিল। মুখত তেওঁৰ এক উদাসীন ভাব। অলপ আগতে কন্দাৰ তেওঁৰ দাগখিনি এতিয়াও সেমেকি আছে।

মৃত্যুৰ ভয়ংকৰতা বা নিষ্ঠুৰতাইকৈও আন কিবা এটাহে যেন কোঠাটোত বিৰাজ কৰিছে। মানুহৰ দুখ শোক বেজাৰৰ অতি সূক্ষ্ম অনুভূতিবোৰৰ বৰ্ণনা বা উদাহৰণ দিয়া সহজ নহয়। কিন্তু মাকৰ মৌনতা আৰু বাপেকৰ উদাসীনতাই যেন এই অনুভূতিবোৰক ৰূপ দিছে! এই অনুভূতিবোৰে আমাৰ কানত গোহাৰি দিব পাৰে কেৱল গানৰ যোগেদি। এনেকুৱা এটা গানৰ সুৰ যেন কোঠাটোত বিয়পি আছে। সেই সময়ত ডাক্তৰ বা তেওঁৰ পৰিবাৰ কোনেও কথা কোৱা নাছিল আৰু কন্দাও নাছিল। এই অঘটনৰ শোকখিনিৰ উপৰিও তেওঁলোকে যেন ইয়াৰ লগত জড়িত সেই কৰুণ ৰসৰ কৰিতাটি উপলব্ধি কৰিব পাৰিছে। তেওঁলোক এতিয়া ডেকা-গাভৰু নহয়। আকৌ পিতৃ-মাতৃৰ গৌৰৱ তেওঁলোকে

আৰু কৰিব নোৱাৰে। বয়স চল্লিছৰ অলপহে ওপৰ যদিও পকাচুলিৰে ডাক্তৰক বেচ বয়সীয়া যেনেই লাগিছিল। ঘৈণীয়েক পয়ত্রিছ বছৰীয়া যদিও ভগ্নস্বাস্থ্যৰ। স্বাস্থ্য দিনে দিনে তেওঁৰ ভাগিহে পৰিছে। এগুৰী তেওঁলোকৰ একমাত্র সন্তানেই নাছিল, সি তেওঁলোকৰ শেষ সন্তানো।

মানসিক কষ্টৰ মাজতো আৱশ্যকীয় কামবোৰ ক্রিয়াৰিকৈ কৰিযোৱা ডাক্তৰৰ স্বভাৱ। এই বিষয়ত ঘৈণীয়েক একেবাৰে ওলোটা। শোৱা কোঠাৰ পৰা ডাক্তৰ এটা সৰু কোঠালৈ ওলাই গ'ল। তাৰ পৰা তেওঁ ৰান্ধনি ঘৰত সোমালগৈ।

জুহাল আৰু ৰান্ধনি লৰাটোৰ বিচনাখনৰ ওচৰত কেইপাকমান ঘূৰি এখন সৰু দুৱাৰেদি তেওঁ আকৌ মাজৰ ডাঙৰ কোঠাটোলৈ সোমাই গ'ল। সেই বগা গলবন্ধাৰে মানুহজন আকৌ তেওঁৰ চকুত পৰিল।

'আহ্ শেষত আপুনি যে আহিছে! আহক।' দুৱাৰখনত ধৰি এবগিনে হুমুনিয়া এটা পেলাই কাবৌ কৰি ক'লে।

কিবা এটা ভাবি ডাক্তৰে তেওঁলৈ চাই উত্তৰত ক'লে, 'কিন্তু মই যাব নোৱাৰিম বুলি যে আপোনাক আগতেই কৈছো। কি আচৰিত কথা......!'

'মই শিলৰ মূৰ্ত্তি নহওঁ, ডাক্তৰ। আপোনাৰ অৱস্থা মই ভালদৰে উপলব্ধি কৰিছো। আপোনালৈ মোৰ দুখ লাগিছে।' 'অলপ কাবৌ কৰা স্বৰত মুখখন মোহাৰি মোহাৰি এবগিনে কৈ গ'ল,' 'কিন্তু, আপোনাক মই নিজৰ কাৰণে

মতা নাই নহয়। মোৰ তিৰোতা মৃত্যুৰ মুখত। তেওঁৰ সেই চাৱনি আৰু চিঞৰটো দেখা বা শুনা হ'লে আপুনি বুজিলেহেঁতেন কি এটা অশান্তিয়ে মোক জুকলা কৰি পেলাইছে। হে ভগৱান, মই ভাবিছিলো আপুনি পোচাক পিন্ধিবৰ কাৰণেহে ভিতৰলৈ গৈছিল। ডাক্তৰ, একমুহূৰ্ত্ত সময়ো নষ্ট কৰিব নোৱাৰি। কাবৌ কৰিছো, অনুগ্ৰহ কৰি ওলাওক।'

খুব জোৰদি ডাক্তৰে ক'লে, 'মই আপোনাৰ লগত যাব নোৱাৰিম।' কৈয়ে তেওঁ আকৌ বহা কোঠালৈ সোমাই গ'ল।

এবৰগিনেও তেওঁৰ পাছ ল'লে। ডাক্তৰৰ হাতখনত খামোচ মাৰি ধৰি তেওঁ কৈ উঠিল, 'আপোনাৰ বৰ মনোকষ্ট হৈছে, মই জানো! মই কিন্তু সামান্য দাঁতৰ বিষ এটাৰ কাৰণে আপোনাক নিবলৈ অহা নাই। নিবলৈ আহিছো এজনী মানুহৰ জীৱন দান কৰিবৰ কাৰণেহে। জীৱন দানৰ এই মহান কামৰ বাবে আপোনাৰ ব্যক্তিগত শোকবোৰ পাহৰি পেলাওক। আহক, বুকুত বল বান্ধি বীৰৰ দৰে বেজাৰ জয় কৰি ওলাই আহক এটা মহৎ কামৰ উদ্দেশ্যে। এই মানৱতাৰ নামত মই আপোনাক কাবৌ কৰিছো।'

'মানৱতা! ই দুইফালে চোক থকা তৰোৱাল এখনৰ দৰে বস্তু। এই মানৱতাৰ দোহাই দিয়েই মই আপোনাক অনুৰোধ কৰিছো মোক যাবলৈ নধৰিব। স'চাকৈয়ে অদ্ভুত কথা। নিজৰ ভৰিৰ ওপৰত ভালকৈ থিয় দিব পৰা অৱস্থাতেই

মই এতিয়া নাই। আৰু আপুনি মানৱতাৰ কথা কৈ মোক ভয় দেখুৱাবলৈ আহিছে নহয়নে? কোনো কাম কৰিবলৈকে এতিয়া মই সক্ষম নহওঁ। কোনো কাৰণতেই ঘৰ এৰি মই যাব নোৱাৰোঁ। তদুপৰি মোৰ তিৰোতা অকলে থাকিব লাগিব। নাই নাই......'

কেইখোজমান পিচুৱাই গৈ কিৰিলভে হাত ডাঙি মানুহজনক গুচি যাবলৈ নিৰ্দ্দেশ দিলে। আকৌ তেওঁ কৈ গ'ল, 'অনুগ্ৰহ কৰি মোক আৰু নধৰিব। ক্ষমা কৰক। ডাক্তৰৰ কৰ্ত্তব্যৰ আইন অনুসৰি আপোনাৰ লগত মোৰ যোৱা উচিত আছিল, আৰু সেই আইনমতে কোৰ্টত ধৰি মোক টানি লৈ যোৱাৰ ক্ষমতাও আপোনাৰ আছে। ভাল বাৰু তাকে কৰক......কিন্তু মই যে এতিয়া কোনো কামৰ বাবেই সক্ষম নহওঁ। মই যে ভালকৈ কথাকে ক'ব পৰা নাই। মোক ক্ষমা কৰিব।'

'সেইবোৰ কথা মোক নক'ব ডাক্তৰ। সেই আইন-কানুনলৈ মই পৰোৱা নকৰো। ইচ্ছাৰ বিৰুদ্ধে আপোনাক লৈ যোৱাৰ ক্ষমতা মোৰ নাই। আপুনি যদি আহে, আহক। নাহিলে উপায় নাই। মই আপোনাক আকৌ খাটিছো। এজনী গাভৰু মৰিবলৈ ওলাইছে। আপুনি কৈছে আপোনাৰ লৰাটো অলপতে ঢুকাইছে। তেনেহলে দেখোন সকলোতকৈ আপুনিয়েই বেচিকৈ মোৰ অন্তৰৰ বেদনা অনুভৱ কৰিব লাগিছিল।'

এবগিনৰ থোকাথুকি মাতত বিৰক্তিৰ চিন। তেওঁ অতি সৰল প্ৰকৃতিৰ লোক। কিন্তু কথাৰে যেন তেওঁ নিজৰ মনৰ ভাৱ ভালদৰে প্ৰকাশ কৰিব পৰা নাই। তদুপৰি তেওঁ প্ৰয়োগ কৰা শব্দবোৰ যেন ডাক্তৰ আৰু নিজৰ মৃত্যুমুখী ঘৈণীয়েক দুয়োৰে প্ৰতি অন্যায়জনক হৈছে। নিজৰে তেওঁৰ সন্দেহ হ'ল। অলপ কোমল হৈ ডাক্তৰক আকৌ এবাৰ অনুৰোধ কৰি চাবলৈ তেওঁ ঠিক কৰিলে।

কিৰিলভ মনে মনে আছে। ডাক্তৰৰ ধৰ্ম্ম, স্বাৰ্থত্যাগ আদিৰ বিষয়ে এবগিনে এবকলামান কৈ গৈছে! শেষত ডাক্তৰে সুধিলে, 'ইয়াৰ পৰা আপোনাৰ ঘৰ কিমান দূৰত?'

'দহ মাইলমান হ'ব। মোৰ ঘোঁৰা দুটা পাকৈত। মই কথা দিছো, সিহঁতে এঘণ্টাৰ ভিতৰতে আপোনাক আনি আকৌ ঘৰত থবহি। মাত্ৰ এঘণ্টা।'

ডাক্তৰৰ ধৰ্ম্ম, মানৱতাবোধ আদিতকৈ এই শেষৰ কথা কেইটাইহে যেন কিৰিলভৰ মন বেচিকৈ আকৰ্ষণ কৰিলে অলপ কিবা এটা ভাবি তেওঁ কৈ পেলালে, 'বাৰু ব'লক, আমি যাওঁ।' চিকিৎসকৰ গাম্ভীৰ্য্য লৈ দীঘল কোটটো পিন্ধি পঢ়া কোঠাৰ পৰা তেওঁ ওলাই আহিল। আনন্দত অধীৰ হৈ এবগিনে তেওঁক গাড়ীখনলৈ আগবঢ়াই দিলে।

বাহিৰত ঘোপমৰা অন্ধকাৰ যদিও ডাক্তৰৰ ঘৰৰ সেই মাজৰ কোঠাটোতকৈ পোহৰ হব। ডাক্তৰৰ ওখ শৰীৰ, পাতল দাড়ি আৰু বেকা নাকটো আন্ধাৰৰ বিপৰীতে স্পষ্ট হৈ উঠিল।

'বিশ্বাস কৰক, আপোনাৰ এই মহানুভৱতাৰ স্বীকৃতি দিবলৈ মই ভাষা বিচাৰি পোৱা নাই, ডাক্তৰ। আমি এতিয়াই পামগৈ। হেৰ লুকা, বেগাই চলা, যিমান পাৰ জোৰেৰে!'

দ্ৰুত গতিৰে গাড়ী চলিবলৈ ধৰিলে।

ওৰে বাটটো হুয়ো প্ৰায় মনে মনেই গ'ল। এবগিনে এবাৰ মাজতে কৈ উঠিল, 'সঁচাকৈয়ে আচৰিত। নিজৰ আপোনজনক আমি কিমান ভাল পাওঁ সেইটো ভালকৈ বুজিব পাৰি ঠিক সেইজনক হেৰুৱাৰ খোজা মুহূৰ্ত্তহে।'

নৈখনৰ দলঙৰ ওপৰত গাড়ীৰ বেগ অলপ কমিল। হঠাতে ডাক্তৰে বহা ঠাইতে খচমচাবলৈ ধৰিলে। তলৰ পানীৰ শব্দত যেন তেওঁ ভয়হে খাইছে। থোকাথুকি মাতেৰে তেওঁ কৈ উঠিল, 'হেৰি চাওক, মোক ঘূৰি যাবলৈ দিয়ক। আপোনাৰ তালৈ মই পিছত আহিম। মোৰ তিৰোতা একেবাৰে অকলে আছে। মোৰ তলতীয়া কৰ্ম্মচাৰী এজনকে তেওঁৰ লগত থাকিবলৈ দিহা কৰোঁ।'

এবগিনে একো উত্তৰ নিদিলে। সৰু শিলবোৰৰ ওপৰেদি ঘৰঘৰাই গাড়ীখন চলি গ'ল। তাৰ পাছত শুকান বালিৰ মাজেদি আগবাঢ়ি গ'ল। কিৰিলভে চঞ্চলভাবে ইফাল সিফালে চাবলৈ ধৰিলে। তৰাবোৰৰ ক্ষীণ পোহৰত এৰি অহা বাটটোৰ একো অংশ অলপ অলপকৈ দেখা গৈছিল যদিও পিচমুহূৰ্ত্ততে আন্ধাৰে তাক গিলি পেলাইছে। সোঁফালে এখন বহল পথাৰ। পথাৰৰ মাজত বহুদূৰৈত দুই এটা

পোহৰ। বাওঁফালে বাটটোৰ প্ৰায় সমান্তৰালকৈ এটা সৰু পাহাৰ। পাহাৰৰ ওপৰত দুৰ্ব্বল হৈ পৰা কাচিজোনটো।

গোটেই প্ৰকৃতিকে ৰোগগ্ৰস্ত যেন লাগিছিল। আন্ধাৰ কোঠা এটাত সোমাই অতীতটো পাহৰি যাবলৈ বৃথা চেষ্টা কৰা বেদনা-ক্লিষ্ট তিৰোতা এজনীৰ দৰেই প্ৰকৃতিয়েও যেন পাৰহৈ যোৱা বসন্ত আৰু জহ কালিৰ স্মৃতিকণাবোৰ গাত লৈ কান্দি কান্দি নিষ্ঠুৰ শীতটোলৈ অপেক্ষা কৰি আছে! প্ৰকৃতি যেন বেজাৰত ম্ৰিয়মান।

গাড়ীখন আগবঢ়াৰ লগে লগে এৰগিনৰ অস্থিৰতা বাঢ়ি আহিল। গাড়ীৰ ভিতৰতে তেওঁ একোবাৰ বহিছে একোবাৰ উঠিছে, একোবাৰ বা গাড়োৱানৰ কান্ধৰ ওপৰেদি দূৰলৈ কিবা এটা চাইছে। শেষত গাড়ীখন আহি তেওঁৰ ঘৰৰ সমুখত ৰ'লহি। ডুইমহলাৰ পোহৰ হৈ থকা খিড়িকিখনলৈ চাই চাই তেওঁ ঘনকৈ উশাহ লবলৈ ধৰিলে। ডাক্তৰক লৈ তেওঁ সোমাই গ'ল। অস্থিৰভাৱে হাত জোকাৰি তেওঁ কৈ গ'ল, 'কিবা এটা ঘটিছে যদি মই যে সহ্য কৰিব নোৱাৰিম। অৱশ্যে বেজাৰৰ কোনো চিন দেখা নাই। সম্ভৱ, সকলো ভালেই আছে।' এইবুলি কিবা শুনেনেকি তেওঁ কানপাতি ৰ'ল।

গোটেই ঘৰখন নিস্তব্ধ, যেন গধুৰ টোপনিতহে মগ্ন হৈ আছে। ক'তো সাৰিসুৰা এটা নাই। ডাক্তৰ আৰু এৰগিনে এতিয়াহে পোহৰত ইজনে সিজনক ভালকৈ দেখা পালে।

অতপৰ যে আন্ধাৰতেই তেওঁলোকৰ ভাৱ ও ভাষাৰ আদান-প্ৰদান হৈছিল। ডাক্তৰ মানুহজন ওখ-পাখ, সাজ-পোচাক তেওঁৰ জলহু ধৰণৰ, দেখাত শুৱনি নহয়। বেকাঁ নাক, ভাল ওঁঠ আৰু আনমনা চাৱনিটোৱে তেওঁক বৰ কঠুৱা যেন লাগিছিল। কথা বতৰা, চেহেৰা পাতি সকলোতে ফুটি উঠিছিল গোটেই মানৱজাতিৰে প্ৰতি তেওঁৰ এটা উদাসীন ভাৱ। এই মানুহটোৰো যে ঘৈণীয়েক আছে আৰু অলপৰ আগতেই যে পুত্ৰ শোকত তেওঁৰ চকুপানী ওলাইছিল, ধৰিবলৈকে টান। গৰগিনক কিন্তু একেবাৰে বেলেগ দেখাইছিল। তেওঁ শকত-আৱত লোক। মুখখন সুগঠিত। গাত তেওঁৰ একেবাৰে নতুন ধৰণৰ সাজপোচাক। গোটেই গাতে এটা আভিজাত্যৰ চিন ফুটিছিল। তেওঁক অলপ খঙাল প্ৰকৃতিৰ যেনো লাগিছিল। স্বাস্থ্যও তেওঁৰ সুন্দৰ। খোজ-কাটল আৰু চেহেৰাপাতিত সিংহৰ লক্ষণ।

'কোনো ক'তো নাই, শব্দ এটাও শুনিবলৈ নাপাওঁ। আশাকৰো ··' চিৰিয়েদি ওপৰলৈ উঠি যাওঁতে তেওঁ ক'লে।

মাজ কোঠাটোৰে ডাঙৰ কোঠা এটালৈ তেওঁ ডাক্তৰক লৈ গ'ল। তাত এটা ডাঙৰ পিয়ানো আৰু গান বাজনাৰ আন সৰঞ্জাম। তাৰ পৰা তেওঁলোক নীৰৱে এটা সৰু বহা কোঠালৈ সোমাই গ'ল। কোঠাটো ধুনীয়াকৈ সুঅভিৰুচিৰে সজোৱা।

'ইয়াতে আপুনি বহক, ডাক্তৰ। মই এতিয়াই আহিছো।

আপুনি অহাৰ খবৰ দিওঁগৈ।’

কিবিলভ অকলশৰে বহি থাকিল। দামী আচবাব পত্ৰৰে ধুনীয়াকৈ সজোৱা এই কোঠাটোতে অকলে তেওঁৰ বৰ আচহুৱা যেন লাগিল। গোটেই ঘটনাটোৱেই তেওঁৰ মনত অদ্ভুত যেন লাগিল। ডাক্তৰে কিন্তু সেইবোৰ বৰকৈ ভবা নাই! নীৰৱে চোফাখনত বহি তেওঁ হাতত থকা কাৰ্ব্বলিকৰ দাগবোৰ চাবলৈ ধৰিলে। বেৰত ওলমি থকা ঘৰিটোলৈ তেওঁৰ চকু পৰিল।

সকলোফালে নিস্তব্ধ। বহু দূৰত গান এটা কোঠাত আচৰিত হৈ কোনোবা এজনে ‘আহ্’ বোলাৰ শব্দ। লগে লগে যেন ক’ৰবাত আইনাৰ আলমাৰি এটা খোলাৰ শব্দ তেওঁ শুনিবলৈ পালে। আকৌ নিস্তব্ধ। পাঁচমিনিট মানৰ পাছত এবগিন সোমাই যোৱা দুৱাৰখনলৈ ডাক্তৰে চাই পঠিয়ালে দুৱাৰ মুখতে এবগিন বৈ আছিল। কিন্তু এইয়া যেন সেই সোমাই যোৱা এবগিনজন নহয়। সু-স্বাস্থ্য আৰু অভিজাত আচাৰ-ব্যৱহাৰবোৰে তেওঁক যেন এৰি গৈছে। কিবা এটা সংকোচ বা শাৰীৰিক ব্যাধিয়ে যেন তেওঁৰ প্ৰতি অঙ্গকে পঙ্গু কৰি পেলাইছে। গোটেই মুখতে তেওঁৰ এটা বেজাৰৰ চাৱনি।

দীঘলকৈ খোজ পেলাই তেওঁ বহল কোঠাটোৰ মাজলৈকে সোমাই আহিল। আগলৈ হাউলি তেওঁ গোঁ-গোঁৱাবলৈ ধৰিলে আৰু লগে লগে জোৰেৰে হাতৰ মুঠি জোকাৰিবলৈ

লাগিল।

'তাই মোক ঠগিলে!' তেওঁ চিঞৰি উঠিল, 'মোক ঠগিলে! মোক এৰি গ'ল! ।বেমাৰৰ ভাও ধৰি মোক ডাক্তৰ ওচৰলৈ পঠাই দি তাই সেই বদমাইচ বান্দৰটোৰ লগত পলাই গ'ল! হে ভগৱান!'

তেওঁ ডাক্তৰৰ ফালে আগবাঢ়ি আহিল। ডাক্তৰৰ মুখৰ আগত মুঠি জোকাৰি তেওঁ কৈ গ'ল, 'মোক এৰি গ'ল! মোক ঠগি গ'ল! ইমান মিছা কথাৰ কি প্ৰয়োজন আছিল বাৰু? হে ভগৱান! কিয় এই ঘিণলগা বিশ্বাসঘাটকতা? তাইক কেতিয়া কি অপকাৰ কৰিছিলো? তাই মোক এৰি গ'ল!'

চকুৰ পানীবোৰ সৰসৰকৈ তেওঁৰ গালৰ ওপৰেদি বাগৰি আহিল। খঙ, বেজাৰ আৰু অপমানত উত্তেজিত হৈ তেওঁ কোঠাটোৰ ইফালে সিফালে ঘূৰি ফুৰিলে। চুটি কোট, ধুন লগাই কৰা চিয়াঁ পেণ্ট, ডাঙৰ মূৰ আৰু দীঘল চুলিৰে তেওঁক সেই অৱস্থাত ভালকৈয়ে সিংহ এটাৰ দৰে লাগিছিল। কিবা এটা কৌতুহলে ডাক্তৰক উদাসীনতাৰ পৰা হঠাতে জগাই দিলে।

'কিন্তু, ৰোগী ক'ত?'

'ৰোগী! ৰোগী!' এবগিন গৰ্জ্জি উঠিল। খঙত হাতৰ মুঠি জোকাৰি তেওঁ কৈ গ'ল, 'তাই বেমাৰী নহয়। তাই এজনী অভিশপ্তা তিৰোতা। কি নীচ মনোবৃত্তি! স্বয়ং

চয়তানেও আনকি ইয়াতকৈ নীচ লোকৰ উদ্ধাৰন কৰিব নোৱাৰিব কিজানি। উস্ সেই অধমটোৰ লগত পলাই যাবলৈকে তাই মোক উলিয়াই পঠিয়ালে। হে ভগৱান, তাই মৰি যোৱাই ভাল আছিল। মই যে এইটো কেতিয়াও পাহৰিব নোৱাৰিম।'

ডাক্তৰৰ অন্তৰো কিবা এটা বেজাৰত সেমেকি উঠিল। তেওঁৰ চকু চলচলীয়া হৈ পৰিল। 'ক্ষমা কৰিব, এই সকলোবোৰৰ মানে কি? মোৰ সন্তান মৰিছে, মোৰ তিৰোতা শোকত বিহ্বল হৈ অকলসৰে ঘৰত পৰি আছে·· ···যোৱা তিনি ৰাতি মই চকুৰ টিপ এটা মৰা নাই, ঠিয় হৈ থাকিবলৈকে মোৰ শক্তি নোহোৱা হৈছে—আৰু এতিয়া মই কৰিছো কি? উস্ কি এটা ঘিণ লগা ঘটনাৰ মাজত মই সোমাই পৰিছো। কি এখন কুৎসিৎ ভাওনাৰ অভিনয় কৰিবলৈ মোক বাধ্য কৰাইছে। মই একোকে বুজিব পৰা নাই।'

এখন হাতৰ মুঠি খুলি এবগিনে এখন কাগজ জোৰেৰে মোহাৰি মজিয়ালৈ দলি মাৰি দি ভৰিৰে গচকিবলৈ ধৰিলে। খঙত দাঁত কৰচি তেওঁ কৈ গ'ল, 'মই একো মন কৰা নাছিলো। একো বুজিও পোৱা নাছিলো, সি যে সদায় আহে মই লক্ষ্য কৰা নাছিলো। আৰু আজিও যে সি গাড়ীখন লৈ আহিছিল মই ক'ব নোৱাৰোঁ। মই এক কণা মূৰ্খ!'

'মই যে একো বুজিব পৰা নাই। এই সকলোবোৰৰ মানে কি? ব্যক্তি বিশেষৰ প্ৰতি কৰা ই এটা অৱমাননা,

মানুহৰ বেদনা লৈ কৰা এটা খেল। এনেকুৱা ঘটনা জীৱনত কেতিয়াও মই শুনা নাই।' নিজে বেয়াভাবে অপমানিত বোধ কৰি অৱসভাৱে হাতখন লৈ'ল চোফাখনত ডাক্তৰ বহি পৰিল। খং বেজাৰ অপমানত তেওঁ বাক্‌হীন হৈ গ'ল।

'তই তেন্তে মোক ভাল নাপাৱ, আন এটাকহে ভাল পাৱ? কিন্তু তাৰ কাৰণে এই ঘিণ লগা খেলখনৰ কি আৱশ্যক আছিল, এই বিশ্বাস ঘাটকতাৰ কি অৰ্থ আছিল, কিবা কথাত কেতিয়াবা মই তোক দুখ দিছিলোনে?' বেজাৰতে এবগিনে ঘৈণীয়েকক অভিশাপ দিলে। তাৰ পাছত ডাক্তৰৰ ফালে চাই প্ৰায় বলিয়াৰ দৰে কৈ উঠিল, 'হেৰি ডাক্তৰ, মোৰ এই দুৰ্ভাগ্যৰ আপুনি সাক্ষী। শপত খাই কৈছো মই আপোনাৰ পৰা কোনো কথা নুলুকুৱাওঁ। এই মানুহজনীক মই ভাল পাইছিলো। তাইক মই পূজা কৰিছিলো। তাইৰ কাৰণে মই সকলো ত্যাগ কৰিলো। তাইৰ কাৰণেই নিজৰ মানুহৰ লগত মোৰ বিবাদ হ'ল। তাইৰ কথামতেই মই কাম এৰি দিলো, গান-বাজনা বাদ দিলো আৰু তাইৰ এনে বহুত কথাই মই নীৰবে সহি আহিছো যিবোৰৰ কাৰণে মই হয়তো নিজৰ মা বা ভনীক ক্ষমা নকৰিলোহেঁতেন। কেতিয়াও তাইলৈ মই খঙেৰে চোৱা নাই। এই মিছা প্ৰৱঞ্চনাবোৰেই কি মোৰ সকলো ভাল পোৱা আৰু ত্যাগৰ পুৰস্কাৰ? মোক ভাল পাবলৈ মই কেতিয়াও জোৰ কৰা নাই। কিন্তু এই নীচ ঠগবাজিবোৰৰ কি দৰ্কাৰ আছিল বাৰু?

মোক ভাল নাপালে খোলাখুলিকৈ তাই ক'ব পাৰিলেহেঁতেন। আপুনি জানে এই সকলো বিষয়তে মই ······'

বেজাৰত এবগিনৰ গোটেই গা কঁপি উঠিল। সৰলভাৱে অন্তৰৰ কথাবোৰ আৱেগপূৰ্ণ ভাষাৰে তেওঁ কৈ গ'ল। ঘৰুৱা এই অশান্তিবোৰ ব্যক্ত কৰিবলৈ তেওঁ অলপো সংকোচ নক-ৰিলে। নিজৰ দুখৰ কথাবোৰ কৈ পেলোৱাত তেওঁৰ মনটো ভালেখিনি পাতল লাগিল। এনেকৈ আৰু এঘন্টামান ক'ব পাৰিলে যেন তেওঁৰ দুখ আৰু লঘু পাতলিব। মন দি কথাবোৰ শুনি থাকিলে ডাক্তৰে অলপ সহানুভূতি দেখুৱা হ'লে তেওঁ বহুত সকাহ পালেহেঁতেন আৰু খঙৰ ভমকত বহুতো অপ্ৰীতিকৰ কথা কাৰ গোলাগলৈ লাগিবাচ নগ'লহেঁতেন..। কিন্তু সেইটো হৈ নুঠিল। এনেদৰে কৈ থাকোতেই ডাক্তৰৰ মুখলৈ এক পৰিবৰ্তন আহিল। সেই উদাস মুখখনলৈ লাহে লাহে ফুটি পৰিল এক খঙ, অসন্তোষ আৰু অৱজ্ঞাৰ কঠোৰতা। এবগিনে শুৱনা মানুহ এজনীৰ ফটো এখন দেখুৱাই ডাক্তৰক সুধিলে যে তাইৰ পক্ষে এনে এটা ঠগবাজিৰ অৱতাৰণা কৰাটো বাৰু সম্ভৱনে। তৎক্ষণাত ঠিয় হৈ চকুত এটা হিংস্ৰক চাৱনি লৈ ডাক্তৰে চিঞৰি উঠিল।

'মোক এইবোৰ কথা কোৱাৰ প্ৰয়োজন কি? এইবোৰত মোৰ অলপো মন বহা নাই। আৰু একো কথা মই শুনিব নোখোজো।' মেজৰ ওপৰত ভুকুৱাই খঙেৰে তেওঁ কৈ গ'ল, 'আপোনাৰ জীৱনৰ এই সামান্য ঘটনাবোৰৰ মোৰ অকনো

প্ৰয়োজন নাই। বাজে কথাবোৰ! এই তুচ্ছ কথাবোৰ মোক আৰু নক'ব। আপুনি ভাবিছেনে যে মোৰ প্ৰতি কৰা অপমান এতিয়াও সম্পূৰ্ণ হোৱা নাই? মোক আপোনাৰ চাকৰ পাইছেনেকি যে যিমান খুচি অপমান কৰি থাকিব? হয়নে?'

অলপ পাছহুহকি আচৰিত হোৱাৰ দৰে এবগিনে ডাক্তৰলৈ ক্ষন্তেকপৰ একেথৰে চাই থাকিল।

'মোক ইয়ালৈ কিহৰ কাৰণে আনিছিল?' ডাক্তৰৰ খঙ লাহে লাহে বাঢ়িহে আহিছিল, 'কৰিবলৈ আন একো ভাল কাম নথকাৰ বাবেই আপুনি বিয়া কৰাইছিল, আৰু এতিয়াও সেই একে কাৰণতেই যি কোনো নাটকৰ অভিনয় আপুনি কৰিব পাৰে। কিন্তু ইয়াত মোক জড়িত কৰাৰ অৰ্থ কি? আপোনালোকৰ এই প্ৰেমৰ কাহিনীৰ লগত মোৰ কি সম্পৰ্ক আছে? মোক শান্তিত থাকিবলৈ দিয়ক! মানুহ লৈ এনেকৈ খেলা কৰাটো অনুচিত। মানুহক প্ৰকৃত সন্মান দেখুৱাব নাজানিলে তেওঁলোকৰ ওচৰ নচপাই ভাল।'

'ক্ষমা কৰিব, কিন্তু আপুনি ইমান খং খাইছে কিয়?'

'খং খাইছো এই কাৰণেই যে এনেকৈ মানুহৰ লগত খেলা কৰাটো নীচ মনৰ পৰিচায়ক। আপুনি কি ভাবিছে যে বেশ্যাবৃত্তি আৰু লাহবিলাহৰ পৃষ্ঠপোষকতা নকৰা ডাক্তৰ-বমুৱাবোৰ আপোনাৰ দাস বা পৰিচাৰক? আপুনি তেনেদৰে ভাবিব পাৰে, কিন্তু এজন শোকাতুৰ মানুহক ৰাজহুৱা সম্পত্তি

হিচাবে লৈ খেলা কৰাৰ অধিকাৰ আপোনাৰ নাই।'

'কি সাহেবে আপুনি মোক এনেকৈ কথা শুনাইছে?' সাহেবৈক এবগিনে সুধিলে। মুখখন তেওঁৰ খঙত ৰঙা পৰি উঠিছিল।

'কি সাহেবে মোৰ দুখ-যন্ত্ৰণা জানিও আপুনি এই বাজে কথাবোৰ শুনাবলৈ মোক লৈ আহিছে, জানিব পাৰোঁনে? আনৰ বেদনা লৈ এনেদৰে ঠাট্টা কৰাৰ কি অধিকাৰ আছে আপোনাৰ?' খঙত ডাক্তৰ জপিপকি উঠিল।

'আপুনি নিশ্চয় বলিয়া হৈছে! কি যে ঠেক মনোবৃত্তি। মই নিজেই দুখত বুৰ গৈ আছো।'

এবগিনক আৰু ক'বলৈ নিদি গালি পৰাৰ দৰে ডাক্তৰে কৈ উঠিল, 'কি আপোনাৰ দুখ! সেই শব্দ আপুনি ব্যৱহাৰ নকৰিব। আপোনাৰ ক্ষেত্ৰত সি শোভা নাপায়। নিজৰ দেনাখিনি দিব নোৱাৰা মানুহজনেও নিজকে অসুখী বুলি ভাবে আৰু ঠেং ভগা কুকুৰা পোৱালিটোও অসুখী।'

'নিজকে আপুনি পাহৰি গৈছে, মহাশয়! এনে শব্দ ব্যৱহাৰ কৰাৰ বাবে······খোচা দিয়া হয়। মোৰ কথাৰ তাৎপৰ্য্য বুজি পাইছেনে?' 'এইবুলি কোটৰ জেপৰ পৰা বেগটো উলিয়াই দুখন নোট জোৰেৰে মেজৰ ওপৰলৈ দলিয়াই দি কৈ গ'ল, 'এইয়া আপোনাৰ প্ৰাপ্য।'

'টকাৰে মোৰ প্ৰাপ্য আদায় কৰাৰ দুঃসাহস নকৰিব। অপমানৰ কাঁইটৰ বিষ টকাৰে গুচাব নোৱাৰি।' কৈয়েই

ডাক্তৰে নোট দুখন লৈ জোৰেৰে দূৰলৈ মাৰি পঠিয়ালে।

দুয়ো মুখামুখিকৈ ঠিয় দিলে, প্ৰতিজনৰে মনৰ ভাব যেন তেওঁৰ অপমান আনজনকৈ বেচি। জীৱনত কেতিয়াও আনকি ভ্ৰমতো বোধকৰোঁ তেওঁলোকে ইমান অৱান্তৰ, হিংস আৰু কটু কথা কৈ পোৱা নাছিল। প্ৰতিজনেই ভাবিছে নিজৰ নিজৰ দুখ-কষ্ট অপমানৰ কথা। দুখত পৰিলে সকলো আত্মকেন্দ্ৰী হৈ পৰে, আৰু আনক বুজিবলৈ একেবাৰে অক্ষম হৈ পৰে। আনক বুজাৰ ক্ষমতা তেওঁলোকৰ একেবাৰে লোপ পায়। দুৰ্ভাগ্যবোৰে মানুহক একগোট কৰাতকৈ তেওঁ-লোকক বেচিকৈহে আঁতৰাই দিয়ে। একেই দুখত ভোগা দুজনে ইজনে সিজনৰ দুখ বুজি ওচৰলৈ আহক চাৰি আঁতৰি গৈ শত্ৰুতা আচৰণহে কৰে।

'এতিয়া অলপ দয়া কৰি মোক ঘৰত থৈ আহকগৈ।' ডাক্তৰৰ মাতত খং আৰু বিদ্ৰূপৰ সুৰ মিহলি।

ঘণ্টা এটা এৰবগিনে বজাই দিলে। কোনো নহাত আকৌ বজাবলৈ লাগিল। কেতিয়াও কোনেও ভুমুকি নমৰাত খঙতে তেওঁ ঘণ্টাটো মজিয়ালৈ দলিমাৰি দিলে। ডাঙৰ শব্দ এটা হ'ল। দাবোৱান আহি হাজিৰ হ'লহি।

'কটা বদমাইচ, তই'ত ক'ত লুকাই থাকইক?' খঙৰ ভমকত তেওঁ প্ৰায় দৌৰ মাৰি অহাৰ দৰে দাবোৱানটোৰ একেবাৰে আগত ৰ'লহি, 'এই মুহূৰ্ত্তত তই ক'ত আছিলি? এই ভদ্ৰলোকৰ কাৰণে গাড়ীখন ঠিক কৰিবলৈ কগৈ। আৰু

মোৰ কাৰণে বাগীখন উলিয়াগৈ। অলপ ৰবি!' দাৰোৱানটো অলপ আঁতৰি যাবলৈ ধৰোতেই চিঞৰি তেওঁ কৈ গ'ল, 'চাবি, কাইলৈৰ পৰা এই ঘৰত কোনো বিশ্বাসঘাটকীৰ স্থান নাই। সকলোকে বাহিৰ কৰি দিবি। নতুন চাকৰ-বাকৰ নিয়োগ কৰিম। গাহৰিবোৰ ক'ৰবাৰ!'

গাড়ীলৈ আপেক্ষা কৰি এৱগিন আৰু ডাক্তৰ দুয়ো কিছুপৰ নিতাল মাৰি ৰ'ল। এৱগিনৰ মুখলৈ আগৰ সেই শান্ত-সৌম্য ভাৱ ঘূৰি আহিছে। কোঠাটোতে তহল দি তেওঁ কিবাকিবি ভাবিবলৈ ধৰিলে। খংটো একেবাৰে মাৰ যোৱা নাই যদিও তেওঁ যেন শত্ৰুৰ উপস্থিতিলৈ আনমনা হৈ পৰিছে। এহাতেৰে দুৱাৰখনত ধৰি খঙাল, আক্ৰোশপূৰ্ণ আৰু ঘৃণাৰ চাৱনিৰে ডাক্তৰে এৱগিনলৈ চাই থাকিল।

অলপ পৰৰ পিছত গাড়ীত উঠি ঘৰমুৱা হওঁতেও ডাক্তৰৰ চকুৰ পৰা খঙৰ ভাৱ একেবাৰে আঁতৰা নাছিল। ঘোপমৰা আন্ধাৰ। জোনটো ইতিমধ্যে পাহাৰৰ সিফালে লুকাই গৈছে। গাড়ীৰ পিছে পিছে অহা বাগীখনৰ ৰঙা পোহৰটো ডাক্তৰৰ চকুত পৰিল। লাহে লাহে বাগীৰ চকাৰ শব্দ তেওঁৰ কানত পৰিলহি। অলপ পিছতে বাগীখনে ডাক্তৰৰ গাড়ী চেৰাই আগবাঢ়ি গ'ল। তাত উঠি গৈছিল এৱগিন। তেওঁ ক'লৈ গৈছে? কি কৰিবলৈ গৈছে? কিবা এটা ভুল কৰি পেলাবলৈ.........

ওৰে বাট ডাক্তৰে ভাবি গ'ল এৱগিন আৰু তেওঁৰ ঘৰৰ মানুহ-

বোৰৰ কথা, নিজৰ তিৰোতা বা এগ্ৰীৰ কথা নহয়। তেওঁৰ ভাৱবোৰ হিংসুক প্ৰকৃতিৰ। এবগিন, তেওঁৰ ঘৈণীয়েক আৰু সেই আলেকজেন্দাৰটোক তেওঁলোকৰ কামৰ গৰিহনা দি ডাক্তৰে অভিশাপ দিলে। তেওঁলোকৰ প্ৰতি ঘৃণাত তেওঁৰ অন্তৰখন জ্বলি উঠিল। বুকুখন তেওঁৰ বিষাই গ'ল। এই মানুহবোৰৰ প্ৰতি এটা ঘৃণা আৰু আক্ৰোশ তেওঁৰ মনত দৃঢ় ভাবে চিৰদিনলৈ ৰৈ গ'ল। এই ভাৱ জানো ন্যায়জনক হৈছে!

সময়ৰ সোঁতত কিবিলভৰ শোক-তাপবোৰ নাইকিয়া হৈ যাব। কিন্তু তেওঁৰ এই অন্যায় ভাৱবোৰৰ উপশম কেতিয়াবাকৈ হ'ব জানো? মানৱৰ সুস্থ বিৱৰ্তনৰ বাবে এনে ভাৱবোৰ অনুকুলনে বাৰু? যিহওক, এই ভাৱৰ চেকা ডাক্তৰৰ মনত তেওঁৰ মৃত্যুৰ দিনলৈকে যে ৰৈ যাব।

(বুঢ়া মানুহ এজনৰ নোট বুকৰ পৰা উদ্ধৃত)

ৰুচ দেশৰ নিকোলাই ষ্টৌপনিচ এজন খ্যাতনামা অধ্যাপক। তেওঁ মন্ত্ৰীসভাৰো সভ্য আৰু আন বহুতো পদবীৰে সন্মানিত। ৰুচ আৰু আনদেশীয় ইমানবোৰ পদক তেওঁৰ আছে যে সেই সকলোবোৰ একেলগে পিন্ধি ওলালে লৰাইতে তেওঁক শিলৰ মূৰ্ত্তি আখ্যা দিয়ে। অতি সম্ভ্ৰান্ত আৰু অভিজাত মহলত তেওঁৰ সুবাচকা। যোৱা ত্ৰিশ বছৰৰ ভিতৰত ৰুচদেশত এনে এজন নামজলা পণ্ডিত ওলোৱা নাই

যাৰ লগত তেওঁৰ অন্তৰঙ্গতা হোৱা নাই। এতিয়া অৱশ্যে নতুনকৈ বন্ধু বাচি লোৱাৰ স্থল নাই। কিন্তু আগৰ তেওঁৰ বন্ধুৰ তালিকাত আছে পিৰগভ, কেভেলিন, নেক্ৰাচভ আদিৰ দৰে ডাঙৰ ডাঙৰ পণ্ডিত, ৰাজনীতিজ্ঞ আদিৰ নাম। ৰুচ দেশৰ কেউখন আৰু বিদেশী তিনিখন বিশ্ববিদ্যালয়ৰ তেওঁ সম্মানিত সভ্য। এইবোৰ আৰু এনেকুৱা ভালেমান সন্মানৰ গৰাকী সেই নামৰ মালিকজন মই নিজেই।

মোৰ নামটো প্ৰখ্যাত। ৰুচদেশৰ প্ৰতিজন শিক্ষিত লোকেই মোক জানে। বাহিৰতো বিশ্ববিদ্যালয়বোৰে এজন লেখত-লবলগীয়া ব্যক্তি হিচাবে মোক সন্মান জনায়। উটৰ দৰে মই কঠোৰ পৰিশ্ৰম কৰিব পাৰোঁ। মোৰ প্ৰতিপত্তিৰ গুৰিতে এই গুণ। দ্বিতীয়তে মই প্ৰতিভাসম্পন্ন। আৰু এইটোৱে মোৰ প্ৰতিভাত আৰু বেচিকৈ সহায় কৰিছে। ইয়াৰ উপৰিও এজন ভাল সুৰুচিসম্পন্ন, ন্যায়পৰায়ণ আৰু ভেম নোহোৱা সৰল প্ৰকৃতিৰ লোক বুলি ৰাইজৰ মাজত মোৰ খ্যাতি আছে। সাহিত্য আৰু ৰাজনীতিত মই কেতিয়াও মূৰ সুমুওৱা নাই। অজ্ঞলোকৰ সৈতে তৰ্কযুদ্ধ কৰি ৰাইজৰ শলাগ লোৱাও মোৰ স্বভাৱ বিৰুদ্ধ। ভোজসভা বা লগৰীয়াসকলৰ সমাধিত কথিকা দিয়াৰ অভ্যাস মোৰ নাই। বৈজ্ঞানিক হিচাবে মোৰ নাম অপ্ৰতিদ্বন্দ্বী যেতিয়া এইবোৰত বেজাৰ কৰিবলৈ একো নাই।

ভপা মূৰ, লগাইলোৱা দাঁত আৰু সেই চৰাবোগ্য পেশীৰ

বেমাৰটোৱে বাষষ্ঠি বছৰীয়া বৃদ্ধ ময়েই এই বিখ্যাত নাম ধাৰী। মোৰ নামটো যি পৰিমাণে প্ৰসিদ্ধ আৰু প্ৰিয়, ব্যক্তি হিচাবে ঠিক সেই পৰিমাণেই মই অতি সাধাৰণ আৰু অপ্ৰিয়। বাৰ্দ্ধক্যৰ দুৰ্ব্বলতাত মোৰ হাতভৰি আৰু মূৰ সদায় কঁপি থাকে। মোৰ ডিঙিটো লাহী, বুকুখন সোমোৱা আৰু পিঠিখন ঠেক। কথা কওঁতে বা বক্তৃতা দিওঁতে মোৰ মুখখন এফালে কাটি হৈ যায়। হাঁহিলে মোৰ মুখত বিৰিঙি উঠে বাৰ্দ্ধক্যৰ আৰু মৃত্যুৰ আগজাননী দি থকা সোতোৰা চালৰ ৰেখাবোৰ। মূঠতে মোৰ চেহেৰাত কাৰোবাৰ মনত সাচ বহুৱাব পৰা তেনে একোটোৱেই নাই। বৰঞ্চ সেই পেশীৰ বেমাৰটোৱে উক দিয়াৰ সময়ত কোনোৱে মোক দেখিলে হয়তো এটা ভাবেই দকৈ তেওঁৰ মনত সোমাব, 'এই মানুহটো বোধকৰোঁ অতি সোনকালেই মৃত্যুৰ গ্ৰাসত পৰিব।'

এতিয়াও মই ভালকৈ বক্তৃতা দিব পাৰোঁ। একে লেঠাৰিয়ে দুঘণ্টাকৈ কেনেকৈ শ্ৰোতাৰ মন আকৰ্ষিত কৰি ৰাখিব লাগে মই আগৰদৰেই জানো। মোৰ উৎসাহ, ভাষাৰ ওপৰত আধিপত্য আৰু খুহুতীয়াকৈ বিষয়বস্তুক মনোগ্ৰাহী কৰাৰ গুণে মোৰ শুকান আৰু চেৰচেৰীয়া মাতটোৰ বিকৰ্ষণ বহু তল পেলাইছিল। মই কিন্তু ভাল লিখক নহওঁ। লিখাৰ প্ৰতিভা এতিয়া মোৰ প্ৰায় নোহোৱাৰ দৰেই। স্মৰণ শক্তিও মোৰ পৰি আহিছে। ভৰা কথাবোৰত আঁহ লাগি পৰাৰ কাৰণে

মোৰ লেখাবোৰ আকৰ্ষনীয় নহয়। জৰামতে মই লিখি যাব নোৱাৰোঁ। লিখি যাওঁতেই মই ঘটনা বা কাহিনীৰ আঁত হেৰুৱাই পেলাওঁ। চিঠি লিখিবৰ বেলিকাও আনকি সদায় ব্যৱহাৰ কৰি থকা শব্দ একোটাও মোৰ মনলৈ নাহে। ফলত অৱান্তৰ কিছুমান লিখি পেলাওঁ। মোৰ মানসিক অৱনতিৰ এইবোৰ দেখ দেখ লক্ষণ। আচৰিত কথা, বিষয়বস্তু যিমানে সহজ হয়, মোৰ আহুকালো সিমান বাঢ়ি যায়। শলাগনি চিঠি এখন লিখাতকৈ বিজ্ঞানৰ কিবা প্ৰৱন্ধ এটা লিখাটো মোৰ সহজ লাগে। আৰু এটা আচৰিত কথা ৰুচ ভাষাতকৈ জাৰ্ম্মান কিংবা ইংৰাজী ভাষাত লিখিবলৈ মই বেচি উজু পাওঁ।

মোৰ বৰ্ত্তমান জীৱনৰ বিষয়ে ক'বলৈ গ'লে প্ৰথমেই উমুকিয়াব লাগিব মোৰ ৰাতি টোপনি নহা বেমাৰটো। আজি কিছুদিনৰ পৰা এই ৰোগত মই ভুগিছো। কোনোবাই যদি মোক সোধে যে মোৰ বৰ্ত্তমান জীৱনধাৰাত কি বিষয় বা কথাই বিশেষকৈ মোক প্ৰভাৱান্বিত কৰিছে, তেতিয়া মই ক'ব লাগিব এই টোপনি নহাটোকে। মাজনিশা কাপোৰ সলাই বিচনালৈ যোৱা মোৰ অভ্যাস হৈ গৈছে। তভালিকে মোৰ টোপনি আহে, কিন্তু ঠিক দুই বজাত মই সাৰ পাওঁ। তেতিয়া মোৰ ভাব হয় মই যেন শোৱাই নাই। সাৰ পালেই মই উঠি বহোঁ আৰু চাকিটো জলাই লওঁ। দুঘণ্টামান কোঠাটোতে ছবি আৰু ফটোবোৰ চাই ঘূৰি ফুৰো।

তেতিয়া ভাগৰ লাগিলে মেজখনৰ ওচৰত বহোঁগৈ। কাটিকুটা নকৰাকৈ, কোনো কথা মনলৈ ননাকৈ আৰু একো ইচ্ছাকে মনত ঠাই নিদিয়াকৈ এটা শূন্য মন লৈ মই বহি থাকো। কিবা কিতাপ এখন আগত থাকিলে এনেয়ে লিৰিকি বিদাৰি পাত লুতিয়াই যাও। এটা কথাও কিন্তু মোৰ মগজলৈ নোসোমায়। সেইদিনা ৰাতি যে এখন ডাঙৰ উপন্যাস মই শেষ কৰি পঢ়ি পেলালো। কেতিয়াবা আকৌ এহেজাৰলৈকে সংখ্যাবোৰ গনণা কৰি মনটোক ব্যস্ত কৰি ৰাখিবলৈ যত্ন কৰোঁ।

শব্দ শুনি মোৰ ভাল লাগে। মই শহাকণীয়াও। কেতিয়াবা দুটা কোঠাৰ সিফালে মোৰ স্ত্ৰী লিজাই টোপনিতে কিবাবোৰ কৈ উঠে, নাইবা মাজৰ বহা কোঠাটোৰে মম এডাল লৈ পাৰ হৈ যাওঁতে মোৰ তিৰোতাৰ হাতৰ পৰা সৰি পৰা জুইবাহটোৰ শব্দ মোৰ কাণত পৰেহি। কেতিয়াবা আকৌ কাপোৰৰ আলমাৰি খোলাৰ শব্দ শুনো। আৰু এই সকলোবোৰ শব্দই মোক বেচ কিবা এটা আমোদ দি যায়।

চকুৰ টিপ এটা নমৰাকৈ এনেকৈ ৰাতিটো পাৰ কৰা সহজ কথা নহয়। ৰাতিপুৱালৈ মই বহি থাকো। গড়ালত কুকুৰাৰ ডাকটো যে মোৰ কাৰণে কিমান সুখৰ। অলপ পিছতেই নানা মাত-কথাৰে পৃথিৱীখন আকৌ এবাৰ মুখৰিত হৈ উঠিব। মোৰ কোঠাত তিৰোতাৰ ভুমুকি এটাৰেই মোৰ

দিনটো আৰম্ভ হয়। পৰিপাটি সাজপাৰ আৰু মূৰত সুগন্ধি তেল লৈ তেওঁ মোৰ কোঠাত সোমায়েই মন্তব্য কৰিব 'আমনি দিয়াৰ কাৰণে বেজাৰ পাইছোঁ। এনেয়েহে সোমালো। যোৱা ৰাতি টোপনি কেনে হ'ল?' লগে লগে তেওঁ চাকিটো মুমুৰাই দি মেজখনতে বহি পৰে। কথা আৰম্ভ হয়। ভৱিষ্যদ্বক্তা ন'হলেও তেওঁ কি কথা ক'ব তাক মই ভালদৰেই জানো। প্ৰতিপুৱাই একেবোৰেই ইতো অৱতাৰনা। মোৰ স্বাস্থ্য সম্পৰ্কে গতানুগতিক ভাবে প্ৰশ্ন কেইটা কৰি হঠাতে তেওঁৰ মনলৈ আহি যায় ওৱাৰ্শ্বত কৰ্ম্মচাৰী কাম কৰি থকা আমাৰ ল'ৰাটোৰ চিন্তা। প্ৰতি মাহৰ কুৰি তাৰিখৰ পিছত তালৈ আমি পঞ্চাশ কৰললকৈ পঠাওঁ, আৰু এইটোৱেই আমাৰ প্ৰধান বিষয়-বস্তু।

'আমাৰ কাৰণে ই কষ্টসাধ্যই হৈছে অৱশ্যে। কিন্তু চাকৰিত ভালদৰে থিতাপি নোলোৱালৈকে তাক সহায় কৰা যে আমাৰ কৰ্ত্তব্য। কিছুমান অচিনাকিৰ মাজত বেচেৰা সোমাই আছেগৈ। দৰ্ম্মহাও নিচেই তাকৰ। বাৰু, দিগদাৰী হ'লে অহামাহত দহ কৰল কমাই পঠাম। তুমিনো কি ভাবা?' এয়া তিৰোতাৰ মন্তব্য।

দৈনিক এনেধৰণৰ কথাবতৰাৰ যোগেদি যে আমাৰ খৰচৰ পৰিমাণ কমাব নোৱাৰি সেইটো মোৰ তিৰোতাই ইমানদিনে ভালকৈয়ে বুজি উঠিছে নিশ্চয়। কিন্তু তথাপিও প্ৰতি পুৱাই তেওঁ মহলা মাৰিব লৰাটোৰ বিষয়ে, কটিৰ

দামৰ কথাৰে, চেনিৰ দাম বঢ়াৰ চিন্তাৰে, আৰু যে কত কি। যাহওক, তেওঁ হয়তো সৰলভাৱে ইচ্ছা কৰে এইবোৰতে কিবা নতুন কিছুমান মই বিচাৰি পাম।

কোনো আপত্তি বা মন্তব্য নকৰাকৈ মই যন্ত্ৰ এটাৰ দৰে কথাবোৰ শুনি যাওঁ। গোটেই ৰাতিটো নোশোৱাৰ কাৰণেই হ'বলা অযথা চিন্তা আৰু অসংলগ্ন কথা কিছুমানে মূৰটো তোলপাৰ লগাই থাকে। লৰা এটাৰ দৰে ভেবা লাগি মই তেওঁলৈ চাই থাকো। মই ভাবি যাওঁ, ওথেলোই ডেচ্‌ডিমোনাক ভালপোৱাৰ দৰেই এদিন মযো এই ভেবীয়া জনীক উন্মাদৰ দৰে ভাল পাইছিলো। সৰল অন্তঃকৰণ, শুৱনী লাহি গাটো আৰু ধুনীয়া মৰমলগা মুখখনেৰে ভেবীয়াই এদিন মোৰ জীৱন সাৰ্থক কৰিছিল। বৈজ্ঞানিকৰ নিৰস কামবোৰৰ মাজতো তেওঁ মোক প্ৰাণৰ উম দি ৰাখিছিল। আৰু আজি এটুকুৰা কটি আৰু ধাৰৰ চিন্তাই বুঢ়ি ভেবীয়াৰ সোতোৰাস্নতুৰি মুখখন আৰু শুকান কৰি পেলাইছে। খৰচ পাতিৰ বাহিৰে যেন আন কোনো কথাকে তেওঁ ক'ব বা ভাবিব নোৱাৰে। বস্তুৰ দাম কমা বাতৰিৰ বাহিৰে যেন আন একোৱেই তেওঁৰ শুকান মুখত এটা হাঁহি বিৰিঙাব নোৱাৰে।

আগৰ সেই মানুহজনী বিচাৰি মই তেওঁলৈ চাই থাকো। কিন্তু আগৰ কোনো চিনেই যে তাত নাই। তেওঁৰ কেইটামান কথাইহে মাত্ৰ—যেনে মোৰ দৰ্মাহাটো আমাৰ

দৰ্মহা বুলি কোৱা, মোৰ টুপিটো আমাৰ টুপি বুলি কোৱা — অতীতটোক খুব দুৰ্ব্বলকৈ মোৰ আগত ডাঙ্ডি ধৰেহি। তেওঁলৈ চাবলৈ মোৰ বেজাৰ লাগে। দুই এটা কথাৰে তেওঁৰ হাঁহি তোলাবলৈ মই চেষ্টা কৰোঁ। বিনা কাৰণেই যদি কাবোবাক তেওঁ বেয়াকৈ সমালোচনা কৰে মই বাধা নিদিওঁ। পাঠ্য-পুথি নিলিমাৰ বাবে আৰু নিজৰ কাৰবাৰ নচলোৱা বাবে মোক প্ৰায়ে তেওঁ তিৰস্কাৰ কৰে। মই কিন্তু তাৰ একো প্ৰতিবাদ নকৰোঁ। সদায় হৈ অহাৰ দৰেই আমাৰ পুৰাৰ কথাৰ সামৰণি পৰে। মই যে তেতিয়ালৈকে চাহ খোৱাই নাই এই কথা মনত পৰি তেওঁ কৈ উঠে।

'মই যে কিবোৰ ভাবি আছোঁ! চাহৰ দানিটো যে কিমান সময় মেজৰ ওপৰতে পৰি আছে, আৰু ইয়াত কথা চোবাই মই বহি আছো। মগজটো যে ইমান বেয়া হৈ গৈছে।' কৈ তেওঁ দুৱাৰখনৰ ফালে আগবাঢ়ে। আকৌ অলপ বৈ কয়, 'লগুৱাটোক আমি পাঁচমাহৰ দৰ্মহা দিয়াই নাই নহয়। তোমাৰ মনত আছেনে? সদায় সময়মতে চাকৰ-বাকৰক দি আহিবলৈ কতবাৰেই যে মই তোমাক নকৈছো। একেবাৰেই পঞ্চাশ কৰল দিয়াতকৈ মাহে দহ কৰলকৈ দি যোৱাটো সহজ' তাৰ পাচত দুৱাৰখন পাৰ হৈ আকৌ ক'বগৈ, 'এই লিজাজনীলৈহে মোৰ বৰ বেয়া লাগে। তাই গানৰ স্কুললৈ যায়, সদায় ভাল সমাজত ঘুৰা-চকা কৰে। তাইৰ কিন্তু ভাল সাজ-পোচাক একোৰে নাই। সেই গৰম কোটটোৰে মই তাইক

আলিবাটলৈ উলিয়াই পঠাবলৈকে লাজ পাওঁ। আন কাবোবাৰ ছোৱালী হ'লে একো কথা নাছিল। কিন্তু সকলোৱেই জানে তাইৰ বাপেক এজন নামজলা অধ্যাপক আৰু মন্ত্ৰীসভাৰ সভ্য।' শেষত সমাজত মোৰ প্ৰতিপত্তি আৰু প্ৰশংসাবোৰক নিন্দা কৰি তেওঁ লাহে লাহে আঁতৰি যায়। এইদৰেই মোৰ দিনটোৰ আৰম্ভনি। দিনটোৰ বাকী চোৱাও ইয়াতকৈ সুখৰ বা আমোদজনক নহয়।

মই চাহ খাই থাকোতেই টুপী আৰু কোট পিন্ধি হাতত বাদ্য যন্ত্ৰ এটা লৈ ওলাই যায় লিজা। তাই গানৰ স্কুললৈ যাবলৈ ওলাইছে। বয়স বাইশ বছৰ যদিও তাইক বহুত সৰু যেন দেখি। মাকৰ গাভৰু কালৰ ৰূপ-লাৱণ্য সকলোখিনি তাই কাঢ়ি লৈছে। খুব মৰমেৰে মোৰ কপালখনত চুমা এটা খাই তাই সোধে, 'নমস্কাৰ, দেউতা। তোমাৰ ভালনে?'

সৰুতে তাই মিঠা দিয়া বৰফ খাই বৰ ভাল পাইছিল। আৰু মই প্ৰায়েই তাইক লৈ গৈছিলো মিঠাইৰ দোকানলৈ। মিঠা বৰফ পালে তাইৰ যে কি তৃপ্তি। মোক কিবা কথাত প্ৰশংসা কৰিব লগা হ'লে, বা মোৰ প্ৰতি মৰমটো বেছি হৈ উঠিলে তাই কৈছিল, 'দেউতা, তুমি যে ইমান ভাল, একেবাৰে বৰফৰ মিঠাইৰ দৰে।' তাই আকৌ নিজৰ আঙুলিবোৰক বেলেগ বেলেগ নাম দি লৈছিল। সেইবোৰ নামেৰে মই তাইৰ আঙুলিবোৰত চুমা খাই দিওঁ। এতিয়া বয়সতো মই তাইৰ লগত আগৰ দৰেই ধেমালি কৰিবলৈ

যত্ন কৰিলেও সেই আগৰ আমোদ যেন তাত আৰু নাই। এৰা সঁচাকৈয়ে মই বৰফৰ মিঠাইৰ দৰে হৈ পৰিছো। এতিয়া লিজাই মোৰ কপালত তাইৰ ওঁঠছুটা লগালেই মই এটা বৰলে কামোৰাৰ দৰে উচপ খাই উঠো। পিছত লাজ পাই সিফালে মুখ ঘূৰাওঁ। টোপনি নহাৰ পৰাই কিছুমান শাজে কথাই মোৰ মনটোক জুলুম দি থাকে। মই ভাবোঁ, মোক বাৰু লিজাই কি ভাবিছে। চাকৰক নিয়মমতে পাওনাখিনি দিব নোৱাৰা, ধাৰৰ চিন্তাত কামবন কৰিব নোৱাৰি ঘৰতে মোক ইফালে সিফালে ঘূৰি ফুৰা তাই নিতৌ দেখি আহিছে। তাই যদি মাকক নজনোৱাকৈ মোক ক'লেহেতেন, 'দেউতা, মোৰ এই সোণৰ গহনা আৰু সাজ-পোচাকবোৰ নি বন্ধকত থোৱাগৈ। তোমাক টকা লগা হৈছে।' তিৰোতা আৰু মই যে এটা মিছা লাজ আৰু ভেমত আমাৰ দুখ-কষ্টবোৰ আনৰ পৰা লুকাই ৰাখিবলৈ চেষ্টা কৰি আহিছো লিজাই ভালকৈয়ে বুজে। কিন্তু আচৰিত কথা, ইমান জানিও যে তাই বহুখৰচযুক্ত এই গানৰ স্কুলৰ মোহ এৰিব পৰা নাই। হে ভগৱান, তাইৰ গহনাপাতি বন্ধকত থৈ সুখ কৰাৰ কুমতি যেন মোৰ নহয়। সেই সুখ মোক নালাগে।

তেতিয়াই মোৰ মনলৈ আহে মোৰ ল'ৰাটোৰ কথা। সি এটা গহীন, জ্ঞানী আৰু মানী মানুহ। কিন্তু মোৰ কাৰণে সেইবোৰেই জানো সকলো? মোৰ বুঢ়া দেউতাই যদি ভালকৈ খাবলৈ নাপাই ধাৰৰ চিন্তাত কাল কটাব

লগা হয়, তেতিয়া মই হয়তো মোৰ বিষয়-বাব এৰি আহি কৰবাত বন্ধুৱা সোমাই তেওঁক সহায় কৰাৰ কথা ভাবিলো-হেতেন। ইচ্ছাৰ বিৰুদ্ধেও এই ভাববোৰে মোক জুলুম দিয়েহি। এইবোৰে যে মোক নিজৰ লৰাছোৱালীৰ প্ৰতিয়েই বিৰোধী কৰি পেলাইছে। আৰু এইবোৰৰ পৰা লাভেই বা কি? ঠেকমনৰ বা জীৱনটোৰ প্ৰতি বিতৰাগ হোৱা লোকেইহে সাধাৰণ মানুহ এটাকো গালি পাৰে সি এটা বীৰৰ দৰে হ'ব নোৱাৰিলে কিয় বুলি। কিন্তু এই ভাৱনাৰ কোনো পাৰ নাই, ভাৱনাতেই সকলো শেষ।

ঠিক দহ বজাৰ লগে লগে মই ওলাই যাওঁ মোৰ আদৰৰ লৰাইঁতৰ আগত বক্তৃতা দিবলৈ। সাজপোচাক কৰি যোৱা ত্ৰিশ বছৰে পৰিচিত সেই বাটটোৰে মই আগবাঢ়োঁ। বাটটোত যেন মোৰ জীৱনৰ বুৰঞ্জীহে লিখা আছে। সেই ডাঙৰ ধোঁৱাবৰণীয়া ঘৰটোৰ তলৰ মহলাত এজনৰ ৰসায়নিকৰ দোকান আছে, এসময়ত তাত এখন সৰু মদৰ দোকান আছিল। তাতেই বহি কত প্ৰবন্ধ-পাতি যে মই কত নিলিখিলো। আৰু তাতেই বহি এদিন লিখিছিলো এখন চিঠি মোৰ মৰমৰ ভেৰীয়ালৈ, মোৰ অন্তৰৰ প্ৰেম নিবেদন কৰি। আৰু সৌ গেলামালৰ দোকানখন আগতে এজন ইহুদীৰ আছিল। তেওঁ মোক বাকীকৈ চুৰতৰ যোগান ধৰিছিল। তাৰ পাছত এগৰাকী শকত-আৱত মহিলা তাৰ গৰাকী হ'ল। তেওঁ আকৌ ছাত্ৰবোৰক খুব মৰম কৰিছিল।

এতিয়াৰ গৰাকীজন হৈছে ৰঙা চুলিৰে এজন বেপাৰীলোক। দিনটোৰ বেচিভাগ সময় উদাস ভাৱেৰে বহি থাকি চাহ খাই থকাই তেওঁৰ ঘাই কাম। আৰু এইখন বিশ্ববিদ্যালয়ৰ ডাঙৰ জপনাখন। মেৰামতি কৰাৰ সময় কেতিয়াবাই উকলি গৈছে। দীঘল সোতা এটা লৈ তাত থিয় হৈ থাকে জামাদাৰটো। বিজ্ঞানৰ মন্দিৰ এটাত জানো এনে এখন জপনাই শোভা পায়? দূৰৈৰ পৰা অহা লৰাছোৱালীবোৰেই বা ভাবিব কি? অনুপ্ৰেৰণাৰ কাৰণে জ্ঞানৰ মন্দিৰ একোটাত অলপ জাকজমকতাৰো প্ৰয়োজন। ভগাঘৰ কেতবোৰ, আন্ধাৰ বাৰান্দা কেইটা, মাটি খহি যোৱা বেৰবোৰ, ভালকৈ পোহৰ নপৰা কোঠাবোৰ, দেখিলে বেজাৰ লগা অৱস্থাত থিয় দি থকা চিবিকেইদাল, ভগা ভগা বেঞ্চকেইখন এইবোৰ লৈয়েই বিশ্ববিদ্যালয়খন। কচদেশৰ নিবাসবাদী বুৰঞ্জীৰ ই যেন এটা জলন্ত প্ৰতীকহে। আৰু এই বাগিছাখন। সেই তাহানি মই ছাত্ৰ হিচাবে থকা দিনৰ পৰা তাৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। সেইখন কেতিয়াও মই ভাল পোৱা নাছিলো। ফুলৰ নামত হাবিবননিৰ জোপাবোৰতকৈ কিছুমান ওখ পাইন আৰু ওক্ গছ থকা হলেই বেচি ভাল হ'লহেঁতেন। ধুনীয়া গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশ এটা ছাত্ৰসকলৰ কাৰণে খুব উপযোগী। এটা সুস্থ-সবল মন গঢ়ি তোলাৰ ই যথেষ্ট বৰঙণি যোগায়।

মই ওচৰ পোৱাৰ লগে লগে, মোৰ কোঠাৰ দুৱাৰখন মেল খায় আৰু বুঢ়া চকীদাৰটোৱে অভিবাদন জনায়। শিও

মোৰেই দৰে বুঢ়া। জন্মও আমাৰ একে বছৰতে। নামটোও আমাৰ একে—নিকোলাই।

'মহাশয়, খুব বৰফ পৰিছে আজি।' আৰু যদি মোৰ কোটটো তিতি থকা দেখে তেতিয়া ক'ব, 'আজি বৰষুণ হৈছে, মহাশয়।'

তাৰ পিছত দুৱাৰ খিড়িকীবোৰ খুলিবলৈ মোৰ আগে আগে আগবাঢ়ে। কোঠাত সোমোৱাৰ লগে লগে সি মোক কোটটো খোলাত সহায় কৰে আৰু বিশ্ববিদ্যালয়ৰ ইটো সিটো খবৰ জনায়। বিশ্ববিদ্যালয়ৰ ক'ত কি হৈছে সকলো খবৰ তাৰ মুখৰ আগত। সি নজনা কথা একো নাই। সি ৰাতিৰ দাৰোৱানটোক কোৱা প্ৰায়ে শুনা যায়, অমুক অধ্যাপকে কাম ইস্তফা দিছে, অমুকে সেই কামটো পাব, পাব লাগিছিল পিছে অমুকেহে, কিন্তু মন্ত্ৰীয়ে বোলে তেওঁৰ নাম বাতিল কৰিছে ইত্যাদি ইত্যাদি। সৰু সৰু খুটিনাটিবোৰ বাদ দি তাৰ কথা প্ৰায়েই সঁচা। প্ৰতিজন নৱাগতৰ বিষয়েই সি তাৰ মতামত দি যাব, যদিওবা সকলো সঁচা নহয়। কোনে কোন বছৰত ডক্টৰেট ডিগ্ৰীৰ কাৰণে কিতাপ লিখিছিল, কি কিতাপ, কোনে কোন বছৰত বিশ্ববিদ্যালয়ত যোগ দিছিল ইস্তফা দিছিল বা কাৰ কেতিয়া মৃত্যু ঘটিছিল আদি খবৰবোৰ নিৰ্ভুলভাবে দিব পাৰিছিল নিকোলায়ে। স্মৰণশক্তি তাৰ শলাগিবলগীয়া।

বিশ্ববিদ্যালয়ৰ পৰম্পৰা যেন সিহে ৰক্ষা কৰি আছে।

তাৰ আগৰ চকীদাৰবোৰৰ পৰা অধিকাৰী-সূত্ৰে সি পাইছে বিশ্ববিদ্যালয়খনৰ বিষয়ে কিছুমান প্ৰবাদ, উপকথা আদি। সেইবোৰ তাৰ কাৰণে অমূল্য সম্পদ। সেইবোৰেৰে সি চহকী। এইবোৰৰ লগত যোগ হৈছে সি নিজে আয়ত্ত কৰা কাহিনীবোৰ। কত সাধু, গল্প যে তাৰ মূৰত ঠাহ খাই আছে। আৰু বৰ্ণাবও পাৰে সকলো কথাকে সি নিয়াৰিকৈ শ্ৰুতিমধুৰ কৰি। সি কৈ যোৱা কথাবোৰ যে আখৰে আখৰে সঁচা এনে নহয়, তথাপিও প্ৰতিটোৰে যেন এটা গূঢ়াৰ্থ আছে, আচল সত্যৰ এটা চিন যেন ক'ৰবাত হৈ আছে।

আচৰিত ধৰণে আওকনীয়া বা অতি বেচি ৰসিক অধ্যাপক দুজনমানক লৈ কৰা গল্প কিছুমানেই হৈ পৰিছে বিজ্ঞান জগতৰ বিষয়ে আমাৰ সমাজৰ ধাৰণা। কিন্তু সমাজ এখনৰ কৃষ্টিৰ উন্নতিৰ কাৰণে ইয়েই জানো যথেষ্ট? নিকোলাইৰ দৰেই সমাজখনেও বিজ্ঞান, বৈজ্ঞানিক আৰু ছাত্ৰইতক ভাল পোৱা হ'ল হয়তো আমাৰ সাহিত্যজগতখনক চহকী কৰাত সম্ভাৰ যোগালেহেঁতেন বহুতো মহাকাব্য, গল্প আৰু উপকথাই। কিন্তু দুখৰ কথা যে সেইবোৰৰ আমি যে অতি দুখীয়া।

দিনটোৰ খবৰ-বাতৰিখিনি দি শেষ কৰি নিকোলাই অলপ গহীন হৈ পৰে। আমাৰ কৰ্ত্তব্য আৰম্ভ হয়। কথাৰ বিষয়-বস্তুৰ সলনি হয়। নিকোলায়ে নিৰ্ভীকভাৱে ব্যৱহাৰ কৰি যোৱা বিজ্ঞানৰ শব্দবোৰ শুনিলে বাহিৰা এজনে হয়তো

ভুলেই কৰি পেলাব, সৈনিকৰ মাজত এওঁ কোনোবা এজন বৈজ্ঞানিকেই নেকি? যাহওক, সঁচা ক'বলৈ হ'লে, বিশ্ববিদ্যালয়ৰ চকীদাবৰোৰৰ বিজ্ঞান-জ্ঞানৰ বিষয়ে অলপ অতিৰঞ্জিত মন্তব্য শুনা যায়। কথোপকথনত হয়তো সিহঁতে ভালেমান লেটিন শব্দ প্ৰয়োগ কৰিব পাৰে নাইবা বিজ্ঞানৰ বিষয়ে এৰাধৰাকৈ লবাহঁতৰ আগত কিছুমান কথা কৈ আমোদ দিব পাৰে; সেইবুলি কিন্তু কোনো বৈজ্ঞানিক সূত্ৰৰ অলপো ধাৰণা সিহঁতৰ নাই। তেজৰ চলাচলৰ বিষয়ে সিহঁতে কিবা ক'ব পাৰিবনে বাৰু? এই বিষয়ত সিহঁতৰ কুৰি বছৰৰ আগৰ আৰু আজিৰ জ্ঞানৰ কোনো প্ৰাৰ্থক্য নাই।

মেজথনৰ ওচৰত জুপুকা মাৰি ৰহি কিতাপ এখন চাই থকা নাইবা কিবা ৰসায়নিক মিলন কাৰ্য্যত ব্যস্ত হৈ থকা সৌজন হৈছে মোক কামত সহায় কৰোঁতা পিটাৰ। অধ্যৱসায়ী, ধুনপেচ নোহোৱা, মঙ্গলীয়া বুদ্ধি-বৃত্তিৰে পয়ত্ৰিশ বছৰীয়া এই পিটাৰ মোৰ এটা অমূল্য সম্পদ। ইতিমধ্যে তেওঁ টপা হৈ পৰিছে। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে কাম কৰিবলৈ তেওঁ পিছ নোহোঁহকে আৰু পৃষ্ঠাৰ পাছত পৃষ্ঠা পঢ়ি মুখস্থ কৰি যোৱাটো তেওঁৰ কাৰণে সাধাৰণ কথা। মোৰ কাৰণে তেওঁ নিজৰ শৰীৰৰ সমান ওজনৰ এচপৰা সোণ। তেওঁৰ জ্ঞানৰ বিষয়-বস্তু অতি ঠেক গভীৰ আৰু বেচিকৈ ভবাৰ ক্ষমতা নোহোৱাৰ বাবেই হ'বলা এইদৰে দেহেকেহে একেটা কামতে লাগি থকাৰ শক্তি তেওঁৰ অসীম। কৰ্তব্যৰ বাহিৰত

তেওঁ এটা সৰল শিশুৰ দৰে। মনত পৰে, এদিন ৰাতিপুৱাই অফিচত সোমাই মই কৰা মন্তব্য,

'কি যে দুৰ্ভাগ্য! স্কভেলবৰ বোলে মৃত্যু হৈছে।'

নিকোলাই গোঙোৰা হৈ পৰিল। পিটাৰে কিন্তু মোৰ পিনে চাই সুধিলে, 'স্কভেলবনো কোন?'

আন এদিনৰ কথা। মই কলো যে অধ্যাপক পেৰভৰ মৃত্যু হ'ল। উত্তৰত পিটাৰে প্ৰশ্ন কৰিলে, তেওঁনো কোন বিভাগত আছিল?

কেতিয়াবা মই ভাবোঁ, সুগায়ক এজনে হয়তো তেওঁৰ কামৰ ওচৰতে গান গাই থাকিব পাৰে, চীনাসকলে হয়তো ৰুচদেশ আক্ৰমণ কৰিব পাৰে নাইবা এটা প্ৰবল ভূমিকম্পই গোটেই পৃথিৱী কঁপাই তুলিব পাৰে, পিটাৰে কিন্তু অনুবিক্ষণ যন্ত্ৰটোৰ পৰা চকু নাতৰাব। এই নিৰস মানুহটোৰ ঘৈণীয়েকৰ লগত আচাৰ-ব্যৱহাৰ চাবলৈ হেপাহ হয়।

তেওঁৰ ব্যক্তিত্বৰ আৰু এটা বৈশিষ্ট্য হৈছে বিজ্ঞানৰ জয়গান গোৱাত তেওঁ অপৰাজেয়। বিশেষকৈ জাৰ্ম্মান ভাষাত লিখা কথাবোৰ তেওঁৰ মানত ধ্ৰুব সত্য। ডাঙৰ ডাঙৰ লিখকৰ ওচৰত তেওঁ একেবাৰে সৈমান, নিজৰ স্বাধীন চিন্তা কৰাত তেওঁ নাই। এবাৰ খামোচ মাৰি ধৰা কথাৰ পৰা তেওঁক ঘূৰাই অনা টান। গোড়ামী আৰু অহমকামী তেওঁৰ অপ্ৰতিদ্বন্দ্বী। তেওঁৰ লগত তৰ্ক কৰাৰ লাভ নাই। চিকিৎসা বিজ্ঞানেই সকলো বিজ্ঞানতকৈ শ্ৰেষ্ঠ আৰু ডাক্তৰ সকলেই

সকলো মানুহজকৈ ওপৰত বুলি যি জনৰ কটকটীয়া ধাৰণা সেইজনৰ লগত বৃথা তৰ্ক যুদ্ধলৈ কোন আগবাঢ়িব বাৰু?

তেওঁৰ ভৱিষ্যত হিচাবে মই নিভূ'লকৈ কৈ দিব পাৰোঁ। জীৱনত তেওঁ হয়তো কেইশমান ৰসায়নিক মিলন নিখুঁটভাৱে কৰি পেলাব, হয়তোবা কেইটামান শুকান কিন্তু বহুমূলীয়া প্ৰৱন্ধ তেওঁ যুগুত কৰি উলিয়াব, নহলে হয়তো এক দুৰ্জ্জনমান মৌলিক তথ্যৰ অনুবাদ কৰিব। কিন্তু সৰ্ব্বসাধাৰণৰ দৈনন্দিন জীৱনৰ পৰা একোটোকেই তেওঁ সংগ্ৰহ কৰিব নোৱাৰিব। ইয়াৰ কাৰণে লাগে সূক্ষ্ম চিন্তাশক্তি, আবিষ্কাৰৰ নিচা আৰু কল্পনা। এইকেইটাৰ এক বিন্দুও যে পিটাৰৰ গাত নাই। থুপতে ক'বলৈ গ'লে এইবোৰৰ অভাৱেৰে বিজ্ঞানক জয় কৰিব নোৱাৰি, কণামুনাকৈ বিজ্ঞানৰ ৰশবৰ্ত্তী চিকাৰ কৰিবহে পাৰি।

পিটাৰ, নিকোলাই আৰু মই সৰু সৰুকৈ কথা পাতোঁ। কি কথা জানো আমাৰ ক'ৰবাত কিবা যেন খোকোজা লাগিছে। দুৱাৰখনৰ সিফালে হৈ থকা মোৰ শ্ৰোতাসকলৰ গুণগুণনিটো মোৰ কাৰণে শান্তিদায়ক। আজি ত্ৰিশবছৰেও মই এইটো সাধাৰণ ভাৱে ল'ব নোৱাৰিলো। প্ৰতি ৰাতিপুৱাই মোৰ মাজত ইয়াৰ প্ৰতিকূল প্ৰতিক্ৰিয়া হয়। কঁপাহাতেৰে কোটৰ বুটাম মাৰি যাবলৈ সাজু হওঁ আৰু নিকোলাইক অৱান্তৰ কথা কেটবোৰ সুধি পেলাওঁ, কেতিয়াবা হয়তো বিনা কাৰণেই তাক খঙো কৰোঁ। আনে দেখিলে

হয়তো ভাবিব যে মই ভয়হে খাইছো। ই কিন্তু মোৰ কাপুৰুষালি নহয়। কিবা এটা স্বকীয়া আতঙ্ক যিটোৰ নাম বা বৰ্ণনা দিবলৈ অক্ষম।

এনেয়ে ঘড়ীটোলৈ চাই কৈ পেলাওঁ, 'হেৰৌ, আমাৰ যাবৰ সময় হৈছে।' আমি ওলাই যাওঁ। কিছুমান ছবি আৰু আন আন সৰঞ্জাম লৈ আগে আগে নিকোলাই, পাছত মই আৰু একেবাৰে শেষত তলমুৰাকৈ পিটাৰ। কেতিয়াবা আকৌ পৰীক্ষাৰ কাৰণে মৃতদেহ এটাও আগে আগে লৈ যোৱা হয়। মই সোমোৱাৰ লগে লগেই ল'ৰাহঁত ঠিয় দিয়ে। গুণগুণনি বন্ধ হয়। গোটেই কোঠাতে এটা গম্ভীৰ নিস্তব্ধতা বিৰাজ কৰে।

বক্তৃতাৰ বিষয় বস্তু ভালদৰে জনা থাকিলেও কেনেকৈ বক্তৃতা দিম, ক'ত আৰম্ভ কৰি ক'ত শেষ কৰিম ইত্যাদিবোৰে অলপ জুমুৰি দি ধৰেহি। তপাতপকৈ কৈ যাব পৰাকৈ সজাই থোৱা এটা বাক্যও যে মোৰ মূৰত নাই। বক্তৃতালৈ কিন্তু আগেয়ে কেতিয়াও ভয় কৰা নাছিলো। ল'ৰাহঁতলৈ চাই আগৰ দিনা দিয়া বক্তৃতাৰ বিষয় বস্তুৰ নাম লোৱাৰ লগে লগেই আৱশ্যকীয় কথাবোৰ লানি নিছিগাকৈ সৰ সৰকৈ মোৰ মুখৰ পৰা ওলাই আহিছিল। খুব খৰকৈ আৰু আগ্ৰহেৰে কৈ যোৱা মোৰ অভ্যাস। ভালকৈ বুজাবলৈ হ'লে বিষয় বস্তুৰ ওপৰত হাত থকাৰ উপৰিও লাগে নিজৰ ওপৰত বিশ্বাস আৰু অভিজ্ঞতা। ক'বলৈ মই এবাৰ আৰম্ভ

কৰিলে বন্ধ কৰাৰ শক্তি কাৰো নাছিল। অবাঞ্ছিত ভাৱে ধুনীয়াকৈ সজাই পৰাই কথাবোৰ মই কৈ যাব পাৰিছিলো। এশ পঞ্চাশখন মুখ আৰু তিনিশটা চকুৰে সৈতে বৈ থকা লৰাইঁত যেন মোক আক্ৰমণ কৰিবলৈ বৈ থকা এটা বিৰাট-কায় দৈত্যহে। কিন্তু এই দৈত্যক বশ কৰিবলৈ হ'লে লাগিব তাৰ মনৰ ভাৱ বুজিবৰ কাৰণে মনোবিজ্ঞানৰ বিশ্লেষণ শক্তি আৰু ধৰিব পাৰিব লাগিব তাৰ বুজাৰ ক্ষমতা। দুয়োটাতেই মই কৃতকাৰ্য্য হৈছিলো। আন এটা বিপদ হৈছে নিজৰ ভিতৰতে গুজৰি-গুমৰি খুন্দিয়াখুন্দি কৰি থকা নানা ভাৱ, আইন আৰু সূত্ৰ আদি। সেইবোৰ এবাৰ ভালকৈ জুকিয়াই ল'ব পাৰিলে সেই বিপদবো সহজে হাত সাৰিব পাৰি। এজন বৈজ্ঞানিক, শিক্ষক আৰু এজন নিপুন বক্তাৰ সকলো-খিনি গুণ আয়ত্ত কৰি ল'ব মই পাৰিছিলো, লৰাইঁত উপকৃত হোৱাকৈ বক্তৃতা দিবৰ কাৰণে। বিষয় বস্তু নোহোৱা কথাৰ মূল্য নাই। সেইদৰেই ভালকৈ সজাই ক'ব নোৱাৰিলেও বিষয় বস্তু মনোগ্ৰাহী হৈ নুঠে। প্ৰায়েই আধাঘণ্টামানৰ পিছত দেখা গৈছিল লৰাইঁতৰ একোটাইঁতে হয়তো চাই আছে ওপৰৰ চিলিংখনলৈ, কোনোটোৱে বা আকৌ ৰুমাল-খন উলিয়াই মুখখনকে মোহাৰিছে, কিছুমানে হয়তোবা আনৰ মুখলৈ চাই মিচিকিয়াই আছে। লৰাইঁতৰ যে মন আনফালে গৈছে তাৰেই প্ৰমাণ এইবোৰ। সেইখিনিতে এটা ধুহুতীয়া কথা কৈ সিইঁতৰ মনটো মই ঘূৰাই আনিছিলো।

অলপমান বগৰ তুলি সিহঁতৰ মনৰ ভাগৰবোৰ দূৰ কৰি দিছিলো। খেলা-ধূলা, তৰ্ক যুদ্ধ আদি একোৱেই মোক বক্তৃতা দিয়াৰ সমান আনন্দ দিব পৰা নাছিল। বক্তৃতাৰ মাজতেই মই বুজি উঠিছিলো যে অনুপ্ৰেৰণা বস্তুটো কৰিব কল্পনাৰ বস্তু নহয়। ই আমাৰ মাজতেই আছে। জ্বলাই তুলিব পাৰিলেই হয়।

এইখিনি মোৰ আগৰ অভিজ্ঞতাৰ কথা। এতিয়া কিন্তু বক্তৃতা দিয়াটো এটা শাস্তিৰ বাহিৰে মোৰ বাবে একো নহয়। আধাঘণ্টা পাৰ নৌহওঁতেই মোৰ হাত ভৰিত বিষ উঠে। মই বহি পৰোঁ। কিন্তু বহি লৰাহঁতক কোৱাৰ অভ্যাস মোৰ নাই। পুনৰ উঠি ক'বলৈ আৰম্ভ কৰাৰ লগেই লগেই বহি পৰিবলৈ বাধ্য হওঁ। মুখখন মোৰ শুকাই যায়। মাতটো কৰ্কশ হৈ উঠে আৰু মূৰটো ঘূৰাই যায়। এইবোৰ ঢাকি ৰাখিবলৈকে মই এধোকমান পানী খাই লওঁ আৰু কেইটামান শুকান কাহ মাৰি ডুবাৰমান হাঁচি মাৰোঁ, যেন মোৰ পানীহে লাগিছে। লগতে দুটা ধেমেলীয়া কথাৰে লৰাহঁতক আমোদ দিয়াটো অপচেষ্টা কৰোঁ। মাজৰ অলপপৰৰ জিৰণিটো মই ঠিক সময়ৰ আগতেই দি দিওঁ। মোৰ অতিকৈ লাজলাগি যায়। লাজ-অপমানত মই গৰম অনুভৱ কৰোঁ।

মোৰ বিৱেকে কয় যে ল'ৰাহঁতৰ পৰা বিদায় লৈ মই অৱসৰ ল'ব লাগে। কোনোবা ডেকা অধ্যাপক একজনৰ

কাৰণে ঠাই উলিয়াই আঁতৰি আহিব লাগে। কিন্তু, হে ভগৱান মোক ক্ষমা কৰা! বিৱেকৰ বাণী পালিবলৈ যে মোৰ সাহকণ নাইকিয়া হৈ গৈছে।

মোৰ অতি দুৰ্ভাগ্য যে মই দাৰ্শনিক নহওঁ। ধৰ্ম্ম-শাস্ত্ৰ অধ্যয়নো মোৰ নাই। ভালকৈয়ে জানো যে আৰু ছমাহতকৈ বেচি মই জীয়াই নাথাকিম। জীৱনৰ শেষ মুহূৰ্ত্তৰ কথাবোৰ ভাবিয়েই মই সময়বোৰ কটাই দিব পাৰিব লাগিছিল। কিন্তু মোৰ আত্মাই সেইবোৰৰ হিচাব ল'ব নোখোজে। মনটোৱে অৱশ্যে মাজে মাজে জুলুম দি ধৰেহি। মৃত্যুক হাত বাউল দি মাতি থকা এই অৱস্থাতো মোক শান্তি আৰু তৃপ্তি দিব পৰা একমাত্ৰ বস্তু হৈছে বিজ্ঞান যিটোৱে কুৰি বছৰৰ আগতেও মোক সেই সমান আনন্দকেই দিছিল। জীৱনৰ শেষ নিশ্বাস পেলোৱাৰ বেলিকাও হয়তো মই ভাবি যাম যে আমাৰ জীৱনৰ আটাইতকৈ মূল্যৱান, সুন্দৰ আৰু আৱশ্যকীয় বস্তু বিজ্ঞানেই। ইয়াৰ জৰিয়তেই মানৱ-প্ৰেমৰ চৰম প্ৰকাশ সম্ভৱ আৰু ইয়াৰ যোগেদিয়েই আমি প্ৰকৃতিক আৰু নিজকে জয় কৰিবলৈ সক্ষম হ'ব পাৰিমহঁক। মোৰ এই বদ্ধমূল ধাৰণা ভুল হ'ব পাৰে, কিন্তু ইয়াক পোষণ কৰাৰ বাবে দায়ী মই নহওঁ। মোৰ এই ভাৱ যে মই লুকুৱাই ৰাখিব নোৱাৰোঁ।

কিন্তু মোৰ আচল কথা সেইটো নহয়। কামৰ পৰা অৱসৰ লৈ লৰাইতৰ পৰা আঁতৰি অহা মানে জীৱিত কালতেই সমাধি বৰণ কৰা নহ'ব জানো?

ৰাতি উজাগৰে কটোৱাৰ বাবে আৰু শাৰীৰিক দুৰ্ব্বলতাৰ লগত যুজি যুজি মই অৰস হৈ পৰিছো। বক্তৃতা দি থাকোঁতেই মোৰ ডিঙিটো শুকাই যায়, চকু চলচলীয়া হয় আৰু হাত দুখন বহলকৈ মেলি মোৰ অসুখৰ কথা চিঞৰি চিঞৰি কৈ দিবৰ মন যায়। পগলাৰ দৰে চিঞৰি দিবৰ মন যায়, মোৰ দৰে খ্যাতিমান লোক এজনক অদৃষ্টই পঙ্গু কৰি পেলাইছে আৰু ছমাহৰ পিছতেই হয়তো লৰাইতক মোৰ পৰা বঞ্চিত কৰি দিব। মোক কিবা বিষ খুৱাইছে নেকি? নতুন কিছুমান ভাৱনাই জীৱনৰ এই শেষ দিন-কেইটাও মোক একেবাৰে খুলি খুলি খাইছে। মোৰ মূৰটো কুটি কুটি একেবাৰে থকা-সৰকা কৰি দিছে। মোৰ ভাৱ হয় যেন মোৰ এই ভাৱবোৰৰ বহিৰিন্দ্ৰিয়াত ভয় খাই লৰাইঁতে হয়তো বাহিৰলৈ দৌৰ দিছে।

এনে মুহূৰ্ত্তবোৰ যে কি বেদনাদায়ক!

(২)

বক্তৃতা এটাৰ পাছত কেইদিনমান মই ঘৰতে সোমাই থাকোঁ। নতুন আলোচনী আৰু কিতাপ পঢ়োঁ। নাইবা পিছৰ বক্তৃতাটোলৈ বিষয়-বস্তু গোটাওঁ। কেতিয়াবা আকৌ লিখিবলৈকো চেষ্টা কৰোঁ। কিন্তু লিখা হৈ নুঠেগৈ, কাৰণ মোক লগ পাবলৈ অহা আলহি অতিথিৰ সংখ্যা বহুতো। আলহিৰ দুটামান নমুনা তলত দিলো।

দুৱাৰখন মেলি মোৰ সহকৰ্মী সোমাই আহিল। কিবা এটা বৰ জৰুৰী কথাত তেওঁ আহিছে। হাতত টুপী আৰু লাখুটিদাল লৈ মোৰ ফালে হাত দুখন আগবঢ়াই তেওঁ ক'লে, 'বন্ধু, তুমি উঠিব নালাগে। মই একমিনিটৰ বেচি নৰওঁ, মাত্র এক মিনিট। দুটা কথা ক'বলৈহে আহিছো।'

ইজনে সিজনৰ প্ৰতি অনাৱশ্যকীয় ভাবে বিনয়ী হৈ আমি কথাৰ আৰম্ভণি কৰোঁ। লগ হোৱাত দুয়োৰে অপাৰ আনন্দ। মই তেওঁক চকীখনত বহিবলৈ কওঁ আৰু তেওঁ মোক অনুৰোধ কৰে আগৰ ঠাইতে বহি থাকিবলৈ। বিশেষ কাৰণ নোহোৱাকৈয়ে ৰঙতে আমি হাঁহি দিওঁ। দুয়ো বহি পৰাৰ পিছত মুখ লগালগিকৈ সৰু সৰুকৈ আমি কথা কওঁ। কথা শেষ কৰি মোৰ বন্ধুৱে হঠাতে উঠি মেজখনলৈ আঙুলিয়াই যাবলৈ ওলাল। আমি আকৌ হাহোঁ। দুৱাৰখনলৈকে মই তেওঁক আগবঢ়াই দিওঁ আৰু কোটটো পিন্ধাত সহায় কৰি দিওঁ। মোৰ এই সহায়ৰ সন্মানখিনি লবলৈ যেন তেওঁ যোগ্যই নহয় এনে এটা সংকোচৰ ভাৱ ফুটি উঠে তেওঁৰ চাৱনিত। লগুৱাটোৱে দুৱাৰখন মেলি দিয়াৰ লগে লগে মোক ভিতৰলৈ যাবলৈ কৈ তেওঁ আঁতৰি যায়গৈ। বাহিৰত বেচিপৰ থাকিলে মোৰ পানী লাগিব পাৰে, তেওঁৰ সেই ভাৱ। লাহে লাহে সোমাই আহি পঢ়ামেজত বহি পৰোঁ। মুখৰ হাঁহিটো যেন মোৰ নাযাবই।

অলপ পৰৰ পিছতে আকৌ দুৱাৰৰ ঘণ্টা বাজি উঠে।

কোনোবা এজন মাজৰ ডাঙৰ কোঠাটোলৈ সোমাই অহা গম পাওঁ। লগুৱাটোৱে ক'লেহি কোনোবা এজন লৰাই মোক লগ পাব খুজিছে। মই সম্মতি জনাওঁ। কেই চেকেণ্ডমানৰ পিছতে হাঁহি হাঁহি এজন ডেকা সোমাই আহে। আজি এবছৰমান আমাৰ মাজত বৰ ভাল ভাৱ নাই। মোৰ পৰীক্ষাত এই ল'ৰাজনে সকলোতকৈ বেয়া কৰিছে আৰু কম নম্বৰ পাইছে। তলে তলে মোৰ ওপৰত এটা খং। প্ৰতি বছৰেই এনেকুৱা সাত আঠজনমান ল'ৰা থাকে যাক ফেইল কৰি মই অন্যায় কৰোঁ। সাধাৰণতে যিবোৰ লৰাই বুদ্ধি বৃত্তিৰ অভাৱত নাইবা নৰিয়া পৰি পৰীক্ষা ভাল কৰিব নোৱাৰে সেইবোৰে ধৈৰ্য্য ধৰি খং মাৰ নিয়ায় আৰু মোৰ লগত নিজৰ দৰ-দাম কৰিবলৈ নাহে। আশাবাদী আৰু কোনো বাধা-বিঘিনি নোহোৱাকৈ আগবাঢ়ি যাব খোজা বিধৰ লৰাবোৰেহে তেনে কৰিবলৈ মোৰ ওচৰ চাপে। প্ৰথম বিধৰ লৰাক মই অলপ দয়াৰ চকুৰে চাওঁ, কিন্তু দ্বিতীয় বিধৰ ওপৰত গোটেই বছৰটোৱেই মই চোকা নজৰ ৰাখোঁ।

'বহা, মই তোমাৰ কাৰণে কি কৰিব পাৰোঁ?' অলপ খংমুৱাকৈ মই সোধোঁ।

'আপোনাক আমনি দিয়াৰ কাৰণে ক্ষমা কৰিব, চাৰ।' আন এফালে চাই লৰাটোৱে কৈ যায়, 'মই আপোনাক এনেদৰে আমনি কৰিবলৈ কেতিয়াও সাহ নকৰিলোহেঁতেন··· কিন্তু আপোনাৰ পৰীক্ষাত মই এবাৰ নহয় দুবাৰ নহয়

পাঁচবাৰকৈ বহিছো··· আৰু এইবাৰ অনুগ্ৰহ কৰি মোক পাচ কৰি দিয়ক, কাৰণ ·····’

এনেকুৱা লৰাবোৰে নিজৰ অনুকুলে দিয়া যুক্তিবোৰ সদায় একেই : বাকীবোৰ পৰীক্ষাত ভালদৰে পাচ কৰিছে, মাত্ৰ মোৰটোতহে বেয়া হৈছে ; আৰু ই একেবাৰে আচৰিত কথা কাৰণ মই পঢ়োৱা বিষয়টোহে হেনো সিহঁতে বেচি মনযোগেৰে পঢ়ে আৰু জানেও ভালদৰে ; গতিকে কিবা ভুলৰ কাৰণেহে যেন তেওঁলোকে পাচ কৰিব পৰা নাই ইত্যাদি।

‘মই দুখিত, মোৰ বন্ধু। মই তোমাক কোনোপধ্যেই পাচ কৰি দিব নোৱাৰিম। তোমালোকক দিয়া টোকাবোৰ ভালদৰে পঢ়াগৈ। তেতিয়া আহিবা, কি কৰিব পাৰোঁ চাম।

সি মৌন। বিজ্ঞানতকৈ থিয়েটাৰ ঘৰ আৰু সুৰাপানত বেচি মন দিয়া লৰাইঁতক ভালদৰে অপদস্ত কৰি মই আমোদ পাওঁ।

‘মোৰ বোধেৰে এই চিকিৎসা বিজ্ঞান একেবাৰে এৰি দিয়াই তোমাৰ পক্ষে মঙ্গলজনক হ’ব। তোমাৰ সকলো অধ্যয়ন আৰু যত্নৰ সত্বেও যেতিয়া পাচ কৰিব নোৱাৰিলা, বুজা গৈছে ডাক্তৰ হ’বৰ ইচ্ছা বা ক্ষমতাখিনি তোমাৰ নাই।’

অলপ থোতামোজা খাই তেওঁ উত্তৰ দিয়ে ‘ক্ষমা কৰক চাৰ। সেইটো জানো মোৰ কাৰণে এতিয়া সম্ভৱ? পাঁচ বছৰে পঢ়ি শেষত এৰি দিয়াটো যে মই ভাবিবই পৰা নাই।’

‘একো অসম্ভৱ নহয়। নিজৰ মনে নিমিলা এটা বাট

বাচি লৈ গোটেই জীৱন অনুতাপ কৰাতকৈ পাঁচ বছৰ লোকচান কৰাই শ্ৰেয়।'

কথাকেইটা কৈ নিজৰ অলপ বেয়া লাগিল। উপদেশৰ সুৰত, 'যিহওক, এইবোৰ তুমি নিজেই ভালদৰে জানা। ঘৰলৈ গৈ অলপ ভালদৰে পঢ়ি-শুনি মোৰ ওচৰলৈ আহিবা। কি কৰিব পাৰো চাম।'

'কেতিয়াকৈ?'

'যেতিয়াই তুমি পঢ়াখিনি ভালকৈ আয়ত্ব কৰিব পাৰা। কাইলৈও হ'ব পাৰে।'

লৰাটোৰ মুখৰ চেহেৰাৰ পৰাই ভালকৈ ধৰিব পাৰিলো সি ভাবিছে, 'মইতো আহিব পাৰোঁৱেই। কিন্তু তুমিয়েই আকৌ যে চেচা পানী ঢালিবা তাক তুমি ভালকৈয়ে জানা। এটা জন্তুৰ দৰে তুমি নিষ্ঠুৰ।'

'অৱশ্যে মোৰ পৰীক্ষাত পোৰ্ঙ্কৰবাৰ বহিও তুমি এজন প্ৰকৃততে জ্ঞানীলোক হ'ব নোৱাৰিব পাৰা, কিন্তু ই তোমাৰ মনৰ বল বঢ়াব। আৰু জীৱনত ইয়ো অতি আৱশ্যকীয়।' মই কলো।

আকৌ কিছুপৰ নিতাল। আলহিজন যোৱালৈ অপেক্ষা কৰি ঠিয় দি ৰ'লো। কিন্তু খিড়িকীৰ ফালে চাই মুখ মোহাৰি মোহাৰি তেওঁ নিৰ্ব্বাক হৈ বৈ আছে। যোৱাৰ কোনো লক্ষণ নাই। অলপ অস্বস্তি বোধ কৰিলো।

লৰাটো বুদ্ধিমান। কিন্তু আলস্য আৰু সুৰাপানে তাক নষ্ট কৰিছে। পঢ়াৰ কথা বাদ দি সি যদি থিয়েটাৰ খবৰ

কথা, তাৰ প্ৰেমকাহিনী আৰু বন্ধু বান্ধৱীইঁতৰ কথাকেই কৈ গ'লহেঁতেন মোৰ বাবে বেচি আমোদদায়ক হ'লহেঁতেন। কিন্তু সেইবোৰ কথা যে আমাৰ মাজত নচলে।

'চাৰ, আপোনাক কথা দিছো, যদি মোক পাচ কৰি দিয়ে মই······' তাক আৰু ক'বলৈ নিদি হাত ডাঙি যাবলৈ নিৰ্দ্দেশ দি মই বহি পৰোঁ।

'বাৰু, তেনেহলে মই যাওঁ। ক্ষমা কৰিব।'

'যোৱা। তোমাৰ পৰিশ্ৰম সাৰ্থক হওক।'

লাহে লাহে সি ওলাই যায়। বাটত চাগৈ সি ভাবিছিল 'সেই বুঢ়া দানৱটো ক'ৰবাৰ' বুলি। তাৰ পাছত হয়তো কোনোবা সস্তীয়া দোকান এখনত খাই বই ঘৰলৈ গৈ সি শুই পৰিলগৈ। হে কঠোৰ পৰিশ্ৰমীইঁত, তোমালোকৰ সমাধিৰ চাইৰ শান্তি কামনা কৰিছো।

তৃতীয়বাৰ ঘণ্টাটো বাজি উঠে। এজোৰ নতুন কোট পেণ্ট, সোণালী ফ্ৰেমৰ চশমা আৰু বগা টাই এডাল পিন্ধি এজন ডেকা ডাক্তৰ সোমাই আহিল। নিজৰ চিনাকি দি মই কোৱামতে তেওঁ বহিল। অহাৰ কাৰণ সুধিলো। অলপ ভাৱপ্ৰৱনতাৰে তেওঁ কৈ গ'ল যে এই বছৰতে তেওঁ ডাক্তৰি পাচ কৰিছে আৰু এতিয়া গৱেষণা-পুথিখন লিখি উলিয়াব লাগে। মোৰ তলতেই গৱেষণা কৰাৰ ইচ্ছা আৰু মৱেই তেওঁৰ গৱেষণাৰ বিষয়-বস্তু বাচি দিব লাগে। মই যেন তেওঁক বিমুখ নকৰো।

'সেইটো বাৰু হ'ব, কিন্তু তাৰ আগতেই জানি ল'ব লাগিব গৱেষণা-পুথিখননো কি বস্তু। বহুতৰে ধাৰণা যে নিজে ভাবি কিবা এটা বিষয়ত ৰচনা এখন লিখি উলিয়ালেই সি হৈ পৰে গৱেষণা-পুথি। নহয়নে বাৰু? আৰু যদি এনে এখন ৰচনাৰ বিষয়-বস্তু আৰু আহিলা-পাতিৰ আন এজনে যোগান ধৰে তেতিয়াহলে তাৰ নাম হয় আন এটা.........'

নৱাগতে কোনো সমিধান নিদিলে। অলপ বিৰক্ত হৈ প্ৰায় জাপ মাৰিয়েই চকীখনৰ পৰা উঠি খঙেৰে মই কৈ পেলালো।

'মই আচৰিত হৈছো, কিহৰ কাৰণে আপুনি মোৰ ওচৰলৈ আহিছে। গৱেষণাৰ বিষয়-বস্তু বিক্ৰী কৰিবলৈ মইতো এখন দোকান ৰখা নাই। মোক আপোনালোকে অলপ শান্তিত থাকিবলৈ দিয়ক, কাবৌ কৰিছো। মই যদি আপোনাৰ প্ৰতি কঠোৰ ব্যৱহাৰ কৰিছো তাৰ বাবে ক্ষমা বিচাৰিছো। কিন্তু মই যে একেবাৰে তত নোপোৱা হৈছো।

ডেকা ডাক্তৰজন এইবাৰো নিৰুত্তৰ। তেওঁৰ গাল দুখন অলপ ৰঙা পৰি উঠিল। মোৰ প্ৰতি যে তেওঁৰ এটা গভীৰ শ্ৰদ্ধা আছিল সেইটো তেওঁৰ মুখৰ পৰাই ধৰিব পাৰিছিলো। কিন্তু তেওঁৰ চকুবোৰত ফুটি উঠিছিল মোৰ কঠোৰ মাত আৰু দুৰ্ব্বল শৰীৰটোৰ প্ৰতি এটা ঘৃণাৰ ভাব। খঙ উঠিলে যা-তা কথাকেই মই ক'ব পাৰো বুলিও তেওঁ নিশ্চয় ধাৰণা কৰি লৈছিল।

'মই এখন দোকান ৰখা নাই। অতি আচৰিত কথা, আপুনি স্বাধীন ভাৱে কাম কৰিব নোখোজে কিয়?' খণ্ডেৰে পুনৰ ক'লো। আৰু বহুতো কিবাকিবি কৈ পেলালো। তেওঁ কিন্তু একেবাৰে নিমাত। তেওঁ একেবাৰে নিমাত। শেষত ময়ো মৌন হৈ ৰ'লো। এই মানুহজনে মোৰ পৰা পাব মামৰে ধৰা এটা বিষয়-বস্তু তেওঁৰ গৱেষণাৰ বাবে। আৰু মোৰ নিৰ্দ্দেশমতে লিখি যাব কিছুমান প্ৰবন্ধ যিবোৰ এই পৃথিৱীত কাৰো ক'তো ব্যৱহাৰত নাহে। তাৰ পাছত হয়তো মৌখিক পৰীক্ষা এটাত সফল হৈ তেওঁ লাভ কৰি পেলাব বিজ্ঞানৰ ডাঙৰ উপাধি এটা—যিটোৰ দ্বাৰা তেওঁৰ কোনো উপকাৰ সাধন নহ'ব!

ঘণ্টাটো বাজিয়েই থাকে। কিন্তু মই প্ৰথম চাৰিজনৰ কথাহে ক'ম। চতুৰ্থবাৰ ঘণ্টাটো বজাৰ লগে লগেই মই ভৰি পেলোৱাৰ আৰু কাপোৰৰ খচখচনি শব্দ শুনিবলৈ পালো। শব্দটো মোৰ পৰিচিত যেন লাগিল।

ওঁঠৰ বছৰৰ আগতে মোৰ এজন বন্ধুৰ মৃত্যু হৈছিল। তেওঁ আছিল এজন চকু পৰীক্ষক। মৃত্যুৰ সময়ত তেওঁ এৰি গৈছিল তেওঁৰ একমাত্ৰ ছোৱালী এগনিচক আৰু যাঠি হেজাৰ ৰুবল। মোকেই এগনিচৰ অভিভাৱক পাতি দানপত্ৰত লিখি গৈছে। দহবছৰ বয়সত স্কুললৈ নপঠোৱালৈকে তাই আমাৰ ঘৰতেই আছিল। তাৰ পাছত গৰমৰ বন্ধতহে তাই আমাৰ এচৰলৈ আহিছিল। আমাৰ ঘৰলৈ অহাৰ

আগৰ তাইৰ জীৱনৰ বিষয়ে মই একো নাজানোঁ।

তাইৰ সৰুকালৰ দুটা কথা মনত পেলাই মোৰ বৰ ভাল লাগে। প্ৰথমটো হৈছে আমাৰ ঘৰলৈ তাই আহিছিল আমাৰ পৰিয়ালৰে এজনী হিচাবে। পৰ ভাৱ একেবাৰে নাছিল। আমাক তাই একেবাৰে আপোন কৰি পেলাইছিল। দ্বিতীয়তে, কিবা অসুখ-বিসুখ হ'লে বিনা ভয়ে তাই ডাক্তৰৰ ওচৰ চাপিছিল। ডাক্তৰৰ ওপৰত তাইৰ অটল বিশ্বাস। সকলো কথাকে তন্ন তন্নকৈ জানিবলৈ তাইৰ প্ৰবল হেঁপাহ। মোৰে সৈতে কথা পতা তাইৰ বৰ চখ। অনেক সময়ত মোৰ মুখামুখিকৈ বহি লৈ জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন সুধি তাই মোক হাৰাশাস্তি কৰি দিছিল। মই কি পঢ়োঁ, বিশ্ববিদ্যালয়ত গৈ কি কৰোঁ, মৰা শবোৰলৈ মোৰ ভয় নালাগে, মোৰ দৰ্মহাৰ পয়চাৰে মই কি কৰোঁ, ইত্যাদিবোৰেই আছিল তাই জানিব খোজা কথা।

'বিশ্ববিদ্যালয়ৰ লৰাবোৰে কাজিয়া কৰেণে বাৰু।' তাই কেতিয়াবা সুধিব।

'ওঁ কৰে।'

'তেতিয়া তুমি সিহঁতক থিয় কৰাই ৰাখানেকি?'

'ওঁ, নিশ্চয় ৰাখোঁ। মোৰ কথা শুনি তাই খিলখিলাই হাঁহি দিয়ে। গহীন গম্ভীৰ তাই এজনী ভাল ছোৱালী আছিল। তাই সোধা কোনো কথাৰ উত্তৰ নাপালে বা তাইক তেনেকৈ থকা দেখিলে মোৰ বৰ বেয়া লাগিছিল।

আঐ দেহি মাক-বাপেক নোহোৱা নিঠকৱা ছোৱালী।

মোৰ আৰু মনত পৰে ভাল কাপোৰ কানি পিন্ধা আৰু সুগন্ধি তেল লোৱাৰ তাইৰ চখটো। এই বিষয়ত ময়ো কিন্তু তাইৰ লগত ফেৰ মাৰিব পাৰিছিলো। স্কুলীয়া জীৱনত তাইৰ ভাল পোৱাবোৰ কোনফালে ঢাল লৈছিল মই নাজানিছিলো। এবাৰ গৰমৰ বন্ধত ঘৰলৈ আহোঁতে তাই অনৰ্গল কৈ গৈছিল থিয়েটাৰৰ কথা, অভিনেতা অভিনেত্ৰীৰ কথা। কৈ যাওঁতে তাই উত্তেজিত হৈ উঠিছিল। মোৰ তিৰোতা আৰু লৰা-ছোৱালীহালে কথাবোৰত বৰকৈ কাণ নিদিছিল। মই কিন্তু তাইৰ কথাবোৰ নুশুনাকৈ নোৱাৰিছিলো। তাইৰ অন্তৰত দুখ দিবলৈ কেতিয়াও মই সাহ কৰিব পৰা নাছিলো। কেতিয়াবা হয়তো এবাৰ নোৱাৰি মই তাইক সময় বান্ধি দিবলৈ বাধ্য হৈছিলো—আধাঘণ্টাতকৈ বেচিকৈ মই শুনিব নোৱাৰিম বুলি। পাছৰ বন্ধত আহোঁতে তাই অভিনেতা-অভিনেত্ৰী কিছুমানৰ ফটো লৈ আহি ভালকৈ সজাই ৰাখিছিলহি। স্কুলৰ পঢ়া সাং কৰিয়েই তাই এদিন মোক জনাই দিলে যে তাই হ'ব অভিনেত্ৰী। থিয়েটাৰক কেন্দ্ৰ কৰিয়েই তাই জীৱনটো ৰূপ দিব।

এগনিচৰ কথাবোৰ শুনি গৈছিলো যদিও মোৰ থিয়েটাৰৰ প্ৰতি অলপো সম্ভাৱ বা আকৰ্ষণ নাছিল। মোৰ বোধেৰে ভাল নাটক এখনৰ অভিনয় কৰি অভিনেতা—অভিনেত্ৰীবোৰক কষ্ট দিয়াৰ বাহিৰে আন কোনো উদ্দেশ্যই সাধন কৰিব

নোৱাৰি। পঢ়িয়েই তাৰ সোৱাদ সকলোৱে পাব পাৰে। আৰু বেয়া নাটক এখনৰ অভিনয় কৰাৰ কোনো অৰ্থই থাকিব নোৱাৰে। গতিকেই থিয়েটাৰক মই এটা অনাৱশ্যকীয় বস্তু বুলিয়েই ধৰি লৈছিলো। লৰাকালত ঘৰৰ আনবোৰৰ লগত থিয়েটাৰলৈ গৈছিলো। নিজা মতামত দিয়াৰ ক্ষমতা তেতিয়া অৱশ্যে মোৰ হোৱা নাছিল। কিন্তু ত্ৰিশ-চল্লিশ বছৰৰ আগৰ আৰু আজিৰ থিয়েটাৰৰ মই কোনো পাৰ্থক্যই নেদেখোঁ। বৰঞ্চ প্ৰতিবাৰ থিয়েটাৰ ঘৰৰ পৰা ওলাই অহাৰ লগে লগে থিয়েটাৰৰ প্ৰতি থকা মোৰ বিৰূপ ভাৱ প্ৰৱল হে হৈ গৈছিল।

ভাৱ-প্ৰৱণ কিছুমানে হয়তো ক'ব যে আধুনিক থিয়েটাৰৰ পৰা শিকিবলগীয়া বহুতো আছে, ই প্ৰকৃততে স্কুলৰ দৰে, ইত্যাদি। কিন্তু স্কুলনো কি বস্তু বা ই কেনে ধৰণৰ হোৱা উচিত সেইটো জনাহ'লে এইসকলে বোধকৰোঁ এনে মন্তব্য কেতিয়াও নকৰিলেহেঁতেন। পঞ্চাশ বা এশ বছৰৰ পিছত কি হয়গৈ ক'ব নোৱাৰোঁ, কিন্তু বৰ্ত্তমানে এটা ক্ষন্তেকীয়া আমোদৰ বাহিৰে থিয়েটাৰে যে আমাক আন একোৱেই দিব নোৱাৰে সেইটো দৃঢ় ধাৰণা। এই আমোদটোও আকৌ জানো ক'ম খৰচৰ। তদুপৰি আমাৰ দেশৰ স্বাস্থ্যৱান, বুদ্ধিবান হেজাৰ হেজাৰ ডেকা-গাভৰু এই থিয়েটাৰৰ কৱলত পৰিছে, যিসকলে হয়তো হ'ব পাৰিলেহেঁতেন বিখ্যাত বৈজ্ঞানিক, ডাক্তৰ, কলাবিদ, খেতিয়ক, শিক্ষক বা কৰ্ম্মচাৰী।

আৰু থিয়েটাৰে আমাক বঞ্চিত কৰিছে ধুনীয়া সন্ধিয়াবোৰৰ পৰা। মানসিক উৎকৰ্ষ সাধনৰ আৰু বন্ধু-বান্ধৱৰ মাজত দুটা কথাৰ আদান-প্ৰদানৰ কাৰণে উপযোগী এই সন্ধিয়াবোৰ আমি নষ্ট কৰি পেলাইছো থিয়েটাৰ ঘৰত জুপুকামাৰি বহি। থিয়েটাৰত গৌৰবান্বিত কৰি তোলা হত্যাকাণ্ড আদি দৃশ্যই দৰ্শকসকলৰ মনবোৰো জানো বেয়া কৰি নেপেলায়?

এগনিচৰ মত কিন্তু একেবাৰে ওলোটা। তাই মোক বুজাবলৈ চেষ্টা কৰে, বক্তৃতা আৰু কিতাপতকৈ পৃথিবীৰ যি কোনো বস্তুতকৈ থিয়েটাৰ বেচি প্ৰয়োজনীয়। থিয়েটাৰৰ জৰিয়তেইহে আমাৰ সূক্ষ্ম অনুভূতিবোৰৰ বিকাশ সম্ভৱ আৰু অভিনেতা-অভিনেত্ৰী সকলেই হৈছে ইয়াৰ প্ৰচাৰদূত। বিজ্ঞানেই হওক বা কলাই হওক একোৱেই থিয়েটাৰৰ দৰে আমাৰ মনত দ সাঁচ বহুৱাব নোৱাৰে। আৰু সেই কাৰণেই সাধাৰণ পৰ্য্যায়ৰ অভিনেতাজনো বিখ্যাত বৈজ্ঞানিক এজনতকৈ আমাৰ মাজত বেচি আদৰণীয়।

এগনিচ এদিন এটা থিয়েটাৰ কোম্পানীত সোমাই পৰিল। এবোজা ধন আৰু এবুকু আশা-আকাঙ্খাৰ ৰঙীন সপোন লৈ তাই গুচি গ'লগৈ উফা বোলা এখন ঠাইলৈ। লগত তাই লৈ গৈছিল থিয়েটাৰৰ প্ৰতি এটা আপুৰুগীয়া শ্ৰদ্ধা আৰু ভালপোৱা। বাটৰ পৰা দিয়া কেইখনো চিঠি মই পাইছিলো। তাই দেখা শুনা সকলোৰে সুন্দৰ বৰ্ণনা দি

লিখা এই চিঠিবোৰে মোক অতি আনন্দ দিছিল।

ছমাহৰ পিছত তাইৰ পৰা এখন চিঠি পালো। তাইৰ উৎসাহ-উদ্দীপনাবোৰ ৰূপায়িত কৰি পঠাইছিল কবিতাময় ভাষাৰে। পোনতেই তাই লিখিছিল, 'ভালপোৱাৰ পাশত মই আবদ্ধ হৈ পৰিছো।' লগতে পঠাইছিল সৰল সুঠাম ডেকা এজনৰ ফটো এখন। তাৰ পাছতো নিয়মমতেই চিঠি পাই আছিলো। পাছৰ চিঠিবোৰত আগৰ দৰে ব্যাকৰণৰ ভুল নাছিল আৰু সেইবোৰত কোনোবা পুৰুষৰ ভাৱৰ ছাঁ পৰিছিল বুলি মোৰ মনে ধৰিছিল। এগৰাকী লিখিছিল ভলগাত সমবায় ভিত্তিত এটা থিয়েটাৰ ঘৰ স্থাপন কৰাৰ কথা। ধনী সদাগৰ, জাহাজৰ মালিক আদিক ধৰি তাৰ কাৰণে টকা গোটোৱাৰ কথা। থিয়েটাৰৰ পৰা আশা কৰা প্ৰচুৰ লাভৰ কথা আৰু অনেক কথা।

প্ৰায় ছবছৰ মান ভালেৰেই গ'ল। এগৰাকীৰ ভালপোৱাত একো বাধা নাছিল আৰু থিয়েটাৰৰ প্ৰতি থকা তাইৰ শ্ৰদ্ধাও অচল হৈ আছিল। ইয়াৰ পাচত যেন ক'ৰবাত কিবা এটাত বেমেজালি ঘটিল। তাইৰ চিঠিবোৰত এটা অৱসাদৰ ভাৱ ফুটি উঠিবলৈ ধৰিলে। লগৰীয়াবিলাকৰ বিষয়ে প্ৰতিকূল মন্তব্য কৰি তাই লিখিবলৈ ধৰিলে। ই এটা মনকৰিবলগীয়া পৰিবৰ্ত্তন। এজন ডেকা বৈজ্ঞানিক বা লিখকে যদি কাৰ্য্য ক্ষেত্ৰত নামিয়েই বৈজ্ঞানিক আৰু লিখকসকলক গালি পাৰিবলৈ বা সমালোচনা কৰিবলৈ

আৰম্ভ কৰে তেনেহলে বুজিব লাগিব তেওঁ সেই কামৰ বাবে যোগ্য নহয়। এগৰাকীয়ে দুখ কৰি লিখিছিল যে লগৰীয়াবোৰ প্ৰায়েই আখৰালৈ নাহে আৰু নিজ নিজ কৰ্ত্তব্যৰ প্ৰতি একেবাৰে বিমুখ। ফলত থিয়েটাৰে দৰ্শকক আমোদ দিব নোৱাৰি গৰিহনাৰ বস্তু হৈ পৰে।

উত্তৰত মই এখন দীঘল চিঠি লিখি মন্তব্য কৰিছিলো এই বুলি, 'বহুতো প্ৰতিভাসম্পন্ন আৰু অভিজ্ঞ অভিনেতাৰ লগত কথা পতাৰ মোৰ সুযোগ মিলিছিল। কথাৰ পৰা মই ইমানকেই বুজিছিলো যে তেওঁলোকৰ কাৰ্য্য-নিয়ন্ত্ৰণ নিজৰ মন বা ইচ্ছাৰ দ্বাৰা নহয়, হয় দৰ্শকসকলৰ মন আৰু অভিৰুচিৰ দ্বাৰাইহে; তেওঁলোকৰ ভালেমানেই বেলেগ বেলেগ ৰসযুক্ত নাটকৰ অভিনয় কৰে আৰু প্ৰতিবাৰেই ভাল নাটক এখনৰ সুনিপুণ ভাৱে অভিনয় কৰি অহা বুলি তেওঁলোকে ধৰি লয়। গতিকে অভিনেতা-অভিনেত্ৰীসকলক দোষাৰোপ কৰি লাভ নাই। প্ৰকৃততে দোষণীয় বস্তু হৈছে এই থিয়েটাৰবোৰেই আৰু ইয়াৰ প্ৰতি থকা আমাৰ সমাজৰ অসাৰ্থক আদৰ।' মোৰ চিঠিখনে এগৰাকীৰ নিশ্চয় খং তুলিছিল। তাই উত্তৰত লিখিছিল, 'আমি আচল কথাটোৰ পৰা ফালৰি কাটি আহিছো বুলি মোৰ ভয় হৈছে। মোৰ আগৰ চিঠিৰ বিষয়বস্তু কিছুমান অভিজ্ঞ অভিনেতা বা অভিনেত্ৰী নাছিল। মই লিখিছিলো নিজ কৰ্ত্তব্যৰ প্ৰতি আওকণীয়া এদল উটিফুৰা লোকৰ কথাহে। থিয়েটাৰৰ প্ৰতি তেওঁলোকৰ

অন্তৰৰ কোনো টান নাই। আন ক'তো অন্ন-সংস্থানৰ দিহা কৰিব নোৱাৰিহে তেওঁলোক আহি থিয়েটাৰৰ আশ্ৰয় লৈছেহি। প্ৰখৰ বুদ্ধি সম্পন্ন লোক তেওঁলোকৰ মাজত নাই। মদাহী আৰু পৰনিন্দাকাৰী কিছুমানৰ দল এটা মাথো। মই অন্তৰেৰে ভাল পোৱা এটা শিল্প যদি মই অতিকৈ ঘৃণা কৰা এদল লোকৰ হাতত পৰি নষ্ট হৈ যায়, সি মোৰ কাৰণে কিমান বেদনাদায়ক হ'ব ভাবি চোৱাচোন ……।'

আৰু কিছুদিন পাৰ হৈ গ'ল। হঠাতে এদিন অতি চুটী চিঠি পালো। এগনিচে লিখিছিল, 'মই খুব ভালদৰে ঠগ খাইছো। মই আৰু জীয়াই থাকিব নোৱাৰোঁ। মোৰ টকাখিনি তুমি ইচ্ছামতে খৰছ কৰিবা। তোমাক নিজৰ দেউতাৰ দৰে মই ভাল পাইছিলো, আৰু তুমিয়েই আছিলা মোৰ একমাত্ৰ শুভাকাঙ্ক্ষী বন্ধু। বিদায়।'

কি, তেনেহলে তাই ভালপোৱা সেই ডেকাজনো সেই অকৰ্ম্মন্য দলটোৰে এজন হৈ পৰিলনেকি? তাই আত্মহত্যা কৰিব খোজা মনোভাৱৰ মই সন্দেহ কৰিলো। বিহ খাই বোধকৰোঁ স্বাস্থ্য একেবাৰে ভাগি পৰিছিল। কাৰণ পিছৰ চিঠিখন তাই লিখিছিল য়াল্টাৰ পৰা। চিকিৎসাৰ কাৰণে ডাক্তৰে হেনো তালৈ যাবলৈ নিৰ্দ্দেশ দিছে। শেষৰ চিঠিখনত লিখিছিল তাইলৈ এহেজাৰ ৰুবল পঠাই দিবলৈ। চিঠিখনৰ মোখনি মাৰিছিল এইবুলি, 'মোৰ এই চিঠিখনে যদি তোমাৰ অন্তৰত আঘাত দিয়ে তাৰ বাবে মই ক্ষমা বিচাৰিছো। কালি

মোৰ সন্তানটো পুতি পেলালো।' ইয়াৰ পিছত এবছৰমান তাই ক্ৰিমিয়াত আছিলগৈ। তাৰ পাছত ঘৰলৈ ঘূৰি আহিছিল।

ঘৰৰ পৰা তাই চাৰিবছৰ কাল আঁতৰি আছিল। সঁচাকথা ক'বলৈ হ'লে এই কেইবছৰে তাইৰ প্ৰতি মই বৰ ওখ ধাৰণা পোষণ কৰা নাছিলো। প্ৰথমেই তাইৰ বঙ্গ-মঞ্চত নমাৰ সিদ্ধান্ত আৰু পাছত ক্ৰমে তাইৰ প্ৰেমৰ কাহিনী লগৰীয়াহঁতৰ প্ৰতি হেয়-জ্ঞান, অধেমধে খৰচ কৰি যেতিয়াই তেতিয়াই পয়চা বিচাৰি লিখা চিঠিবোৰ; জীৱনৰ প্ৰতি বীতৰাগ, আৰু শেষত তাইৰ সন্তানৰ মৃত্যু বাতৰি, এই সকলোবোৰেই তাইৰ প্ৰতি এটা তিক্ততা আনি দিছিল। তুই এখন নিৰস উপদেশমূলক চিঠি দিয়াৰ বাহিৰে আন উপায় মোৰ একো নাছিল। যাহওক, মই জানো তাইৰ বাপেকৰ দৰেই নহওঁ? তাইৰ আলৈ-আথানি জানো মই সহি থাকিব পাৰোঁ?

এতিয়া আমাৰ পৰা আধামাইলমান দূৰৈত ঘৰ এটা ভাৰা কৰি এগনিচ থাকে। ঘৰটোৰ পাঁচোটা কোঠা নিজ অভিৰুচি মতে তাই সজাই পৰাই ৰাখিছে। ঘৰটোৰ ভিতৰৰ নিস্তেজ পৰিবেশটো প্ৰথমেই চকুত পৰে। পৰ্দাবোৰৰ ক্ষীণ ৰং, বহল বহল চকীবোৰ, লাগবান্ধ নোহোৱাকৈ সজাই ৰখা কেটবোৰ ছবি, চিলিঙৰ পৰা ওলমি থকা সস্তীয়া ফেন-কেইখন আৰু এনেধৰণৰ কিছুমান দৃশ্যই এটা আলস্যৰ ভাব আনি দিছিল। চকী এখনত বহি কিবা উপন্যাস বা

চুটী গল্পৰ কিতাপ পঢ়ি কেতিয়াবা এগনিচে কেইবাদিনো কটাই দিছিল। দিনটোৰ ভিতৰত এবাৰ মাথো বাহিৰ ওলাই তাই মোৰ খবৰ লৈ গৈছিল।

মোৰ ওচৰলৈ আহি চাদৰখন জোৰেৰে টানি লৈ তাই বহেহি। যেন খুব জাৰহে লাগিছে। মই নিজ কাম কৰি থাকো। তাইক ভাল পাওঁ বুলিয়েই বা সৰুৰে পৰা মোৰ ওচৰলৈ তাইৰ সঘন আহ-যাহ থকাৰ কাৰণেই নেকি তাই আহিলে মোৰ কামত কোনো বাধা অনুভৱ নকৰোঁ। কামৰ মাজতে দুই এটা বৰুৱা কথা সোধো। চুটি চুটিকৈ তাই উত্তৰ দি যায়। মোৰ মেজৰ ওপৰত পৰি থকা চিকিৎসা বিষয়ৰ আলোচনী এখন লিৰিকি বিদাৰি তাই মনমাৰি বহি থাকে। কামৰ পৰা অলপ সকাহ ল'বলৈ মাজে মাজে মই তাইৰ ফালে চাওঁ। তাইৰ মুখখনত যেন আগৰ সেই আত্মবিশ্বাসৰ গৌৰৱৰ উজ্জ্বলতা খিনি নাই: বেজাৰত সেমেকি থকা তাইৰ মনমৰা মুখখন চাই মোৰ বেজাৰ লাগে। সাজ-পাৰত আগৰ দৰে যেন পৰিপাটি নহয়। নানা কথা জানিবৰ আগৰ কৌতূহলো তাইৰ এতিয়া একেবাৰে নাই। কোনো কথাই এতিয়া তাই মোক নোসোধে। জীৱনত এতিয়ালৈকে পাই অহা অভিজ্ঞতাবোৰে যেন তাইক তিতাকেহা লগাইছে, নতুনকৈ আৰু একো জনাৰ প্ৰয়োজন তাই যেন অনুভৱ নকৰে।

আবেলি ঠিক পাঁচ বজাৰ লগে লগে গণ্ডগোলেৰে মাজৰ

ত্ৰইং ৰুমটো সজীৱ হৈ উঠে। লগত কিছুমান লগৰী লৈ লিজা গানৰ স্কুলৰ পৰা আহিছে। সিহঁতৰ মুখত গানৰ সুৰ। লগুৱাটোৱে মেজত চাহৰ যোগাৰ কৰিছে। এগনিচ যাবলৈ ওলায়। 'এতিয়া যাওঁহে। আজি মোৰ সময় নাই। চাহলৈ ৰ'ব নোৱাৰাৰ বাবে তেওঁলোকক বেয়া পাবলৈ হাক দিবা। মোৰ তালৈ দেখোন তুমি নোযোৱাই হ'লা।'

আগতকৈ খনলৈ আগবঢ়াই দিওঁতে মোৰ ভবিৰ পৰা মূৰলৈ চাই তাই কয়, 'দিনে দিনে তুমি ক্ষীণাই গৈছা। কিবা চিকিৎসা এটা নকৰা কেলেই? তোমাক ভালকৈ চাই যাবলৈ মই চিভিলচাৰ্জনক ক'ম।'

'ধন্যবাদ, কিন্তু সেইটো নকৰিলেও হ'ব।'

'তোমাৰ পৰিয়ালৰ আনবোৰে যে কি কৰিছে মই ধৰিবই পৰা নাই। তোমাৰ দেখিছো এটা বঢ়িয়া পৰিয়াল!' অৱজ্ঞাৰ সুৰত তাই কয়।

চাহ খাওঁতে পৰিবাৰে সোধে, 'কিয় তোমাৰ কোঠাত এগনিচ নাছিল জানো? আমাক দেখোন মাত এষাৰো নিদিলে। কিযে হৈছে আৰু ছোৱালীজনীৰ?'

অলপ খং মিহলি সুৰত লিজাই কয়, 'নালাগে। তাই আহিব নোখোজে যদি আহিব নালাগে। মা আমি খাটিৰ কৰিবলৈ যোৱাৰ দৰ্কাৰ নাই।'

ভেবীয়া আৰু লিজা দুয়ো এগনিচক দেখিব নোৱাৰে। তাইৰ প্ৰতি তেওঁলোকৰ এই অৱহেলাৰ হেতু মই ধৰিব

নোৱাৰোঁ। সদায় লগ পাই থকা মোৰ এশ-পঞ্চাশজন ছাত্ৰ বা হেজাৰ-বিজাৰ আন ডেকায়ো বোধকৰোঁ কাৰণটো নাপাব। এগনিচৰ সেই মৃত সন্তানটোৰ কাৰণেই নেকি এই ঘৃণা আৰু অৱহেলা? বেয়া ভাল, পাপ-পুণ্যৰ প্ৰতি মাইকী মানুহবোৰ মতামানুহতকৈ বেচি সজাগনেকি? নহয়। মনত কলুষ থাকিলে পাপ-পুণ্যৰ প্ৰভেদ বিচাৰি উলিওৱা সহজ নহয়। মাইকী মানুহবোৰৰ অজ্ঞতাৰ বাবেই বোধকৰোঁ আনৰ দোষবোৰ তেওঁলোকৰ চকুত বেচিকৈ জিলিকি উঠে। আনৰ ভুল-ভ্ৰান্তিত ঘৃণা আৰু বিৰক্তি প্ৰকাশ নকৰি সহানুভূতি দেখুৱাব পাৰিলেহে আমাৰ উন্নত কৃষ্টি সভ্যতাৰ প্ৰমাণ হ'ব। এগনিচৰ থিয়েটাৰৰ প্ৰতি হেপাহ, অকৃতজ্ঞতা, অহমিকা ভাৱ, কথা-বতৰাত লাগবান্ধ নোহোৱা আৰু আন বহুতো কথা ভেৰীয়া আৰু লিজাই সহিব নোৱাৰে।

চাহৰ মেজত লিজাৰ বান্ধৱী কেইজনীৰ উপৰিও তাইৰ প্ৰতি ভাল পোৱা নিবেদন কৰা যুৱক এজনো আছিল। তেওঁৰ নাম আলেকজেণ্ডাৰ। দেখাই শুনাই, কথাই-বতৰাই লৰাটো মৰমলগা। আমাৰ ঘৰলৈ দৈনিক আহে যদিও তেওঁৰ বংশপৰিয়াল, শিক্ষা, ধৰ্ম্মসংস্থান আদিৰ আমি একো ভু নাপাওঁ। নিজে গান গাব বা বাজনা আদি বজাব নাজানিলেও এইবোৰ বিষয়ত মন্তব্য আৰু সমালোচনা কৰাত আলেকজেণ্ডাৰ পাকৈত। ধনীসকলৰ সকলো কথাতে হয়ভৰ দি ভাল পোৱাৰ পাত্ৰ হোৱা দল একোটা সদায়েই আছে।

বিজ্ঞান আৰু শিল্পকলাতো সেই একেই কথা খাটে। কোনো বিজ্ঞান আৰু শিল্প-কলাই এনে অন্ধ আৰু স্বাৰ্থজড়িত সহ-যোগিতাৰ পৰা মুক্ত নহয়। পিয়ানো বজালে খুব ভালকৈ বুজি পোৱা যেন দেখুৱাই একাত্মমনে শুনি থকা আলেকজেণ্ডাৰক দেখিলেই এই ভাৱ মোৰ মনলৈ আহে।

আমাৰ ঘৰলৈ আলেকজেণ্ডাৰৰ দৈনিক আগমন মই অলপো পচন্দ কৰিব পৰা নাছিলো। তেওঁ আহিলেই লিজা আৰু পৰিবাৰ তেওঁৰ প্ৰশংসাত শতমুখ হৈ পৰা আৰু খুৱাবলৈ ব্যস্ত হৈ পৰা মই অকণো সহিব পৰা নাছিলো। মেজত বিধে বিধে খোৱাবস্তুৰ যোগান ধৰি আমাৰ আৰ্থিক অনাটন ঢাকি ৰাখিবলৈ তেওঁলোকে যত্ন কৰা দেখিলে মোৰ তেওঁলোকৰ ওপৰত খং উঠাৰ লগে লগে দয়াও হয়। আলেকজেণ্ডাৰৰ প্ৰতি মই কেতিয়াও আপোন ভাৱ আনিব পৰা নাছিলো। বৰঞ্চ মোৰ লগত মন নিমিলা, আমাৰ চাল-চলনৰ সৈতে একেবাৰে খাপ নোখোৱা আৰু মোৰ কৰ্ম্মজীৱনৰ বিষয়ৰ লগত কোনো সম্বন্ধ নথকা এই লৰাটোৱে সদায় আমাৰে সৈতে বহি আহাৰ কৰাটো মোৰ কেনেবা কেনেবাহে লাগিছিল। মোৰ কাৰণে হৈ পৰিছিল ই এটা আচৰিত ঘটনা।[৬] আজিকালি আহাৰ খোৱাৰ সময়কণ মোৰ কাৰণে হৈ পৰিছিল বৰ বিৰক্তিকৰ। মই বিজ্ঞান-শাখাৰ গুৰু আৰু মন্ত্ৰীৰ সন্মান পোৱাৰ দিনাৰে পৰা লিজা আৰু পৰিবাৰে আমাৰ খোৱা-বোৱাবোৰবো এক বিৰাট পৰিবৰ্ত্তন

আনি দিলে। ছাত্ৰ অৱস্থাৰে পৰা মই মছলা আদি নিদিয়া সাধাৰণ আহাৰহে ভাল পাইছিলো। এতিয়া নানাতৰহৰ আঞ্জা-পাতি থাকিলেও মই একো জুতি নাপাওঁ। কিন্তু তেওঁলোকৰ মতে আবৌ সামাজিক সন্মান এটা বজাই ৰাখিবলৈ হ'লে খোৱা-বোৱাবোৰো এটা বিশেষ ধৰণৰ হ'ব লাগিব, সেইবোৰ লাগে আমি ভাল নাপালো-ৱেইবা। এইদৰেই নিজে খাই ভাল পোৱা বস্তুবোৰৰ পৰাও আনকি মই বঞ্চিত। আগেয়ে আভা বোলা লিগিৰী এজনীয়ে আমাৰ খোৱা-বোৱাবোৰ সজাই দিছিল। তাইৰ ৰাংঢালী স্বভাৱটো মই বৰ ভাল পাইছিলো। এতিয়া আকৌ তাইৰ পৰিৱৰ্ত্তে নিযুক্ত কৰা হৈছে এটা গোঙোৰা মাৰি থকা খানচামাক। ধোঁৱাবৰণীয়া পোচাকটো আৰু মূৰৰ পাগুৰীটোৰে সি আৰু বিকৰ্ষণীয় হৈছিল মোৰ কাৰণে। অৱশ্যে ভাল নালাগে। খোৱাৰ সময়কণ মোৰ নাযায়-নুপুৰায় লাগে। খোৱাৰ পাতত বহি কৰা আগৰ সেই সৰল হাঁহি-ধেমালি ৰগৰ, তামচাবোৰ আৰু নাই। দিনটো কামত ব্যস্ত থাকি লৰা-তিৰোতাৰে হাঁহি-মাতি খোৱাৰ সময়কণ মোৰ কাৰণে অকল আনন্দৰেই নাছিল, মোৰ একমাত্ৰ বিশ্ৰামৰ সময়ো আছিল। মই যে কেৱল বিজ্ঞান আৰু বিশ্ববিদ্যালয়ৰ সম্পত্তি এটাই নহওঁ, আৰু মোৰ ওপৰত তেওঁলোকৰো অধিকাৰ আছে এই ভাবি লৰা-তিৰোতায়ো সেই সময়কণ উপভোগ কৰিছিল। কিন্তু সেই দিনবোৰ যে আৰু নাই। গোটেই

পৰিবেশটোৱেই যেন একেবাৰে বদলি হৈ গৈছে। সকলোবোৰ গহীন। নিজকে মোক এজন বাহিৰা মানুহযেনহে লাগে। ভেৰীয়া আৰু লিজাৰ যে ইমান পৰিবৰ্ত্তন হৈ গৈছে—ইমান দিনে মই মনেই কৰা নাছিলোনেকি? ইয়াৰ কাৰণ কি হ'ব পাৰে বাৰু? মই ধৰিব নোৱাৰোঁ। আমাৰ ভাগাৰ পৰিবৰ্ত্তণেই ইয়াৰ ঘাই কাৰণ বুলি ধৰি লওঁ। বাহিৰা পদ-মৰ্য্যদা, ৰাইজৰ শলাগ, উচ্চ সন্মান লাভ আদিয়ে মোক কিন্তু সকৰেপৰাই বিচলিত কৰিব পৰা নাছিল। এইবোৰ আনন্দই মোক বিহ্বল কৰিব নোৱাৰিছিল, আৰু ভাগ্যৰ ফেৰত ভুগিব লগা দুখ-কষ্টবোৰো মই অতি সহজ ভাৱেই ল'ব পাৰিছিলো। কিন্তু সেই ধৈৰ্য্য আৰু মনোবল যে তেওঁলোকৰ নাই। দুয়োজনী একেবাৰে ভাগি পৰিছে।

মই ক'ব খোজা দিনা লিজাৰ লগৰীইতেৰে আলেকজেণ্ডাৰে কথা কটাকটি কৰি আছে। তেওঁলোকৰ গান বাজনাত বাহ্‌বা দিছে। কেতিয়াবা ভুলকৈ হ'লেও দুটা ফৰাচী বাক্য প্ৰয়োগ কৰিছে। মাজে মাজে মোৰ পৰাও অলপ শলাগ বিচাৰি চাইছে। মই কিন্তু তেওঁৰ প্ৰতি একেবাৰে আনমনা। তেওঁলোকে মোক বিৰক্ত কৰাৰ দৰে মোৰ ব্যৱহাৰেও নিশ্চয় তেওঁলোকক বিৰক্তি দিছিল। কিয় জানো আলেকজেণ্ডাৰৰ চাল-চলনবোৰ মোৰ অলপো ভাল নালাগে। আমাৰ লগত একেবাৰে খাপ নোখোৱা ল'ৰা এটাই লিজাৰ লগত এইদৰে সনাপিতিকা কৰাত মোৰ মনে অকণো সন্মতি দিব নোখোজে।

আলেকজেণ্ডাৰৰ উপস্থিতিয়ে মোৰ আৰু একপ্ৰকাৰে মানসিক অনিষ্ট সাধন কৰিছে। সাধাৰণতে অকলে থাকিলে বা মই ভাল পোৱাসকলৰ মাজত থাকিলে নিজৰ বিদ্যা-বুদ্ধিৰ বিষয়ে মই একেবাৰে পাহৰি থাকো। নিজকে আনতকৈ কিবা বেচি বুলি ভাবিবলৈ মনকে নাযায়। কিন্তু আলেকজেণ্ডাৰৰ উপস্থিতিয়ে নিজৰ বিদ্যা বুদ্ধি, কৃতকাৰ্য্যতা আদিৰ বিষয়ে মোক আচৰিত ভাৱে সজাগ কৰি দিয়ে। তেওঁ যেন মোৰ মানত নগণ্য।

আনদিনাৰ দৰে সেইদিনাও মই পঢ়া কোঠালৈ গৈ ধঁপাত খাইছিলো। এনেতে ভেৰীয়া আহি মোৰ ওচৰতে বহিলহি। ৰাতিপুৱাৰ দৰে এতিয়াও তেওঁ কি ক'ব মই জানিছিলো।

'নিকোলাই, আমাৰ অলপমান দকৈ ভবাৰ সময় হৈছে। মানে আমাৰ লিজাৰ বিষয়ে। তুমি এই বিষয়ে অলপ ভবা উচিত।'

'তুমি কি কৈছা মই যে বুজিব পৰা নাই।'

'তুমিতো সদায় লুবুজাৰ ভাওটোৱেই ধৰি থাকা! ই কিন্তু ভাল কথা হোৱা নাই দেই। ইমান হাত সাৱটি বহি থাকিলে নচলিব। লিজাৰ প্ৰতি আলেকজেণ্ডাৰৰ এটা দুৰ্ব্বলতা আছে। এই বিষয়ে বাৰু তুমি কি ভাবিছা?'

'সেই লৰাটোৰ বিষয়ে মই একো নাজানো। গতিকে বেয়া কোৱাটো মোৰ পক্ষে উচিত নহ'ব। কিন্তু তোমাক বাৰম্বাৰ কৈ আহিছো যে লৰাটোক মোৰ মুঠেই ভাল নালাগে।

'কিন্তু সেইটো যে তুমি কৰিব নোৱাৰা। কেতিয়াও কৰিব নোৱাৰা......' হঠাতে উঠি তেওঁ কোঠাটোত ঘূৰিবলৈ ধৰিলে। পাছত আকৌ ক'লে, 'এইটো পেংলাই কৰি ইমান সহজে উৰাই দিয়া কথা নহয়। ভালকৈ বিবেচনা কৰি চোৱা উচিত। নিজৰ ছোৱালীৰ সুখৰ কাৰণে নিজৰ পচন্দ অপচন্দবোৰ কিছুপৰিমাণে ত্যাগ কৰিবই লাগিব। তাক তুমি ভাল নোপোৱা বুলি মেয়ো জানো। বাৰু আমি যেনিবা বিয়াখন ভাঙিয়েই দিলো। তেতিয়া লিজাই গোটেই জীৱনটো আমাক দুষিব নে বাৰু? আজিকালি ভাল লৰা এটা পোৱাটো সহজ নহয়। আলেকজেণ্ডাৰে লিজাক খুব ভাল পায়, আৰু লিজায়ো তাক আদৰ কৰে। এতিয়া তাৰ কাম কাজৰ কোনো সংস্থান লগা নাই যদিও গোটেই জীৱনটো জানো তাৰ আগত পৰি থকা নাই? সি ভাল পৰিয়ালৰ লৰা, টকা-পয়চাও যথেষ্ট আছে।'

'তুমি কেনেকৈ জানিলা?'

'সিয়েই মোক কৈছিল। খাৰকভত বোলে তাৰ দেউতাকৰ এটা ডাঙৰ ঘৰ আছে। মাটি-বাৰীও বহুত আছে। তুমি খাৰকভলৈ নিজে যোৱাটোৱেই ভাল হ'ব, নিকোলাই।'

'কিহৰ কাৰণে?'

'নিজ চকুৰে সকলো চাইচিতি আহিব পাৰিবা। তাত তোমাৰ বন্ধু অধ্যাপক কেইবাজনো আছে। তেওঁলোকেও সহায় কৰি দিব পাৰিব। মই নিজেই গ'লোহেঁতেন। পিছে

মাইকীমানুহৰ অহাযোৱাত যথেষ্ট দিগদাৰ ।’

‘মই কেতিয়াও খাৰকভলৈ যাব নোৱাৰোঁ ।’ অলপ খঙেৰে মই ক’লো ।

‘নিকোলাই, ভগৱানৰ নামত ! ভগৱানৰ নামত মোৰ মূৰৰ পৰা চিন্তাৰ বোজাটো খহাই দিয়া ! মোৰ সুখ-শান্তি নোহোৱা হৈছে ।’ ভেৰীয়াৰ উচুপনি । তেওঁক এনে অৱস্থাত দেখিলে মোৰ বৰ বেয়া লাগে । সান্ত্বনাৰ সুৰত মই উত্তৰ দিলো, ‘বাৰু, ঠিক আছে, ভেৰীয়া । তুমি কৈছা যেতিয়া মই খাৰকভলৈ যাম । তুমি ভালপোৱা সকলোৱেই মই কৰিম ।’

ৰুমালেৰে চকু মোহাৰি মোহাৰি তেওঁ শোৱা কোঠালৈ গুচি যায় ।

অলপ পাছতে কোঠাটোলৈ লেম্পটো অনাৰ লগে লগে উজাগৰে কটাব লগা ৰাতিৰ চিন্তাত মোৰ মনটো আতঙ্কিত হৈ উঠিল । ভয়ত মই শিঁয়ৰি উঠিলো । বিছনাত বাগৰ দি সদায় কৰি অহাৰে পুনৰাভিনয় কৰিলো । বেজাৰত চকুপানী ওলাই আহিছিল ! ভয় হৈছিল মই মৰি যাম নেকি ! কোনোবা আহি মোক সান্ত্বনা দিয়াৰ আশা কৰিছিলো । চকুপানীৰ কাৰণে লাজো লাগিছিল । গাৰুত মূৰ গুজি শুবলৈ বৃথা চেষ্টা কৰিলো । হঠাতে কিবা এটা বাধা নমনা শক্তিয়ে যেন মোক কোঠাটোৰ পৰা বাহিৰলৈ উলিয়াই দিব খুজিছে মই অনুভৱ কৰিলো । কাপোৰকানি পিন্ধি কোনেও গম

নোপোৱাকৈ হাতত সাৰে ভৰিত সাৰে মই বাহিৰ ওলাই পৰিলো। ক'লৈ যাম? ইয়াৰ উত্তৰ মোৰ মনত বহুত আগৰে পৰাই আছে—এগনিচৰ তালৈ।

(৩)

মই গৈ পাওঁতে এগনিচে চোফাখনত আঁউজি কিতাপ এখন পঢ়ি আছিল। মোক দেখি হাতত্বখন আগবঢ়াই দিলে।

'আকৌ সেই একেই দৃশ্য। এইটো কিন্তু তোমাৰ কাৰণে বৰ বেয়া হৈছে দেই। আন কিবা এটা কৰিবলৈ আৰু তোমাৰ নাইনে?' মই অভিভাৱকৰ সুৰত কলো।

'কি?'

'আন কিবা এটা কৰা উচিত। এনেকৈ শুই শুই পঢ়ি থকা শৰীৰৰ কাৰণে ভাল নহয়।'

'কিন্তু কি কৰিম? মাইকী মানুহবনো আৰু কিটো কৰিবলৈ আছে। হয় কাৰখানালৈ যোৱা নতুবা ৰঙ্গমঞ্চলৈ যোৱা।'

'কাৰখানাৰ কথা বাৰু বাদ দিয়া। ৰঙ্গমঞ্চলৈকেনো নোযোৱা কেলেই?' তাই নিৰুত্তৰ।

'তুমি বিয়া নকৰোৱা কেলেই?' মই সোধোঁ।

'মোক বিয়া কৰাবলৈ কোনো নাহে। আৰু নকৰালো-ৱেইবা, কি জগৰ লাগিল?'

'এনেকৈয়ে সদায় থাকিব পাৰিবা জানো?'

'স্বামী এজন নোহোৱাকৈ? তাকেইতো তুমি ক'ব খুজিছা, নহয় জানো? কিন্তু মই বিচাৰিলে বহুত মানুহেই আহি মোক লগ দিব।'

'নাই নাই সেইটো শোভনীয় নহয়।'

'কিটো শোভনীয় নহয় বুলি ক'লা?'

'তুমি এতিয়াই ইঙ্গিত দি যোৱা কথাটো।'

মই অলপ দোমোজাত পৰা যেন দেখি কথাৰ মোৰ বদলাই তাই ক'লে, 'মোৰ লগত এইফালে আহাঁ।'

সৰু কোঠা এটালৈ তাই মোক লৈ গ'ল। সজাই থোৱা মেজখনৰ ফালে আঙুলিয়াই তাই ক'লে, 'চোৱা, তোমাৰ কাৰণে মই এইখন সজাই থৈছো। সদায় আহি ইয়াতে তোমাৰ কাম কৰিবাহি। নিজৰ ঘৰত কাম কৰিবলৈ সিহঁতে তোমাক শান্তি নিদিয়ে। তুমি বাৰু কেনে দেখা?'

না বুলি তাইৰ অন্তৰত আঘাট দিয়াৰ ভয়ত মই ৰাজি হৈছো বুলিয়েই উত্তৰ দিলো। কোঠাটো মোৰ বৰ ভাল লাগিছে বুলিও ক'লো। পাছত দুয়ো কথা পাতিবলৈ আৰম্ভ কৰিলো।

'দিন বৰ বেয়া, বৰ বেয়া' গুমুনিয়া এটা পেলাই মই আৰম্ভ কৰিলো।

'কি হৈছেনো?'

'শুনা, ক্ষমা কৰাটোৱেই ৰজাৰ আটাইতকৈ ডাঙৰ আৰু মূল্যৱান ক্ষমতা। আৰু এই অধিকাৰৰ বহুল প্ৰয়োগ কৰি

মোক নিজকেই বজা এজনৰ দৰেই লাগিছিল। বিনা বিচাৰে সৰু ডাঙৰ সকলোকে মই ক্ষমা কৰি আহিছিলো। বুজাই বৰাই উপদেশৰ মাজেৰেহে মই আনক নিজৰ মতলৈ আনিবলৈ যত্ন কৰিছিলো, তৰ্ক বা জোৰ কৰি নহয়। পৰিয়ালৰ সকলোৱেই আনকি চাকৰ বাকৰেও যাতে মোৰ পৰা বিৰক্তি নাপায় তাৰলৈ মই সদায় সজাগ আছিলো। মোৰ এই ব্যৱহাৰে সকলোকে মুগ্ধ কৰিছিল বুলিও মই জানো। কিন্তু এতিয়া জানো মই আৰু সেই বজা হৈ আছো? আজি কালি নানা কুচিন্তাই মোৰ মনত বাঁহ লৈছেহি। ঘৃণা, অৱহেলা, খং, ভয় আদিয়ে মোক একেবাৰে জুৰুলা কৰি পেলাইছে। অলপতে মোৰ খং উঠা হৈছে, সকলোকে সন্দেহ কৰা হৈছো আৰু কথা-বতৰাত কঠুৱা হৈ পৰিছো। আগেয়ে হাঁহি উৰাই দিয়া কথা এটাই মোক এতিয়া কেইবা-দিনো ধৰি খুলি খুলি খায়। কথাবোৰ জুকিয়াই নিয়াৰিকৈ ভবাৰ ক্ষমতা লোপ পাই গৈছে। আগেয়ে মই টকাকহে ঘৃণা কৰিছিলো, এতিয়া কিন্তু মোৰ ঘৃণাৰ পাত্ৰ হৈছে ধনী সম্প্ৰদায়টো। আগেয়ে মই চুৰি ডকাইতি, মৰামৰি আদিবোৰ দেখিব নোৱাৰিছিলো, আজি কালি কিন্তু সেইবোৰ কৰা লোক সকলকহে মই গালি পাৰোঁ। তেওঁলোকক দোষা-ৰোপ কৰি লাভ কি? মানুহৰ মাজৰ ভাল গুণবোৰৰ সদ্ব্যৱহাৰ নকৰি বেয়াবোৰৰ প্ৰয়োগ কৰাৰ কাৰণে আমি গোটেই সমাজখনেই জানো দায়ী নহয়? মোৰ দৃষ্টি ভঙ্গিৰ

এই পৰিৱৰ্ত্তন কিয় হৈছে বাৰু ? এই কাৰণেই নেকি যে পৃথিৱীখন দিনে দিনে তললৈ গৈছে আৰু মই বেচি গুণী হৈ আহিছো ? নতুবা অতদিনে মই অজ্ঞ আৰু আওকণীয়া হৈ থকাৰ কাৰণেই নেকি ? মোৰ এই অৱনতিৰ কাৰণ যদি মোৰ দিনে দিনে পৰি অহা দৈহিক বা মানসিক অৱস্থাহে, তেনেহলে যে আৰু উপায় নাই। প্ৰতিদিনে মোৰ ওজন কমি আহিছে। আৰু সেইটো হলেই যে জীয়াই থকাটোৱেই মোৰ কাৰণে এটা লাজৰ কথা হৈ পৰিব।'

'তোমাৰ অসুখ বা বাৰ্দ্ধক্যৰ লগত এইবোৰৰ কোনো সম্পৰ্ক নাই। সকলোবোৰ কথা নিজে দেখি শুনি আহিছো আৰু সেইবোৰৰ তাৎপৰ্য্যও তুমি বুজিব পৰা হৈ আছা। সেইটোৱেইহে সকলো অথন্তৰৰ মূল। আগেয়ে চাব নোখোজা বহুত বস্তু এতিয়া তুমি বাধ্যত পৰি চাই থাকিব লগা হৈছে। মোৰ বোধেৰে তুমি তোমাৰ পৰিয়ালৰ লগত একেবাৰে সম্বন্ধ চিঙি পোলোৱাই ভাল হ'ব।'

'তুমি যে কি অৱান্তৰ কথাবোৰ কৈছা।'

'ঠিকেই কৈছো। তুমি নিজেও ভালদৰেই জানা যে সিহঁতৰ প্ৰতি তুমি অকণো নাভাবা। তেনেহলে পেটত এটা মুখত এটা কৈ আৰু কি লাভ ? পৰিয়াল মানে আমি কি বুজোঁ ? নিজৰ পৰিয়ালৰ ভিতৰত থাকিও আজি তোমাৰ কথা এটা নৰজে, সেইটোৱেই পৰিয়ালৰ আকৰ্ষণ নেকি ?'

এগনিচেও মোৰ পৰিবাৰ আৰু লিজাক চকু পাৰি

দেখিব নোৱাৰিছিল। ভালপোৱা বেয়াপোৱাবোৰ ব্যক্তিগত কথা যদিও, সামাজিক অধিকাৰৰ ফালৰ পৰা চালে এগনিচক দোষ দিব নোৱাৰি।

'সিহঁত তোমাৰ কাৰণে কোনো নহয়। আজি বাৰু তুমি ৰাতিৰ আহাৰ খালানে? আজি কালি আকৌ সিহঁতে তোমাক খাবলৈ মাতিবলৈকো পাহৰি যাব পাৰে বুলি মোৰ ভয় হয়। এতিয়াও যে সিহঁতে তুমি আছা বুলি মনত ৰাখিছে!'

'তোমাৰ কথা কোৱাৰ ধৰণটো মোৰ ভাল লগা নাই, এগনিচ। বন্ধ কৰঁা।' অলপ ধমক দি তাইৰ মুখ বন্ধ কৰিবলৈ যত্ন কৰিলো।

'তুমি কি ভাবিছানেকি যে সিহঁতৰ বিষয়ে কথা পাতি মই বৰ ৰং পাইছো? মুঠেই নহয়। সিহঁতক একেবাৰে নজনাকৈ থাকিব পৰাহ'লেই মই বেচি সুখী হলোহেঁতেন। মোৰ কথা শুনা। সকলো এৰি বিদেশলৈ গুচি যোৱা। যিমান পাৰা সোনকালেই।'

কি যে আচৰিত কথাবোৰ তুমি কৈছা! আৰু তেতিয়া আমাৰ বিশ্ববিদ্যালয়টোৰ অৱস্থাই বা কি হ'ব?

'বিশ্ববিদ্যালয়ৰ কথা বাদ দিয়া। তোমাৰ কাৰণে সি একো নহয়। তাৰ পৰা তুমি পাইছা কি? আজি ত্ৰিশ বছৰ ধৰি তাত ল'ৰা পঢ়ুৱাইছা। তুমি পঢ়োৱা সেই লৰাবোৰৰ খবৰ কি? সিহঁতৰ কিমানে সুখ্যাতি অৰ্জন কৰিছে?

অজ্ঞতাৰ সুযোগ লৈ হেজাৰ হেজাৰ ৰুবল উপাৰ্জ্জন কৰিবলৈ হাত মেলি থকা ডাক্তৰ তৈয়াৰ কৰিবলৈ তোমাৰ দৰে সৰল, সাধু, কৰ্ত্তব্যপৰায়ণ লোকৰ মুঠেই আৱশ্যক নাই। তোমাৰ একেবাৰেই আৱশ্যক নোহোৱা হৈ পৰিছে!'

'উস্ ইমান চোকা কথাবোৰ নক'বাচোন। সহ্য কৰিব নোৱাৰোঁ। কথা বন্ধ নকৰিলে কিন্তু মই উঠি যাম। তোমাৰ এই কথাবোৰৰ উত্তৰ দিবলৈ মোৰ একো নাই।'

এনেতে লিগিৰীজনীয়ে চাহ খাবলৈ মাতিলেহি। চাহৰ মেজত আন কথাৰ পাতনি মেলিলো। মোৰ ভাল লাগিল। মই নিজৰ অতীতৰ কথাবোৰ কৈ যাওঁ। এগনিচে কাণপাতি শুনি যায়। মোৰ ওপৰত থকা তাইৰ অটল বিশ্বাসে মোক কিন্তু যথেষ্ট অনুপ্ৰেৰণা দিছিল। কথাৰ মাজতে বাহিৰত কাৰোবাৰ মাত শুনিলো। 'নিশ্চয় ফিড্ৰিচেই হ'ব লাগিব।'

এগনিচৰ অনুমান সঁচাই আছিল। একমিনিটৰ পাছতে মোৰ বন্ধু ভাষাতত্ত্ববিদ ফিড্ৰিচ সোমাই আহিল। তেওঁ এজন ভাল মানুহ আৰু ৰসাল সঙ্গী। তেওঁ আহিছিল এটা পুৰণি সম্ভ্ৰান্ত পৰিয়ালৰ পৰা। বুদ্ধিমান, উচ্চশিক্ষিত আৰু প্ৰতিভাসপন্ন হ'লেও তেওঁৰ কেটবোৰ প্ৰকৃতি বৰ অদ্ভুত ধৰণৰ আছিল। তেওঁৰ এই দোষৰ কাৰণে বন্ধুসকলে অনেক সময়ত ভয় কৰি চলিব লাগিছিল। কেতিয়া কি কৰি পেলায় ঠিক নাই। এই বদগুণটোৱেই তেওঁৰ বহুত ভাল গুণকেই ঢাকি ৰাখিছিল।

'নমস্কাৰ। কি চাহ খাইছানেকি? উত্তম কথা। এই শিৰ-শিৰীয়া জাৰত চাহ এপিয়লা মোৰ বৰ ভাল লাগিব।' লগে লগে কোটটো খুলি বহি লৈ তেওঁ চাহ বকাত লাগি গ'ল। কথা-বতৰাত দাৰ্শনিকৰ চাঁ আছিল যদিও কোনো কথাকেই তেওঁ দকৈ নলৈছিল। চিন্তা কৰিব লগা কথা একোটাও বহুত সময়ত তেওঁ পাতলকৈ লৈ বাকীবোৰৰ খং তুলিছিল। তেওঁৰ মন্তব্যবোৰ আছিল চোকা আৰু আনক গালিপৰা বিধৰ। কিন্তু তেওঁৰ ভদ্ৰ আৰু মাৰ্জিত ব্যৱহাৰে এই মন্তব্যবোৰৰ তিক্ততা সোনকালেই আঁতৰাই নিছিল। আনক জয় কৰি নিজৰ মতলৈ অনা ক্ষমতা তেওঁৰ অসীম। সুবিধা পালেই বিশ্ববিদ্যালয় আৰু তাৰ কেইজনমানক সমালোচনা কৰিবলৈ তেওঁ বৰ ভাল পাইছিল।

'হে ভগৱান! এই পৃথিৱীখনত কি যে আচৰিত আচৰিত মানুহ কিছুমান আছে!' চাহত সোহা মাৰি অলপ মিচিকিয়াই তেওঁ মন্তব্য কৰিলে।

'উদাহৰণ স্বৰূপে?' এগনিচে সুধিলে।

'আজি বক্তৃতা দি ওলাই আহোঁতেই আমাৰ অমুকা 'পণ্ডিত'ৰ লগত ভেট হ'ল। ডিঙি মেলি তেওঁ ইফালে-সিফালে এনেকৈহে চাইছে যেন কোনোবাই আহি তেওঁক ক'বহি তেওঁৰ গিৰীয়েকৰ মূৰ কামোৰণি, কোনোবাই বা তেওঁৰ ঘৈণীয়েকৰ চকুৰ বিষ ইত্যাদি।' ইয়াৰ বাহিৰেও কেইবাজনকো খোচ মাৰি খুহুটীয়া কথাৰে তেওঁ গধূলিটো ৰসাল কৰি তুলিলে।

চাহৰ পিয়লাকেইটা আঁতৰাই লিগিৰীজনীয়ে একাহঁী পনিৰ, এখৰাহি ফলমূল আৰু এবটল মদ মেজৰ ওপৰত থলেহি। মদখিনি বৰ দামী নাছিল। খোৱাৰ লগে লগে এজোৰ তাঁচ উলিয়াই ফিড্রিচে বিলাবলৈ লাগিল। অলপৰ বাবেও মুখখন তেওঁৰ বন্ধ হোৱা নাছিল। এগনিচে এঢোক-মান মদ খালে। মই আধাগিলাচ খোৱাৰ পাছত ফিড্রিচে বাকীখিনিৰ শৰাপ কৰিলে। তেওঁ কিন্তু মাতাল হোৱা নাছিল। খোৱা আৰু খেলৰ মাজতেই আমি বহুতো সমস্যাৰ উদ্ভাৱনা আৰু সেইবোৰৰ সমাধান কৰি যাবলৈ ধৰিলো। বিজ্ঞান বা শিল্পকলাৰ উপকাৰিতাৰ বিষয়েই ভালেখিনি সময় ল'লে। তাৰ পাছত আজিৰ ডেকা-ডেকেৰীহঁতক লৈ সমালোচনা চলিল।

'সমাজখন কিন্তু বৰ তললৈ নামিছে দেই। বৰ ডাঙৰ আদৰ্শৰ কথা নকওঁৱেই, আজিৰ ডেকা-গাভৰুহঁত যদি নিজৰ কৰ্ত্তব্যৰ প্ৰতিও অলপ সজাগ হ'লহেতেন! আমাৰ পাছৰ বংশটোৰ যে কি গতি হ'ব?' ফিড্রিচে দুখ কৰে

'এৰা আজিৰ 'ডেকা-গাভৰুৰ যথেষ্ট অধঃপতন হৈছে। যোৱা পাঁচ বা আনকি দহবছৰেও সুখ্যাতি অৰ্জ্জা তোমাৰ কোনো ছাত্ৰৰ নাম ক'ব পাৰিবানে বাৰু?' এগনিচে সন্মতি জনায়।

'আন অধ্যাপকসকলে কি কয় ক'ব নোৱাৰোঁ, মোৰ কিন্তু তেনে আঙুলিয়াব পৰা ছাত্ৰ নাই। স্বীকাৰ কৰিছো।'

'তোমালোকৰ বহুত ছাত্ৰৰ লগতেই চিনাকি হোৱাৰ সুযোগ মোৰ হৈছে। কোনোটোৰ ভিতৰতে কিন্তু প্ৰখৰ বুদ্ধি বা প্ৰতিভাৰ সন্ধান নাপালো। সামান্য মজলীয়া ধৰণৰ আৰু কোনোমতে পেট প্ৰৱৰ্ত্তাই চলি থকাৰ হেঁপাহ কৰা একোটা নাগৰিকৰ বাহিৰে আন একো নহয়।'

তেওঁলোকৰ এই কথাবোৰে কিন্তু এটা অজানিত ভয় আনি দিছিল। জিকাৰ খাই উঠিছিলো। এই নিন্দাবোৰে যেন মোৰ ছোৱালী লিজাকো চুইছেগৈ। আজিৰ ডেকা-গাভৰুহঁতক এনেকৈ গোটভাৱে নিন্দা কৰাটো মোৰ সহ্য নহয়। ময়ো আজি অতবছৰ ধৰি অধ্যাপনা কৰিছো। কিন্তু ক'তা মইতো এনে অধঃপতন দেখা নাই। কোনকালৰ পৰানো আজিৰ যুগটো আগৰটোতকৈ বেয়া হ'ল বাৰু? মোৰ অভিজ্ঞ চকীদাৰ নিকোলায়ে প্ৰায়ে কয় যে আজিৰ লৰাবোৰ আগৰবোৰতকৈ ভালো নহয় বেয়াও নহয়, একেই। আজিৰ লৰা-ছোৱালীহঁতৰ কিছুমান সাধাৰণ দোষ থকা বুলি মোৰ বিশ্বাস নহয। অৱশ্যে বহুতেই হয়তো বেলেগ বেলেগ কিছুমান দোষত ভুগিছে। সেইবোৰ অৱশ্যে ময়ো ভাল নোবোলো! উদাহৰণ স্বৰূপে লৰা-ছোৱালীহঁতে বেচিকৈ চুৰতখোৱা, সুৰাপান কৰা আৰু পলমকৈ বিয়া কৰোৱা মোৰ পচন্দ নহয়। পাথ্যপুথিৰ প্ৰতি উদাসীনতা আৰু নিয়মমতে মাচুল নিদিয়াটোও লৰা-ছোৱালীহঁতৰ ডাঙৰ দোষ। দুখীয়া লৰাৰ পুঁজিত টকা

জমা থবলৈ অস্বীকাৰ কৰাটো মই সমূলি দেখিব নোৱাৰোঁ। বিদেশী কোনো এটা ভাষাৰ জ্ঞান নথকাও আমাৰ লৰাহঁতৰ মানসিক উৎকৰ্ষ সাধনৰ পথত এটা ডাঙৰ বাধা হৈ পৰিছে। আৰু এটা কথা মোৰ ভাল নালাগে। আমাৰ লৰা-ছোৱালীহঁতে ভাল কিতাপ বা ভাল লিখকক বাচি উলিয়াব নোৱাৰে। আধুনিক বুলিলেই ভাল আৰু পুৰণা বুলিলেই বেয়া। ইয়াৰ দ্বাৰা তেওঁলোকে বহুতো জ্ঞানগৰ্ভ কিতাপৰ পৰা নিজকে বঞ্চিত কৰা নাই জানো? স্বাধীন চিন্তা কৰি বিজ্ঞানৰ উন্নতিৰ কথা ভবাতকৈ চাকৰি একোটাতে সন্তুষ্ট হোৱাটোও বৰ শলাগিবলগীয়া লক্ষণ নহয়। আৰু দুই এটা হয়তো এনে দোষ থাকিব পাৰে। কিন্তু সাধাৰণ ভাবে নিন্দা কৰাটোত মই যোগ দিব নোৱাৰোঁ।

কিন্তু এই দোষবোৰকে ধৰি নিৰাশাবাদী হৈ বহি থাকিলে জানো হ'ব? আমাৰ সামাজিক পৰিবেশটোৱেই জানো বহু পৰিমাণে এইবোৰৰ বাবে দায়ী নহয়? আমি সকলোৱে যত্ন কৰিলে অতি সোনকালেই এইবোৰ দূৰ কৰিব পাৰোঁহক। আনহাতে সেইবোৰৰ সমালোচনা কৰি মাথো বহি থাকিলে সময়ত আৰু নতুন বদগুণৰ সৃষ্টি হোৱাৰহে ভয়। সঁচা, লৰাহঁতৰ এই দোষবোৰে সময়ে সময়ে মোক বাৰুকৈয়ে আমনি দিয়ে। কিন্তু যেতিয়া মই যোৱা ত্ৰিশ বছৰ ধৰি লৰাহঁতক অধ্যাপনা কৰি অহাৰ কথা ভাবোঁ আৰু সমাজৰ আনবোৰৰ লগত সিহঁতক তুলনা কৰি চাওঁ, মোৰ মনটো কিন্তু

গৌৰৱ আৰু আনন্দত নাচি উঠে। আৰু এই আনন্দৰ তুলনাত সেই ক্ষণস্থায়ী আমনিবোৰ একেবাৰে নগণ্য লাগে।

ফিড্ৰিচ আৰু এগনিচে কথাৰ অন্ত পেলাবই নোখোজে। তেওঁলোকৰ কথাবতৰাই কোনফালে গতি কৰিছে সেই বিষয়ে তেওঁলোকৰ একেবাৰে খবৰেই নাই। এই সমালোচনাবোৰৰ মান পতন হৈ শেষত হৈ পৰিছিলগৈ কিছুমান ব্যক্তিগত নিন্দা। ফিড্ৰিচে বহুতৰে বিষয়ে কিছুমান লেতেৰা মন্তব্য কৰি গৈছিল আৰু হাঁহি হাঁহি ভেওঁক উদ্‌গনি দিছিল এগনিচে। মোৰ কি কৰোঁ কি নকৰোঁ খন লাগিছিল। শেষত খণ্ডতে জাপমাৰি উঠি মই চিঞৰি দিলো, 'বন্ধ কৰা। তোমালোকৰ কথাবতৰাই গোটেই পৰিৱেশটোকে একেবাৰে বিষময় কৰি তুলিছে। যথেষ্ট হৈছে। এতিয়া বন্ধ কৰা।'

তেওঁলোকে কথা বন্ধ কৰিলেনে নাই মই ক'ব নোৱাৰোঁ। তাৰ আগতেই মই ঘৰলৈ বুলি বাহিৰ ওলাই আহিছিলো। সময়ো হৈছিল বহুত, ৰাতি এঘাৰটা। 'মই আৰু অলপ ৰ'ম। তোমাৰ কিবা অসুবিধা হ'বনেকি আকৌ?'

'কিযে কোৱা আৰু! মোৰ কি অসুবিধাটো হ'বলৈ আছে বাৰু?'

'ধন্যবাদ, এগনিচ। তেনেহলে আৰু এবটল মদ খাই লোৱাই যাওক।'

মোক আগবঢ়াই থ'বলৈ আহোঁতে বাটে বাটে ফিড্ৰিচ আৰু এগনিচে কথা-বতৰা হ'ল। কোটটো পিন্ধোতে মোক

সহায় কৰোঁতে ফিড্ৰিচে ক'লে 'তুমি দেখোন একেবাৰে চেৰেলা পৰি গৈছা। দেখিবলৈও এইকেইদিনতে বহুত বুঢ়া হৈ পৰিছা। কিবা অসুখ হৈছেনেকি নিকোলাই?'

'এৰা, অলপ অসুখেই বুলিব পাৰা।'

'আৰু, তথাপিও ডাক্তৰক নেদেখুৱায়।' এগনিচে অভিভাৱকৰ দাবীৰ গৌৰৱেৰে ক'লে।

'কোনোবা ভাল ডাক্তৰ এজনৰ লগত পৰামৰ্শ নকৰা কিয়? এনেকৈতো আৰু সদায় থাকিব নোৱাৰা। হেৰা মোৰ বন্ধু, নিজকে নিজে নাচালে ভগৱানেও সহায় নকৰে কিন্তু। তোমাৰ পৰিয়ালৰ সকলোকে মোৰ কথা ক'বা। ভালেদিন যাব নোৱাৰাৰ কাৰণে যেন বেয়া নাপায়। বিদেশলৈ যোৱাৰ আগতে বিদায় ল'বলৈ মই তোমাৰ তালৈ যাম। অহা সপ্তাহতেই মই যাত্ৰা কৰিম।'

অহাৰ সময়ত এগনিচৰ বেজাৰভৰা মুখখন দেখি বৰ বেয়া লাগিছিল। মোৰ কাৰণে যে তাইৰ কিমান চিন্তা কিমান ভাৱনা! এৰা এজন ডাক্তৰক দেখুৱাই ভাল হ'ব কিজানি, মই ভাবোঁ। লগে লগে ডাক্তৰ এজনে মোক পৰীক্ষা কৰা কল্পনা কৰিলো। মোক পৰীক্ষা কৰি নিজৰ মনৰ ভাৱ লুকুৱাই ৰাখিবলৈ মিছা চেষ্টা কৰি ডাক্তৰজনে যেন মোক কৈছিল, 'ঠিক আছে। বিশেষ একো হোৱা নাই। তথাপিও কামৰ পৰা অৱসৰ ল'বলৈ মই উপদেশ দিছো।' কথাটো ভাবিয়েই মই জিকাৰ খাই উঠিছিলো।

মোৰ জীৱনৰ উদ্দেশ্যই যে মষিমুৰ হৈ যাব। ঘৰলৈ অহা বাটত নানা চিন্তাই মোক জুমুৰি দি ধৰিছিল। এই তিনিকুৰি দুই বছৰেনো কিটো কৰিলো বাৰু? সকলোবোৰ মিছা ফাকি যেন লাগিল। নিজৰ অসুখৰ কথা মই জানো নাজানো! নিজৰ ঘৰৰ আগচুৰাৰখন মেলি চিৰিয়েদি ওপৰলৈ উঠি যাওঁতে ভাব হৈছিল মোৰ আপোন পৃথিবীত যেন কোনো নাই। পৰিয়ালটো এটা মাত্ৰ ভ্ৰান্তিহে। বহুত ভাৱে তোলপাৰ লগাই দিছিল। পাটিত বাগৰ দিলো। অলপ টোপনিও আহিল।

তাৰ পাছত আকৌ উজাগৰ·····

(৪)

জহৰ আগমনৰ লগে লগে মনটো অলপ ফৰকাল লাগিল। এদিনৰ কথা। ৰাতিপুৱাই এগনিচ আহি মোক তাইৰ বাগীখনত তুলি লৈ গ'ল। প্ৰায় দুঘণ্টামান যোৱাৰ পাছত নগৰৰ পৰা দূৰৈৰ এটা ডাঙৰ ঘৰ পালোগৈ। ধুনীয়া ঘৰটো। এইটো এগনিচৰ ঘৰ। আজিকালি তাই গাৱঁৰ এই ডাঙৰ ঘৰটো ভাৰালৈ লৈ বেচ আৰামত আছেহি। তাইৰ ঘোঁৰা কেইটা আৰু বাগীখনো নতুনকৈ কিনিছে। দুজনী লিগিৰীয়ে তাইৰ আলপৈচান ধৰে। গাৰোৱান এটাও আছে। এতিয়াও সদায় গধূলি তাই মোৰ ওচৰলৈ আহে আৰু ফুৰিবলৈ লৈ যায়। ওচৰচুবুৰীয়া সকলোৰে এইটো দেখি

শুনি আহিছে। এগনিচৰ পদূলিমুৰতে ফিড্ৰিচ ঘূৰা-পকা কৰি আছিল।

'উস্ আকৌ সেই আপদীয়াটো! দেখিবৰ মন নাযায়। মোক তাৰ পৰা উদ্ধাৰ কৰিব নোৱাৰানে? বিৰক্তিৰ সুৰত এগনিচে কৈছিল।

ফিড্ৰিচ কোনোবা কাহানিয়েই বিদেশলৈ যোৱাৰ কথা আছিল। তেওঁৰ আজিকালি ভালেখিনি পৰিবৰ্ত্তন হৈছে। সুৰাপান কৰি মাতাল হৈ পৰে। মুখখন তললৈ ওলমি পৰিছে। চেলাউৰিযোৰ বগা পৰিবলৈ আৰম্ভ কৰিছে। বাগীখন ৰোৱা মাত্ৰেই আমাক নমাত সহায় কৰিবলৈ তেওঁ উথপথখন লগালে। এনেয়ে হাঁহি উঠিল। এগনিচক লগ পাবলৈ আহি যেন লাজহে পাইছে, এনে এটা ভাৱ তেওঁৰ মুখত ফুটি উঠিল।

তিনিও ভিতৰ সোমাই গ'ল। চাহ-তাহ খোৱাৰ পিছত আগৰদৰে সেই গতানুগতিক কথাবতৰাবোৰ আৰম্ভ হ'ল। মই প্ৰায় নিমাত হৈয়েই আছিলো।

'এনেকৈ চলিলে দেখোন দুদিনতে সকলো টকা খতম হৈ যাব। পাছলৈ চলিবা কেনেকৈ?' ঘূৰি অহাৰ বাটত মই এগনিচক সুধিলো।

'সময়ৰ কথা সময়ত ভাবিম।' এগনিচে উত্তৰ দিছিল।

দেউতাৰে থৈ যোৱা এই টকাখিনিৰ প্ৰতি তুমি অলপ বেচি শ্ৰদ্ধা দেখুৱা উচিত, এগনিচ। সেইখিনি এজন সাধু,

সবল, ন্যায়পৰায়ণ লোকৰ মুখৰ ঘাম মাটিত পেলাই অৰ্জ্জা টকা।’

‘এই কথা তুমি আগেয়েও মোক বহুবাৰ কৈছা।’

মই একো সমিধান নিদিয়া দেখি তায়েই আকৌ ক’লে, ‘নিকোলাই, তুমি এজন খুব ভাল মানুহ। আজিকালি তোমাৰ দৰে মানুহ পাবলৈ বিৰল। যি কোনো সাধাৰণ ভাৰবীয়াই মোৰ ভাও দিব পাৰিব। কিন্তু এজন সুনিপুণ ভাৰবীয়াইও তোমাৰ ব্যক্তিত্ব ফুটাই তুলিবলৈ সক্ষম নহ’ব। তোমালৈ কেতিয়াবা মোৰ হিংসাই হয়। মইনো কোন? ‘মই’ বুলি ভৰা বস্তুটোৰ ভিতৰত আছে কি?’ তাইৰ কথাত নিৰাশৰ বেজাৰ। আকৌ তাই ক’লে, ‘মোৰ দৰে মানুহ যে সমাজত থাকিবই নাপায়, নহয়নে বাৰু?’

‘এৰা, নাপায়।’

‘হোঁ, মইনো এতিয়া কি কৰিব পাৰোঁ বাৰু?’

কি উত্তৰ দিম ভাবিবলগা হৈছিল। ‘কাম কৰা’, ‘সকলোবোৰ দুখীয়াৰ নিমিত্তে ত্যাগ কৰা’, ‘নিজকে জানিবলৈ যত্ন কৰা’ আদি কথাবোৰ ক’বলৈ যিমান সহজ যেন লাগে কাৰ্য্যক্ষেত্ৰত কিন্তু সিমান সহজ নহয়। শেষত ক’লো, ‘তোমাৰ হাতত বহুতো সময়। কিবা এটাত লাগি থাকিব লাগে। কেলেই, ৰঙ্গমঞ্চতনো আকৌ যোগ নিদিয়া কিয়? তাত তোমাৰ যথেষ্ট থাউতি আছে।’

‘মই যে নোৱাৰোঁ।’

'এনেকৈ নিৰাশ হৈ কথাবোৰ নক'বাচোন। মোৰ সমূলি ভাল নালাগে। এইবোৰ তোমাৰ নিজৰ দোষ। তুমি লগৰীয়া আৰু সমাজখনক সমালোচনা কৰিলা, কিন্তু সমালোচনা কৰা দোষবোৰ গুচাবলৈ কিবা যত্ন কৰিলা জানো? সাহেৰে বেয়াৰ সম্মুখীন হ'ব লাগিছিল। কিন্তু সেই সাহ তোমাৰ নাছিল। ফলত তুমি নিজৰ মানসিক শক্তি আৰু হেৰুৱাই পেলাইছা। তুমি যুদ্ধ কৰি দুৰ্ব্বল হোৱা নাই, হৈছা নিজৰ আত্মবিশ্বাস নোহোৱাৰ কাৰণেহে। তেতিয়া তুমি সক আৰু অনভিজ্ঞ আছিলা। এতিয়া কিন্তু নিজক চম্ভালিব পৰা হৈছা। যোৱা, আকৌ এবাৰ চেষ্টা কৰি চোৱা। নিস্বাৰ্থভাৱে কাম কৰি এটা শিল্প-কলাক চহকী কৰাত ব্ৰতী হৈ লাগি যোৱা।'

'ৰ'বা, ৰ'বা। শিল্প-কলাৰ উন্নতি সাধনৰ কথাবোৰ নক'বা। সেইবোৰ তোমাৰ একেবাৰে মুখৰ কথা। শিল্প-কলাৰ জ্ঞান তোমাৰ কিমান আছে বাৰু? তাৰ কথা ক্ষন্তেকো তুমি ভাবিছানে? শিল্প-কলাৰ প্ৰতি কোনো আকৰ্ষণেই তোমাৰ নাই। আন্তৰিকতাহীন এনে মৌখিক সহানুভূতি মোৰ ভাল নালাগে। এনেবোৰ সহানুভূতিয়ে উন্নতি সাধন নকৰি শিল্প-কলাৰ পতনহে টানি আনে।'

'কোনেনো শিল্প-কলাৰ পতন চিন্তিছেহে?'

'অনেকেই। কোনোবাই অত্যধিক সুৰাপান কৰি, বাতৰি কাকতসমূহে অপপ্ৰচাৰৰ যোগেদি আৰু জ্ঞানীসকলে দাৰ্শনিক

তথ্য কিছুমানেৰে ।'

'দাৰ্শনিক তথ্যৰ লগত আকৌ ইয়াৰ কি সম্বন্ধ?'

'হয় আছে। একো বুজি নাপালেই আমি দাৰ্শনিকৰ দৰে কথা ক'বলৈ আৰম্ভ কৰোঁ। এটা বিষয় ভালকৈ জনা থাকিলে আমি তাৰেই চৰ্চ্চা কৰোঁ। কিন্তু জনা নাথাকিলে অজ্ঞতাখিনি ঢাকি ৰাখিবলৈ দৰ্শনৰ সহায় লওঁ। কিছুমান জটিল অথচ অবাস্তৱ কথাৰ পাতনি মেলোঁ।'

'কিন্তু ৰঙ্গমঞ্চলৈ তুমি কিয় ঘূৰি যাব নোৱাৰা নকলা দেখোন।'

'উস্ কটা ঘাত আৰু কিমান চেঙা তেল দিয়া! শুনা বাৰু, সঁচা কথাটো কওঁ। ৰঙ্গমঞ্চৰ কাৰণে মোৰ কোনো প্ৰতিভাই নাই। মাত্ৰ এটা অন্ধ গৌৰৱ। আন একো নহয়।' কথা কেইটা কোৱাৰ লগে লগে তাই কঁপি উঠিছিল।

আন কথা একো নপতাকৈ ঘৰ পালোঁহি।

আজিকালিও ৰাতিবোৰ উজাগৰে কটাই দিওঁ। ৰাতিপুৱা বেলিকা অৰণ্যে ষৈণীৰ কথা শুনাৰ পৰিবৰ্ত্তে বিচনাতে কটাই দিওঁ। দুপৰীয়া উঠি মেজৰ কাষত বহোঁ যদিও কাম-বন একো নকৰোঁ। এগনিচে দিয়া ফৰাচী ভাষাৰ কিছুমান গল্প-উপন্যাসৰ কিতাপ পঢ়ি দিনটো কটাই দিওঁ। ৰুচ ভাষাত লিখা কিতাপ পঢ়িয়েই বেচি ভাল পালোহেঁতেন। কিন্তু আমাৰ ভাল কিতাপৰ সংখ্যা যে আঙুলিৰ মূৰত লেখিব পৰা। কেইগৰাকীমান বিখ্যাত লিখকৰ বাহিৰে আমাৰ

লিখকসকলে সাহিত্যৰ সৃষ্টি নকৰি কিতাপবোৰত ৰূপায়িত কৰিব খোজে এটা ‘দেশীয়’ শিল্পৰ—বাইজৰ দুখ-দুৰ্গতিৰ বৰ্ণনা। সেইবুলি যে ফৰাচী কিতাপ সকলোৱেই ভাল সেইটো ক’ব খোজা নাই। কিন্তু আমাৰবোৰৰ দৰে নিৰস নহয়। তদুপৰি সেইবোৰৰ আন এটা আকৰ্ষণীয় ফাল হৈছে প্ৰতি লিখকৰে ব্যক্তিগত স্বাধীন চিন্তা। আমাৰ লিখকসকলৰ কিন্তু সেইটো নাই। আৰু সেইবাবেই আমাৰ কিতাপবোৰত দেখা যায় এটা ব্যক্তিত্ব-নিৰপেক্ষতা। কিছুমান ধৰাবন্ধা নিয়মৰ ভিতৰত যেন লিখিব লগা হৈছে। ফলত কিতাপবোৰত মৌলিক চিন্তাৰ অভাৱ। সমাজতত্ত্ব, কলা-কৃষ্টি আদি সম্পৰ্কীয় কিতাপ বা আলোচনাবোৰ পঢ়িবলৈ আকৌ ভয় লাগে। ডাঙৰ ডাঙৰ কথা, জটিল ভাষা আৰু সঘনে উল্লেখ কৰা বিদেশী লিখক-লিখিকাৰ নামে মোক বিকৰ্ষণ কৰে। তদুপৰি এইবোৰৰ জৰিযতে আমি জানো কোনো এক নিৰ্দ্দিষ্ট সিদ্ধান্তলৈ আহিব পাৰিছো? মাত্ৰ আলোচনা, তৰ্কযুদ্ধ ইত্যাদি। এনে ধৰণৰ কিতাপবোৰে একোটোৱেই সমাধান কৰিব নোৱাৰে বুলি মোৰ সন্দেহ। চিকিৎসা বিষয়ক সৰল, আৰু পোনপটীয়া লিখাবোৰহে মোৰ ভাল লাগে।

আজিকালি মোক লগ পাবলৈ অহা মানুহৰ সংখ্যাও বহুত কমিছে। বন্ধত মাজে মাজে নিকোলাই আহে। মদৰ নিচাত ভগৱানৰ নামৰ বাহিৰে তাৰ মুখত একো নোলায়। শেষত উপায় নাপাই কিবা খাবলৈ বুলি মই তাক বান্ধনি-

ঘৰলৈ পঠাই দিওঁ। মাজে মাজে ফিজ্রিচো আছে। আহাৰৰ সময়ত এতিয়াও মই আলেকজেণ্ডাৰৰ পৰা নিস্তাৰ নাপাওঁ। সদায় আমাৰ সৈতে খোৱা-বোৱা কৰি মোক যে কি এটা যন্ত্ৰণা দিছে সি বুজি নাপায়। আজিকালি মই অলপ খিং-খিঙীয়াও হৈছো। বহুত কিবাকিবি কৈ পেলাওঁ। কিন্তু সি একেবাৰে নিৰ্ব্বাক। লিজা আৰু ভেৰীয়া তাৰ ফলীয়া হিচাবে আছে বুলি ধৰিয়েই নেকি জানো, মোৰ মন্তব্যবোৰলৈ সি অলপো কাণ নিদিয়ে। কেতিয়াবা অতি বেচি হাঁহি এটা মাৰি অন্যমনস্কতাৰ ভাও জোৰে। বুঢ়া হ'লে প্ৰকৃতি লৰেই, এই কথাষাৰৰ মূল্য বুজিয়েইহে যেন সি মোক সহি গৈছে।

এদিনৰ ঘটনা। আগৰদৰে ৰাতিৰ আহাৰৰ পিছত ধপাত হুপি থাকোঁতেই পৰিবাৰ আহি মোৰ ওচৰত বহিলহি।

'জহৰ ভিতৰতে তুমি এদিন খাৰকভৰ পৰা আহাঁগৈ। আলেকজেণ্ডাৰৰ বিষয়ে সকলো গম লৈ আহিব পাৰিবা।'

'বাৰু, মই যাম।'

'অ' আৰু এটা কথা! তোমাৰ শুনি খং উঠিব বুলি জানিও ক'বলৈ বাধ্য হৈছো। কাৰণ ই মোৰ কৰ্ত্তব্য। ক্ষমা কৰিবা, নিকোলাই। আজিকালি তুমি সঘনে এগনিচৰ তালৈ অহা যোৱা কৰা লৈ ওচৰচুবুৰীয়াই বু বু বা বা লগাইছে। তাই শিক্ষিতা, চতুৰা আৰু শুৱনী হ'লেও তোমাৰ দৰে বয়সৰ আৰু মৰ্য্যাদাৰ লোকে তাইৰ সঙ্গলাভৰ কাৰণে ব্যাকুল হোৱা ভাল নেদেখি। তদুপৰি, তাইৰ আগৰ কলঙ্কৰ কথা

সকলোৱে জানে।'

খণ্ডত মোৰ মূৰ গৰম হৈ উঠিল। চকুৰ পৰা জুই ওলোৱা যেন অনুভৱ কৰিলো। যিমান পাৰোঁ ডাঙৰকৈ চিঞৰি উঠিলো। মোৰ ওচৰৰ পৰা গুচি যোৱা! গুচি যোৱা তুৰন্তে! মোক অকলে শান্তিত থাকিবলৈ দিয়া।'

মোৰ চেহেৰা নিশ্চয় ভয় লগা হৈ পৰিছিল। ভয়ত আঁতুৰ হৈ পৰিবাৰ শেঁতা হৈ গৈছিল। সহায়ৰ কাৰণে তেওঁ কাৰোবাক চিঞৰি মাতিবলৈ ধৰিলে। আমাৰ চিঞৰ বাখৰ শুনি লিজা, আলেকজেণ্ডাৰ আৰু লগুৱাটো দৌৰি আহিল। মই আকৌ চিঞৰি উঠিলো, 'ওলাই যা, ওলাই যা! মোক শান্তিত থাকিবলৈ দেহঁক!' লগে লগে মই অচেতন হৈ পৰি গলো। কেইবা ঘণ্টাৰ পিছতহে মই চেতনা লাভ কৰিছিলো।

(৫)

মোৰ জীৱনৰ দুৰ্ব্বহ নিশা এটাৰ কাহিনী।

মাজনিশা সাৰ পাই জাপ মাৰি বিচনাৰ পৰা নামি আহিলো। ক্ষন্তেকতে যেন মই মৰি থাকিম এই ভয়ে গোটেই শৰীৰ কঁপাই তুলিলে। কিহৰ কাৰণে যে এই ভয়টো সোমাইছিল মই ক'ব নোৱাৰোঁ। দৈহিক ভেনে কোনো অৱনতি হোৱা নাছিল। কিন্তু কিবা এটা অজানিত ভয়ত মই শিয়ঁৰি উঠিলো।

লৰালৰিকৈ চাকিটো জ্বলাই কলহটোৰ পৰা অলপ পানী খালো। খিড়িকীখন খুলি দিলো। বাহিৰত ফৰিংফুটা জোনাক। নতুনকৈ কাটি অনা খেৰ আৰু কিবা ফুলৰ গোন্ধত গোটেই খন মলমলাই আছিল। সকলোবোৰ স্পষ্টকৈ মোৰ চকুত পৰিছিল। গোটেইখন নিস্তব্ধ আৰু গম্ভীৰ। ক'তো গছৰ পাত এখিলাও লৰা নাছিল। আকাশত এচমকা ডাৱৰো নাছিল। আটাইবোৰ যেন মোৰ মৃত্যু চাবলৈহে বাট চাই আছে, মোৰ এনে ভাব হ'ল। গোটেইখন অমঙ্গলীয়া যেন লাগিল। খিড়িকীখন বন্ধ কৰি আকৌ বিচনালৈ বুলি দৌৰ দিলো। হাতৰ গাঁঠিত ধৰি চালো ধমনীৰ গতি একেবাৰে বন্ধ হৈ গৈছে। হাতখন, কপাল আৰু থুতৰিত লগাই ধমনীৰ গতি গম ললো। নাই, একেবাৰে বন্ধ হৈ গৈছে। ঘামত গোটেই গাটো তিতি গ'ল। উশাহ-নিশাহবোৰ খৰ হ'ল। সৰ্ব্বশৰীৰ কঁপি উঠিল গোটেইখন ধোৱাঁ-কোৱাঁ দেখিলো।

কি কৰা যায়? বাকীবোৰকে মাতোনেকি? নাই, সেইটো ভাল নহ'ব। সিহঁত আহিনো কিটো কৰিবহি?

যি হ'ব লগা আছে হওক বুলি গাৰুটোত মূৰ গুজি পৰি থাকিলো।

কিবা শব্দই ৰাতিৰ গভীৰ নিস্তব্ধতাখিনি ভাঙি দিলে। 'কী কী কী ভী ভী ভী' শব্দটো মোৰ ভিতৰৰ পৰাই হৈছেনে বাহিৰৰ পৰাই আহিছে ধৰিব নোৱাৰিলো। আকৌ 'কী

কী কী ভী ভী ভী’।

উস্ মাথো ভগৱানে জানিব কি ভয়ানক আছিল সেই মুহূৰ্ত্তটো! পিয়াহত ডিঙিটো একেবাৰে শুকাই গৈছিল যদিও পানী খাবলৈ উঠি আহিবলৈ সাহ নহ’ল।

ওপৰৰ কোঠাটোত কোনোবাই গোঁ-গোঁওৱাৰ শব্দ শুনিলো। কাণ পাতি শুনি থাকিলো। অলপৰ পিছতেই কোনোবাই লৰা ধপৰা কৰি চিৰিয়েদি উঠা নমাৰ শব্দ কাণত পৰিল। শেষত মোৰ দুৱাৰ মুখতে কোনোবা আহি ৰ’লহি।

‘কোন আহিছে?’ মই চিঞৰি উঠিলো।

দুৱাৰখন মেল খালে, ময়ো চকু মেলিলো। দেখিলোঁ। পৰিবাৰ মোৰ আগত বৈ আছেহি। তেওঁৰ মুখখন একেবাৰে শেঁতা পৰা আৰু কন্দাৰ পাছত চকু দুটা ৰঙা পৰা।

‘তুমি সাৰ পাই আছানেকি, নেকোলাই?’

‘কি হৈছে, বেগেতে কোঁৱা।’

‘উস্ ভগৱানৰ দোহাই, এবাৰ আহি লিজাক চাই যোৱাহি। তাইৰ অৱস্থা শোচনীয়……’

‘এক মিনিট, মই গৈছো।’ বুলিয়েই মই পৰিবাৰৰ পিছে পিছে দৌৰি যোৱাৰ দৰে আগবাঢ়িলো। বাটত তেওঁ কিবা বোৰ কৈছিল যদিও এটা কথাও মোৰ কাণত সোমোৱা নাছিল।

বিচনাখনৰ এমূৰত লিজা বহি আছিল। গাত তাইৰ মুঠেই চেমিজটো। ভৰি দুখন ওলোমাই থৈছে। তাই

কান্দি আছিল।

'উস্ ভগৱান, ভগৱান, মই নোৱাৰোঁ, আৰু নোৱাৰো। ......।' ভেৰীয়াৰ হাতৰ মমদাল দেখি তাই উচুপি উঠিল।

'লিজা, মোৰ অতি চেনেহৰ লিজা, তোৰ কি হৈছে?' মই আগবাঢ়ি গলো।

মোক দেখিয়েই তাই মোৰ ডিঙিত সাৱট মাৰি ধৰি উচুপিবলৈ ধৰিলে, 'দেউতা, মোৰ অতি মৰমিয়াল দেউতা! মোৰ কি হৈছে নিজেই ক'ব পৰা নাই। মই যে ইমান অসুখী হৈ পৰিছো!'

'নাকান্দিবি। ভগৱানে তোৰ মঙ্গল কৰিব। শান্ত হ। ময়ো যে কিমান অসুখী।'

'তাইৰ কাৰণে কিবা এটা কৰোঁ, নিকোলাই! কিবা এটা কৰোঁ! লিজাক পানী এগিলাচ দি কাবৌ কৰাৰ দৰে পৰিবাৰে কৈ উঠিল।

মইনো কি কৰিব পাৰোঁ? তাইৰ ভিতৰত কি হৈছে একোকেই মই ধৰিব পৰা নাছিলো। মাত্ৰ ইমানেই ক'লো, 'নাকান্দিবি। অলপ শুলেই ভাল লাগিব।'

আমাক সিঞৰিয়েই যেন কুকুৰটোৱে বাহিৰত জোৰেৰে ভুকভুকাই উঠিল। কুকুৰৰ ভুকভুকনি, ফেঁচাৰ চিঞৰ আদি অমঙ্গলসূচক ইঙ্গিত বুলি কেতিয়াও ভবা নাছিলো। কিন্তু কিয় ক'ব নোৱাৰো, সেই ৰাতি কুকুৰটোৰ চিঞৰত মই কঁপি উঠিছিলো।

কিছুপৰৰ পিছত মই নিজৰ কোঠালৈ আহি লিজাৰ দৰব-পাতিৰ ব্যৱস্থা লিখিবলৈ বুলি বহিলোঁ। তেতিয়া মোৰ নিজৰ মৃত্যুৰ ভয় একেবাৰে নোহোৱা হৈ গৈছিল। সেই মুহূৰ্ত্ততে মৰি যোৱাই ভাল আছিল বুলিহে মই ভাবিছিলোঁ। কি ঔষধ দিম ভাবি মই ৰ'লো। এনেতে লিজাৰ কান্দোন বন্ধ হোৱাত কোনো ঔষধৰ প্ৰয়োজন নাই বুলি ধৰি ল'লো যদিও, কিবা ভাববোৰে মোক জুমুৰি দি ধৰিলেহি। মই বহি পৰিলোঁ।

গোটেইখন নিজান। পৰিবেশটো ভয়াবহ হৈ উঠিছিল। ৰাতি যেন নুপুৰায় এনে লাগিছিল। জপনাখন মেলি কোনোবা এজন সোমাই অহাৰ গম পালোঁ। তাৰ পাছত মোৰ খিড়িকীখনত টুকৰিয়াই মোৰ নাম ধৰি মতা শুনিলোঁ। সপোন দেখা যেন লাগিছিল। খিড়িকীৰ ওচৰলৈ আগবাঢ়ি গ'লো। ক'লা সাজপিন্ধা তিৰোতা এজনী বাহিৰত বৈ আছিল। এফেঠৰে মোলৈ চাই ৰ'ল। মুখখন তেওঁৰ শেঁতা পৰা আৰু গম্ভীৰ।

'এয়া মইহে, এগনিচ।'

'কি হৈছে?'

'খং নাখাবা। হঠাতেই গোটেইখন মোৰ অসহ্য লাগি উঠিল। উপায় নাপাই বাগীখন লৈ ইয়ালৈকে আহিলোঁ। তোমাৰ খিড়িকীৰে পোহৰ দেখি তোমাক লগ পাই যাওঁ বুলি সোমালোঁ। এই সময়ত দিগদাৰ দিয়া বাবে ক্ষমা কৰিবা।

কিন্তু মোৰ মনৰ বেদনাখিনি তুমিও যদি উপলব্ধি কৰি পাৰিলাহেঁতেন। এতিয়ানো বহি বহি তুমি কি কৰিছিলা?

'এনেয়েহে বহি আছিলো। টোপনি নাহে দেখোন।'

'নিকোলাই, তুমি মোৰ অতি আদৰৰ। মই তোমাক খাটিছো, কাবৌ কৰিছো, মোৰ বন্ধুত্বক যদি তুমি অলপো মূল্য দিয়া, মই কৰাৰ দৰে কৰা।'

'কি কৰিব লাগে?'

'মোৰ টকাখিনি মোৰপৰা ওভোটাই লোৱা।'

'এতিয়া আকৌ তোমাৰ মূৰত কি সোমাল? তোমাৰ টকাখিনি মই কিয় ল'বলৈ যাম?

'বাহিৰলৈ গৈ তুমি নিজৰ স্বাস্থ্য ঘূৰাই আনিব পাৰিবা। তোমাৰ কাৰণে চিকিৎসাৰ খুব প্ৰয়োজন হৈ পৰিছে। কোৱা মোৰ টকাখিনি ল'বানে? কোৱা, ল'বানে নোলোৱা?' তাই উত্তেজিত হৈ উঠিল। চকুকেইটা তাইৰ সেমেকি উঠিছিল। মই নিৰুত্তৰ।

'কোৱা, ল'বানে নোলোৱা?' তাই অধৈৰ্য্য হৈ উঠিল।

'নাই, এগনিচ ধন্যবাদ, মই ল'ব নোৱাৰিম।'

মোৰ ফালে পিঠি দি তাই বৈ থাকিল। অন্তৰৰ কোনোবাখিনিত যেন তাই অতিকৈ আঘাট পালে।

'বোৱা, এতিয়া শুই থাকাগৈ। কাইলৈ আকৌ লগ পাম।' মই কলো।

'তুমি ভেনেহলে মোক বন্ধু হিচাবে এতিয়াও ল'ব

নোৱাৰিলা নহয় নে?'

'মই সেইটো কোৱা নাই। কিন্তু তোমাৰ টকাৰ এতিয়া আৰু মোৰ কোনো প্ৰয়োজন নাই।'

'অ', মই দুঃখিত। বুজিছো। মোৰ দৰে মানুহ এজনীৰ পৰা টকা ধাৰে লোৱা তোমাৰ কাৰণে শোভনীয় নহয়। যাওঁহে এতিয়া। দিগদাৰী দিয়াৰ কাৰণে যেন ক্ষমা কৰাঁ।

ইমান বেগেৰে তাই আঁতৰি গ'ল যে বিদায় সম্ভাষণ জনাবলৈও মই সময় নাপালো।

(৬)

মই খাৰকভ পালোগৈ।

তালৈ যোৱা নোযোৱাৰ প্ৰতিবাদ কৰাৰ সময় কেতিয়াবাই পাৰ হৈ গৈছে। জীৱনৰ প্ৰতি মই ইমান উদাসীন হৈ পৰিছিলো যে পেৰিচলৈ যোৱা আৰু খাৰকভলৈ যোৱা মোৰ কাৰণে একেই হৈ পৰিছিল।

দুপৰীয়াৰ সময়ত খাৰকভ পাই, গীৰ্জ্জা ঘৰটোৰ অলপ দূৰৈতে থকা হোটেল এখনত উঠিলোগৈ। বেলৰ ভ্ৰমণৰ পাছত মই বৰ দুৰ্ব্বল হৈ পৰিছিলোঁ। তাত থকা মোৰ বন্ধুসকলকো দেখা কৰিব লাগে। কিন্তু সময় বা শৰীৰৰ বল হ'ব জানো? হাওলা চকী খনতে অলপ জিৰাম বুলি বহি পৰিলো।

হোটেলৰ বুঢ়া খানচামাটোক আলেকজেণ্ডাৰৰ বিষয়ে

সুধিলো। সি তাৰ থলুৱা লোক। টাউনখনৰ সকলো কথাই তন্ন তন্নকৈ জানে। কিন্তু আচৰিত কথা সি আলেক-জেণ্ডাৰ নামৰ কোনো খাৰকভ বাসিন্দাৰ নাম নাজানে। সি একোৱেই নাজানে।

ঘড়ীটোত এটা, দুটা, তিনিটা বজাৰ শব্দ হ'ল। শেষত কৰ্ম্মহীন জীৱনচোৱা মোৰ কাৰণে নাযায়-সুপুৱায় লাগিছিল। ইমান সময় এনেয়ে বহি থকাৰ কথা আগেয়ে মই কল্পনাও কৰিব নোৱাৰিছিলোঁ। লাহে লাহে গধূলি হ'ল। সেই অচিনাকি হোটেলখনত ৰাতি এটা খপাৰ কথাকেই মই সহজে ল'ব পৰা নাছিলো। ৰাতি দহমান বজাত বিচনাত বাগৰ দিলো। অলপ টোপনি আহিছিল। আমনি নকৰা হ'লে আৰু অলপ হয়তো শুব পৰা গ'লহেঁতেন। ৰাতি এটা বজাত কোনোবাই মোৰ দুৱাৰত টোকৰ দিলে,

'কোন?'

'আপোনাৰ নামত এখন টেলিগ্ৰাম আছে।'

'তুমি সেইখন মোক কাইলৈ ৰাতিপুৱাও দিব পাৰিলা-হেঁতেন। এতিয়া যে আৰু মোৰ টোপনি নাহিব।' টেলিগ্ৰাম-খন হাতলৈ আনি হোটেলৰ পৰিচালকটোক অলপ বিৰক্ত হৈ কলো।

'ক্ষমা কৰিব। কিন্তু আপোনাৰ কোঠাত লাইটটো জ্বলি থকা দেখিহে এতিয়াই দি যাওঁ বুলি ভাবিলো।'

টেলিগ্ৰামখন কৰিছিল মোৰ পৰিবাৰে। লিখা আছে,

'লিজা আৰু আলেকজেণ্ডাৰৰ কালি গোপনে বিয়া হৈ গৈছে। তুমি বেগেতে ঘূৰি আহাঁ।'

মই একেবাৰে অবাক। খবৰটোতকৈও মোক বেচি আচৰিত কৰিছিল, গোটেই ঘটনাটো ভেৰীয়াই ইমান সহজ ভাৱে লোৱাটোৱেহে। বহুতে কয় দাৰ্শনিক আৰু পণ্ডিত সকলেহে দুখতো নিৰ্লিপ্ত হৈ উদাস হৈ থাকিব পাৰে। মিছা কথা। উদাস হোৱাতো আত্মাৰ জড়তাৰহে আত্মজাননী।

বিচনাত পৰি কিবাবোৰ ভাবি থাকিলো। এৰা আমাৰ বোপা-ককাসকলে কৈ যোৱাৰ দৰে 'নিজকে জানি লোৱা' কথাবাৰিয়েই ঠিক। নিজকে জানিবলৈ যত্ন কৰিলো। আগেয়ে মোৰ এটা বিশেষত্ব আছিল, এজনক জানিবলৈ হ'লে আগতে তেওঁৰ বাসনা-কামনাবোৰ জানি লোৱা। সেইবোৰেই এজনৰ ব্যক্তিত্ব ভালদৰে ফুটাই তোলে। তেনেহলেনো এতিয়া বাৰু মোৰ নিজৰ বাসনাবোৰ কি? মই কি বিচাৰোঁ?

কিন্তু মোৰ ভালপোৱা বেয়াপোৱাবোৰৰ মাজত জানো কিবা সামঞ্জস্য আছে? এইটো বিচাৰোঁ, সেইটো নিবিচাৰোঁ, এইটো ভাল, সেইটো বেয়া, এই সকলোবোৰ জানো মনৰ খামখেয়ালি নহয়? তেনেহলেনো বাৰু ভাবি চিন্তি লাভ কি? যিটো হ'ব লগা আছে হ'বই বাধা দি লাভ নাই। ধৈৰ্য্যধৰি সহি থকাই জ্ঞানীৰ কথা।

ৰাভিপুৰা চাহৰ লগতে স্থানীয় বাতৰি কাকত এখন মোক পৰিচালকটোৱে দি গ'লহি। খবৰ এটাও চকুত পৰিল।

'বিখ্যাত বৈজ্ঞানিক, অধ্যাপক নিকোলাই ষ্টেপানিচ কালি ডুপৰীয়াৰ ট্ৰেইনত খাৰকভলৈ আহিছে। তেখেত আহি এন্ হোটেলত উঠিছেহি।' ডাঙৰ ডাঙৰ নামবোৰৰ যেন সেই নামধাৰীসকলৰ পৰা এটা পৃথক অস্তিত্ব আছে, মোৰ এনে ভাব হ'ল। মোৰ নামটো আজি খাৰকভৰ বাটে-পদূলিয়ে জনাজাত হৈ গৈছে। আৰু কিছু দিনৰ পিছত হয়তো সেই নামটো সূৰ্য্যৰ প্ৰখৰতাৰে জিলিকি উঠিব কবৰৰ ওপৰত থকা এটা শিলত। কিন্তু নিজে মই কি হৈ আছো? এটা শেলুৱৈয়ে ধৰা জীৱনেই জানো মই কটোৱা নাই? ভাৱবোৰে মোক জুমুৰি দি ধৰিলেহি।

দুৱাৰখনত কোনোবাই লাহে লাহে টুকৰিয়াই দিলে।

'কোন? সোমাই আহাঁ।'

দুৱাৰখন মেল খালে। বিস্ময়ত মই দুখোজ পিচুৱাই আহিলো। মোৰ আগত বৈ আছিল এগনিচ।

'হাঃ হাঃ তুমি মোক আশা কৰা নাছিলা, নহয়নে বাৰু? মস্কো ইয়ালৈকে আহিছো।' হাঁহি হাঁহি তাই মোৰ মনৰ ভাৱৰ উত্তৰ দিলে। মই কোনো কথা ক'ব পৰা নাছিলো।

'কিহে, তুমি কথা নাপাতিবাই নেকি? মই ইয়ালৈ আহিছিলো। তুমিও ইয়াত থকাৰ গম পাই লগ ধৰিবলৈ আহিছো।'

'তোমাক লগ পাই খুব ভালেই লাগিছে। কিন্তু বিনা মেঘে বজ্ৰপাতৰ দৰে হৈছা দেখোন। তুমিনো কি সকামত

ইয়ালৈ আহিছা ?'

'একো বিশেষ কাৰণ নাই। এনেয়ে মন যোৱাত আহি গলো।' দুয়ো অলপ নিমাত। হঠাতে উঠি তাই মোৰ ফালে আগবাঢ়ি আহিল। তাৰ পিছত নিজৰ বুকুত হাতখন থৈ আবেগভৰা ভাষাৰে কৈ উঠিল 'নিকোলাই, মই আৰু এনেদৰে জীয়াই থাকিব নোৱাৰোঁ! কোনোপধ্যেই নোৱাৰোঁ! ভগৱানৰ নামত, মই কি কৰা উচিত তুমি তৎক্ষণাত কৈ পেলোৱা! কি কৰিব লাগে কোৱাঁ!'

'মইনো কি ক'ব পাৰোঁ বাৰু? ক'বলৈ মোৰ একোৱেই নাই।' মই নিৰুপায় হৈ পৰিছিলো।

কোৱা মই কাবৌ কৰিছো! মোক এটা দিহা লগাই দিয়া। মই যে এনেকৈ আৰু থাকিব নোৱাৰোঁ! অসহ্য হৈ পৰিছে!' চকীখনত বহি তাই উচুপিবলৈ ধৰিলে। 'মোক সহায় কৰাঁ, অলপ সহায় কৰাঁ, কাবৌ কৰিছো। আৰু মই সহ্য কৰিব নোৱাৰোঁ!'

হাতৰ বেগটোৰ পৰা তাই ৰুমালখন উলিয়াওঁতে কেইখনমান চিঠি মাটিত পৰি গ'ল। তুলি দিওঁতে দেখিলো এখনত ফিদ্রিঙৰ হাতৰ আখৰ।

'ক'বলৈ মোৰ কোনো কথা নাই।'

'মোক নিঠৰুৱা নকৰিবা! তুমি পিতৃতুল্য, একমাত্ৰ শুভাকাংক্ষী! তুমি শিক্ষিত, জ্ঞানী আৰু দূৰদৰ্শী। বহুতদিন অধ্যাপনা কৰি শ শ লৰাক শিক্ষা দি আহিছা। মোকো

কিবা শিক্ষা দিয়া। মোৰ হাতখনত ধৰি আৱেগেৰে তাই কৈ উঠিল।

'বিশ্বাস কৰা এগনিচ, মই একো কৰিবলৈ পাৰগ নহওঁ। তোমাক কি উপদেশ দিম ভাবি পোৱা নাই।' এগনিচৰ কোনো উত্তৰ নাই। 'ধৈৰ্য্য ধৰা। আহাঁ, অলপ চাহ খাই লওঁহক। উচুপনি বন্ধ কৰা। মোৰো যাবৰ সময় হৈছেহি।' অলপ সান্ত্বনা দিবলৈ চেষ্টা কৰিলো।

'এটা কথা। মাত্ৰ এটা কথা। মই কি কৰিম?'

'কিযে আচৰিত ছোৱালী তুমি! মই একো বুজিব পৰা নাই। তোমাৰ দৰে বুদ্ধিমতী ছোৱালীজনীয়ে এনেকৈ উচুপিলে সুশুৱায়।' অলপ পৰ নিতাল।

এগনিচে চুলিখিনি ফনিয়াই টুপিটো পিন্ধিলে। চিঠিবোৰ সোতোৰা-মোচোৰা কৰি বেগটোত ভৰালে। তাইৰ কাপোৰ কানিৰ আগফাল চকুৰ পানীৰে ভিতি গৈছিল। চকুত কিন্তু তাইৰ এটা অভিমানৰ তীব্ৰ চাৱনি।

'আমি চাহ খাওঁ আহাঁ। এগনিচ।'

'ধন্যবাদ। নাখাওঁ।'

'খাবৰভখন মোৰ অলপো ভাল লগা নাই। কিবা লেতেৰা ঠাইখন।' মই ক'লো।

'ময়ো তাকেই ভাবিছো। আজিয়েই ইয়াৰ পৰা যামগৈ। যাত্ৰাৰ মাজতহে সোমাব লগাত পৰিলো।'

'তুমিনো ক'লৈ যাবা?'

'ক্ৰিমিয়ালৈ।'

'সঁচাই? বহুতদিনৰ বাবে নেকি?

'মই নাজানো।' অতি কঠুৱাকৈ কথা কেইটা কৈ যন্ত্ৰ-চালিতৰ দৰে হাতখন তাই মোৰ ফালে আগবঢ়াই দিলে! কাঠহাঁহি এটাৰে মোৰ ফালে চালে।

মোৰ সুধিবৰ মন গৈছিল, 'তেন্তে মোৰ অন্ত্যেষ্টি ক্ৰিয়াৰ সময়ত তুমি নাথাকিবা, এগনিচ?' কিন্তু নুসুধিলোঁ। তাই যেন মোৰ প্ৰতি বেচি কঠোৰ হৈ পৰিছিল। হাতখন অচিনাকি এজনৰ দৰে লাগিল। কোনো কথা নোকোৱাকৈয়ে মই দুৱাৰমুখলৈকে তাইক আগবঢ়াই দিলো। মোলৈ ঘূৰি নোচোৱাকৈয়ে দীঘল বাৰান্দাটো তাই পাৰ হৈ গ'ল। মই যে তাইলৈকে একান্ত মনেৰে চাই আছিলো, তাই জানিছিল। হয়তো আলিবাটত উঠাৰ লগে লগে মোলৈ ঘূৰি চাবগৈ, এই আশা কৰি চাই থাকিলোঁ।

কিন্তু নাচালে। তাইৰ ক'লা সাজটো নেদেখা হৈ গ'ল, খোজৰ শব্দ নুশুনা হ'ল। বিদায়, মোৰ চেনেহী!

ওল্‌গা আইভানোভনাৰ বিয়া। বন্ধু-বান্ধৱী আৰু সম্বন্ধীয় কোনো বাদ পৰা নাই।

'তেওঁলৈ চোৱাচোন। কিবা এটা আকৰ্ষণীয় আছে, নহয়নে বাৰু?' নিজৰ স্বামীৰ ফালে আঙুলিয়াই ওল্‌গাই বন্ধুবৰ্গক উদ্দেশ্য কৰি ক'লে। এজন সাধাৰণ মানুহক বিয়া কৰোৱাৰ লাজ ঢাকিবলৈকেই যেন এই প্ৰচেষ্টা।

ওল্‌গাৰ গিৰিয়েক ষ্টেপানিচ ওচিপ ডিমভ ডাক্তৰ। দুখন চিকিৎসালয়ত তেওঁ চকু দিব লাগে। প্ৰায় গোটেই দিনটো এই দুখনত ঘূৰি ফুৰোঁতেই যায়। বাহিৰা ৰোগী চোৱাৰ আহৰি প্ৰায় নাথাকে। গতিকে সেইফালৰ পৰা খুব কমেইহে তেওঁৰ আয় হৈছিল। তেওঁৰ বিষয়ে ক'ব লগা

আৰু বিশেষ একো নাছিল। আনহাতে আকৌ ওল্‌গা আইভানোভনা আৰু তেওঁৰ লগৰীয়াইঁত কোনোপধ্যেই সাধাৰণৰ শাৰীত থ'ব পৰা বিধৰ নাছিল। সাধাৰণতকৈ তেওঁলোক ওপৰত। তেওঁলোকৰ প্ৰতিজনেই বেলেগ বেলেগ ক্ষেত্ৰত নামজ্বলা। ভালেকেইজনৰ আকৌ ভৱিষ্যতৰ আশা প্ৰচুৰ। কোনোবা এজন অভিনেতা। তেওঁৰ খ্যাতি কেউ-ফালে বিয়পি পৰিছিল। তেওঁ বুধিয়ক আৰু ভাল বক্তাও। ওল্‌গাকো তেওঁ আবৃত্তি কৰিবলৈ শিকাইছিল। আন এজন শকত-আৱত থুলন্তৰ চেহেৰাৰে এজন গায়ক। ওল্‌গাক তেওঁ প্ৰায়ে তিৰস্কাৰ কৰিছিল নিজৰ প্ৰতিভাৰ প্ৰতি সজাগ নোহোৱাৰ কাৰণে। তেওঁৰ মতে এগৰাকী সু-গায়িকা হোৱাৰ সম্ভাৱনা ওল্‌গাৰ পূৰা মাত্ৰাই আছিল। কিছু সাধনাৰ অভাৱতহে সেইটো হৈ উঠা নাই। আন কেইজনমান আছিল শিল্পী। তেওঁলোকৰ ভিতৰত চিত্ৰকৰ ৰিয়াবভ লেখত লব-লগীয়া। পঁচিশ বছৰীয়া চকুৰোৱা চেহেৰাৰ ৰিয়াবভে কম বয়সতে বেচ সুনাম অৰ্জ্জন কৰিছিল। তেওঁ ওল্‌গাৰ কেইবাখনো প্ৰতিকৃতি আঁকি দিছিল। এজন আছিল আকৌ লিখক। উপন্যাস, চুটি গল্প, আদি লিখি ভৱিষ্যতৰ বহুত আশাৰ সপোন তেওঁ দেখিছিল। এইদৰে আন বহুতো খ্যাতিসম্পন্নলোক তাত আছিল। বাইজৰ শলাগ আৰু বন্ধু বান্ধৱীৰ শতমুখী প্ৰশংসাত তেওঁলোক একেবাৰে আত্মহাৰা হৈ আছিল। গতিকে ডাক্তৰ এজনৰ কথা চিন্তা কৰা বা

মনত বখাব আহুবিয়েই বা তেওঁলোকৰ ক'ত? কেতিয়াবা কাবোবাৰ অসুখ-বিসুখ হ'লে ক্ষন্তেকৰ বাবে ডাক্তৰ এজনৰ আৱশ্যক। আৰু সেইজন ডাক্তৰ ডিমভেই হওক বা ডাক্তৰ চিদবভেই হওক তেওঁলোকৰ ভবাৰ কোনো প্ৰয়োজন নাই। সেই কাৰণেই বোধকৰোঁ এই বিবাহ উৎসৱত ডাক্তৰ ডিমভক তেওঁলোকে একেবাৰে আচহুৱা পালে। বহল বুকুৰে ওখ পাখ ডিমভজনো তেওঁলোকৰ চকুত বৰ সক সক যেন লাগিল। তেওঁলোকৰ মনৰ ভিতৰৰ অৱস্থাৰে বোধকৰোঁ ই এটা বাহ্যিক ৰূপান্তৰ। ডিমভৰ গোফকোচা তেওঁলোকৰ পচন্দ হোৱা নাই, কিবা বেপাৰী বেপাৰী যেন দেখাইছিল বোলে। অৱশ্যে ডাক্তৰ নহৈ তেওঁলোকৰ দৰে শিল্পী, অভিনেতা আদি হোৱা হ'লে সেই একেকোচা গোফেৰেই ডিমভক একেবাৰে জোলাৰ দৰে দেখাইছিল বুলি হয়তো তেওঁলোকে মন্তব্য কৰিলেহেঁতেন।

শিল্পীবন্ধুজনৰ হেনো মিহি চুলিৰে আৰু বিবাহ উৎসৱৰ সাজত ওলগাক একেবাৰে বসন্তৰ পৰশত বগা ফুলেৰে ভৰি থকা এজোপা লাহী চেৰীগছৰ দৰে লাগিছিল।

'ৰবা, শুনাচোন,' শিল্পীবন্ধুজনৰ বাউসিত ধৰি ওলগাই মাত লগালে। 'এই বিয়াখন কেনেকৈ হ'বলৈ পালে ক'ব পাৰানে? শুনা বাৰু, মই সকলো কওঁ। মোৰ দেউতা আৰু এই ডিমভ দুয়ো একেখন চিকিৎসালয়তে কাম কৰিছিল। এবাৰ মোৰ দেউতাৰ নৰিয়া হ'লত বাতিদিন ডিমভে তেওঁৰ

চিকিৎসা আৰু শুশ্ৰূষা কৰিছিল। ৰাতিৰ পাছত ৰাতি টোপনি ক্ষতি কৰি তেওঁ দেউতাৰ বিচনাৰ কাষত লাগি আছিল। আনৰ কাৰণে যে কি কষ্ট সহ্য কৰিব নোৱাৰে তেওঁ! হেৰা বিয়াৰভ, আৰু শুনা। আৰু হেৰা লিখকবন্ধু তুমিও শুনা, বেচ আমোদজনক কথা। তোমালোক অলপ ওচৰ চাপি আহাঁহক। ডিমভৰ ত্যাগ কৰাৰ শক্তি অসীম। দেউতাৰ বেমাৰত ময়ো প্ৰায়ে টোপনি এৰি তেওঁৰ ওচৰত আছিলো। তেতিয়াই ডিমভৰ সৈতে মোৰ চিনাকি। হঠাতেই তেওঁ মোৰ অন্তৰ জয় কৰি পেলালে। মোক তেওঁৰ অন্তৰৰ পৰা ভাল পাবলৈ ধৰিলে। ভাগ্যই যে মানুহক কি কৰিব নোৱাৰে! দেউতাৰ মৃত্যুৰ পিছত প্ৰায়ে তেওঁ মোৰ ওচৰলৈ আহিছিল। আমি দুয়ো একেলগে ফুৰিবলৈও ওলাই গৈছিলো। এদিন কোনো আড়ম্বৰ নকৰাকৈ তেওঁ মোক বিয়া কৰোৱাৰ প্ৰস্তাৱ দাঙি ধৰিলে মই কি কৰোঁ কি নকৰোঁ একেবাৰে বিমোৰত পৰি গলো। গোটেই ৰাতি সেইদিনা মই কান্দিছিলো। ময়ো যে তেওঁৰ প্ৰতি আকৃষ্ট হৈছিলো সেইটো বঢ়িয়াকৈ উপলব্ধি কৰিলো। আৰু এতিয়া আমি দুয়ো বিবাহ-পাশত বান্ধ খোৱা স্বামী-স্ত্ৰী। তেওঁৰ মানুহজনৰ ভিতৰত কিবা এটা শক্তিমান, কিবা এটা উলাই কৰিব নোৱাৰা আছে নিশ্চয়। এতিয়া লাইটৰ পোহৰত তেওঁৰ মুখখনৰ আধাহে দেখা গৈছে। এইফালে মুখ ঘূৰালে তেওঁৰ কপাল-খনলৈ মন কৰিবাচোন, বিয়াৰভ। দেখি তোমাৰ কেনে

লাগে মোক ক'বা। অ' সোৱা তেওঁ এইকালেই আহিছে। আমি তোমাৰ কথাকে পাতি আছো, ডিমন্ত। এইকালে আহাঁ। বিয়াৰভক কৰমৰ্দ্দন কৰা। ভাল কথা। আজিৰ পৰা তোমালোক সকলো বন্ধু হৈ গ'লা।'

সৰল হাঁহি এটা মাৰি ডিমন্তে বিয়াৰভলৈ হাতখন আগবঢ়াই দি ক'লে, 'তাহানি কলেজত বিয়াৰভ নামেৰে মোৰ এজন সহপাঠী আছিল। তেওঁ আপোনাৰ কিবা সম্পৰ্কীয় নেকি ?'

(২)

ওল্‌গাৰ বয়স বাইশ আৰু ডিমন্তৰ একত্ৰিশ বছৰ। সুখেৰেই তেওঁলোকৰ দিনবোৰ বাগৰি গৈছে। ওল্‌গাই তেওঁলোকৰ বহাকোঠাটোৰ বেৰবোৰ ছবি, প্ৰতিকৃতিৰে ভৰাই পেলালে। কিছুমান তেওঁ নিজে অঁকা আৰু কিছুমান তেওঁৰ বন্ধুসকলে অঁকা। সুৰুচিপূৰ্ণ ধুনীয়া মেজ-মাচিয়া, বেঞ্চ, পুতলা আদিৰে গোটেই ঘৰটো তেওঁ পৰিপাটিকৈ সজাই তুলিলে। মুঠতে তেওঁলোকৰ ঘৰটো নশলগা লোক কোনো নাছিল।

ওল্‌গাৰ দৈনন্দিন চলন-ফুৰণত গিৰিয়েকেও অলপো বাধা নিদিছিল। এঘাৰমান বজাত বিচনা এৰিয়েই ওল্‌গাই পিয়ানো বজায়, নাইবা ব'দ থাকিলে তৈল-চিত্ৰ আঁকে। বাৰবজাৰ অলপ পিছতেই তেওঁৰ সাজপাৰৰ তদাৰক কৰা মহিলা গৰাকীৰ ওচৰলৈ ওলাগৈ গৈছিল। তেওঁলোকৰ আৰু

বৰ বেচি নাছিল। গতিকে নিতৌ নতুন নতুন সাজপাৰত ওলাই দেখনিয়াৰ হ'বলৈ গ'লে দৰ্জীৰ লগত অলপ দৰ-দাম কৰিবই লাগিব। আৰু এইটোত প্ৰায়ে ওল্‌গা সাফল্য হৈছিল। পুৰণি ফ্ৰক এটাকে কাটি-কুটি নতুন ৰং দি নাইবা অ'ৰ ত'ৰ সৰু সৰু কাপোৰৰ টুকুৰা লগাই সুন্দৰ পোচাক কৰাত তেওঁ ভালদৰে কৃতকাৰ্য্য হৈছিল। কাপোৰৰ লেঠামাৰি তেওঁ প্ৰায়ে অভিনেত্ৰী বান্ধৱী এগৰাকীৰ ওচৰলৈ গৈছিল। তেওঁৰ পৰাই ওল্‌গাই থিয়েটাৰ আদিত কাৰোবাক দিয়া সন্মানসূচক টিকট সংগ্ৰহ কৰিছিল। তাৰ পিছত ওল্‌গাৰ নিয়ম আছিল এজন শিল্পী বন্ধুৰ ৰূপ-গৃহলৈ যোৱা বা কোনোবা চিনেমা ঘৰত পাক এটা মৰাৰ। তাৰ পিছত তেওঁ প্ৰায়ে কোনোবা এজন বিশিষ্ট বন্ধুক নিমন্ত্ৰণ কৰি আহে চাহ-ভাতৰ কাৰণে। সকলো ঠাইতেই ওল্‌গাৰ খুব আদৰ অভ্যৰ্থনা। সকলোৱেই তেওঁক গুণনী, চতুৰা, অতুলনীয় আদি গুণেৰে বিভূষিত কৰিছিল। সকলোৱেই তেওঁৰ ৰূপ-গুণ বখানিছিল। নামজ্বলা আৰু সমাজত প্ৰতিপত্তি থকা চিনাকি সকলেও ওল্‌গাক তেওঁলোকৰ শাৰীৰে এজন বুলি আদৰ অভ্যৰ্থনা জনাইছিল। জীৱনৰ গতানুগতিক কথা কিছুমানত লাগি নাথাকিলে তেৱোঁ যে এগৰাকী বিখ্যাত ব্যক্তি হৈ উঠিব সেইটো ধুৰুপ, এইটো আছিল ওল্‌গাৰ প্ৰতি খ্যাতনামা বন্ধুসকলৰ ধাৰণা। উল্‌গাৰ গাত বিশেষ প্ৰাণভাৱ চিন আছিল বুলি সকলোৱে দৃঢ়

বিশ্বাস। তেওঁ কৰা সকলো কামেই চকুত লগা। তেওঁৰ সাজপাৰ গুৰনী আৰু পৰিপাটি। আনকি তেওঁ বান্ধি দিয়া বন্ধু এজনৰ টাইডালৰ গাঁঠিটোতো বোলে তেওঁলোকে বিশেষ কিবা এটা সৌন্দৰ্য্য দেখা পাইছিল। কিন্তু সকলোতকৈ তেওঁৰ প্ৰতিভা প্ৰখৰ আছিল সকলোকে সহজে বন্ধু কৰি ল'ব পৰাত। ডাঙৰ ডাঙৰ প্ৰতিভাসম্পন্নলোকক সততেই তেওঁ বন্ধু আৰু তেওঁৰ গুণগ্ৰাহী কৰি ল'ব পাৰিছিল। বিখ্যাত সকলৰ প্ৰতি ওল্‌গাৰ অগাধ ভক্তি। সেইসকলক লৈ তেওঁ গৌৰৱ কৰিছিল। আৰু প্ৰতি নিশা তেওঁলোকৰ সপোন দেখিছিল। খ্যাতিসম্পন্নলোকৰ প্ৰতি থকা তেওঁৰ এই আকৰ্ষণ দিনে দিনে বাঢ়িহে গৈছিল। তেওঁৰ বন্ধুৰ তালিকাত দিনৌ ন ন নাম সোমায়েই আছিল। পুৰণি বন্ধু বহুতকে সময়ত তেওঁৰ ভাল নলগা হয়গৈ বা আমুৱায়। অনেকেই হয়তোবা আকৌ তেওঁৰ আশাত চেচাপানী ঢালিছিল। তথাপিও তেওঁৰ ভাবিবলগা নাছিল। কাৰণ পুৰণি গ'লেও নতুনৰ আগমন সদায়েই হৈ আছিল।

গধূলি চাৰিটা আৰু পাঁচটাৰ ভিতৰত গিৰিয়েকৰ লগত তেওঁ আহাৰ কৰাৰ সময়! ডিমভৰ সৰল প্ৰকৃতি, খুহতীয়া কথাবতৰা আৰু নিবাৰম্বৰতাই তেওঁক মুগ্ধ কৰিছিল। কেতিয়াবা ৰঙতে তেওঁ গিৰিয়েকৰ ডিঙিত ধৰি আকোঁৱালি লৈছিল।

'তোমাৰ মনটো বৰ ডাঙৰ ডিমভ। তোমাৰ কিন্তু এটা বৰ ডাঙৰ দোষ আছে দেই। শিল্প-কলাৰ প্ৰতি তোমাৰ

অলপো মন নাই। গান-বাজনা বা ছবি অঁকাত তোমাৰ একেবাৰে অশ্ৰদ্ধা। কিয় বাৰু?' এদিন ওল্গাই সুধিছিল।

'সেইবোৰৰ মই একোটোকে বুজি নাপাওঁ। ডাক্তৰি বিদ্যা আৰু বিজ্ঞানৰ অধ্যয়ন আৰু চৰ্চ্চা কৰিয়েই জীৱনটোৰ আধা-আধি কটালো। গতিকে আন কথা শিকাৰ সময়েই নহ'ল দেখোন।' অতি নম্ৰভাৱে সিজনে উত্তৰ দিলে।

'কিন্তু সেইটো যে অদ্ভুত কথা, ডিমভ। এইবোৰ নোহোৱাকৈ যে জীৱনটোৱেই তোমাৰ একেবাৰে নিৰস হৈ যাব। এইবোৰৰ অবিহনে যে আমাৰ জীৱনটো সম্পূৰ্ণই হ'ব নোৱাৰে।'

'কিয় অদ্ভুত কথা হ'ব? তোমাৰ বন্ধুসকলৰ কথা যে কোৱা, তেওঁলোকে বিজ্ঞান বা ডাক্তৰি শাস্ত্ৰৰ কথা কিবা জানেনে বাৰু? আৰু এই অজ্ঞতাৰ বাবে কেতিয়াবা তুমি তেওঁলোকক দোষাৰোপ কৰিছা জানো? গান-বাজনা বা প্ৰাকৃতিক সৌন্দৰ্য্যৰ ছবি আদিৰ বিষয়ে মই একো নাজানো। মাত্ৰ এই ভাৱেই লওঁ যে যেহেতু বহুত বুদ্ধিমান শিক্ষিত লোকে যেতিয়া গোটেই জীৱন এইবোৰৰ সাধনা কৰিছে আৰু আন বহুতো বুদ্ধিমান আৰু চতুৰ লোকে এইবোৰত হাজাৰ বিজাৰ টকা ভাঙিছে, এইবোৰৰ কিবা এটা আৱশ্যকতা থাকিবই লাগিব। মই নিজে নাজানো বুলিয়েই যে এইবোৰক অৱজ্ঞা বা অশ্ৰদ্ধা কৰোঁ সেইটো নহয়।'

আহাৰৰ পিচত ওল্গাই দুই-এক বন্ধুৰ তাত গৈ খা-খবৰ লয়। তাৰ পৰা থিয়েটাৰ বা গান-বাজনাৰ আচৰলৈ যোৱা

তেওঁৰ স্বভাৱ। বাতি বাৰ বজাৰ আগেয়ে ঘৰলৈ তেওঁ ঘুৰে। দিনবোৰ এইদৰেই অতিবাহিত হৈছিল।

বুধবাৰে গধূলি অৱশ্যে তেওঁ বাহিৰ নোলাইছিল। সেইদিনা নিজ ঘৰলৈ অহা আলহি-অতিথিক সোধ-পোচ কৰাত তেওঁ ব্যস্ত হৈ থাকে। শিল্প-কলাৰ বিষয়ে নানাৰকম আলোচনা সমালোচনা হয়। কোনোজনে আকৌ স্বৰচিত গান একোটা আবৃত্তি কৰি শুনায়। কোনোবাজন নিপুণ শিল্পীয়ে হয়তোবা ওলগাৰ এলবামত ধুনীয়াকৈ ছবি একোখনকে আঁকি দিয়ে। গধূলিটো আনন্দমুখৰ হৈ উঠে। এইবোৰ মেলত মাইকী মানুহ নাথাকে। কাৰণ হৈছে, অভিনেত্ৰী আৰু নিজৰ সাজ-পোচাকৰ তদাৰক কৰা মহিলা গৰাকীৰ বাহিৰে আন সকলো মহিলায়েই ওলগাৰ কাৰণে বৰ আমনি লগা আৰু খোৱা-বোৱাৰ বাহিৰে আন কথাৰ ভাগ ল'বলৈ অসমৰ্থ আছিল। ডিমভেও এইবোৰত কেতিয়াও যোগ নিদিছিল। তেওঁৰ অনুপস্থিতি অৱশ্যে কোনেও অনুভৱ নকৰিছিল। ঠিক এঘাৰ বজাত অৱশ্যে তেওঁ কোঠালৈ সোমাই আহি সদায়েই অতিথিসকলক খাবৰ কাৰণে নিমন্ত্ৰণ কৰিছিলহি।

ধুনীয়াকৈ সজোৱা খোৱা কোঠাটোত সোমায়েই সকলোৱে শতমুখে ওলগাৰ শলাগ লৈছিল। নানাৰকম খাদ্য সামগ্ৰীৰে সকলোকে আপ্যায়িত কৰিবলৈ ওলগাই সকলো বস্তুকে লৈছিল।

আনন্দ উত্তেজনাত কেতিয়াবা ওলগাই চিঞৰি সকলোকে উদ্দেশ্য কৰি কৈছিল, 'ডিমভ, তুমি সঁচাকৈয়ে বৰ সুন্দৰ।

তোমালোকে তেওঁৰ বহুল কপালখন চোৱাচোন। কেনে মোহলগা। একেবাৰে বঙ্গদেশৰ হাবিত থকা বজাঘৰীয়া বাঘটোৰ দৰে। আৰু চকুযুৰিত হৰিণীৰ দৰে কোমল আৰু মৰমৰ চাৱনি।'

খোৱাৰ ব্যস্ততাৰ মাজতে ক্ষন্তেকৰ কাৰণে সকলোৱে ডিমভলৈ চাই মনতে ভাৱে স'চাই এই মানুহজন চকুত লগা। যাহওক, তেওঁৰ চিন্তা তেওঁলোকৰ বেচিপৰ নাথাকে। নাচ-গান, থিয়েটাৰ আদিৰ আলাপ-আলোচনাত পুনৰ তেওঁলোক মগ্ন হৈ পৰে।

ডিমভ-ওল্‌গাৰ বিবাহিত জীৱন এইদৰে সুখেৰেই চলিছিল। দুয়ো বেচ সুখী আছিল। মধুচন্দ্ৰিকাৰ তৃতীয় সপ্তাহটো অৱশ্যে তেওঁলোকৰ কাৰণে বৰ সুখৰ নাছিল। চিকিৎসালয়তে ডিমভক চৰ্ম্মৰোগৰ বীজাণুৱে আক্ৰমণ কৰিছিল। ছদিন ধৰি তেওঁ শয্যাগত হৈ আছিল। তেওঁৰ শুৱনী কেকোৰা চুলিকোচা চুটিকৈ কাটি দিয়া হৈছিল। উল্‌গাই উচুপি উচুপি তেওঁৰ বিচনাৰ কাষতে বহি আছিল। পিছত ভাল হোৱাত মূৰত বগা কমাল এখন পিন্ধাই সেই অৱস্থাত তেওঁ গিবিয়েকৰ চবি আঁকিছিল। ভাল হৈ ডিমভে আকৌ চিকিৎসালয়লৈ অহাযোৱা কৰিলে। কেইদিনমানৰ পিছতে আকৌ এটা নতুন বিপদে তেওঁলোকক জুমুৰি দি ধৰিলেহি।

"মোৰ ভাগ্যহে বেয়া হৈছে যেন লাগিছে। আজি চাৰিটা মৃতদেহত অস্ত্ৰোপচাৰ কৰিছিলো। কৰি থাকোতেই

মোৰ নিজৰ আঙুলি দুটাও কাটিলে। ঘৰলৈ আহিছে মন কৰিছো। ডিমভে ওল্‌গাক খবৰটো দিলে।

ওল্‌গাৰ বৰ ভয় লাগিছিল। হাঁহি মাৰি সেইটো বিশেষ ভয় কৰিব লগা নহয় বুলি তেওঁ গিৰিয়েকক আশ্বাস দিছিল। তেওঁৰ শুশ্রূষাত ঘা ডোখৰ সোনকালেই ভাল হৈ গ'ল। আকৌ সুখৰ মাজেৰে দিনবোৰ যাবলৈ ধৰিলে। অহা এপ্ৰিল, মে আৰু জুন মাহকেইটা ও্‌লগাই মস্কোৰ পৰা বহু দূৰৰ গাওঁ এখনত থাকিবগৈ। কিযে ভাল নালাগিব তাত। সহজ, সৰল গাঁৱলীয়া জীৱনৰ সৌন্দৰ্য্য তেওঁ উপ-ভোগ কৰিব। মাছমৰা, হাবি-বননিৰ মাজে মাজে ফুৰা আৰু গানগোৱা, প্ৰাকৃতিক সৌন্দৰ্য্যবোৰৰ ছবি অঁকা আদিত তেওঁ ব্যস্ত হৈ থাকিব। মনটো তেওঁৰ আনন্দত নাচি উঠিল। তাৰ পাছতে আকৌ জুলাই মাহৰ পৰা শৰৎ কালৰ ঠিক আগলৈকে এই সময়চোৱাত শিল্পৰ দল এটাই ভল্‌গা নদীৰ পাৰত ভ্ৰমণ কৰিবলৈ যাব। সেই দলটোত ওল্‌গাও থাকিব। কিমান যে উপভোগৰ হ'ব এই ভ্ৰমণটো। তেওঁ আনন্দত বিভোৰা হৈ পৰিল! ভ্ৰমণৰ উপযোগী সাজ-পোচাক, চবি অঁকাৰ সজুলি আদি ইতিমধ্যে তেওঁ কিনিয়েই থৈছিল।

(৩)

এদিন সোমবাৰে আবেলি ডিমভে বজাৰৰ পৰা মিঠাই

বিস্কুত কিছুমান কিনি আনিলে, গাৰঁত থকা ঘৈণীয়েকলৈ নিবলৈ। যোৱা পোন্ধৰ-কুৰিদিন তেওঁ ওল্‌গাক দেখা নাছিল। তেওঁৰ গাত উচ্‌পিচনি। কেতিয়াকৈ ঘৈণীৰ লগত গৈ সুখৰ দুখৰ দু-আষাৰ কথা ক'বগৈ পাৰে। ৰেলৰ ভিতৰতো বহুতো মধুৰ কল্পনাই তেওঁক জুলুম দিছিল।

গাৰঁৰ ঘৰটো পাওঁতে প্ৰায় আন্ধাৰ হৈছিল। বুঢ়া চাকৰটোৱে খবৰ দিলে যে আইদেউ ঘৰত নাই, অলপতে ঘূৰি অহাৰ কথা। চাপৰ চিলিঙিৰে একেবাৰে পুৰণি ধৰণৰ ঘৰটোত তিনিটা কোঠা আছিল। মজিয়াখনৰ কেইবাঠাইটো কাঠৰ মাজেৰে ফাট দেখা গৈছিল। এটা কোঠাত বিচনা এখন আছিল। আন এটাত ছবি অঁকাৰ কিছুমান সৰঞ্জাম, কিছুমান ফলাচিৰা কাগজ আৰু চকীকেইখনৰ পৰা ওলমি থকা কেইটামান টুপী। শেষৰটো কোঠাত তিনিজন একেবাৰে অচিনাকি মানুহ বহি আছিল। দুজনৰ বৰণ ক'লা আৰু মুখত ডাঠ ডাঢ়ি। আনজনৰ মুখ ভালকৈ চুচি-মাজি অহা আৰু বৰণ বগা। দেখাত তেওঁক অভিনেতা যেন লাগিল। মেজখনৰ ওপৰৰ টেকেলিটোৰ গৰম চাহখিনি ধোঁৱাই আছিল।

'আপোনাক কি লাগে? ওল্‌গা আইভানোভানক বিচাৰিছে-নেকি? অলপ অপেক্ষা কৰক, সোনকালেই তেওঁ পাবহি।' অলপ হুতা মাতেৰে অভিনেতা যেন লগাজনে ডিমভক প্ৰশ্ন কৰিলে।

ভাগৰত অহা ডিমন্ত চকী এখনত বহি পৰিল।

'অলপ চাহকে খাওক।' ডচ্ৰিয়া এজনে বাতি এটাত অলপ চাহ বাকি ডিমভৰ ফালে আগবঢ়াই দিলে।

ভোক পিয়াহ দুয়োটাই লাগিছিল যদিও ডিমন্তে চাহ নাখালে। চাহ খালে কিজানিবা ওলগাৰ লগত ভালকৈ খোৱা-বোৱা কৰিবলৈ তেওঁৰ তৃপ্তি নোহোৱা হৈ যায়; এই ভয়। অলপৰ পিছতে বাহিৰত কাৰোবাৰ খোজৰ আৰু চিনাকি হাঁহিৰ শব্দ শুনা গ'ল। ওলগা কোঠাটোলৈ সোমাই আহিল। হাতত তেওঁৰ এটা সৰু বাকচ আৰু মূৰত এটা বহল টুপী। তেওঁৰ পাছে পাছে জপোৱা চকী এখন লৈ আহি আছিল প্ৰফুল্লিত বদনেৰে শিল্পী বিয়াবভ।

'ডিমভ! ডিমভ! তুমি আহিছা! ইমান দিনে তুমি কিয় অহা নাছিলা বাৰু? কোৱা কিয় অহা নাছিলা।' আবেগভৰা ভাষাৰে চিঞৰি চিঞৰি ওলগাই কৈ গ'ল।

'কেনেকৈনো আহোঁ। সময়েই কৰিব নোৱাৰোঁ। দেখোন। কেতিয়াবা অলপ সময় পালেও সুবিধামতে ৰেল নাথাকে।'

'উস্ কতদিন যে তুমি আহিবা বুলি বাট চাই আছোঁ। তোমাক ওচৰত পাই যে কিমান ভাল লাগিছে, ডিমভ। সদায়েই সপোনত তোমাক দেখোঁ। তোমাৰ কিবা অসুখ-বিসুখ হৈছে বুলি ভয়ো লাগিছিল কিন্তু। তুমি যে ইমান মৰমিয়াল। তুমিয়েই মাত্ৰ মোৰ একমাত্ৰ সম্বল। মোক বিপদ আপদৰ পৰা ৰক্ষা কৰোতা তুমিয়েই। বৰ বিপদ এটাত পৰিছো,

ডিমত। কাইলৈ ইয়াত এখন বৰ উখল-মাখল বিয়া হ'ব।' হাঁহি হাঁহি তেওঁ কথাবোৰ কৈ গৈছিল। লগে লগে গিৰিয়েকৰ ডিঙিৰ টাইডালৰ বান্ধটো ভাল কৰি টানি দিলে। 'ইয়াৰ ডাকঘৰৰ টেলিগ্ৰাফ অপাৰেটৰজনৰ বিয়া। বেচ শুৱনী লৰাটো। আমি তেওঁৰ বিয়াত থাকিম বুলি কথা দিছো। কেও কিছু নোহোৱা এই অকলশৰীয়া লাজুক লৰাটোক আমাৰ সঙ্গ আৰু সহানুভূতি নিদিলে ভাল হ'ব জানো? গীৰ্জাৰ মন্ত্ৰৰ পাছতে শুভ-পৰিণয়। গীৰ্জাৰ পৰা বাহিৰে বাহিৰেই আমি সকলো কইনাৰ ঘৰলৈ যামইক। প্ৰাকৃতিক সৌন্দৰ্য্যৰ লীলাভূমি এই ঠাইডোখৰত বিয়াখন যে বৰ উপভোগ্য হ'ব। সেউজীয়া প্ৰকৃতিৰ মাজত ৰঙা, নীলা, বগা, হালধীয়া ৰঙৰ পোচাকেৰে আমাক যে কিমান ভাল দেখাব নহয়নে বাৰু? সঁচাই, এইখনহে প্ৰকৃত আৰু খাটি বিয়া হ'ব যেন পাইছো। কিন্তু এতিয়া পয়মাল হৈছে মোৰ যে পিন্ধিবলৈ একো কাপোৰকে নাই। ভাল সময়তেই তুমি আহি ওলাইছাহি। মোৰ এই চাবিকোচা নিয়াঁ। ঘৰলৈ ঘূৰি গৈ আলমাৰিৰ পৰা মোলৈ সেই গোলাপীৰঙৰ সাজটো লৈ আহাঁগৈ। উস্ তুমি নহা হ'লে যে কি বিপদতে মই নপৰিলোহেঁতেন। আলমাৰিটোৰ বাওঁফালে ফুল কিছুমান আছে। সেইখিনিও আনিবলৈ নাপাহৰিবা। চাৱাঁ যাতে বাটত সেইখিনি বেয়া হৈ নাযায়। অ' মোলৈ ভাল চাই হাতমোজা এযোৰো কিনি আনিবাঁ দেই।'

'হ'ব বাৰু। ভয় নকৰিবা। মই কাইলৈ ঘূৰি গৈ সেইবোৰ পঠাই দিমগৈ।'

'কাইলৈ? কিন্তু কাইলৈ ঘূৰিলে যে সময় নহ'ব, ডিমন্ত। কাইলৈ এবাৰ বজাতে পৰিণয়ৰ সময়। কিন্তু ইয়ালৈ প্ৰথম বেলখন আমাৰ তাৰ পৰা নটাৰ আগতে নাহে। গতিকে ক'ত সময় হ'বগৈ? তুমি আজিয়েই যোৱা। নগ'লে নহয়। তুমি নিজে আহিব নোৱাৰিলে কোনোবা এজনৰ হাতত সেইখিনি পঠাই দিবা। লবালৰি কৰা। বেলখন পায়হিহে লাগে। পলম নকৰিবা, মোৰ সোণ।'

'মই এই যাওঁৰেই ৰ'বা।'

'তোমাক ঘূৰাই পঠাব লগা হোৱাত কিমান যে দুখ পাইছো! উস্ এই বিয়াখনেই কাল হ'ল। যাম বুলি কথা নিদিয়াহ'লেই তোমাৰ সঙ্গসুখৰ পৰা বঞ্চিত নহলোহেঁতেন।' কথাৰ লগে লগে চকুৰ পানীও ওলগাব গালেদি বাগৰি আহিছিল।

লবালৰিকৈ চাহ অলপ সোহা মাৰি সবল হাঁহি এটাৰে ডিমন্তে বিদায় ল'লে। তেওঁ লৈ অহা মিঠাইখিনি বহি থকা মানুহকেইজনে খাবলৈ লাগিল।

(৪)

জুলাই মাহৰ শান্ত জোনাক নিশা এটা। ভলগা নদীৰ ওপৰৰ জাহাজ এখনৰ বাৰান্দাত থিয় দি ওলগাই এবাৰ

পানীলৈ আৰু এবাৰ সেউজীয়া পাৰটোলৈ চাই আছিল। তেওঁৰ ঠিক কাষতেই আছিল বিয়াবভ। ওল্‌গাক তেওঁ কৈ গৈছিল ভগৱানৰ এই বিনন্দীয়া সৃষ্টি খনৰ কথা, এই বিশাল আকাশ, পানী আৰু অচল অটল পাৰদুটাই মানুহৰ জীৱনটোৰ বৃথা ভেম সূচাই কৰা ইঙ্গিতৰ কথা, আৰু অনেক কথা। তেওঁ আৰু কৈছিল, নদীৰ পানীত দেখা ক'লা ছাঁবোৰ আচলতে ছাঁ নহয়; মাত্ৰ এটা সপোনহে। এই বিস্তৃত পানী আৰু মহান আকাশৰ মাজত সেইবোৰ নোহোৱা হৈ যোৱাৰ দৰে আমাৰ অতীতৰ ক'লা স্মৃতিবোৰো এদিন মনৰ পৰা মচ খাই যাব। অতীতটো মামুলি, অৰ্থহীন,। ভৱিষ্যতটো অনিশ্চিত। আৰু আজিৰ এই ধুনীয়া নিশাটোও পাৰ হৈ গৈ অতীতৰ বুকুত লুকাই পৰিব। তেন্তেনো বাৰু জীয়াই থকাৰ সাৰ্থকতাই ক'ত!

একাত্মমনেৰে তেওঁৰ কথাবোৰ ওল্‌গাই শুনি গৈছিল। চকু আছিল তেওঁৰ পানীখিনিৰ ওপৰত। নিজকে তেওঁ কৈছিল, তেওঁ অমৰ, মৃত্যুৰ ছাঁ কেতিয়াও তেওঁৰ ওপৰত নপৰিব। মুকলি আকাশখন, গভীৰ পানীখিনি, গহীন পাৰটো আৰু আন্ধাৰ ছাঁবোৰ, এই সকলোবোৰে যেন তেওঁক কিবা এটা আনন্দ অনুপ্ৰেৰণাহে যোগাইছিল। আনন্দত তেওঁ পুলকিত হৈ পৰিছিল। ভৱিষ্যতে এদিন নিজেও নামজ্বলা এজন শিল্পী হৈ উঠাৰ তেওঁ সপোন দেখিলে। গোটেই মানৱ জাতিক ভাল পাবলৈ আৰু তাৰ জয়গান গাবলৈ তেওঁ

সমৰ্থ হ'ব। দূৰৈত তেওঁ মানুহৰ কোলাহল আৰু গানৰ সুৰ শুনিবলৈ পালে। লগে লগে পোহৰো তেওঁৰ চকুত পৰিলহি। তেওঁৰ ভাল হ'ল, তেওঁৰ একেবাৰে কাষতে ৰেলিঙত ধৰি থিয় দি থকা মানুহজন কিমান মহান, কিমান প্ৰতিভাশালী। তেওঁ কৰা প্ৰতিটো কামেই কিমান উদ্দেশ্যপূৰ্ণ আৰু সুন্দৰ। বয়স আৰু অভিজ্ঞতাৰ লগে লগে তেওঁ যে আৰু কিমান ডাঙৰ কামেই সমাধা কৰিব নোৱাৰিব। প্ৰকৃতিৰ অৱদানবোৰৰ কেনে সুন্দৰ ব্যাখ্যা তেওঁ দিছে। সঁচাকৈয়ে এইবোৰৰ গূঢ়াৰ্থ তেওঁ বিচাৰি পাইছে। দেখাতো তেওঁ ধুনীয়া। তেওঁৰ জীৱনটো পখীৰ দৰে মুকলি ও স্বাধীন। সাংসাৰিক কোনো বান্ধোনেই তেওঁৰ প্ৰতিভাক নিষ্প্ৰভ কৰিব নোৱাৰিব। মুহূৰ্ততে ৰিয়াবভৰ প্ৰতি গভীৰ শ্ৰদ্ধা-ভক্তিৰে ওলগাৰ অন্তৰ ভৰি পৰিছিল।

ৰৰ ঠাণ্ডা পৰিছে।' জাৰত ওলগা শিয়ঁৰি উঠিছিল। নিজৰ কোটটো ওলগাৰ গাত মেৰাই দি অলপ সেমেকা মাতেৰে ৰিয়াবভে কৈছিল 'মোৰ ভাল হৈছে, মই একেবাৰে তোমাৰ বশ হৈ গৈছো। তোমাক আজি ইমান আকৰ্ষণীয়া লাগিছে কেলেই বাৰু ওলগা?' একেথৰে তেওঁ ওলগাৰ মুখখনিলৈ চাই থাকিল। ওলগাৰ কিন্তু ৰিয়াবভৰ চকুলৈ চাবলৈ সংকোচ আহি পৰিছিল।

'তোমাক মই খুব ভাল পাই পেলাইছো ওলগা। মোক ভাল পাওঁ বুলি তুমি এবাৰ ক'বানে? তোমাৰ কাৰণে সকলো

কৰিবলৈ মই সাজু আছো।'

'কি কথাবোৰনো কৈছা তুমি? অসম্ভৱ কথা একেবাৰে। কেলেই সিফালে ডিমভৰ কি গতি হ'ব ভাবিছানে?'

'ডিমভৰ কথা ভাবিছা কেলেই? তেওঁৰ সৈতে মোৰ কি সম্পৰ্কটো আছে? এই ভল্‌গা নদী, জোনাক নিশা আৰু তোমাৰ ধুনীয়া মুখখনিৰ বাহিৰে ডিমভ চিমভৰ কথা ভৰাৰ মোৰ আহৰি নাই। মই আন একোকে নাজানো। অতীত মোৰ কাৰণে একো নহয়। মাত্ৰ এক মুহূৰ্ত্তৰ কাৰণে তোমাৰ ভালপোৱাৰে মোৰ ভালপোৱাৰ প্ৰতিদান দিবানে, ওল্‌গা? মাত্ৰ এটা মুহূৰ্ত্তৰ কাৰণে। দিবানে, ওল্‌গা?'

ওল্‌গাৰ বুকুখন কঁপি উঠিছিল। ডিমভৰ কথা তেওঁৰ মনলৈ আহিছিল। আৰু আহিছিল তেওঁলোকৰ বিয়াৰ ৰাতিৰ স্মৃতি, অতীতৰ ঘটনাবোৰ, বুধবাৰৰ গধূলিবোৰৰ কথা। দৈনন্দিন সকলোৰে জীৱনত ঘটি অহা কিছুমান সাধাৰণ ঘটনাৰ দৰে এইবোৰৰ নো কি বিশেষ মূল্য থাকিব পাৰে? কিছুমান সামান্য কথাৰ বাহিৰে এইবোৰ একো নহয়। ডিমভেই বা তেওঁৰ জীৱনত কি বস্তু? এটা সপোনৰ বাহিৰে আৰু কি হ'ব পাৰে? 'তেওঁৰ দৰে সাধাৰণ ব্যক্তি এজনৰ কাৰণে এইখিনি সুখেই যথেষ্ট। সিফালে তেওঁলোকে যেনে ভাল দেখে বিচাৰ কৰক। মোক তেওঁলোকে অভিশাপ দিয়ক। তেওঁলোকক এটা শিকনি দিবলৈ মই নিজৰ সৰ্ব্বনাশো মাতি আনিবলৈ সাজু। আমি সকলোকেই

চেষ্টা কৰি চোৱা উচিত। হে ভগৱান তুমি কিমান দয়ালু আৰু লগে লগে কিমান ভয়ঙ্কৰো!' ওল্‌গাই নিজকে এই বুলি বুজনি দিলে। কিবা এটা যেন খোকোজা লাগিছিল তেওঁৰ মনত।

'ওল্‌গা, তুমি বাৰু মোক ভাল পোৱানে? কোৱাঁ ওল্‌গা মোক তুমি ভাল পাবানে? উস্‌ কি সুন্দৰ জোনাক নিশাটো! কি এটা স্বৰ্গীয় মুহূৰ্ত্ত!' ওল্‌গাৰ পিঠিত হাতখন থৈ সক সককৈ ৰিয়াবভে ওল্‌গাক কাবৌ কৰাদি কৈছিল। ওল্‌গাই নিজ হাতেৰে ৰিয়াবভক আঁতৰাই দিবলৈ সামান্যভাৱে যত্ন কৰিছিল যদিও তাৰ উত্তৰ হিচাবে ৰিয়াবভে তেওঁৰ ধুনীয়া হাতখনত চুমা এটা খাই দিলে।

'সঁচাই কি ধুনীয়া নিশাটো!' ৰিয়াবভৰ চকুলৈ চাই ওল্‌গাই ক'লে। চকু দুটা তেওঁৰ সেমেকি উঠিছিল। ইফালে সিফালে অলপ চাই দুয়ো হাতেৰে সাৰটি ধৰি ৰিয়াবভৰ ওঁঠত চুমা খাই দিছিল।

'আৰু এক মিনিটতেই আমি গৈ সেইখিনি পামগৈ।' বাৰান্দাটোৰ সিমূৰৰ পৰা কাৰোবাৰ মাত এটা ভাহি আহিল। লগে লগে গধুৰ ভৰিৰ শব্দ শুনা গ'ল। বাদ্ধনি শালৰ মানুহটোৱে কিবা কামত সেইফালে পাৰ হৈ গৈছিল।

'হেৰা, শুনি যোৱাচোন। আমালৈ অলপমান সুৰা লৈ আহাগৈ।' হাঁহি হাঁহি ওল্‌গাই মানুহটোক নিৰ্দ্দেশ দিলে। আনন্দত তেওঁ অধীৰা হৈ পৰিছিল।

শিল্পীজন ভাগৱত অৱশ হৈ পৰিছিল! এচৰৰ বেঞ্চখনত

বহি তেওঁ মূৰটো ৰেলিংডালতে কাটি কৰি থ'লে। আদৰ ও কৃতজ্ঞতাৰ চাৱনি এটাৰে ওল্‌গালৈ চাই তেওঁ কৈছিল, 'মোৰ বৰ ভাগৰ লাগিছে, ওল্‌গা।'

(৫)

চেপ্তেম্বৰ মাহৰ দুই তাৰিখৰ দিনটো কুঁৱলী যদিও বেচ গৰম আছিল। ৰাতিপুৱাৰ বেলিকা পাতল কুঁৱলী কিছুমান ভল্‌গানদীৰ পানীৰ ওপৰত ওলমি আছিল। ঠিক নটা বজাত অলপ কিনকিনোৱা বৰষুণো হৈছিল। বেগেতে বতৰ ফৰকাল হোৱাৰ আশা নাছিল। পুৱাৰ চাহ খোৱাৰ সময়ত ভল্‌গাৰ আগত দুখ কৰি বিয়াবভে ক'লে যে ছবি আঁকাৰ সমান আমনি লগা আৰু অকৃতজ্ঞ কলা আৰু আন একোৱেই নাই। আৰু ক'লে যে তেওঁ নিজে কেতিয়াও শিল্পী নাছিল। কিছুমান মূৰ্খ ইহে মাথোন তেওঁৰ গাত শিল্পী এজনৰ গুণ থকা বুলি ভাবি আহিছে। লগে লগেই চুৰিখনেৰে নিজে অঁকা এখন বৰ আদৰণীয় ছবি তেওঁ কাটি টুকুৰা টুকুৰ কৰি পেলালে। চাহ খোৱাৰ পাছতো কিবা ভাবি ভাবি খিৰিকি-খনেৰে নদীৰ ফালে চাই তেওঁ কোঠাটোতে বহি আছিল। ভ্‌লগাখনৰ আগৰ তিৰবিৰণি আৰু নাই। তেতিয়াৰ চেহেৰা একেবাৰে খং বেজাৰত গোভোঠা মাৰি বহি থকাৰ। সেয়া আছিল শৰতৰ আগমনৰ আগ জাননি। সেউজীয়া বননিৰে ঢাক খোৱা দুটা পাৰ, সুৰুযৰ কিৰণৰ সোণালী প্ৰতিবিম্ব, দূৰৈৰ পৰা জিলিকি থকা সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্য্যবোৰ

আৰু প্ৰকৃতিৰ নানা প্ৰাণ-প্ৰচুৰ মনোমোহা দৃশ্যৰ পৰা যেন কোনোবাই ভলগাক বঞ্চিত কৰিবলৈহে অভিসন্ধি কৰিছিল। বিয়াবভৰ মনটোও গধুৰ হৈ পৰিছিল। পৃথিৱী-খনৰ সকলোৰে ওপৰত তেওঁৰ এটা বিতৃষ্ণাৰ ভাৱ আহি পৰিছিল। এই তিৰোতাজনীৰ সৈতে মিলামিচা নকৰা হলেই ভাল আছিল বুলিও তেওঁ আক্ষেপ কৰিলে। মুঠতে তেওঁৰ মনৰ অৱস্থা বৰ ভাল নাছিল।

বেৰখনৰ সিফালে নিজৰ মিহি চুলিখিনিত হাত বুলাই ভল্‌গা বিচনাত বহি আছিল। তেওঁ পৰিপাটিকৈ সজোৱা নিজাঘৰটোৰ ছবি কল্পনা কৰিছিল। নগৰীয়া জীৱনৰ সকলো কথাই তেওঁৰ আগত ভাহি উঠিছিল। সেইবোৰৰ মাজলৈ ঘূৰি যাবলৈ মনটোৱে তেওঁৰ হুৰাহুৰা লগাইছিল। নগৰৰ ডাঙৰ ডাঙৰ লোকসকলে বাৰু সেই মুহূৰ্ত্তত কি কৰিছিল। ভল্‌গাৰ কথা তেওঁলোকে ভাবিছিলেনে? ডিমভৰ কথাও তেওঁৰ মনলৈ আহিল। কিমান মৰমিয়াল এই ডিমভটো। কিমান অন্তৰভৰা মৰমেৰে আৰু শিশুসুলভ সৰলতাৰে তেওঁ ভল্‌গালৈ চিঠিবোৰ লিখি আছে সোনকালে তেওঁক ঘৰলৈ ঘূৰি যাবলৈ কৈ। প্ৰতিমাহেই পয়সাওৰ কবলকৈ তেওঁ ভল্‌গালৈ পঠাই আছে। আৰু কেতিয়াবা সৰহকৈ বিচাৰিলে কোনো আপত্তি নকৰাকৈ সেইখিনিও পঠাই আহিছে। কিমান উদাৰ, সৰল প্ৰকৃতিৰ মানুহজন! এই ভ্ৰমনটো ভল্‌গাৰ কাৰণে আৰু অসহনীয় হৈ উঠিছিলগৈ। তেওঁক গাৱঁলীয়া

জীৱনে বাৰুকৈয়ে আমুৱাইছিল। গাৱঁৰ বোকা পানীয়ে তেওঁক একেবাৰে বিৰক্ত কৰি তুলিছিল। ৰিয়াবভে বাকী শিল্পী-বোৰক চেপ্তেম্বৰৰ কুৰি তাৰিখলৈকে তেওঁলোকৰ লগত থাকিব বুলি প্ৰতিশ্ৰুতি নিদিয়া হ'লে তেতিয়াই তেওঁলোক ছুয়ো নগৰলৈ ঘূৰি যাব পাৰিলহেঁতেন। ঘূৰি যাবলৈ কিমান ভাল লাগিলহেঁতেন।

'হে ভগৱান, সূৰ্য্যদেৱতাৰ আজি উদয় নহ'বই নেকি? অসহ্য লাগিছে আৰু।' বিৰক্তিৰে ৰিয়াবভে ক'লে।

'ডাৱৰীয়া আকাশৰ এখন চিত্ৰ দেখোন তোমাৰ অসমাপ্ত হৈয়ে আছে। সেইখনকেই দেখোন শেষ কৰিব পাৰা।' ৰিয়াবভৰ মনত অলপ আনন্দ দিয়াৰ মন কৰিয়েই নিজৰ কোঠাৰ পৰা ওলাই আহি ওল্‌গাই কৈছিল।

'ভগৱানৰ দোহাই, এই কথাবোৰ আৰু নকৰা। নিজে কি কৰিব লাগে কি কৰিব নালাগে সেইটো ভৱাৰ শক্তিখিনি এতিয়াও মোৰ নাইকিয়া হৈ যোৱা নাই। তুমি কি মোক একেবাৰে জধামূৰ্খ এটা বনাই দিব খুজিছানেকি?' ৰিয়াবভৰ মুখত বিৰক্তি আৰু খঙৰ চিন বাৰুকৈয়ে ফুটি উঠিছিল।

'মোৰ প্ৰতি তোমাৰ ইমান পৰিবৰ্ত্তনৰ মানে আৰু কাৰণ কি?'

'ভালৰ কাৰণেই এই পৰিবৰ্ত্তন হৈছে।' বেজাৰত ওল্‌গাই কান্দি দিলে।

'আকৌ চকুপানীৰ অভিনয় কৰিব নালাগে। কান্দিবলৈ

মোৰো এশ এবুৰি কাৰণ আছে। সেইবুলি মই কিন্তু কন্দা নাই। কান্দি ৰণ জিকাৰ যত্ন মই নকৰোঁ।'

'তোমাৰ কন্দাৰ কাৰণ! বুজিছো, মোক লৈয়ে তুমি বিপদত পৰিছা। মোৰ সংস্পৰ্শই তোমাক কন্দুওৱাৰ মাই কাৰণ, নহয় জানো? তুমি মোক ওচৰত দেখিব নোখোজা।' উচুপি উচুপি ওলগাই কৈ গৈছিল, 'আমাৰ মাজৰ ভাল পোৱাৰ কাৰণে তুমি এতিয়া লাজ পাইছা, এয়েই আচল কাৰণ নহয়নে বাৰু? বাকী শিল্পীবোৰে এই কথাৰ গম পাইছে বুলি তুমি হয়তো ভয়ো খাইছা। কিন্তু এতিয়া আৰু লুকুৱাবৰ সময় পাৰ হৈ গৈছে। আজি ভালেদিন ধৰি তেওঁলোকে আমাৰ গতি গোত্ৰ লক্ষ্য কৰি আহিছে।'

'ওল্গা তোমাক এটা অনুৰোধ কৰিব পাৰোঁনে? মোক অলপ অকলে থাকিবলৈ দিবানে? এয়েই তোমাৰ ওচৰত মোৰ নিবেদন।'

'কিন্তু তুমি শপথ খাই কোৱাঁ, এতিয়াও মোক ভাল পোৱা বুলি।'

'উস্ কি শাস্তিখনেই যে মই ভুগিব লগা হৈছে! বলীয়া নোহোৱালৈকে বা ভল্গাৰ পানীত নিজৰ দেহটো বিসৰ্জন নিদিয়ালৈকে দেখিছো মোৰ এই শাস্তিৰ অন্ত নহ'ব। মোক অকলে থাকিবলৈ দিয়া।'

'মোক মাৰি পেলোৱা। মোক লৈ তুমি জুইৰ মাজত থাকিব নালাগে, বিয়াবত। মোক মাৰি পেলোৱা।' তেওঁ

চিঞৰি উঠিল।

উচুপি উচুপি তেওঁ নিজৰ কোঠালে সোমাই গ'ল। খেৰৰ চালত বৰষুণৰ মৃদু শব্দ হৈ আছিল। হাত দুখন পিছলৈ থৈ কিবা ভাবি ভাবি ৰিয়াবভে নিজ কোঠাতে ঘূৰি আছিল। কিবা এটা শেষ মীমাংসাত উপনীত হোৱাৰ কঠোৰতা তেওঁৰ মুখত ফুটি ওলাইছিল। কাৰোবাৰ লগত তৰ্ক কৰিহে তেওঁ জয়ী হৈছিল, এনে এটা ভাৱ মুখখনে ফুটাই তুলিছিল। টুপীটো মূৰত সুমুৱাই কান্ধত বন্দুকটো ওলোমাই লৈ তেওঁ বাহিৰ ওলাই গ'ল।

তেওঁ যোৱাৰ বহুত পিছলৈকে কান্দি কান্দি ওল্গা বিচনাত পৰি আছিল। বিহ খাই মৰি যোৱাৰ কথাও তেওঁ ভাবিছিল। ৰিয়াবভে আহি তেওঁৰ মৃতদেহ দেখকহি। পিছ মুহূৰ্ত্ততে কিন্তু নিজৰ ঘৰখনৰ কথা আৰু মৰমিয়াল ডিমভৰ কথা তেওঁৰ মনলৈ আহিল। ডিমভৰ ওচৰত নিজকে কল্পনা কৰি মনটো তেওঁৰ ভাল লাগি গৈছিল। নগৰীয়া জীৱনৰ সকলো কথাই এটা এটাকৈ তেওঁৰ মনলৈ আহিল। নিজকে তেওঁ মাৰিব নোৱাৰিলে। ইতিমধ্যে বোকা লগা জোতাৰে মুজনমান শিল্পী সোমাই আহিল।

গধূলি কান্নিমুনি বেলিকা ৰিয়াবভ ঘূৰি আহিল। মেজখনত টুপিটো থৈ অৱস ভাৱেৰে তেওঁ বেঞ্চখনত বহি পৰিল। ভাগৰত তেওঁৰ মুখখন শেঁতা পৰি আছিল। নিজৰে বৰ ভাগৰ লাগিছে বুলি তেওঁ মাত লগালে।

বিয়াবভৰ ওপৰত যেন তেওঁৰ কোনো খঙেই উঠা নাছিল এনে এটা দেখুৱাবৰ কাৰণে খুব সহজভাৱে ওল্‌গা ওলাই আহিল। বিয়াবভৰ হাতখনত চুমা এটা দি তেওঁৰ চুলিখিনি ভালকৈ ফনিয়াই দিলে।

'এইটো কি?' চক খোৱাৰ দৰে চিঞৰ মাৰি চকুমেলি বিয়াবভে ওল্‌গাৰ ফালে চাই কৈ উঠিল। 'এইবোৰ আকৌ কিহৰ অভিনয়? মোক অকলে শান্তিত থাকিবলৈ নিদিবাই নেকি? তোমাক কাবৌ কৰিছো, আঁতৰি যোৱা।' কোৱাৰ লগে লগেই ওল্‌গাক এচবৰ পৰা ঠেলামাৰি দি নিজেও খঙেৰে আতৰি গ'ল। ঠিক সেই সময়তেই শকত-আৱত মানুহ এজনীয়ে এবাতি বন্ধাকবি সিজোৱা আনি বিয়াবভৰ আগত থ'লেহি। তাইৰ থোপোকা বুঢ়া আঙুলি দুটা কবিখিনিত লাগি তিতি থকা ওল্‌গাৰ চকুত পৰিল। তাই পিন্ধিথকা কাপোৰখনো ইমান লেতেৰা আছিল যে দেখিলে ঘিণ লাগিছিল। খুব সবল আৰু আনন্দময় বুলি ভবা এই গাৱঁলীয়া জীৱন ধাৰণ যে কিমান লেতেৰা আৰু বিশৃঙ্খল ওল্‌গাই ভালকৈ বুজি পাইছিল।

কিছুদিনৰ কাৰণে হ'লেও আমি আঁতৰি থাকিব লাগিব দেখিছো। নতুবা আমাৰ মাজত হাই-কাজিয়া হোৱাৰহে সম্ভাৱনা দেখিছো। তদুপৰি এই পৰিবেশে মোক আৰু আমুৱাইছেগৈ। আজিয়েই নই যোৱাৰ কথা ভাবিছো।' ওল্‌গাই মন্তব্য কৰিলে।

'কেনেকৈ যাবা? ঠাইসৰা জাকটোত উঠি গ'লেহে হ'ব।'

'আজি বৃহস্পতিবাৰ। ন বজাত জাহাজ আহিব।'

'হয়নেকি? ভাল কথা, যোৱা তেন্তে। এই ঠাই তোমাৰ ভাল লগা নাই। আৰু তোমাক ইয়াত জোৰ কৰি ধৰি ৰখাৰ অহমকামিও মোৰ নাই যোৱা। কুৰি তাৰিখৰ পিছত আমাৰ দেখা হ'ব।' কঠুৱাকৈ ৰিয়াবভে ক'লে। ওল্গা যাবলৈ ওলোৱাত তেওঁ ভালেই পালে।

খুব ৰঙেৰে ওল্গা কাপোৰ-কানি বন্ধাত লাগিল। সেই লেতেৰা খনৰ পৰা উদ্ধাৰ পাই আকৌ নিজৰ ধুনীয়া ঘৰখনলৈ যাবলৈ পাই তেওঁৰ মন আনন্দই নধৰা হৈছিল। ৰিয়াবভৰ প্ৰতি থকা খঙ তেওঁৰ একেবাৰে নাইকিয়া হ'ল।

'মোৰ ৰং আৰু বুৰুজবোৰ তোমাৰ লগতে থৈ যাম, ৰিয়াবভ। কিবা বাকী থাকিলে তুমিয়েই সেইবোৰ থৈ আহিবা। মই নোহোৱাত সোৰোপালিখন নকৰিবা আকৌ। হাতত থকা কামখিনি সম্পূৰ্ণ কৰি যাবা।'

জুপুৰীটোতে ৰিয়াবভে চুমা এটাৰে ওল্গাক বিদায় দিছিল। ওল্গাই অৱশ্যে ভালদৰেই বুজিব পাৰিছিল যে জাহাজৰ ওপৰত আন শিল্পীবোৰে দেখাকৈ দিয়া বিদায়-চুম্বনৰ হাত সাৰিবলৈকে তেওঁ আগতে সেই কৰ্ম্ম সাধন কৰিছিল।

দুদিনৰ মূৰত ওল্গা ঘৰ পালেগৈ। টুপী আৰু পানীকোট নসলোৱাকৈ পোনে পোনে তেওঁ বহা কোঠাটোৱেদি খোৱা কোঠালৈ সোমাই গ'ল। তেওঁক ভালকৈয়ে ভাগৰে ধৰিছিল!

খোৱা কোঠাত ডিমভে চাহ খাই আছিল। হাতচুটি কামিজ আৰু বুটাম খোলা জহৰ কোটটোৱে তেওঁক ওল্‌গাৰ খুব ভাল লাগি গ'ল। প্ৰথমতে গিৰিয়েকৰ পৰা সকলো কথা লুকুৱাই ৰাখিবলৈকে তেওঁ পাঙিছিল। কিন্তু ডিমভৰ হাঁহি থকা, সৰল সৰামতীয়া মুখখন দেখি সেইটো তেওঁৰ অসম্ভৱ যেন লাগিল। সেই সৰল মানুহটোক মিছা কথা কৈ প্ৰৱঞ্চনা কৰাটো তেওঁৰ পাপ হ'ব যেন লাগিল। সকলো কথা খুলি কোৱাকে তেওঁ ঠিক কৰিলে। ডিমভে মৰমতে উঠি আহি তেওঁক চুমা এটাৰে আদৰণি জনালে। লগে লগে ওল্‌গাই নিজৰ মুখখন দুয়ো হাতেৰে ঢাকি ধৰিলে।

'কি হৈছে? তোমাৰ গা বেয়া লাগিছেনেকি, ওল্‌গা? বহুত দিন মোক নেদেখি তোমাৰ খুব বেয়া লাগিছিল নহয়নে বাৰু? মোৰ যে এইকেইটা দিন নাযায়-নুপুৱায় লাগিছিল। ৰ'বা তোমাৰ খুব ভাগৰ লাগিছে। অলপ জিৰাই লৈ খোৱা-বোৱা কৰা।' এই বুলি তেওঁ ওল্‌গাক ধৰি চকী এখনত বহুৱাই দিলে। লাজ আৰু ভয়ত ওল্‌গাৰ মুখখন ৰঙা পৰি গৈছিল। পোনে পোনে ডিমভৰ চকুলৈ চাবলৈ তেওঁৰ ভয় লাগি গ'ল। বহুত কথা কোৱাৰ প্ৰবল ইচ্ছা থকা সত্ত্বেও তেওঁ এটা কথাও গিৰিয়েকক ক'ব নোৱাৰিলে। গিৰিয়েকৰ প্ৰশ্নৰ উত্তৰত সেহাই সেহাই মাত্ৰ ক'লে, 'একো হোৱা নাই। ভাগৰত হে গাটো সৰ দুৰ্ব্বল লাগিছিল।'

এটা মৰমৰ চাৱনিৰে ডিমভে তেওঁলৈ চাই থাকিল।

ইমানদিনৰ মূৰত ওল্‌গাক পাই তেওঁৰ যে কিমান আনন্দ!

(৬)

শীতকালিৰ প্ৰায় মাজভাগ। ডিমভৰ মনত এটা সন্দেহ উপজিছিল। তেওঁ যে ঠগ খাইছিল বুজিবলৈ বাকী নাছিল। ঘৈণীয়েকৰ চকুলৈ চাব নোৱাৰা হ'ল আৰু খোলাকৈ দুটা কথা পাতিবলৈ বা মনখুলি হাঁহিবলৈও তেওঁ টান পোৱা হ'ল। নিজৰ বিবেকেই যেন তেওঁক ক'ৰবাত ফাকি দিছিল। ওল্‌গাৰ সৈতে অকলে থাকিবলৈও তেওঁৰ অস্বস্তি লাগিছিল। সেই কাৰণেই ৰাতিৰ সাজ খাবলৈ প্ৰায়ে তেওঁ ডাক্তৰ বন্ধু কৰষ্টেলভক ঘৰলৈ মাতি আনিছিল। ঘূৰণীয়া মূৰেৰে চুটি-চাপৰকৈ সেই বন্ধুজন লাজুক আছিল। কথা বতৰাও তেওঁ খুব কমেইহে কৈছিল। খোৱাৰ মেজত দুয়ো ডাক্তৰী শাস্ত্ৰৰ বা চিকিৎসালয়ৰ নানা সমস্যা লৈয়েই ব্যস্ত আছিল। ওল্‌গাক কথা পতাৰ সুযোগ ডিমভে অকণো নিদিছিল। কিজানি, সুবিধা দিলেই আৰু কত নতুন মিছা-প্ৰৱঞ্চনাৰ অৱতাৰণা নহ'ব। এই মিছা কথাবোৰলৈ যে ডিমভৰ সাংঘাটিক ভয়। খোৱাৰ পাছতো কৰষ্টেলভে প্ৰায়ে পিয়ানো বজাই সময় কটাইছিল।

ওল্‌গাৰ ধৰণকৰণবোৰ একেবাৰে অদ্ভুত ধৰণৰ হ'বলৈ ধৰিলে। প্ৰতি ৰাতিপুৱা বিছনা এৰাৰ লগে লগে তেওঁৰ মনটো সেমেকি উঠে, নানাৰকম চিন্তাভাৱনাই জুমুৰি দি ধৰে।

বিয়াৰভকে আজিকালি তেওঁ ভাল নাপায়। ভগৱানে ভালেই কৰিলে। দিনে দিনে তেওঁৰ অনুশোচনা হৈছিল যে এই বিয়াৰভেই তেওঁক নিজৰ স্বামীৰ পৰা আঁতৰাই আনিলে আৰু লগে লগে ৰিয়াৰভেও তেওঁৰ পৰা ফালৰি কাটি গৈছে। ইমান যে প্ৰতাৰক হ'ব পাৰে সেইটো যে ওলগাই কেতিয়াও কল্পনা কৰিব নোৱাৰিছিল। শিল্পীমনৰ সূক্ষ্ম অনুভূতিবোৰ আৰু সুৰুচিপূৰ্ণ চিন্তাবোৰে কি বিয়াৰভৰক একেবাৰে এৰি গৈছিলনেকি? বিয়াৰভৰ বিষয়ে বহুত কথাই ওল্গাক আমনি দিছিল। কেলেই, ৰাইজৰ পৰা উচ্চ প্ৰশংসা পোৱা সেই ছবিখনৰ বাবে বিয়াৰভ জানো ওল্গাৰ ওচৰতেই ধৰুৱা নহয়? ওল্গায়ে জানো সেই ছবিখনৰ আভাস তেওঁক প্ৰথমে দিয়া নাছিল? তদুপৰি বিয়াৰভে অনেকবাৰ নিজেই স্বীকাৰ কৰিছিল যে ওল্গাৰ অনুপ্ৰেৰণা নোহোৱা হ'লে তেওঁ হয়তো কেতিয়াও শিল্পী এজন হ'ব নোৱাৰিলেহেঁতেন, সামান্য বনুৱা হিচাবে ক'ৰবাত সোমাই থাকিলেহেঁতেন। এই বিয়াৰভৰেই জানো এদিন ওল্গাক কাণৌ কৰি কোৱা নাছিল যে তেওঁৰ ভাল পোৱাৰ অবিহনে তেওঁ জীয়াই থাকিবলৈকে টান পাব। আৰু বহুত কথাই ওল্গাৰ মনলৈ আহিল। শোকত তেওঁ একেবাৰে জুকলা পৰি গৈছিল। যাহওক, বাহিৰত এইটো যিমান পাৰে সিমান লুকুৱাই ৰাখিবলৈকে তেওঁ যত্ন কৰিলে।

তেতিয়াও ওল্গাই নিয়মমতেই বিয়াৰভৰ ওচৰলৈ গৈ

আছিল। আৰু তেওঁক ভাল পাই থাকিবলৈ আৰু নিঠকৰা নকৰিবলৈ মিনতি জনাইছিলগৈ। কেতিয়াবা ৰিয়াবভক লগ নাপালে তেওঁ ৰিয়াবভক নিজৰ ঘৰলৈ মাতি লিখি আহিছিল। আৰু ভয় দেখুৱাইছিল যে ৰিয়াবভ নগ'লে তেওঁ বিহ খাই আত্মহত্যা কৰিব। উপায় নোহোৱাত এনে অৱস্থাত ৰিয়াবভ ওল্‌গাৰ ওচৰলৈ যাব লগাত পৰিছিল। গিৰিয়েকৰ সাক্ষাতে প্ৰায়ে ওল্‌গা আৰু ৰিয়াবভৰ মাজত নানা কুৰুচিপূৰ্ণ চুপতা-চুপতি হৈছিল। দুয়ো ইজনে আনজনক নিজৰ শত্ৰু বা নিজৰ বাটত বিধি-পথালি দিয়া বুলি ধৰি লৈছিল। সেই কাৰণেই ভিতৰত গুজৰি গুমৰি থকা খণ্ডৰ ভমকত কোনে কি কৈছে নকৈছে তালৈ তেওঁলোকৰ ভ্ৰূক্ষেপ নাছিল। ফলত কিছুমান অমাৰ্জিত, অশোভনীয়, অবাস্তৱ আৰু অসংলগ্ন কথাৰ অৱতাৰণা হৈছিল। আনকি আনৰ কথাত ভাগ নোলোৱা কৰষ্টেলভেও সকলো কথা বুজি উঠিছিল। খোৱাৰ পিছতে বিদায় লৈ লৰালৰিকৈ ৰিয়াবভ ওলাই গৈছিল।

'তুমিনো এতিয়া ক'লৈ যাবাগৈ? ইমান যে লৰালৰিখন লগাইছা।' কেতিয়াবা হয়তো ওল্‌গাই ৰিয়াবভক সুধিছিল।

আনজনেও খণ্ডৰ ভমকত চকুমুদিয়েই নাম কাঢ়িছিল এগৰাকী বান্ধৱীৰ যাক তেওঁলোক দুয়ো ভালদৰেই জানিছিল। হিংসাৰ জুই জ্বলাই ওল্‌গাৰ খং তোলাবৰ কাৰণেই আছিল ৰিয়াবভৰ এই কৌশল। পাটিত পৰি বহুনিশা খং, লাজ,

হিংসা আৰু বেজাৰত উচুপি উচুপি ওল্‌গাই কটাই দিছিল। তাকে শুনি বহুবাৰ বহাকোঠাটোতে কৰবৈলেভক এৰি ভ্লিমভ সোমাই আহিছিল ঘৈনীয়েকক অলপ সান্ত্বনা দিবৰ কাৰণে।

'নাকান্দিবা। কান্দি আৰু লাভ কি? এই বিষয়ে মনে মনে থকাই শ্ৰেয়। যি হৈ গ'ল তাক জানো নোহোৱা কৰিবলৈ উপায় আছে? মূঠতে তুমি বাইজক জানিবলৈ দিব নালাগে যে……'

ওল্‌গাই কিন্তু নিজৰ হিংসা দমন কৰিব নোৱাৰিছিল। তেতিয়াও এটা সু-মীমাংসা কৰাৰ সময় পাৰ হৈ যোৱা নাছিল বুলি তেওঁ ভাবিছিল। বহুত নিশা তেওঁ ওলাই গৈছিল বিয়াবভে নাম কোৱা সেই বান্ধৱী গৰাকীৰ ঘৰলৈ, বিয়াবভক বিচাৰি। তাত নাপাই আন আন বান্ধৱীৰ ঘৰতো বিচাৰ লৈছিল। প্ৰথমে এইদৰে ঘূৰি ফুৰাটো লাজৰ কথা বুলি ভাবিলেও পিছলৈ এইটো এটা সাধাৰণ কথা বুলিয়েই ওল্‌গাৰ ধাৰণা হৈছিল। উত্তেজিত হৈ একোদিনা ৰাতি তেওঁ চিনাকি সকলো বান্ধৱীৰ ঘৰতেই ভুমুকি মাৰিছিল। এইটো কাৰ্য্যৰ দ্বাৰা বাকী তিৰোতাবোৰৰো ওল্‌গাৰ স্বভাৱৰ কথা বুজিবলৈ বাকী নাথাকিছিল। ওল্‌গাৰ প্ৰতি তেওঁলোকৰ ঘৃণা হৈছিল।

এদিন বিয়াবভৰ আগত নিজৰ গিৰিয়েকৰ কথা ওল্‌গাই কৈছিল, 'সেই মানুহজনে নিজৰ মহানুভৱতাৰে মোক দেই পুৰি মাৰিছে।' এই কথাষাৰ তেওঁৰ বৰ প্ৰিয় হৈ উঠিছিল। আৰু তেওঁৰে বিয়াবভৰে মাজত হোৱা ঘটনাৰ সম্ভেদ পোৱা

সকলো শিল্পীকে সেই কথাষাৰ কৈছিল ।

ডিমভ-ওল্‌গাৰ বাহ্যিক জীৱনধাৰণ আগৰ বছৰৰ দৰেই চলি গ'ল ? তেতিয়াও প্ৰতি বুধবাৰে বন্ধুসকলৰ সমাগম হৈছিল আৰু ডিমভেও আগৰদৰেই তেওঁলোকক খাবলৈ নিমন্ত্ৰণ জনাইছিল ।

তেতিয়াও আগৰবোৰৰ ওপৰত অসন্তুষ্ট হৈ নতুন বন্ধুৰ সন্ধানত ওল্‌গা ঘূৰিছিল । তেতিয়াও ৰাতি বহু পলমকৈ তেওঁ ঘৰ সোমাইছিলহি । তেতিয়া কিন্তু আগৰদৰে ডিমভ টোপনিত লাল কাল দি পৰি থকা নাছিল । পঢ়া কোঠাত তেওঁ ৰাতি তিনি বজালৈকে ব্যস্ত হৈ আছিল । সেই বুলি কিন্তু শুই উঠাত তেতিয়াও তেওঁৰ আঠ বজাতকৈ পলম নহৈছিল ।

এদিন থিয়েটাৰলৈ যাবৰ কাৰণে ওল্‌গাই মূৰ ফনিয়াই আইনাখনৰ আগত থিয় দিছিলহি । এনেতে বগা টাইডাল মাৰি ডিমভ সোমাই আহিল । ওল্‌গাই ঘূৰি চালে । হাঁহি এটা মাৰি ডিমভে তেওঁলৈ চালে । মুখত তেওঁৰ আনন্দৰ চিন । তেওঁ ক'লে, 'মই অলপতে গৱেষণা পুথিখন দাখিল কৰিলো, ওল্‌গা ।' বিচনাতে বহি তেওঁ নিজৰ আঠু দুটা মোহাৰি আছিল ।

'অ' হয়নেকি ? পুথিখন তোমাৰ ডিগ্ৰীৰ কাৰণে মনোনীত হৈছেনে নাই ?' আইনাৰ পৰা মুখ নুঘূৰোৱাকৈয়ে ও্‌লগাই সুধিলে ।

'কেনেই, মনোনীত হ'লে তুমি বেয়া পাবানেকি?' হাঁহি এটা মাৰি ডিমভে উত্তৰ দিলে। 'তুমি জানাই, খুব সম্ভৱ তেওঁলোকে মোক পেথলজীৰ ঘাই অধ্যাপকৰ পদটো যাচিব। মই গম পাইছো।'

ডিমভৰ কোৱাৰ ধৰণ আৰু মুখৰ হাঁহিটোৰ পৰাই ভালকৈ ধৰিব পৰা গৈছিল যে সেই সুখবৰটোত বং কৰি তেওঁৰ আনন্দৰ সহভাগী হ'লেই ওল্‌গাক তেওঁ ক্ষমা কৰিব আৰু আগৰ সকলো কথা পাহৰি পেলাব। ওল্‌গাই কিন্তু পেথলজী আদিৰ মানে একো নুবুজিলে। বুজিবলৈ তেওঁৰ সময় আৰু ধৈৰ্য্যও নাছিল। থিয়েটাৰলৈ দেৰি হৈ গ'লে যে সৰ্ব্বনাশ হ'ব। তেওঁ মনে মনে থাকিল।

দুই মিনিটমান বহি সেই অনাহুত দিগদাৰীৰ বাবে ক্ষমা বিচৰাৰ ভাৱত হাঁহি এটা মাৰি ডিমভ লাহে লাহে কোঠাটোৰ পৰা ওলাই গ'ল।

(৭)

সেইটো আছিল এটা বৰ অশান্ত দিন।

অসহ্য মূৰৰ বিষত ডিমভে চাতি ফুতি কৰি আছিল। পুৱাৰে পৰা তেওঁ একোটোকে মুখত দিয়া নাই। গোটেই দিনটো পঢ়া কোঠাত সৰু পালেংখনত পৰি আছিল। ওল্‌গাৰ দৈনিক নীতি-নিয়মৰ কোনো পৰিবৰ্ত্তন হোৱা নাছিল। নিজে অঁকা ছবি এখন দেখুৱাবলৈ সেইদিনাও

তেওঁ বিয়াৰভৰ তালৈ গৈছিল।

সেইদিনা কিয় জানো ছুৱাৰৰ বেলটো নবজোৱাকৈয়ে তেওঁ বিয়াৰভৰ ছবি অঁকা কোঠাটোলৈ সোমাই গৈছিল: ছুৱাৰখন মেলিয়েই তেওঁ দেখিলে ডাঙৰ ছবি এখনৰ পিছফালে তিৰোতা এগৰাকীৰ ফ্ৰকটোৰ এফাল লাহে লাহে নাইকিয়া হৈ গৈছে। বুজিবলৈ তেওঁৰ একো বাকী নাথাকিল। আগতে বহুবাৰ তেওঁ নিজেও সেই ছবিখনৰ আৰত আশ্ৰয় ল'ব লগা হৈছিল।

'অ', আহাঁ। তোমাক দেখি ভাল পালো। কি খবৰ পিছে?' জোৰ কৰি হাঁহি এটা মাৰি বিয়াৰভে তেওঁক সম্ভাষণ জনালে।

ওল্‌গাৰ বুকুখন শোকে খুন্দা মাৰি ধৰিলে। নিজকে তেওঁৰ খুব ছুৰ্ভগীয়া যেন লাগিল। সেই ছবিখনৰ সিফালে লুকাই থকা মানুহজনীৰ কথা ভাবি তেওঁৰ অত্যন্ত লাজো লাগিছিল। তাই চাগৈ তেওঁক লৈ হাঁহিছিল।

'নাই, এনেয়েহে সোমালো। মোৰ অঁকা ছবি এখনো আছিল। চাবা নেকি?' কঁপা মাতেৰে ওল্‌গাই উত্তৰ দিলে।

'অ' ছবি,' ওল্‌গাৰ হাতৰ পৰা ছবিখন লৈ অন্যমনস্ক যেন দেখুৱাই বিয়াৰভ লাহে লাহে ওচৰৰ সিটো কোঠালৈ সোমাই গ'ল। ওল্‌গায়ো তেওঁক অনুসৰণ কৰিলে।

'বঢ়িয়া হৈছে। দৃশ্যটো বেচ চকুত লগা হৈছে', বিয়াৰভৰ এই প্ৰশংসা একেবাৰে মৌখিক আছিল; ওল্‌গাই সেইটো

ভালকৈয়ে বুজিব পাৰিছিল।

সিটো কোঠাৰ পৰা কোবাকুৰিকৈ পেলোৱা ভৰিৰ শব্দ শুনা গ'ল। অৰ্থাৎ ওল্‌গাৰ প্ৰতিদ্বন্দ্বী গৰাকী ইতিমধ্যে ওলাই গৈছিল। গধুৰ কিবা এটাৰে এই ভণ্ড শিল্পীজনৰ মূৰত কোব এটা মাৰিবলৈ ওল্‌গাৰ মন গৈছিল। কিন্তু খং, লাজ আৰু বেজাৰত তেওঁ ইমান ভাগি পৰিছিল যে সেইখিনি কৰাৰ শক্তি তেওঁৰ নাছিল। নিজকে এটা পুতলাৰ দৰে লাগিছিল!

'বৰ ভাগৰ লাগিছেহে।' এহাতে ছবিখন লৈ বিয়াবস্তে ক'লে। তেওঁ যেন অলপ বিশ্ৰাম ল'বলৈ বিচাৰিছিল। আৰু ওল্‌গাৰ বিদায় কামনা কৰিছিল। 'এইখন বেচ ভাল হৈছে। কিন্তু এইবোৰে তোমাক আমুৱা নাইনে? তোমাৰ ঠাইত মই হোৱা হ'লে এইবোৰ এৰি গান-বাজনা বা অন্য কিবা এটাৰ চৰ্চা কৰিলোহেতেন। তুমিতো শিল্পী নোহোৱা, সেইটো নিজেই ভালকৈ জানা। গান গোৱাত অৱশ্যে তোমাৰ অলপ হাত আছে। উস্‌ মোৰ যে কিমান ভাগৰ লাগিছে, তুমি বুজা হ'লে! অলপ চাহকে আনিবলৈ ক'মনেকি?

চাকৰটোক কিবা এটা ক'বলৈ বিয়াবস্ত সিটো কোঠালৈ সোমাই যাওঁতেই কাকো গম নিদিয়াকৈ ওল্‌গা লাহে লাহে ঘৰটোৰ পৰা ওলাই আহিল। আলিবাটৰ মুকলি বতাহ-খিনিয়েহে যেন তেওঁক বচালে। সেই মুহূৰ্ত্তৰ পৰাই শিল্প-কলা, বিয়াবস্ত, ছবি অঁকা আদি সকলোকে চিৰদিনৰ কাৰণে ত্যাগ

কৰিবলৈ তেওঁ মন বান্ধিলে। লাজ অপমানৰ শেষ সীমা আহি পৰিছিলহি। ভৱিষ্যতে ডিমভৰে সৈতে এটা শান্তিময়, নিৰল জীৱন যাপন কৰিবলৈ তেওঁ ঠিক কৰিলে। অতদিনে যেন কিবা ভুল বাটেৰে তেওঁ বাট বুলিছিল, তেওঁ ভয় খাই গ'ল।

বহুত কিবা কিবি ভাবি তেওঁ ঘৰ পালেহি। ভৱিষ্যতৰ সুখী জীৱন এটাৰ কাৰণে বহুতো তেওঁ মনতে পাঙি আহিছিল। ৰিয়াবভৰ লগত সকলো সম্পৰ্ক কাটি তেওঁলৈ খুব গালি পাৰি এখন চিঠি লিখাৰ কথা তেওঁ ভাবিলে। ৰিয়াবভে তেওঁক শিল্পী নহয় বুলিলে। কিন্তু ৰিয়াবভো এজন শিল্পী নহয় এই কথা তেওঁক ওল্‌গাই জনাব। একেসোপা কথাকে ভাটৌৰ দৰে বাৰম্বাৰ কৈ থকাটোৱেই বা একেসোপা ছবিকে বছৰ ধৰি বছৰ আঁকি থকাই শিল্প নহয়। শিল্পী হ'বলৈ হ'লে মানৱ জাতিৰ প্ৰতি সহানুভূতি থাকিব লাগিব; থাকিব লাগিব আনৰ সুখ দুখত সুখী আৰু দুখী হোৱাৰ ক্ষমতা; থাকিব লাগিব নিজৰ ব্যক্তিত্বৰ প্ৰকৃত পৰিচয় দিয়াৰ মনোবল। কিন্তু এইখিনি জানো ৰিয়াবভৰ আছিল। এই সকলোবোৰ লিখিবলৈ ওল্‌গাই ঠিক কৰিলে। তেওঁ শোৱা কোঠাটোলৈ সোমাই গ'ল।

ইতিমধ্যে পঢ়া কোঠাৰ পৰা দুৱাৰ নেমেলাকৈয়ে ডিমভে মাত লগালে, 'কোন, ওল্‌গানেকি?'

'এৰা, কিবা লাগিবনেকি?'

'এই ফালে এবাৰ আহাঁচোন। মোৰ একেবাৰে ওচৰলৈ

কিন্তু নাহিবা দেই, দুৱাৰ মুখতে থাকা। মোক ভিক্‌ৰেগীয়া বোগে আক্ৰমণ কৰিছে। খুব অস্বস্তি বোধ হৈছে। কৰষ্টেলভক মাতি পঠোৱা।'

'কি সঁচাইনে? তোমাৰ কি হৈছে মোক কোৱাচোন।'

'তেওঁক সোনকালে মাতি পঠোৱা। মোৰ অতিকৈ বেয়া লাগিছে।'

'হে ভগৱান, তুমি সহায় কৰা।' নিজকে এইদৰে কৈ গুল্‌গা গুলাই আহিল; ক'ব নোৱাৰাকৈয়ে মম এডাল জ্বলাই তেওঁ নিজৰ কোঠালৈ সোমাই গ'ল। আইনাখনত নিজৰ চেহেৰাটো দেখি তেওঁ উচাপ খাই গ'ল। ভয় আৰু দুখ-ৰত তেওঁ একেবাৰে বিবৰ্ণ হৈ গৈছিল। গভীৰ শোকে তেওঁৰ অন্তৰ খুন্দা মাৰি ধৰিলে। ডিমভৰ গুণবোৰৰ কথা মনত পেলাই তেওঁ কান্দিবলৈ ধৰিলে। কান্দি কান্দিয়েই কৰষ্টেলভলৈ চিঠি এখনো লিখিলে। তেতিয়া ৰাতি ছুটা বাজিছিল।

(৮)

পাছদিনা পুৱা সাত বজাত গুল্‌গা বিচনাৰ পৰা উঠিল। আগৰাতি টোপনি ক্ষতিৰ কাৰণে মুখখন শেঁতা পৰা। ডাক্তৰ হলটোতে দীঘল ডাটিবে মানুহ এজন পাৰ হৈ যোৱা লগ পালে, তেওঁ এজন ডাক্তৰ। গোটেই ঘৰখনতে দৰবৰ গোন্ধ। পঢ়া কোঠাৰ দুৱাৰ মুখত কৰষ্টেলভ ঠিয় হৈ আছিল।

'মই দুঃখিত। তোমাক ভিতৰলৈ যাবলৈ দিব নোৱাৰিম। তোমাৰ গালৈও ৰোগ বিয়পিব পাৰে। তদুপৰি এতিয়া তেওঁৰ কাষলৈ তুমি যোৱাৰ কোনো মানে নাই। তেওঁ ভ্ৰম বকিছে।' কৰষ্টেলভে ওল্‌গাক বাধা দিলে।

'সঁচাই তেওঁৰ ডিফ্‌থেৰীয়া হৈছেনে বাৰু?'

'বিনা কাৰণত আপদ চোচোৰাই লোৱাসকলক ফাটেক ঘৰত দেখিবলৈকে মই ইচ্ছা কৰোঁ। তুমি জানানে কেনেকৈ এওঁ এই ৰোগত পৰিবলৈ পালে। সিদিনা চিকিৎসালয়ত ডিফ্‌থেৰীয়া ৰোগী এটাৰ ডিঙিৰ পৰা পূজখিনি তেওঁ মুখেৰে সোহামাৰি উলিয়াই আনিছিল। আৰু কিহৰ কাৰণে তেওঁ সেইটো কৰিছিল?' কৰষ্টেলভৰ মুখত খং ফুটি উঠিছিল।

'এই ৰোগ বৰ বিপদজনক নেকি?'

'এৰা, ডাক্তৰসকলে ইয়াক বৰ মাৰাত্মক ব্যাধি বুলিয়ে কয়।'

সহকৰ্ম্মী ডাক্তৰসকলে এজন এজনকৈ আহি পালপাতি ডিমভৰ ওচৰত থাকি চিকিৎসাৰ তদাৰক কৰিছিল। কৰষ্টেলভ কিন্তু সকলো সময়তেই আছিল। কিবাবোৰ ভাবি ভাবি তেওঁ ঘূৰি ফুৰিছিল। ডাক্তৰসকলক চাহ-তাহৰ যোগান ধৰা আৰু দোকানৰ পৰা ঔষধ-পাতি অনাৰ কামতে লিগিৰীজনী ব্যস্ত হৈ আছিল। গোটেইঘৰখন নিজান পৰি আছিল।

ওলগাই পুনৰ নিজা শোৱা কোঠাত সোমালগৈ। বিচনাখনতে বহি পৰি তেওঁ ভাবিবলৈ লাগিল। গিৰিয়েকক ফাঁকি দিয়াৰ কাৰণেই ভগৱানে তেওঁক এই শাস্তি দিছে বুলি

তেওঁ ধৰি ল'লে। উস্ সেই সবল মানুহজনে যে মৃত্যুৰ খেন গণি বৈ আছে! ভ্ৰমতে তেওঁ বহুত কথাই কৈছিল। সেইবোৰৰ অৰ্থ কিন্তু কৰষ্টেলভৰ বাদে আন কোনেও ধৰিব পৰা নাছিল। এই মৃত্যুৰ কাৰণে জানো ডিফ্থেৰীয়া ৰোগৰ লগতে তেওঁ নিজেও দায়ী নহয়, ওল্গাই চিন্তা কৰিলে। কৰষ্টেলভৰ কথা কোৱাৰ ভঙ্গী আৰু চকুৰ চাৱনিতে সেইটো ভালদৰে ওলাই পৰিছিল। ক্ষন্তেকীয়া কিছুমান আনন্দৰ কাৰণেই যে গোটেই মানুহজনীয়ে পাপৰ বোকাত পোট খাই গৈছিল সেইটো ওল্গাই ভালকৈ বুজি উঠিছিল আৰু তাৰ প্ৰায়শ্চিত্ত কেনেকৈ হ'ব ভাবি নাপাইছিল। 'মই যে কিমান মিছলীয়া, কেনে প্ৰতাৰক?' নিজকে তেওঁ কৈছিল।

কৰষ্টেলভৰ সৈতে তেওঁ আহাৰ কৰিছিল। অলপ বঙচুৰা মদৰ বাহিৰে কৰষ্টেলভে একো নাখালে। মুখখন তেওঁৰ খঙত ৰঙা পৰি উঠিছিল। ওল্গায়ো একো খাব নোৱাৰিলে। তেওঁ মনে মনে ভগৱানক খাটিলে গিৰিয়েকক ভাল কৰি দিবলৈ। এতিয়াৰ পৰা গিৰিয়েকৰ সেৱা-শুশ্ৰূষাত নিজকে তেওঁ এৰি দিব। নিজৰ জীৱনটো যে তেওঁৰ একেবাৰে নষ্ট হৈ গৈছিল তাক তেওঁ ভালদৰে বুজি পালে। নিজৰ গাত ৰোগ বিয়পাৰ ভয়ত গিৰিয়েকৰ কাষলৈ নোযোৱাৰ কথা ভাবিও নিজকে দোষী যেন লাগিছিল। মুঠতে বেজাৰ, লাজ আৰু অনুশোচনাই তেওঁক একেবাৰে চেঁপি জুকলা কৰি তুলিছিল।

'মোৰ বন্ধুসকলৰ খবৰ কি? তেওঁলোক ক'লৈ গ'ল।

মোৰ এই বিপদৰ কথা কি তেওঁলোকে গম পোৱা নাইনেকি? হে ভগৱান তুমিয়েই মোৰ একমাত্ৰ সহায়।' ওল্‌গাই মনে মনে কৈ উঠিছিল। গোটেই ঘৰখন নিস্তব্ধ, যেন চেচা পৰা এচপৰা ডাঙৰ শিলহে।

বস্তুত ভাবি-চিন্তি ওল্‌গা বিচনাত পৰি আছিল। এনেতে কৰষ্টেলভ সোমাই আহিল। তেওঁক দেখি ওল্‌গাই সুধিলে, 'কেইটা বাজিছে?'

'প্ৰায় তিনিটা বাজো বাজো।'

'তেওঁৰ অৱস্থা কেনেকুৱা?'

'তেওঁৰ অৱস্থা? তেওঁৰ অৱস্থাৰ সালসলনি হোৱাৰ সময় পাৰ হৈ গৈছে। তোমাক সেই খবৰটো দিবলৈহে মই আহিছো।' কথাখিনি কৈয়েই সৰু লৰাৰ দৰে ফেকুৰি ফেকুৰি তেওঁ কান্দি উঠিল। ওল্‌গাৰ কাষতে বিচনাখনত তেওঁ বহি পৰিল।

'খুব বেচি ত্যাগ আৰু কষ্ট কৰাৰ কাৰণেই অকালতে তেওঁ মৃত্যুক আকোৱালি ল'ব লগা হ'ল, উচুপি উচুপি কৰষ্টেলভে নিজকে কোৱাৰ দৰে কৈ গ'ল। তেওঁৰ মৃত্যুত ডাক্তৰী বিজ্ঞানৰ কিমান ক্ষতিয়েই যে নহৈছে! তেওঁৰ তুলনাত আমি সকলোবোৰেই নগন্য। তেওঁ অসাধাৰণ আছিল। আমাৰ সকলোৰে অনুপ্ৰেৰণাৰ স্থল আছিল তেওঁ! কিমান ডাঙৰ এজন বৈজ্ঞানিকেই তেওঁ যে নহ'লহেতেন! হে ভগৱান অকালতে তুমি তেওঁক লৈ গ'লা। কি যে এটা অপূৰণীয়

ক্ষতি হ'ল।' বেজাৰতে হাতদুখনেৰে তেওঁ মুখখন ঢাকি ধৰিলে।

'তদুপৰি তেওঁৰ কিমান নৈতিক বল!' আকৌ আৰম্ভ কৰিলে। 'কি এক পানীৰ দৰে নিৰ্মল আৰু পবিত্ৰ আত্মা! তেওঁ আছিল বিজ্ঞানৰ একনিষ্ঠ সেৱক, আৰু বিজ্ঞানৰ কাৰণেই নিজৰ প্ৰাণ দান দিলে। দিনৰাতি ঘোঁৰাৰ দৰে তেওঁ খাটিলে। ভৱিষ্যতৰ জ্ঞানী অধ্যাপক এজনক কালে অকালতে হৰি নিলে। হে ভগৱান!' ঘৃণাৰে তেওঁ ওল্‌গাৰ ফালে চালে।

'হয় তেওঁ এজন অসাধাৰণ পুৰুষ আছিল।' বহা কোঠাৰ পৰা কোনোবা এজনে কোৱা শুনা গ'ল।

ডিমভৰ লগত কটোৱা গোটেই কালছোৱাৰে এক জীৱন্ত ছবি ওল্‌গাৰ মনৰ পটত জিলিকি উঠিল। তেওঁৰ উপলব্ধি কৰিলে, সঁচাই তেওঁৰ ব্যক্তিত্ব আছিল অসাধাৰণ, বিৰল। তেওঁৰ শিল্পী আৰু আন খ্যাতিসম্পন্ন বন্ধুসকল ডিমভৰ মানত নগন্য। 'তুমি এটা বৰ ডাঙৰ সুযোগ হেৰুৱালা।' গোটেই ঘৰটোৱেই যেন ওল্‌গাক এই কটুক্তি কৰিছিল। বলিয়াৰ দৰে দৌৰ মাৰি তেওঁ গিৰিয়েকৰ পঢ়া কোঠালৈ সোমাই গ'ল। অচল ভাবে ডিমভ বিচনাখনত পৰি আছিল। ককাললৈকে এখন বগা কাপোৰেৰে ঢাক খোৱা। মুখখন একেবাৰে শুকান। বৰণটো হালধীয়া হৈ পৰিছিল। মাত্ৰ বহল কপালখন, ডাঠ ক'লা চেলাউৰীযোৰ আৰু মুখত লাগি

থকা সেই সবল হাঁহিটোৰ পৰাহে তেওঁক ডিমভ বুলি ধৰিব পৰা গৈছিল। ওল্গাই তেওঁক গৰা মাৰি ধৰিলে। বুকুখন তেতিয়াও গৰম হৈয়ে আছিল। আধামুদা চকু ছুটাৰে তেওঁ চাই আছিল, আকাশৰ ফালে।

'ডিমভ! ডিমভ!' ওল্গাই চিঞৰ লগালে। নিজৰ সকলো দোষ গিৰিয়েকক জনাব খুজিলে। তেওঁ আৰু স্বীকাৰ কৰিব খুজিলে সঁচাকৈয়ে তেওঁ মহান পুৰুষ। আৰু প্ৰতিশ্ৰুতি দিব খুজিলে গোটেই জীৱন তেওঁৰ সেৱাত ব্ৰতী হৈ থাকিব বুলি। আৰু অনেক কথাই তেওঁ ক'বলৈ বিচাৰিছিল। কিন্তু সেই সময় যে কেতিয়াবাই উকলি গৈছিল।

'ডিমভ! ডিমভ! জোৰেৰে বাহু ছুটাত ধৰি ওল্গাই জোকাৰি দিলে।

ঠিক সেই সময়তেই বহা কোঠাটোত কৰষ্টেলভে লিগিৰী-জনীক কৈছিল, 'সুধিবলৈ আৰু কিটো আছে? গীৰ্জালৈ যোৱা। ভিক্ষামগা মানুহকেইজনীৰ খবৰ কৰা। তেওঁলোকে শটো ধুৱাই মেলি আৱশ্যকীয় সকলোখিনি কৰিব।'

●

(এই গল্পটোৰ ওল্গা আইভানোভ্নাৰ চৰিত্ৰত এটা ফৰিঙৰ সাদৃশ্য ফুটাই তোলা হৈছে কাৰণেই গল্পটোৰ এই নামাকৰণ।)